# নাম-ধৰ্ম

ষষ্ঠিতম বৰ্ষ ঃ প্ৰথম সংখ্যা

৫৬২ শঙ্কৰাব্দ ঃ গুৰু আৱিৰ্ভাৱ সংখ্যা

সম্পাদক

জীৱকান্ত নাথ

**শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ**

মূল কাৰ্যালয় ঃ নগাঁও (অসম)

২০১০ খ্ৰীষ্টাব্দ

**NAM-DHARMA :** *An organ of the Srimanta Sankaradeva Sangha, Published by Sahitya Sakha Samittee for and behalf of Srimanta Sankardeva Sangha. :* 562nd Sankarabda, October-2010

Editor : Jibakanta Nath Price Rs. 25.00

**© শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ**

আহিন ঃ ৫৬২ শঙ্কৰাব্দ ঃ অক্টোবৰ'২০১০

**প্ৰকাশক ঃ**

সাহিত্য শাখা সমিতি
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

**সাহিত্য শাখা সমিতি ঃ**

সভাপতি ঃ শ্ৰীকৈলাস দাস
সম্পাদক ঃ শ্ৰীজীৱকান্ত নাথ
সদস্যসকল ঃ ড° সুৰেশ চন্দ্ৰ বৰা, সম্পাদক ঃ 'মহাপুৰুষ জ্যোতি'
শ্ৰীকমলাকান্ত বৰা, সম্পাদক ঃ 'ডেকাগিৰী'
শ্ৰীগোবিন্দ চন্দ্ৰ ডেকা, সম্পাদক ঃ 'শিশু-মঞ্জৰী'
শ্ৰীহেমপ্ৰসাদ বৰা, সম্পাদক ঃ 'প্ৰাচীৰ পত্ৰিকা'
শ্ৰীভৱেন দুৱৰী
শ্ৰীনাৰায়ণ গগৈ
ড° জগত কলিতা

**মূল্য ঃ ২৫.০০ টকা**

ছপা সংখ্যা ঃ **২,০০০** (দুহাজাৰ)

**প্ৰাপ্তিস্থান ঃ**

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল কাৰ্যালয় ঃ কলংপাৰ, নগাঁও
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ ৰূপনগৰ, গুৱাহাটী
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ যোৰহাট
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ লখিমপুৰ
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ গৌৰীপুৰ, ধুবুৰী
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ ডিব্ৰুগড়
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সকলো জিলা শাখাৰ কাৰ্যালয়

**অক্ষৰ বিন্যাস ঃ**

সত্যসন্ধা প্ৰেছ
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
শঙ্কৰী সংস্কৃতি কেন্দ্ৰ, ৰূপনগৰ, গুৱাহাটী-৩২

**মুদ্ৰণ ঃ**

মাতৃ অফ্‌ছেট প্ৰেছ,
হেদায়েৎপুৰ, গুৱাহাটী ঃ ৭৮১০০৩

জয় গুৰু শঙ্কৰ

# শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰধান সম্পাদকৰ একাষাৰ

সঙ্ঘৰ মুখপত্ৰ 'নাম-ধৰ্ম'ই তিনিকুৰি বছৰত ভৰি দিলেহি। এইয়া নিশ্চয় শঙ্কৰী সাহিত্য জগতৰ বাবে বিশেষ গৌৰৱৰ কথা। পাৰ হৈ যোৱা এই সুদীৰ্ঘ দিনৰ ইতিহাসত গুৰুজনাৰ সাহিত্যকৃতিৰ চৰ্চা, অনুসন্ধানত বহুজন চিন্তাশীল ব্যক্তিৰ শুভ চিন্তনৰ স্বাক্ষৰ 'নাম-ধৰ্ম' আলোচনীয়ে বহন কৰি আনিলে। বহুতো বিতৰ্কিত বিষয়ৰ সমাধান নাম-ধৰ্মৰ পাতত লিপিবদ্ধ হ'ল। তাত্ত্বিক আৰু ব্যৱহাৰিক ক্ষেত্ৰতো শঙ্কৰী সাহিত্যই দূৰ দিগন্ত অতিক্ৰম কৰিবলৈ সক্ষম হ'ল। গুৰুজনাৰ ৰচনাশৈলীৰ বহু দিশ নতুনত্বৰ ধাৰণাৰে বিজ্ঞানমনস্কতাৰ চিন্তা-ধাৰাৰে বিকশিত হৈ উঠিল। অন্ধবিশ্বাস-কুসংস্কাৰে আৱৰি থকা সমাজখনৰ পৰা বহুখিনি অশুভ পৰম্পৰা দূৰ হ'ল। শাস্ত্ৰতত্ত্বৰ অপ-ব্যাখ্যা আৰু প্ৰক্ষিপ্ত পদ ঘোষাৰ গ্ৰাসৰ পৰা শঙ্কৰী সাহিত্যৰ ৰচনাসমূহ পৰিশুদ্ধ ৰূপৰে পুনৰ প্ৰকাশিত হ'ল।

'নাম-ধৰ্ম'ক বিভিন্ন লেখনিৰে সমৃদ্ধ কৰা লেখক-প্ৰবন্ধকাৰ-কবি-সাহিত্যিকসকলে যোৱা তিনিকুৰি বছৰত যেনেদৰে সঞ্জীৱিত কৰি ৰাখিলে তাৰ বাবে সকলো লেখক-লেখিকাৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিলো। যিসকল নিয়মীয়া পাঠকে এই মুখপত্ৰখনিৰ যোগে পৰম অমৃত তত্ত্বৰ সন্ধান পালে তেখেতসকললৈও আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰা হ'ল। যিসকল সম্পাদকৰ প্ৰচেষ্টাত মুখপত্ৰভাগি সুন্দৰভাৱে নিয়মীয়াকৈ প্ৰকাশ হৈ থাকিল তেখেতসকলৰ প্ৰতিও আমাৰ ধন্যবাদ জ্ঞাপন কৰা হ'ল।

বৰ্তমান বছেৰেকত দুবাৰকৈ মুখপত্ৰভাগিৰ দুটি সংখ্যা যথাক্ৰমে 'গুৰু আৱিৰ্ভাৱ সংখ্যা' আৰু 'অধিৱেশন সংখ্যা' হিচাপে প্ৰকাশ পাই আছে। সেই মৰ্মে ৫৬২তম গুৰু আৱিৰ্ভাৱ সংখ্যাটি এইবাৰ প্ৰকাশ হৈছে। পৰৱৰ্তী সংখ্যাটিও অধিৱেশন সংখ্যা হিচাপে বকলিয়াত প্ৰকাশ পাব। এইবাৰ কেন্দ্ৰীয়ভাৱে গুৰুজনাৰ ৫৬২তম জন্মোৎসৱভাগি বৰপেটা জিলাৰ আতিথ্যত ভবানীপুৰৰ ওচৰৰ বাংলীপাৰাত অনুষ্ঠিত হ'ব। গুৰু জন্মোৎসৱৰ এই পৱিত্ৰ অৱসৰত আপোনাসবৰ সকলোৰে প্ৰতি শুভেচ্ছা জ্ঞাপন কৰাৰ সুযোগ গ্ৰহণ কৰিলো। গুৰুজনাৰ ৫৬২তম আৱিৰ্ভাৱ মহোৎসৱৰ শুভ দিৱসত আপোনাসৱ সকলোৰে প্ৰতি ওলগ জনাই প্ৰধান সম্পাদকৰ একেষাৰ বক্তব্যৰ সামৰণী মাৰিলো। ইতি

ভৱদীয়--

**হৰিপ্ৰসাদ হাজৰিকা**
প্ৰধান সম্পাদক
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

নগাঁও ঃ মূল কাৰ্যালয়
৫৬১ শঙ্কৰাব্দ
৬ অক্টোবৰ, ২০১০

জয় গুৰু শঙ্কৰ

## সম্পাদকীয়—

# সমাজ আৰু পৰম্পৰা

সমাজ পাতি বসবাস কৰাটো জীৱ জগতৰে এটা চিৰাচৰিত প্ৰথা। ইয়াক প্ৰাণীসমূহৰ এটা স্বাভাৱিক প্ৰবৃত্তি যেনও লাগে। কেৱল মানুহৰ ক্ষেত্ৰতে নহয়; চৰাই-চিৰিকতি, জীৱ-জন্তু আৰু জলজ প্ৰাণীসমূহেও সমাজ পাতি বাস কৰে। মানুহৰ সমাজবোৰলৈ লক্ষ্য কৰিলে দেখা যায় যে- প্ৰতিখন সমাজৰে কিছুমান নীতি-নিয়ম, আচাৰ-অনুষ্ঠান আছে যিবোৰক কেন্দ্ৰ কৰি সমাজ একোখন বৰ্তি থাকে। সাধাৰণতে পূৰ্বৰপৰা চলি অহা নীতি-নিয়মবোৰকে সমাজে মানি লয় আৰু যিবোৰক পৰম্পৰাগত নীতি-নিয়ম বোলা হয়। অৱশ্যে একোখন সমাজে কালৰ পৰিৱৰ্তনত কিছুমান প্ৰাচীন পৰম্পৰা পৰিহাৰ কৰি নতুন পৰম্পৰাও সৃষ্টি কৰে। কিন্তু এটা কথা ঠিক যে নতুন পৰম্পৰা এটা প্ৰৱৰ্তনৰ বেলিকা যথেষ্ট বাধা-বিঘিনিৰ সমুখীন হ'বলগীয়া হয়।

বৰ্তমান বিজ্ঞান আৰু আধুনিক প্ৰযুক্তি বিদ্যাৰ যুগত সমাজে বহু পৰম্পৰা বিসৰ্জন দি নতুন পৰম্পৰা সৃষ্টি কৰি লোৱা দেখা গৈছে। কিন্তু এনে কিছু পৰম্পৰা আছে, যিবোৰক অন্ধবিশ্বাস বুলি জানিও আজিৰ মানুহে সহজতে পৰিহাৰ কৰিব নোখোজে। সাংস্কৃতিক, সামাজিক, আৰ্থিক, ৰাজনৈতিক আদিৰ ক্ষেত্ৰবিলাকলৈ মন কৰিলে দেখা যায় যে আধুনিক যুগৰ সভ্যতাৰ প্ৰভাৱত আৰু নিজৰ সুখ-সুবিধাৰ স্বাৰ্থত ব্যক্তি বিশেষ তথা সমাজে প্ৰাচীন পৰম্পৰা এৰি নতুন পৰম্পৰাক আনন্দ মনেৰে গ্ৰহণ কৰিছে।

সমাজ জীৱনৰ ভিন ভিন ক্ষেত্ৰৰ দুই এটি উদাহৰণ ইয়াত দাঙি ধৰিবলৈ প্ৰয়াস কৰা হ'ল। আদিম যুগত মানুহে নগ্নভাৱে বিচৰণ কৰিছিল, জীৱ-জন্তুৰ দৰেই যৌনাচাৰ কৰিছিল, কেঁচা মঙহ ভক্ষণ কৰিছিল; শিলৰ জোঙেৰে খুচি কৃষি কৰিছিল, পৰ্বতৰ গুহাত বসবাস কৰিছিল ইত্যাদি ইত্যাদি। কিন্তু যুগৰ পৰিৱৰ্তনৰ ফলত লজ্জা নিবাৰণ আৰু জাৰ-জহৰ পৰা ৰক্ষা পাবৰ কাৰণে গছৰ বাকলি পিন্ধাৰ পৰা এতিয়া আধুনিৰ যন্ত্ৰৰে নিৰ্মিত বস্ত্ৰ ধাৰণ কৰিবলৈ ধৰিলে। জীৱ-জন্তুৰ দৰেই যৌনাচাৰ পালন নকৰি বিবাহ পদ্ধতিৰ উদ্ভাৱন কৰি শৃঙ্খলিত জীৱন-যাপন কৰিবলৈ শিকিলে। কেঁচা মহঙ নাখাই ৰন্ধন-প্ৰকৰণৰ দ্বাৰা বিবিধ ব্যঞ্জনৰ স্বাদ লোৱাৰ নীতি সৃষ্টি কৰিলে। কৃষি পদ্ধতিৰ আমূল পৰিৱৰ্তন সাধন হ'ল। পৰ্বতৰ গুহা এৰি প্ৰাকৃতিক উপাদানেৰে নিৰ্মিত সুন্দৰ ঘৰ-দুৱাৰত বসবাস কৰিবলৈ শিকিলে। আধুনিক বিজ্ঞানৰ যুগত মানুহ আৰু এঢাপ আগুৱাই মহাকাশতো বাস কৰিব পৰা হ'ল। এটা দিনত হয়তো মানুহ চন্দ্ৰলোকতো বাস কৰিব। সভ্যতাৰ অগ্ৰগতিৰ ফলতেই মানুহে প্ৰাচীন পৰম্পৰা এৰিবলৈ লৈছে। কিন্তু এই ক্ষেত্ৰত এটা কথা লক্ষণীয় যে সকলো ক্ষেত্ৰতেই মানুহে প্ৰাচীন পৰম্পৰা এৰিব পৰিলেও ধৰ্মীয় ক্ষেত্ৰখনৰ কিন্তু সহজে পৰিৱৰ্তন নিবিচাৰে অৰ্থাৎ প্ৰাচীন পৰম্পৰা এৰিব নোখোজে। সভ্যতাৰ আদিম অৱস্থাত মানুহে বৃক্ষপূজা,

শিলপূজা, শিল-মৃত্তিকাৰ মূৰ্তি উপাসনা কৰাৰ দৰেই বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ যুগতো একেই পৰম্পৰাৰে ধৰ্মীয় বিশ্বাস পালন কৰি আহিছে। কেৱল শিল, বৃক্ষ আদিৰ পূজাতেই মানুহ আৱদ্ধ নাথাকি জীৱ-জন্তু বলি দি ধৰ্মৰ নামত অন্ধবিশ্বাসক সাৰটি থাকিবলৈও আধুনিক বিজ্ঞান যুগৰ নৰলোকে তিলমানো কুণ্ঠাবোধ কৰা নাই। ইয়াৰ কাৰণ কি বুলি সুধিলে ইমান সহজতে কোনেও ছাগে শুদ্ধ উত্তৰ এটা দিব নোৱাৰিব। মনস্তাত্বিক কাৰণো ইয়াত নিশ্চয় নিহিত নথকা নহয়। ধৰ্ম এটা স্পৰ্শকাতৰ বিষয় হ'লেও এনে উপাসনা পদ্ধতিবোৰ আধ্যাত্মিকাৰ দৃষ্টিৰে একেবাৰেই নিৰৰ্থক বুলিয়েই ক'ব লাগিব। সত্য, দয়া, ক্ষমা, কৰুণা, পৰোপকাৰ, অহিংসা আদিহে যে বহল অৰ্থত ধৰ্ম তাক যুগে যুগে মহাপুৰুষ তথা মহৎলোকসকলে তেওঁলোকৰ বাণীৰ দ্বাৰা প্ৰচাৰ কৰি আহিছে। কিন্তু ঠেক অৰ্থৰ ধৰ্মটোক এচাম লোকে ইমান গুৰুত্ব দিয়ে যে যিটোৱে সভ্যতাৰ অগ্ৰগতিক যেন ভেঙুচালিহে কৰিছে। এনে প্ৰাচীন পৰম্পৰাই মানুহক মানুহ ৰূপত প্ৰতিষ্ঠা কৰাত কিমান সফল হ'ব তাক যুগৰ ইতিহাসে এদিন নিশ্চয় নিৰ্ণয় কৰিব। কিন্তু বৰ্তমান সমাজত এনে পৰম্পৰাই কিবা সহায় কৰিছে বুলি কোনোবাই বুকু ডাঠি ক'ব পাৰিবনে? বৰ্তমান জগতৰ সভ্যতাৰ দাপোণখনত এবাৰ চকু ফুৰালে দেখা পাম যে কিছুমান দেশ তথা জাতিয়ে সংস্কাৰমুখী বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে বেয়া পৰম্পৰাবোৰক বিসৰ্জন দি পাখিলগা কাঁড়ৰ দৰে আগুৱাই গৈছে,আনফালেদি কুসংস্কাৰ আৰু অন্ধবিশ্বাসক সাৰটি এচামে সভ্যতাৰ অগ্ৰগতিক বাধা প্ৰদান কৰি বোকা-পানীত মূৰ গুজি আছে। এইসকলে কোনটো ভাল পৰম্পৰা আৰু কোনটো বেয়া পৰম্পৰা তাক ধৰিব পৰা নাই বা পাৰিলেও ভেকুলীয়ে টোৰটোৰাই থকাৰ দৰে 'বোপা-ককাৰ বৃত্তিটো এৰিমনো কিয়?' বুলি গপতে গংগাটোপ হৈছে।

মধ্যযুগৰ ভাৰতবৰ্ষত ভক্তি আন্দোলনৰ যি ঢৌ উঠিছিল, সেইটোৱে সাময়িকভাৱে হ'লেও বহুতৰ মন এই বেয়া পৰম্পৰাৰ পৰা আঁতৰাই আনি নতুন ভাল পৰম্পৰাক গ্ৰহণ কৰিবলৈ শিক্ষা দিছিল। তাৰ ফলত ধৰ্মৰ ভাল ফালটোৱে বহুতৰ মনত প্ৰভাৱ পেলাইছিল আৰু পুৰণি পৰম্পৰাক বিসৰ্জন দি সত্য, দয়া, কৰুণা, অহিংসা আদি নীতিৰে ভগৱানক উপাসনা কৰাৰ ৰীতি প্ৰৱৰ্তন হৈছিল। জাত-পাতৰ নামত থকা প্ৰাচীৰখনৰ বাধা নেওচি সমাজৰ বহুলোকে আধুনিক বৈজ্ঞানিক মনৰ গৰাকী হৈছিল আৰু এতিয়াও হৈ আছে।

মধ্যযুগৰ ভক্তি আন্দোলনে উত্তৰ-পূৰ্বাঞ্চলক বাৰুকৈয়ে কোবাই গৈছিল। মহাপুৰুষ শঙ্কৰদেৱ মাধৱদেৱৰ দৰে সৰ্বকলা বিশাৰদ মহৎ ব্যক্তিক এই আন্দালনে নেতৃত্ব ল'বলৈ আহ্বান জনাইছিল। মহাপুৰুষ শঙ্কৰদেৱে সেয়েহে সাতামপুৰুষীয়া বেয়া পৰম্পৰাখিনিক একাষৰীয়া কৰি থৈ যুক্তিপূৰ্ণ বৈজ্ঞানিক সজ পৰম্পৰাবোৰক আদৰি লৈছিল। সৰ্বগুণাকৰ খনিকৰজনে সাহিত্য, গীত-নৃত্য-বাদ্য আদিৰ যোগেদি নতুনক আদৰি লৈ এখন বৈষম্যহীন মানৱ সমাজ আংশিকভাৱে হ'লেও গঠন কৰি গ'ল আৰু এনে কৰ্মৰ দ্বাৰা এটি মহৎ আদৰ্শ স্থাপন কৰি গ'ল। ধৰ্মৰ নামত চলা কুসংস্কাৰ, অন্ধবিশ্বাসৰ বাধা আঁতবলে, জাত-পাতৰ ডাঠ কুঁৱলীৰ বেহু ভেদ কৰি প্ৰকৃত সত্য উদ্ভাৱন কৰি গৈ গ'ল—

'ব্ৰাহ্মণৰ চাণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যেন দৃষ্টি এক তুল।।'

মহাপুৰুষ মাধৱদেৱে যুগোপযোগী ধৰ্মৰ উপদেশ বাণীৰ ঘোষণা কৰিলে—

'সত্য যোগে ধ্যান ত্ৰেতা যুগে যজ্ঞ
দ্বাপৰ যুগত পূজা।

কলিত হৰিৰ কীৰ্ত্তন বিনাই

আৰৰ নাহিকে দুজা।।

যুগৰ সলনিৰ লগে লগে যদি আমি জীৱন পদ্ধতিৰ সকলো সুবিধা গ্ৰহণ কৰিব পাৰোঁ, তেনেহ'লে ধৰ্মৰ নামত চলা এলান্ধুকলীয়া নীতি-নিয়মবোৰ বিসৰ্জন দি কিয় নতুন পৰম্পৰা গ্ৰহণ কৰিব নোৱাৰিম? যুগৰ আহ্বানক গ্ৰহণ কৰা জনেহে সৰ্ব দিশতে সমাজ জীৱনৰ পৰিৱৰ্তন সাধন কৰিব পাৰিব। ধৰ্মৰ মূল কামেই হ'ল— শান্তি। শান্তি স্থাপনৰ বাবে কোনোবাই যদি জীৱনাহুতি দিব পাৰে, তেনেহ'লে সাধাৰণ নিয়ম এটা সলনি কৰিব নোৱাৰাটো মানৱ সমাজৰ কাম্য হ'ব নোৱাৰে কেতিয়াও। যুগৰ পৰিৱৰ্তনৰ লগে লগে সমাজৰ সকলো স্তৰতে ভাল পৰম্পৰা গ্ৰহণ কৰিব পাৰিলেহে মানৱ সমাজ যে মঙ্গলময় হ'ব— সেই কথা ধ্ৰুৱপ।

**কৃতজ্ঞতা জ্ঞাপন ঃ** ৫৬২ তম্ গুৰু জয়ন্তী নাম-ধৰ্ম সংখ্যা প্ৰকাশৰ কাৰণে লেখক-লেখিকাসকলে তেখেতলোকৰ বহুমূলীয়া প্ৰবন্ধ-পাতি দি আমাক কৃতাৰ্থ কৰাৰ বাবে সকলোৰে চৰণৰ পণিপাত জনাইছোঁ। মাতৃ অফছেট প্ৰেছে সময়মতে ছপা-বন্ধা কাম সম্পূৰ্ণ কৰি পাঠকৰ হাতত দিবলৈ সুবিধা কৰি দিয়াৰ বাবে প্ৰেছৰ কৰ্মকৰ্তাসকলক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

এই সংখ্যাৰ শুধৰণি কাৰ্যত আমাৰ সহায় কৰি দিলে সাহিত্য শাখাৰ মাননীয় সদস্য শ্ৰীভৱেন দুৱৰী বাপে। তেখেতলৈ ভক্তিভৰা সেৱা যাচিলোঁ। আমাৰ সীমিত জ্ঞানেৰে সম্পাদন কাৰ্য কৰা হেতু ইয়াত নিশ্চয় বহুতো ভুল-ভ্ৰান্তি হৈ গৈছে। সৰ্ব দোষৰ ক্ষমা বিচাৰি সবাৰে চৰণত সেৱা জনালোঁ।

৪ ছেপ্তেম্বৰ, ২০১০ চন

সেৱাৰে---

**শ্ৰীজীৱকান্ত নাথ**

সম্পাদক

**'নাম-ধৰ্ম'**

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

# সূচীপত্ৰ


| | | | পৃষ্ঠা |
|---|---|---|---|
| ব্ৰহ্মজ্ঞান কথন | ঃ | শ্ৰীকৰুণাকান্ত কলিতা | ১ |
| গুৰু-ভটিমা | ঃ | কৈলাস দাস | ৩ |
| বৰগীতৰ ভগৱৎ তত্ত্ব | ঃ | প্ৰদীপ কুমাৰ শইকীয়া | ১৬ |
| শ্ৰীমদ্ভগৱদ গীতা ঃ এক চমু বিশ্লেষণ | ঃ | ড°ইন্দিৰা শইকীয়া বৰা | ২০ |
| মহাপুৰুষ মাধৱদেৱৰ ৰচনাত মায়া | ঃ | বোধেশ্বৰ কাকতি | ২৪ |
| ভকতি-সৌৰভ | ঃ | ভৱেন দুৱৰী | ২৮ |
| কৃপাল গুৰু শঙ্কৰ | ঃ | সভাৰাম ভৰালী | ৩০ |
| 'গুৰু- চৰিত- কথা'ত ঃ শঙ্কৰদেৱৰ মানৱীয় দৃষ্টিৰ প্ৰতিফলন | ঃ | ড° মুকুল চক্ৰৱৰ্ত্তী | ৩২ |
| বৰগীতত ভক্তিৰ ভাৱ বৈচিত্ৰ্য ঃ এটি অধ্যয়ন | ঃ | ড° কনক চন্দ্ৰ চহৰীয়া | ৩৮ |
| সামাজিক শ্ৰেণীভেদৰ সমস্যা আৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ শিক্ষা | ঃ | ড° অনুৰাধা শৰ্মা | ৪২ |
| মহাপুৰুষ শঙ্কৰদেৱৰ বৰগীত আৰু আজান ফকীৰৰ জিকিৰ- এটি তুলনামূলক আলোচনা | ঃ | আব্দুল মালিক | ৪৭ |
| জাতীয় সংহতিৰ পটভূমিত শ্ৰীমন্ত শঙ্কৰদেৱৰ সংস্কৃতি-ভাৱনা | ঃ | নমিতা শইকীয়া | ৫৩ |
| ভক্তি আন্দোলনৰ পটভূমিত ৰাষ্ট্ৰীয় সংহতি প্ৰতিষ্ঠাত শঙ্কৰদেৱ আৰু চৈতন্যদেৱৰ অৱদান | ঃ | শিখা ভূঞা | ৫৭ |
| অসমৰ মধ্যযুগৰ ভক্তি আন্দোলন আৰু জাতীয় সংহতি | ঃ | বীণাপাণি দেৱী | ৬৪ |
| ভক্তি | ঃ | নাৰায়ণ শইকীয়া | ৬৮ |
| নাম-ঘোষাত ভক্তিৰস | ঃ | ৰাজু বৰুৱা | ৭১ |
| ভক্তিৰ ধাৰণা আৰু মহাপুৰুষ মাধৱদেৱৰ 'ৰাজসূয় কাব্য'ত ইয়াৰ স্ফুৰণ | ঃ | ৰুণিমা বৰুৱা | ৭৬ |
| দুখন জীৱনভিত্তিক উপন্যাসৰ আধাৰত শঙ্কৰদেৱৰ আধ্যাত্মিক দৃষ্টিভংগী | ঃ | প্ৰফুল্ল কুমাৰ নাথ<br>ধীৰাজ পাটৰ | ৮৪ |

# ব্ৰহ্মজ্ঞান কথন

**কৰুণাকান্ত কলিতা**

শুকদেৱে ক'লে, পৰীক্ষিত, ভগৱন্ত কৃষ্ণ পৰমদেৱ। ব্ৰহ্মা-মহেশ্বৰ তেওঁৰ অধীন। স্বতন্ত্ৰ নহয়। কাল আৰু মায়াও তেওঁৰে অধীন। কালাতীত, মায়াতীত স্বাধীন, স্বতন্ত্ৰ, স্বৰাট। স্বয়ং প্ৰকাশক। অনন্ত মহিমাযুক্ত। প্ৰভু কৃষ্ণৰ কথা তোমাক বিৰৰি ক'লোঁ। তুমি শুনিলা। মৃত্যু ভয় দূৰ কৰা। ভয়ৰ কাৰণ অজ্ঞান। অজ্ঞানতা মনৰ সৃষ্টি। ভাগৱত কথা- পাৰমাৰ্থিক কথা। এই অমৃত কথাই কোটি জন্মৰ পাপ হৰণ কৰে। অজৰ অমৰ তুমি আত্মা। জন্মও নাই, মৃত্যুও নাই। জনম-মৰণ দেহৰ ঘটে। তুমিতো দেহ নহয়। দেহৰ পৰা দেহ উৎপন্ন হয়। তুমি দেহহীন যদিও দেহতে আছা। অগ্নি কাঠত থাকে। কাঠ অগ্নি নহয়। কাঠো অগ্নি নহয়। কাঠ পুৰি ছাই হয়, অগ্নি নাশ নহয়। অগ্নি সদায় থাকে। অগ্নিৰ নিত্যতা আছে, কাঠৰ নাই। ঘটত আকাশ থাকে। ঘট ভাগে। আকাশ নাভাগে। ঘটাকাশ-মহাকাশত লীন যায়। দেহৰ গুণ কৰ্ম মনে স্ৰজে। মনক স্ৰজে মায়াই। মনৰ ভ্ৰমৰ কাৰণ— মায়িক মন।

তেল, মলা, শতিলা, অগ্নিৰ সংযোগত দীপ জ্বলে- অসংযোগত নজ্বলে। একেদৰে- দেহ, মন, কৰ্ম, আত্মাৰ সংযোগত জীৱ। মায়িক মনৰ কাৰণে জীৱই দুখ ভোগ কৰে। দেহ কৰ্তা সংসাৰ মনৰ। চিত্ত স্থিৰ কৰা। তুমি পৰমাত্মাৰ অংশ। যিটো ব্ৰহ্ম সেইটো তুমিয়েই। নিজকে ব্ৰহ্ম বুলি জানিলে শোক মোহ নাথাকে। মন বুদ্ধিত স্থিৰ কৰা, বুদ্ধি আত্মাত স্থিৰ কৰা। আত্মা স্থিৰ কৰা পৰমাত্মাত। স্থিৰ কৰাৰ উপায় ভক্তি। ভক্তি মহা জ্ঞান। এই জ্ঞানত 'বিৰকতি' উপজে। এইবাবে পৰীক্ষিত— কৃষ্ণৰ চৰণ চিন্তা কৰা। তক্ষকে কি কৰিব? তুমি আত্মা— তক্ষকে দংশিব কেনেকৈ? তক্ষকে দেহটোহে দংশন কৰিব। তোমাক নিস্তাৰ কৰিব ভগৱন্ত কৃষ্ণই। তোমাক লৈ যাব অমৃত তত্ত্বলৈ। তোমাৰ ভয় কিহৰ? ভগৱন্ত কৃষ্ণ কৃপাময়। তেওঁৰ কৃপামৃত পোৱাটো জানো কম কথা? সেই ভগৱন্তক তুমি জানিলা। নিজকো আত্মা বুলি চিনিলা— কি যে তোমাৰ মহাভাগ্য আৰু জানো বুজিবলৈ কিবা বাকী আছে? আছে যদি কোৱা পুনৰ বাৰ্হস্কন্ধ শুনাওঁ। পৰীক্ষিতৰ মুখলৈ চাই শুকদেৱ মৌন হৈ পৰিল।

পৰীক্ষিতৰ শৰীৰৰ মনৰ মল দূৰ হ'ল। মোহ অন্তৰ্হিত হ'ল। চিত্ত বিগলিত হ'ল। শৰীৰ ৰোমাঞ্চিত [ ] পৰিল। আনন্দাশ্ৰু দুগালেদি বাগৰি গ'ল। শিৰ [ ]নত কৰিলে। শুকদেৱৰ চৰণ দুখানি মাথাত তুলি [ ]লে। গদ গদ স্বৰে ক'লে— গুৰুদেৱ, আপুনি [ ]মাৰ্থৰ কথা ক'লে। মোক কৃতাৰ্থ কৰিলে। মহাহৰিৰ [ ]থা শুনিলোঁ। ব্ৰহ্মাকে আদি কৰি সকলো তেওঁৰ [ ]য়াতে মোহিত। তেওঁৰ কথাই মোৰ মোহ অহংকাৰ [ ] কৰিলে। মোৰ অজ্ঞান গুচাই তেওঁকে আপুনি [ ]ক্ষাৎ কৰালে। প্ৰাণৰ বান্ধৱ কৃষ্ণক জানিলো। [ ]পুনি মোক জ্ঞান চক্ষু দিলে। পৰম কৃপা কৰিলে। [ ]াৰ দৃষ্টিত এতিয়া সকলো ব্ৰহ্মময়- কৃষ্ণময়। [ ]লোকে নেদেখে। সংসাৰ তাপত পুৰি মৰে। সেই [ ]কলেও কৃষ্ণ চিত্ত হ'লে সংসাৰ তৰিব পাৰে। মোক [ ]পুনি ভাগৱত শুনালে। এই মহাশাস্ত্ৰত আন একো নেদেখিলো- দেখিলো মাত্ৰ এই শাস্ত্ৰই ঈশ্বৰ কৃষ্ণকহে

প্ৰকাশ কৰিছে আৰু প্ৰকাশ কৰিছে কৃষ্ণৰ নাম। ঘোষণা কৰিছে প্ৰধান ধৰ্ম- কৃষ্ণ নাম। অভয় ব্ৰহ্ম কৃষ্ণ। মোৰ মন তেওঁৰ চৰণতে অৰ্পিত। হে গুৰুদেৱ- তক্ষকৰ মৃত্যুলৈ মোৰ এতিয়া কোনো ভয় নাই। আন একো শুনিবলৈ মোৰ প্ৰয়োজন নাই। কৃষ্ণ গুণ নাম ব্যতিৰেকে একো কথা আলাপ নকৰোঁ। মোৰ চিত্তৰ পৰা বিষয় বাসনা, কাম-অভিলাষ সোলকি পৰিল। হে গুৰুদেৱ, কৃষ্ণৰ চৰণ চিত্তত ধৰিহে প্ৰাণ ত্যাগ কৰিম। আপুনি কৃপা কৰি অনুমতি দিয়ক। আপুনি মোক এইটো বৰকে দিয়ক— মৰণৰ সময়ত যাতে মই তেওঁক পাহৰি নাযাওঁ।

শুকদেৱে পৰীক্ষিতৰ শিৰ স্পৰ্শ কৰিলে আৰু ‘সেয়ে হওক’ বুলি আশীৰ্বাদ প্ৰদান কৰিলে।

পৰীক্ষিতে কুশ পাৰি গঙ্গাৰ তীৰত বহিল। কৃষ্ণৰ চৰণ চিন্তা কৰিলে। শৰীৰ নিশ্চল হ’ল। মনলৈ স্থিৰতা আনিলে। সংশয় ছেদ হ’ল। ব্ৰহ্মময়তাত ডুব গ’ল। হিয়াত সাক্ষাত ঈশ্বৰ কৃষ্ণক দেখিলে। লিঙ্গ দেহ, বাসনাময় দেহ ভঙ্গ হ’ল। শৰীৰ এৰি ব্ৰহ্মত স্থিত হ’ল।

ভাগৱত মহাশাস্ত্ৰ
পাৰমাৰ্থিক জ্ঞান তত্ত্ব
পৰীক্ষিতে পালে
সেই জ্ঞান লাভ কৰি
লিঙ্গ দেহ
ভস্ম কৰি
কৃষ্ণৰ চৰণ চিন্তি
সংসাৰ তৰিলে;
কৃষ্ণ গুণ নাম
শ্ৰৱণ-কীৰ্তন
ধৰ্ম প্ৰধান
সংসাৰ তৰণৰ
উপায় পৰম
কৃষ্ণৰ চৰণ চিন্তি
কৃষ্ণময় দেখি
সমস্ত জগত
এৰে প্ৰাণ
সেইজন
মহাভাগ্যবান
মহাভাগ্যবান
লভে কৃষ্ণ গতি
মহাধন।●●

*(ভাগৱত, দ্বাদশ স্কন্ধ— গদ্যৰূপত ব্ৰহ্মজ্ঞান কথন)*

**লেখক পৰিচয় ঃ কৰুণাকান্ত কলিতা**
পদাধিকাৰ
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

# গুৰু-ভটিমা

**কৈলাস দাস**

**বিষয়-প্ৰৱেশ ঃ**

অসমীয়া সাহিত্যত ভটিমা বুলিলে শঙ্কৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰা এক শ্ৰেণী ভক্তিপৰ বা প্ৰশংসাপৰ গীতকে বুজায়। ইয়াৰ মূল হিচাপে মধ্যযুগৰ ভট্ট ( > ভাট) সকলে বা চাৰণ কবিসকলে ৰজা আৰু ধনীসকলৰ প্ৰশংসাত গোৱা ভট্টিমাবোৰলৈ আঙুলিয়াব পাৰি। 'ভটিমা' শব্দটোৰ অৰ্থ স্তুতি বা প্ৰশস্তি। ই মূলতঃ ভাটৰ গীত। কিন্তু পৰৱৰ্তী কালত অনা-ভাটৰ কণ্ঠতো ভটিমাই স্থান পায়।

ভটিমাৰ প্ৰৱৰ্তক শঙ্কৰদেৱে তিনি শ্ৰেণীৰ ভটিমা ৰচনা কৰে ঃ নাট ভটিমা, দেৱ ভটিমা আৰু ৰাজ ভটিমা। মাধৱদেৱে শঙ্কৰদেৱৰ অনুকৰণত নাট ভটিমা আৰু দেৱ ভটিমা ৰচাৰ উপৰি, 'গুৰু ভটিমা' এটি ৰচনা কৰি ভটিমাৰ থূলত চতুৰ্থ শ্ৰেণীটো সংযোগ কৰে আৰু থূলটোক পৰিপূৰ্ণতা দান কৰে।

**'গুৰু-ভটিমা' ৰচনা প্ৰসঙ্গ ঃ**

ড° মহেশ্বৰ নেওগৰ মতে শঙ্কৰদেৱে ১৫৪৪ চন মানত ভক্তসমে কোচৰাজ্যৰ বৰপেটাত থিতাপি লয়। তেখেতে চূণপৰা পালেংদিত থিত লৈয়েই, নাৰায়ণ দাস ঠাকুৰ আতাৰ দৰে সংগঠন-নিপুণ অনুগত শিষ্য লাভ কৰে। ঠাকুৰ আতাৰ জৰিয়তে শঙ্কৰদেৱে বৰনদী আৰু কমতাৰ মাজৰ জয়ন্তী গাঁৱৰ মাধৱৰক শিষ্য হিচাপে পায়। সেই সময়ৰে কথা ঃ

'আৰু একদিনা দুওজনা গুৰু ঠাকুৰ আতা জতি মধাই আনো ভক্তসৱেৰে গৈছে বুৰি লুইতে ভটিয়াই ঃ পালংদিঘাটে ৰাইৰ ফদৰ এক স্ত্ৰীএ কাপৰ ধুইছে ঃ উলঙ্গটে উপৰ ভাগে ঃ কতকখানি গৈ গুৰুজনে বোলে বৰাপো কি দেখিলা ঃ বোলে বাপ একো নেদেখো ঃ বোলে কলৈনো চাই আহিছ্লিা ঃ বোলে বাপ আপুনাৰ অভয় পাদ পঙ্কজলৈহে চাই অহা হৈছে।। .... বোলে বৰাপোত্ৰও কতক কবিতা কৰা ঃ নাৰায়ণ দাসেও কৰা ঃ মধাএও কৰা।। চোট আতা কৰিলে কবিতা গুৰু বাক্য শিৰে জয় গুৰু শঙ্কৰ জগতপ্ৰখ্যাত স্বৰ্গ মত্ত্য পাতাল অনন্ত অচ্যুত বৈকুণ্ঠে সমে ভেদি পৃথিৱী চন্দ্ৰ সূৰ্য থাকে মানে ৰহিব।

ঠাকুৰ আতাই কৰিলে—

জয়জয় অনাদি শঙ্কৰ মই তুৱা দাসকু দাস।
উজনিৰ হন্তে আসি প্ৰাণপ্ৰভু নিকটতে লৈলা বাস।।

মধাএ কৰিলে—

বাউধৰ নামৰ বাচৰু শ্ৰীশঙ্কৰ ঘাটে।
বাব নুৱাৰো নামৰ বাচৰু বঠা নাইকিয়া হাতে।।

তেহে গুৰুজনে বোলে বৰাপোএ জি কবিতা কৰিলে সাত পাতাল স্বৰ্গ সাত বৈকুণ্ঠ ভেদি গ'ল। নৌকা চাদি উপচি গ'ল ঃ (বোলে বৰাপো বাৰ গুচালা মই ফুৰু ৰাৰ হৈ ঃ বোলে বাপ বাৰ দিয়া হব ঃ শঙ্কৰ তাকেৰি অংশ ঃ আগে.....) ঃ নাৰায়ণ দাসৰ কবিতা নাঞ চপচপিয়া হ'ল। মধাই কবিতাহে তলিতে লুকাল।। (গুৰু চৰিত কথা, ছেদ- ১৯৩)

চৰিত পুথিৰ এই বৰ্ণনাৰ পৰা ধৰিব পাৰি, গুৰুজনে বৰপেটা অঞ্চলত থিত লোৱাৰ পাছতে, যোল শতিকাৰ পঞ্চম দশকৰ শেষৰ ফালে গুৰু ভটিমা ভাগ ৰচিত হৈছিল। গুৰুজনৰ আজ্ঞামতে ভক্ত-কবি মাধৱদেৱে থিতাতে এই ভটিমাটি ৰচি অনন্য কবিত্ব-শক্তি, সঠিক গুৰু-পৰিচয়-দান আৰু একান্ত গুৰু প্ৰপন্নতাৰ পৰিচয় দিছিল। সেই কাৰণে সৰ্বকলা-বিশাৰদ শঙ্কৰদেৱে মাধৱদেৱৰ 'কবিতা'ৰ ৰসত নিমগ্ন হ'ল কিন্তু বিনয়বসতঃ এটি সংশোধনৰ ইঙ্গিত দিলে। মাধৱদেৱে সেইখিনি ততালিকে কৰি দিলে। মাধৱদেৱৰ 'কবিতা'টোৱে গুৰু ভটিমাৰ একক আৰু অদ্বিতীয় নিদৰ্শন হৈ থাকিল।

শঙ্কৰদেৱে নাম, দেৱ, ভকত— এই তিনি বস্তুৰহে সম্ভেদ দিছিল। মাধৱদেৱে গুৰু-বস্তু সংযোগ কৰি থূলটো পূৰ্ণ কৰে।

গুৰুবস্তু প্ৰকাশক নামঘোষা তেতিয়াও ভৱিষ্যতৰ গৰ্ভত, যদিওবা দুই এটা ঘোষা ইতিমধ্যে ৰচিত হোৱাটো নুই কৰিব নোৱাৰি। সেই কাৰণে গুৰু ভটিমাটি গুৰুত্বপূৰ্ণ।

**গুৰু-ভটিমাৰ দেহ বিচাৰ ঃ**

গুৰু ভটিমাটিত ১৮টা স্তৱক আছে। ১৮টা কিয়? ভাৰতীয় সভ্যতা-সংস্কৃতিৰ মূল আদৰ্শ হ'ল ত্যাগৰ মাজেদি ভোগ কৰা। বৈদিক সাহিত্যই দিয়া এই গুৰুতম শিক্ষাটো প্ৰাচীনতম উপনিষদ ঈশোপনিষদৰ ১৮টা শ্লোকত সংক্ষেপে দাঙি ধৰা হৈছে। আনহাতে বৈদিকোত্তৰ কালত, বেদ-শ্ৰৱণত অধিকাৰ নথকা বিশাল জনসাধাৰণৰ বাবে ইতিহাস পুৰাণসমূহ ৰচনা কৰা হ'ল এখ বিশেষ উদ্দেশ্যত—

'ইতিহাসপুৰাণাভ্যাং ৱেদং সমুপবৃহয়েৎ।'

(মহাভাৰত- ১/১/২৬৯) অৰ্থাৎ ইতিহাস (মহাভাৰত, ৰামায়ণ আদি) আৰু পুৰাণসমূহৰ দ্বাৰা বৈদিক সাহিত্যৰ আদৰ্শ সমাজৰ সকলো স্তৰতে ব্যাপকভাৱে বিলাই দিব লাগে। এই আদৰ্শতে ঈশোপনিষদৰ ১৮টা শ্লোকৰ কথাখিনি মহাভাৰতৰ ১৮টা পৰ্বত বহলাই দাঙি ধৰা হৈছে। একে আদৰ্শতে ১৮খন মহাপুৰাণ আৰু ১৮ খন উপপুৰাণ ৰচিত হৈছে। আকৌ মহাভাৰতৰ যুদ্ধখন চলিল ১৮ দিন আৰু তাত নিহল হ'ল ১৮ অক্ষৌহিনী সৈন্য। মহাভাৰতৰ ভীষ্ম পৰ্বৰ অন্তৰ্গত গীতাত আছে ১৮টা অধ্যায়। আকৌ গীতাৰ সাৰবস্তু হ'ল স্থিতপ্ৰজ্ঞৰ আদৰ্শ। সেই স্থিতপ্ৰজ্ঞৰ লক্ষণ দাঙি ধৰা হৈছে গীতাৰ দ্বিতীয় অধ্যায়ৰ শেষৰ ১৮টা শ্লোকত। (ড° মুকুণ্ড মাধৱ শৰ্মাৰ প্ৰবন্ধ 'মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো', ড° ধৰ্মেশ্বৰ চুতীয়া সম্পাদিত 'শঙ্কৰী সাহিত্য-সংস্কৃতিত দৃষ্টিপাত', ২০০২)

সহজে অনুমান কৰিব পাৰি, ভাৰতীয় সভ্যতা-সংস্কৃতিৰ মহৎ পৰম্পৰাৰ আঁত ধৰিয়ে সৰ্বশাস্ত্ৰবিশাৰদ মহাপুৰুষ মাধৱদেৱে ১৮টা স্তৱকত গুৰু-ভটিমাটি বিধৃত কৰিছিল।

গুৰু ভটিমাটিৰ ছন্দসজ্জা হ'ল ছবি (৮+৮+১০) আৰু ছন্দ ৰীতি হ'ল প্ৰত্ন-মাত্ৰাবৃত্ত। অসমীয়া ছন্দৰ তিনিটা ৰীতি আছে— স্বৰবৃত্ত, মাত্ৰাবৃত্ত আৰু যৌগিক। প্ৰথমটো লোক সাহিত্যত সুলভ। যৌগিক ৰীতি প্ৰাচীন; অসমীয়া কবিতাৰ প্ৰায় ৯০ শতাংশ এই ৰীতিৰ ভিতৰুৱা। মাত্ৰাবৃত্ত ৰীতি ছন্দোগুৰু শঙ্কৰদেৱে উদ্ভাৱন কৰে। অৱশ্যে সেই কালত ইয়াক আমি প্ৰত্ন ৰূপত পাওঁ। পৰৱৰ্তী কালত এই ৰীতিৰ সংস্কাৰ সাধিত হয়। মাত্ৰাবৃত্ত (প্ৰত্নতো) ৰীতিত মুক্তাক্ষৰ (Open syllable)ত ১ মাত্ৰা আৰু ৰুদ্ধাক্ষৰ (Closed syllable)ত ২ মাত্ৰা বহে। প্ৰত্ন মাত্ৰাবৃত্তত—

**মুক্তাক্ষৰবোৰ ঃ**

(ক) সকলো মৌলিক স্বৰবৰ্ণ - অ, আ, ই, ঈ, উ, ঊ, এ, ও

(খ) সকলো মৌলিক স্বৰবৰ্ণ অন্তত থকা ব্যঞ্জন বা যুক্ত ব্যঞ্জনবোৰ - ক, কু, শ্ৰী, .....

**ৰুদ্ধাক্ষৰবোৰ ঃ**

(ক) আ, ঈ, ঊ, এ, ও (বিকল্প)

(খ) যৌগিক স্বৰবৰ্ণ - ঐ, ঔ

(গ) কেতবোৰ যুক্তস্বৰ - আই, ......

(ঘ) এই ৰুদ্ধাক্ষৰবোৰ অন্তত থকা ব্যঞ্জনবোৰ

মাত্ৰাবৃত্ত (প্ৰত্নতো) ৰীতিত লয় মধ্যমীয়া। কাৰণ, ইয়াত পৰ্বৰ দৈঘ্য স্বৰবৃত্ত ৰীতিতকৈ বেছি আৰু যৌগিক ৰীতিতকৈ কম। এই ৰীতি গীতৰ অনুকূল। সেয়ে গুৰু ভটিমা, বৰগীত, কিছুমান অঙ্কৰ গীতত ইয়াক প্ৰয়োগ কৰা হৈছে। তিনিওটা ৰীতিৰ ভিতৰত, মাত্ৰাবৃত্ত ৰীতি বেছি দৃঢ়পিনদ্ধ। সেয়ে ইয়াত আদিৰ পৰা অন্তলৈ ধ্বনিৰ ঝঙ্কাৰ অনুভৱ কৰা হয়। অৰ্থাৎ মাত্ৰাবৃত্ত ৰীতিৰ কবিতা আবৃত্তি কৰিলে, কেউদিশ ৰজনজনাই যাব লাগে।

এতিয়া প্ৰত্ন-মাত্ৰাবৃত্তৰ বিষয়ে মূল কথাখিনি জনাৰ পাছত, গুৰু-ভটিমাটিৰ ছন্দোলিপি কৰিব পাৰি। কোনো কোনো পৰ্বত পৰ্বৰ নিৰ্ধাৰিত মাত্ৰা-সংখ্যা পাবৰ বাবে মৌন মাত্ৰাৰো প্ৰয়োজন হ'ব পাৰে। অক্ষৰ নথকা স্থানতো কণ্ঠস্বৰক বিৰতি দিলেই মৌন মাত্ৰা পাব পাৰি।

**ছন্দোলিপিত ব্যৱহৃত প্ৰতীক ঃ**

।ঃ স্বাভাৱিকভাৱে ১ মাত্ৰাযুক্ত এটা মুক্তাক্ষৰ

।।ঃ স্বাভাৱিকভাৱে ২ মাত্ৰাযুক্ত এটা ৰুদ্ধাক্ষৰ

০ঃ ব্যতিক্ৰমভাৱে ১ মাত্ৰাযুক্ত এটা মুক্তাক্ষৰ

ঃঃ বিকল্পভাৱে ২ মাত্ৰাযুক্ত এটা ৰুদ্ধাক্ষৰ

**(১)**

।। ।। ।।।।  ।। । ।ঃ।।
জয় গুৰু শঙ্কৰ  সৰ্ব গুণাকৰ

ঃ । । ।।। ।।।
যাকেৰি নাহিকে উপাম

ঃ । । ।।।। ঃ । ।।ঃ ।

তোহাৰি চৰণকু ৰেণু শতকোটি

ঃ।। । । । ।।।

বাৰেক কৰোঁহো প্ৰণাম

(২)

।। ।। ॥ ।। ॥ । । ঃ ।।

দৰশিত সুন্দৰ গৌৰ কলেবৰ

ঃ। । ।। ।।।

যৈচন সূৰ পৰকাশ

।।। ।ঃ।। ॥ ।। ঃ ।।

সকল সভাসদ ৰঞ্জন যাকেৰি

।।।। ঃ। ।।।

দৰশনে পাপ বিনাশ।

(৩)

।। ॥ । ।।। ঃ। ।ঃ।।

বিনে অঙ্গ ভূষণ পেখি সুশোভন

।।। ০ ।। ।।।।

গহীন গম্ভীৰ ধীৰমতি

ঃ ।। ।।। । ।।। ।। ০ ।।

আয়ত কমল ০ নয়ন বৰ সুন্দৰ

।।। ॥ ।।। । ।

বয়ন চান্দকহু জ্যোতি

(৪)

ঃ ঃ ।।।। ।।। ।ঃ ।।

লীলা গজপতি গমন বিলোকন

ঃ ।ঃ । ॥।।

বাণী মেঘ গম্ভীৰ।

। ॥ । ॥ ।। ।।ঃ ঃ।।

পাষণ্ড মৰ্দন কলিকো কালে০

ঃ। ।।।। ঃ।

যাকু সম নাহি ধীৰ।

(৫)

ঃ । ।ঃ ।। ঃ। ।।।।।

যোহি নাৰায়ণ মায়া বিস্তাৰি০

।। ।।।। ।।।।

কৰু ত্ৰিজগত নিৰমান

।।। ।ঃ ।। ঃ। ঃ ।।।

সনক সনাতন যোগী যাকেৰি০

।।। ।।।।ঃ।

মহিমা কবহু নজান

(৬)

।।।।ঃ ।। ঃ ।। ঃ ।।

সকল চৰাচৰ পালন কাৰী০

ঃ ।। ঃ।। ।।

যো হৰি দেৱকু দেৱা

।।। ।।। ।। ।।।। ঃ । ।

চতুৰ বয়ন শিৰ সুৰপতি যাকেৰি

।। ।। ।।।। । ।

কৰু নিত চৰণহি সেৱা।

(৭)

ঃ ।ঃ।।। ।।।। ঃ। ।

চাৰি বেদ ০০ শিৰোমণি মাজে০

ঃ ।। ।।। ।।।

যাকেৰি চৰণ বিকাশ

ঃ ।ঃ।।। ।।। ।।।।

সোহি দেৱক০ কয়লি কলিত ০

॥ ।। ।। ।।।।

শঙ্কৰ দেৱ পৰকাশ।

(৮)

।।।।॥ ।। ॥ ।। ॥ ।।

ত্ৰিভুৱন বন্দন দৈৱকী নন্দন

ঃ ।। ।।।॥ ।

যো হৰি মাৰল কংস

। । । । ঃ । ।　　　ঃ । । ঃ। ।
জগজন তাৰণ　　　দেৱ নাৰায়ণ
॥ ।। । । । ॥ ।
শঙ্কৰ তাকেৰি অংশ।

**(৯)**

ঃ । ।। । । ।　　　। । । । । । । ।
মায়া নৰতনু০　　　ধৰি হৰি ভকতি০
। । । ।। ।।ঃ ।
কয়লি বহু পৰচাৰ
।। ।। ঃ । ।　　　। । । । । । । ।
সৱ নৰ পাপ০　　　পয়োনিধি মজল০
ঃ । । । । ॥ ॥
তাহে কয়লি উদ্ধাৰ

**(১০)**

। । । । ঃ । ।　　　ঃ । । ।ঃ । ।
অৱনিশি চাৰি০　　　বেদ বিচাৰি০
। । । ।। । । ঃ ।
বেকত কৰু হৰিনাম
ঃ । । । ।। । ।　　　।ঃ । ঃ । ।
যাকেৰি বয়নে০　　　মিলাই গাই০
ঃ । । । । । । ঃ ।
পাই মনোৰথ কাম

**(১১)**

॥ । । ঃ । ।　　　ঃ । ।ঃ। ।
পণ্ডিত মানী০　　　বেদ বখানি০
। ।। । । । । । ।।
গৰৱ কয়লি সৱে চুৰ
। । । ॥ । । ।　　　॥ । । ঃ। ।
গীত কবিত্ব গুণ　　　শঙ্কৰ দেৱৰ
ঃ । । । । ।।।।
কীৰিতি গয়ো বহুদূৰ

**(১২)**

॥ ।। ঃ ।।　　　ঃ।। । । ঃ ।
শ্ৰী যশ দান০　　　মান ভূত দায়া
। । । । ॥ ।। । ।
সৱ গুণ সম্পন্ন থিক
। । । । । । । ।　　　ঃ । । । ।।।
ভকতক ভকতি০　　　দানে কৰু গুৰু০
ঃ ।। । । । । । ।
দায়া০ তনয় অধিক

**(১৩)**

।। । । ।। ।।　　　। । । । । । । ।
হৰিকহু মূৰুতি০　　　সূৰুতি মন মগন
। । । । ॥ । ॥ ।
মজল আনন্দ সিন্ধু
॥ ।। । ।। ।　　　। । । । । । । ।
ঐচন নিৰমল　　　হৃদয় বিকশিত০
। । । । । । । । ০।
ভকত কুমুদকুল ইন্দু

**(১৪)**

। । । । ঃ । ।　　　। । । ॥ ঃ ।
নিজকুল তাৰি০　　　ভকতি বিস্তাৰি
॥ । । । । । । । ।
বান্ধল হৰিগুণ সেতু
। । । । ঃ । ।　　　। ঃ । ।। ।।
কলিযুগে পাপ০　　　পয়োধি সৱ নৰ
ঃ । । ঃ । । । ।
তাৰণ কাৰণ হেতু

**(১৫)**

। । । ॥ । । ।　　　ঃ । ।। ঃ ।
ভকতি ভাণ্ডাৰ০　　　দ্বাৰসৱ ছোড়ি
। । । । । । । ঃ ।
মুকুতি কয়লি উদাস

ঃ। । । । ।  । ।                    ঃ ।   । । । । ।
একশৰণ  হৰি                    নাম ধৰমকহু
ঃ ।  ।  । ।   । ।ঃ ।
ৰাজা কৰু পৰকাশ

**(১৬)**

। । । ।  ॥ । ।                    ঃ । । । । । । ।
কি কহব শঙ্কৰ                    দেৰক মহিমা০
।  ।  ।  ।   ॥ ।  । ॥
জানি জ্ঞানী অন্ত নপাই
ঃ । ।   । । । ।                    ঃ ।  । ।   । ।  ।
যাকেৰি চৰণক                    ৰেণু শিৰে পৰশি
। । । । । । ।   ॥  ।
মুকুতি সুখ সুখে পাই০

**(১৭)**

ঃ । । ঃ । ।                    । । । । ।  । । ।
মাধৱ দীন০                    মুৰুখমতি কহয়
ঃ ।   । ।   । । ঃ ।
বাণী শুন সৰলোই
। ঃ  । ।   । । ।                    । । ।  । । । । ।
বিনে গুৰু চৰণ                    ভকতি ৰকতি০ ০
। । ।  । । । ।  ঃ ।
মুকুতি কবহু ন হোই

**(১৮)**

। ।  । । । ॥ ।                    ঃ । ।  ঃ । ।
ওহি পৰম তত্ত্ব                    বেদকো বাণী০
।  ।  । । ।  । । । । । ।
জানি নৰ নকৰ বিৰাম
। । । ।  । । । ।                    । । । ।  ঃ ।  ।
ধৰমক কৰমক                    গৰবক ছোড়ি০
ঃ  ।  । । ।  । ।  । ।
.ডাকি বোলহু ৰাম ৰাম

গুৰু-ভটিমাটিৰ প্ৰত্ন-মাত্ৰাবৃত্ত ৰীতিত দেখুওৱা মাত্ৰা স্থাপনত কেইটিমান বিসঙ্গতি দেখা গৈছে। ৩ নং স্তৱকৰ গম্ভীৰ (গম্ + ভী + ৰ) আৰু সুন্দৰ (সুন্ + দ + ৰ) শব্দ দুটাৰ ক্ৰমে 'গম' আৰু 'সুন্' ৰুদ্ধাক্ষৰত ১ মাত্ৰাকৈ দিবলগীয়া হৈছে মাত্ৰাৰ সংখ্যা মিলাবলৈ। প্ৰত্ন-মাত্ৰাবৃত্তমতে এনে ৰুদ্ধাক্ষৰত ২ মাত্ৰা দিব লাগে। ১২ নং স্তৱকৰ 'সম্পন্ন' (সম্+পন্+ন) শব্দত প্ৰত্ন-মাত্ৰাবৃত্তমতে ৫ মাত্ৰা বহে। কিন্তু আমাক লাগে ৪ মাত্ৰা। তেতিয়া ৰুদ্ধাক্ষৰ দুটাৰ এটাত ১ মাত্ৰা দিব লাগিব। বিকল্পভাৱে শব্দটো 'সম্পন' লেখিলে, প্ৰত্ন-মাত্ৰাবৃত্তমতে ৪ মাত্ৰা পোৱা যাব। ১৩ নং স্তৱকত, ইন্দু (ইন্+দু) শব্দত নিয়মমতে ৩ মাত্ৰা বহে, কাৰণ 'ইন্' ৰুদ্ধাক্ষৰ।

গুৰু-ভটিমাটিত শব্দালঙ্কাৰৰ ভিতৰত অনুপ্ৰাস বেছিকৈ আছে, যমকো আছে দুই এঠাইত।

প্ৰতি স্তৱকতে অন্ত্যানুপ্ৰাস আছেই অৰ্থাৎ স্তৱকৰ দুয়োটা চৰণৰ অন্তিম ব্যঞ্জন (তাৰ আগৰ-পিছৰ স্বৰধ্বনিৰে সৈতে) একে।

বৃত্ত্যনুপ্ৰাস ঃ ১ম আৰু ২য় স্তৱকত ৰ্ ধ্বনিৰ একাধিকা বাৰ আবৃত্তি ঘটাত বৃত্ত্যনুপ্ৰাস হৈছে। ৮নং স্তৱকত ন্- ধ্বনিৰে পুনৰাবৃত্তিয়ে বৃত্ত্যনুপ্ৰাস সৃষ্টি কৰিছে।

যমক ঃ ১০ম স্তৱকত 'চাৰি' আৰু 'বিচাৰি'ৰ 'চাৰি' ক লৈ সাৰ্থক নিৰৰ্থক যমক হৈছে।

অৰ্থালঙ্কাৰৰ ভিতৰত উপমা জাতীয় অলংকাৰৰে প্ৰাধান্য দেখা যায়—

উপমা- (ক) দৰশিত সুন্দৰ                    গৌৰ কলেৱৰ
যৈচন সূৰ পৰকাশ।
(খ) বয়ন চাণ্ডকহো জ্যোতি।
(গ) লীলা গজপতি                    গমন বিলোকন
বাণী মেঘ গম্ভীৰ।

ৰূপক-(ক) ভকতি ভাণ্ডাৰ
(খ) ভকত কুমুদকুল

**গুৰু-ভটিমাৰ পাঠ ঃ**

১ম স্তৱকৰ 'চৰণকু'ৰ ঠাইত চৰণক, কৰণকো পাঠ দেখা যায়। এই পাঠান্তৰ বিশেষ আপত্তিজনক নহয়, কাৰণ ব্ৰজাৱলীত ষষ্ঠী বিভক্তিত ক, কু, কো, তিনিওটাই হয়। পিছে বহুতে 'চৰণে' বুলি কয় আৰু লেখেও। এইটো ভুল।

৩য় স্তৱকৰ 'চান্দকহো'ৰ ঠাইত 'চান্দকঁহু হ'লেও আপত্তিৰ কথা নাথাকে, কাৰণ ষষ্ঠী বিভক্তিত কহো, কুঁহু দুয়োটাই হয়।

৪ৰ্থ স্তৱকৰ 'গজগতি' শব্দটো বিভিন্ন পাঠত সততে দেখা যায়। শব্দটো 'গজপতি' হ'ব লাগে বুলি ভাবিছোঁ। কাৰণ, গতি আৰু গমন শব্দ দুটা সমাৰ্থক হোৱাত, এটাৰহে প্ৰয়োজন আছে। শঙ্কৰদেৱৰ গমন আৰু বিলোকন গজৰ দৰে বুলি নকৈ গজপতিৰ দৰে বুলি ক'লে বেছি শোভনীয় হয়।

৬ষ্ঠ স্তৱকৰ 'দেৱকু'ৰ ঠাইত দেৱকো' হ'ব পাৰে।

৭ম স্তৱকত প্ৰচলিত পাঠ 'কলিকো'ৰ ঠাইত 'কলিত' ৰখা হৈছে; কাৰণ অৰ্থৰ ফালৰ পৰা 'কলি' শব্দত ৭মী বিভক্তি হ'ব লাগে।

৮ম স্তৱক ঃ মাধৱদেৱে প্ৰথমে ৰচনা কৰোঁতে স্তৱকটো আছিল—

'ত্ৰিভুৱন বন্দন দৈৱকী নন্দন
যো হৰি কংসক বৈৰী।
জগজন তাৰণ দেৱ নাৰায়ণ
শঙ্কৰ ওহি হৰি।।'

গুৰুজনে 'বাৰ' (বেৰা, ঢাকনি) দিবলৈ কোৱাত, মাধৱদেৱে দিয়া নতুন ৰূপটো ভটিমাটোত গ্ৰহণ কৰা হৈ আহিছে।

৯ম স্তৱকত প্ৰথম চৰণত স্বৰভক্তিয়ে যি সাৱলীলতা সৃষ্টি কৰিছে, তাৰ দাবীত দ্বিতীয় চৰণত 'পয়োধি মজ্জল'ৰ ঠাইত 'পয়োনিধি মজল' বেছি গ্ৰহণযোগ্য হৈ পৰিছে।

১০ম স্তৱকৰ 'অৱনিশি'ৰ পাঠান্তৰ 'অহনিশি' (নাৰায়ণ চ, গো, স, সং স্বৰ্ণৰেখা পৃ. ৩৫৩)

১৩শ স্তৱকত 'সূৰুতি' শব্দটো ৰখা হৈছে। ইয়াৰ পাঠান্তৰ 'সুৰুচি' শব্দটো স্তৱকটোৰ ভাৱাৰ্থৰ পক্ষৰপৰা গ্ৰহণযোগ্য নহয়। সূৰুতি ( <সূৰ্তি) শব্দটোৰ অৰ্থ হ'ল- চেতনা, তত্, ধৈৰ্য, চেষ্টা আদি। ইয়াত চেতনা অৰ্থত ব্যৱহৃত হৈছে।

১৬ স্তৱকত পাঠান্তৰ 'দেৱৰ'ৰ ঠাই 'দেৱক' গ্ৰহণ কৰা হৈছে, কাৰণ ব্ৰজাৱলীত ৬ষ্ঠী বিভক্তি 'ৰ' অতি বিৰল।

**স্তৱকৰ শব্দ, বাক্যাংশ আদিৰ অৰ্থ ঃ গদ্যানুবাদ**

প্ৰথম স্তৱক ঃ

জয় গুৰু শঙ্কৰ সৰ্ব গুণাকৰ
যাকেৰি নাহিকে উপাম।
তোহাৰি চৰণকু ৰেণু শতকোটি
বাৰেক কৰোহো প্ৰণাম।।

অৰ্থ ঃ জয় গুৰু শঙ্কৰ— ইয়াত মাধৱদেৱে স্তুতিবাচক জয় শব্দ ব্যৱহাৰ কৰি এই কামনা কৰিছে যে অংশাৱতাৰ শঙ্কৰদেৱ ধৰ্ম-সংস্থাপনৰ ক্ষেত্ৰত (গীতা ৪ৰ্থ অধ্যায়) সফল হওক।

সৰ্ব গুণাকৰ— সৰ্ব গুণৰ আঁকৰ, শঙ্কৰদেৱ সমস্ত সজ মানৱিক গুণৰ আধাৰ স্বৰূপ। তেওঁ একাধাৰে ধৰ্ম-প্ৰৱৰ্তক, কবি-সাহিত্যিক, গায়ক-বায়ক-নৰ্তক অভিনেতা, চিত্ৰকৰ, স্থপতি-ভাস্কৰ, সমাজ-সংগঠক। তেওঁ দানী, মানী, যশস্বী, দয়ালু, ভকত-বৎসল, প্ৰাণ-বৎসল;

উপাম— উপমা, তুলনা

চৰণকু— চৰণৰ, ব্ৰজাৱলীত ৬ষ্ঠী বিভক্তিৰ চিন ক, কু, কো, ...

ৰেণু— ধূলি

বাৰেক— বাৰ+এক, এবাৰ (চলন্তিকা); এবাৰলৈ (ইহাৰ দোষ বাৰেক মৰস— কালিয় দমন, বাৰেক দেখাই দিলে এতেক পাৰন্ত।— দৈত্যাৰি)

গদ্যৰূপ ঃ হে গুৰু শঙ্কৰ! তোমাৰ জয় হওক। তুমি সকলো গুণৰ আধাৰ। তোমাৰ তুলনা পাবলৈ নাই। তোমাৰ চৰণৰ (পৱিত্ৰ) ৰেণু শতকোটি বাৰ— প্ৰণাম কৰোঁ।

দ্বিতীয় স্তৱক ঃ

দৰশিত সুন্দৰ গৌৰ কলেবৰ
যৈচন সূৰ পৰকাশ।
সকল সভাসদ ৰঞ্জন যাকেৰি
দৰশনে পাপ বিনাশ।।

অৰ্থ ঃ দৰশিত— দেখিবলৈ, গৌৰ— ৰঙা আৰু হালধীয়াৰ সম মিশ্ৰণত হোৱা ৰং (নাট্যশাস্ত্ৰ), কলেবৰ- শৰীৰ, সূৰ- সূৰ্য, পৰকাশ— প্ৰকাশ, ৰঞ্জন— হৃদয়-মন আনন্দিত কৰা কাৰ্য।

গদ্যৰূপ ঃ গুৰুজনাৰ গৌৰ শৰীৰ দেখিবলৈ সুন্দৰ— সূৰ্যৰ দৰে প্ৰকাশমান। তেওঁ সভাসদসকলৰ হৃদয়-মন

আনন্দিত কৰি ৰাখে। তেওঁৰ দৰশনত পাপৰ বিনাশ হয়।

তৃতীয় স্তৱক ঃ

বিনে অঙ্গ ভূষণ পেখি সুশোভন
গহীন গম্ভীৰ ধীৰমতি।
আয়ত কমল নয়ন বৰ সুন্দৰ
বয়ন চান্দকহো জ্যোতি।।

অৰ্থ ঃ পেখি— দেখি, আয়ত— দীঘলীয়া, বৈ পৰা। চান্দকহো— চন্দৰ, কহো— ৬ষ্ঠী বিভক্তিৰ চিনি। বয়ন— বদন, মুখমণ্ডল, ধীৰমতি— ধীৰ মতি যাৰ।

গদ্যৰূপ ঃ শৰীৰৰ অঙ্গত কোনো অলঙ্কাৰ নথকাতো, গুৰুজনাক বৰ শুৱনি দেখি। তেওঁ গহীন গম্ভীৰ আৰু ধীৰমতি। তেওঁৰ চকুদুটি পদুমপাহিৰ দৰে আয়ত আৰু বৰ সুন্দৰ। তেওঁৰ মুখমণ্ডল চন্দ্ৰৰ দৰে আহ্লাদদায়ক জ্যোতিৰে উদ্‌ভাসিত।

**চতুৰ্থ স্তৱক ঃ**

লীলা গজপতি গমন বিলোকন
বাণী মেঘ গম্ভীৰ।
পাষণ্ড মৰ্দন কলিকো কালে
যাকু সম নাহি ধীৰ।।

**অৰ্থ ঃ** লীলা— (ইয়াত) চেষ্টা, শ্ৰম, উত্তেজনা আদি নথকা অৱস্থা বুজাইছে।

লীলা গজপতি— সহজ, শান্ত অৱস্থাত থকা গজৰাজ।

বিলোকন— দৃষ্টি, চাৱনি।

পাষণ্ড— ঈশ্বৰ আৰু ভক্তৰ বিৰোধী লোক।

মৰ্দন— দলন, মাৰণ।

ধীৰ— ধৈৰ্যশীল, গুৰুদনাই নানা ঘাত-প্ৰতিঘাততো ধৈৰ্য হেৰুওৱা নাছিল।

**গদ্যৰূপ ঃ** গজৰাজৰ দৰে গুৰুজনাৰ গমন শোভন-ভঙ্গিযুক্ত আৰু চাৱনি ধীৰ আৰু প্ৰশান্ত। তেওঁৰ কণ্ঠ (মাত) মেঘৰ দৰে গম্ভীৰ। তেওঁ কলিকালৰ পাষণ্ড-মৰ্দনকাৰী, তেওঁৰ সমান ধীৰ কোনো নাই।

**পঞ্চম স্তৱক ঃ**

যোহি নাৰায়ণ মায়া বিস্তাৰি
কৰু ত্ৰিজগত নিৰমান।
সনক সনাতন যোগী যাকেৰি
মহিমা কবহু নজান।।

**শব্দাৰ্থ ঃ** নাৰায়ণ— মায়াক আশ্ৰয় কৰা ব্ৰহ্ম, সগুণ ব্ৰহ্ম, কীৰ্ত্তনত যাক 'ব্ৰহ্মৰূপী' বুলিছে।

ত্ৰিজগত— স্বৰ্গ, মৰ্ত্য, পাতাল। ইয়াত সমস্ত জগত প্ৰপঞ্চকে বুজাইছে।

সনক সনাতন— সনক, সনাতন, সনন্দ, সনৎকুমাৰ- এই চাৰিজন ব্ৰহ্মাৰ মানস পুত্ৰ। এওঁলোক ব্ৰহ্মজ্ঞ।

মহিমা— অষ্ট সিদ্ধিৰ এবিধ, যাৰ দ্বাৰা ইচ্ছামতে শৰীৰৰ আয়তন বঢ়াব পাৰি। ইয়াত মহিমা শব্দই মহত্ত্ব, শক্তি, ক্ষমতা, লীলা-কৰ্ম বুজাইছে।

কবহু— কেতিয়াও।

গদ্যৰূপ ঃ যিজন নাৰায়ণে মায়া বিস্তাৰ কৰি ত্ৰিজগত নিৰ্মাণ কৰিছে, সনক-সনাতন আদি যোগীসকলে যাৰ মহিমা বা লীলাকৰ্ম কেতিয়াও জানিব নোৱাৰে—

**ষষ্ঠ স্তৱক ঃ**

সকল চৰাচৰ পালনকাৰী
যো হৰি দেৱকু দেৱা।
চতুৰ-বয়ন শিৱ সুৰপতি যাকেৰি
কৰু নিত চৰণহি সেৱা।।

**শব্দাৰ্থ আদি ঃ** চৰাচৰ— চৰ (প্ৰাণীবাচক) + অচৰ (অপ্ৰাণীবাচক), জড়-চেতন সমস্ত জগত।

চতুৰ-বয়ন— ব্ৰহ্মা, ব্ৰহ্মাৰ মুখ চাৰিখন বাবে এই নাম।

সুৰপতি— সুৰ (দেৱতা)ৰ পতি (ৰজা) ইন্দ্ৰ।

**গদ্যৰূপ ঃ** যিজন সমস্ত জগতৰ পালনকাৰী, যিজন হৰি সকলো দেৱতাতকৈ শ্ৰেষ্ঠ, ব্ৰহ্মা-শিৱ-ইন্দ্ৰই যাৰ চৰণত সদায় সেৱা কৰে—

**সপ্তম স্তৱক ঃ**

চাৰিবেদ শিৰোমণি মাজে
যাকেৰি চৰণ বিকাশ।
সোহি দেৱক কয়লি কলিত
শঙ্কৰ দেৱ পৰকাশ।।

**শব্দাৰ্থ ঃ** চাৰিবেদ— ঋক, যজু, সাম আৰু অথৰ্ব।

চাৰিবেদ শিৰোমণি— শ্ৰীমদ্ভাগৱত পুৰাণ। বেদৰ কথাৰ বিস্তাৰ ঘটাই স্ত্ৰী-শূদ্ৰ-পতিত ব্ৰাহ্মণৰ মাজত প্ৰচাৰ কৰিবৰ

বাবেই ইতিহাস (মহাভাৰত, ৰামায়ণ...) আৰু পুৰাণসমূহৰ সৃষ্টি হৈছিল। এনে সূত্ৰতে ভাগৱতে নিজকে নিগমকল্পতৰোৰ্গলিতং ফলং (১/১/৩), অখিল শ্ৰুতিসাৰং (১/২/৩) আৰু সৰ্ববেদান্তসাৰং (১২/১৩/১৫) বুলি ঘোষণা কৰিছে।

মাধৱদেৱে নামঘোষাত এটি সংস্কৃত শ্লোকৰ অনুবাদ আৰম্ভ কৰিছে এইবুলি- 'সৰ্বশ্ৰুতি শিৰোৰত্ন/ ভাগৱত বনমাজে' (ঘোষা-৪৪)। শ্ৰুতি মানে বেদ। গতিকে চাৰিবেদ শিৰোমণি মানে শ্ৰীমদ্ভাগৱত।

**বিকল্প অৰ্থ ঃ** চাৰিবেদৰ শিৰোমণিৰ মাজত যাৰ চৰণ বিৰাজমান অৰ্থাৎ চাৰিবেদে মূৰ দোঁৱাই যাৰ চৰণ সেৱা কৰি আছে (কীৰ্ত্তন, ভাগৱতৰ 'বেদস্তুতি') অৰ্থাৎ চাৰিও বেদৰ সাৰকথা হ'ল কৃষ্ণভক্তি ঃ

চাৰিও বেদৰ চাৰি অক্ষৰ সাৰ কাঢ়ি আনি ব্ৰহ্মাদেৱে
বেকত কৰিয়া থৈলা নাৰায়ণ বাণী।
ঘোষা- ৬৬৫

সোহি দেৱক... পৰকাশ— নামঘোষাৰ 'বস্তু প্ৰকাশ'ৰ (ঘোষা ঃ ৩৭১-৩৭৪) লগত মিল আছে।

**গদ্যৰূপ ঃ** চাৰিবেদৰ শিৰোমণি স্বৰূপে ভাগৱতত যাৰ চৰণ প্ৰকাশমান অৰ্থাৎ ভাগৱতে যাক পৰম সেৱনীয় দেৱতা হিচাপে ঘোষণা দিছে অথবা চাৰিবেদে মূৰ দোঁৱাই যাৰ চৰণ সেৱা কৰি আছে অৰ্থাৎ চাৰিবেদে যাক পৰম সেৱনীয় দেৱতা বুলি চিহ্নিত কৰিছে, সেইজন দেৱতাকে কলিকালত শঙ্কৰদেৱে প্ৰকাশ কৰি থৈ গ'ল।

**অষ্টম স্তৱক ঃ**

ত্ৰিভুৱন বন্দন দৈৱকী নন্দন
যো হৰি মাৰল কংস।
জগজন তাৰণ দেৱ নাৰায়ণ
শঙ্কৰ তাকেৰি অংশ।।

**শব্দাৰ্থ ঃ** ত্ৰিভুৱন বন্দন— জগতে যাক বন্দনা কৰে। জগজন তাৰণ— জগতৰ লোকসকলক যিয়ে ত্ৰাণ কৰে। অংশ— অংশাৱতাৰ।

**গদ্যৰূপ ঃ** যিজন দৈৱকীনন্দন কৃষ্ণ জগতৰে বন্দনীয়, যিজনে কংসক বধ কৰিলে, যিজনে সংসাৰ সাগৰত জগজনক ত্ৰাণ কৰে, যিজন অনন্ত শয্যাশায়ী নাৰায়ণ স্বৰূপ-সেইজনৰে অংশাৱতাৰ হ'ল গুৰু শঙ্কৰদেৱ।

**নৱম স্তৱক ঃ**

মায়া নৰতনু ধৰি হৰি ভকতি
কয়লি বহু পৰচাৰ
সব নৰ পাপ পয়োনিধি মজল
তাহে কয়লি উদ্ধাৰ

**শব্দাৰ্থ ঃ** মায়া নৰতনু— মায়াৰে ৰচিত বা কল্পিত নৰতনু, ছদ্মকৈ লোৱা নৰৰূপ, ৰাম আদি অংশাৱতাৰে ধাৰণ কৰা নৰতনু। পৰচাৰ— প্ৰচাৰ। পয়োনিধি— পয়ঃনিধি। পয়ঃ (সংস্কৃত)— পানী, গাখীৰ। নিধি— ভঁৰাল। গতিকে পানী বা গাখীৰৰ সাগৰ, সাধাৰণভাৱে সাগৰ। তাহে— তেওঁলোকক

**গদ্যৰূপ ঃ** গুৰুজনে ছদ্মভাৱে নৰৰূপ ধৰি, হৰি ভকতি বিপুলভাৱে প্ৰচাৰ কৰিলে আৰু পাপ সাগৰত নিমজ্জিত সমস্ত নৰলোককে উদ্ধাৰ কৰিলে।

**দশম স্তৱক ঃ**

অৱনিশি চাৰি বেদ বিচাৰি
বেকত কৰু হৰিনাম।
যাকেৰি বয়নে মিলাই গাই
পাই মনোৰথ কাম।।

**শব্দাৰ্থ ঃ** অৱনিশি— অহৰ্নিশে, দিনে-ৰাতিয়ে নিৰৱচ্ছিন্নভাৱে। চাৰি বেদ— ঋক, যজুঃ, সাম আৰু অথৰ্ব বেদ। কৰু— কৰিলে। বয়ন, বয়ান— [<বদন (সংস্কৃত)] মুখ। বয়ান— (ফাৰ্চী) বিৱৰণ, ব্যাখ্যা, Statement ইয়াত 'বয়ন শব্দটোৱে গুৰুজনাৰ ৰচিত কথা-গীত-পদৰ সুৰ-সঞ্চাৰ, পৰিৱেশন-ৰীতি আদিকে বুজাইছে। মনোৰথ কাম— মনে বিচৰা বস্তু, ইয়াত মোক্ষ বা ৰসময়ী ভক্তি।

**গদ্যৰূপ ঃ** গুৰুজনে অহৰ্নিশে চাৰিবেদ মন্থন কৰি হৰিনাম প্ৰকাশ কৰিলে। তেওঁ ৰচনা কৰা হৰিনাম প্ৰকাশত গীত-পদবোৰ তেওঁ নিৰ্দেশ কৰা সুৰ-সঞ্চাৰ আৰু পৰিৱেশ ৰীতি অনুসাৰে গালে মনে বিচৰা বস্তু- মোক্ষ অথবা ৰসময়ী ভক্তি পোৱা যায়।

**একাদশ স্তৱক ঃ**

পণ্ডিত মানী বেদ বখানি
গৰৱ কয়লি সৱ চুৰ।

গীত কবিত্ব গুণ শঙ্কৰদেৱৰ
কীৰিতি গয়ো বহুদূৰ।।

**শব্দাৰ্থ ঃ** পণ্ডিত মানী— অভিমানী অহঙ্কাৰী পণ্ডিত, পণ্ডিতম্মন্য লোক, ইয়াত অহঙ্কাৰী ব্ৰাহ্মণ পণ্ডিতসকল। বখানি— ব্যাখ্যা কৰি। কয়লি— ( < কৰলি), কৰিলে। চূৰ— (< চূৰ্ণ), গুৰি, ধ্বংস। কীৰিতি— (< কীৰ্ত্তি), যশস্যা, খ্যাতি। গীত.. দূৰ— শঙ্কৰদেৱৰ কবিত্ব প্ৰতিভা আৰু কীৰ্তি-কলাপ ভাৰতবৰ্ষৰ বিভিন্ন স্থানলৈ প্ৰচাৰিত হ'ল।

**গদ্যৰূপ ঃ** সৰ্বশাস্ত্ৰবিশাৰদ গুৰুজনে বেদৰ সঠিক ব্যাখ্যা দাঙি ধৰি অভিমানী ব্ৰাহ্মণ পণ্ডিতৰ সমস্ত গৰ্ব চূৰ্ণ কৰিলে। তেওঁৰ কবিত্ব-প্ৰতিভা আৰু কীৰ্তি-কলাপ ভাৰতবৰ্ষৰ দূৰ প্ৰান্তলৈও বিয়পি পৰিল।

**দ্বাদশ স্তৱক ঃ**

শ্ৰী যশ দান মান ভূত দায়া
সৱগুণ সম্পন থিক।
ভকতক ভকতি দানে কৰু গুৰু
দায়া তনয় অধিক।।

**শব্দাৰ্থ ঃ** শ্ৰী— (ইয়াত) ধন-সম্পদ, মৰ্যাদা, মহত্ব উজ্জ্বলতা, বোধ। যশ— যশস্যা, খ্যাতি। মান— সন্মানৰ উচ্চ আসন। ভূতদায়া— সমস্ত ভূতৰ প্ৰতি দয়া। দান— চৰিতত আছে শঙ্কৰদেৱে দুখী-দৰিদ্ৰক পাৰ্যমানে দান কৰিছিল। কিন্তু ইয়াত দান শব্দৰ ধন-বস্তু দানৰ লগতে হৰি-ভক্তি-দানত বেছি গুৰুত্ব দিছে—

হৰিভক্তি দান দিয়া জগতক
তাৰিলা সংসাৰ সিন্ধু।।
--ঘোষা, ৩৭৩

তনয়— পুত্ৰ।

ভকতক... অধিক— শঙ্কৰদেৱে নিজৰ সন্তানতকৈ ভকতক বেছি স্নেহ কৰা বুলি কালিন্দী আয়ে সততে কৈছিল। শঙ্কৰদেৱে পন্থৰ গুৰুভাৰ বৰপুত্ৰ ৰামানন্দক নিদি মাধৱদেৱক দিছিল। ভকত-বস্তুক গুৰুজনে সেৱাৰ স্তৰলৈ উত্তোলিত কৰি গৈছে। (সৱগুণ— ১ম স্তৱকত ব্যাখ্যা দিয়া হৈছে।)

**ত্ৰয়োদশ স্তৱক ঃ**

হৰিকহু মূৰুতি সূৰুতি মন মগন
মজল আনন্দ সিন্ধু।
ঐছন নিৰমল হৃদয় বিকশিত
ভকত কুমুদকুল ইন্দু।।

শব্দাৰ্থ ঃ হৰিকহু মূৰুতি— হৰিৰ মূৰ্তি। সূৰুতি— সূতি/সূৰ্তি, চেতনা, তত্। ঐছন— এনেকুৱা, এনেহেন। 'এনে'ৰ লগত ওপৰৰ চৰণটো সম্পৰ্কীত। নিৰমল হৃদয়— নিৰ্মল হৃদয় আছে যাৰ তেওঁ শঙ্কৰদেৱ (বহুব্ৰীহি সমাস)। নিৰমল হৃদয় বিকশিত— শঙ্কৰদেৱৰ দ্বাৰা বিকশিত। ভকত কুমুদকুল— কুমুদ (ভেট) ৰূপী ভকতসকল। ৰূপক অলঙ্কাৰ।

গদ্যৰূপ ঃ হৰিৰ মূৰ্তিত মন আৰু চেনতা নিমগ্ন কৰি গুৰুজনা এক আনন্দ সাগৰত নিমজ্জিত হৈ আছে। এনেহেন নিৰ্মল হৃদয়ৰ অধিকাৰী চন্দ্ৰৰূপী শঙ্কৰদেৱ কুমুদৰূপী ভকতসকলক বিকশাই তুলিছে। অৰ্থাৎ চন্দ্ৰই ভেটফুলবোৰ ফুলাই তোলাৰ দৰে (কবি-প্ৰসিদ্ধি), গুৰু শঙ্কৰদেৱেও ভকতসকলৰ আধ্যাত্মিক সত্তা বিকশাই তুলিছে।

**চতুদৰ্শ স্তৱক ঃ**

নিজকুল তাৰি ভকতি বিস্তাৰি
বান্ধল হৰিগুণ সেতু।
কলিযুগে পাপ পয়োধি সব নৰ
তাৰণ কাৰণ হেতু।।

শব্দাৰ্থ ঃ নিজকুল— (ইয়াত) নিজৰ ভূঞা বংশ। তাৰি— তাৰণ কৰি, উদ্ধাৰ কৰি। পয়োধি— সাগৰ।

গদ্যৰূপ ঃ গুৰুজনে ভকতি-ধৰ্ম প্ৰচাৰ কৰি আপোন বংশক উদ্ধাৰ কৰিলে আৰু কলিযুগত পাপ-সাগৰত নিমগ্ন সমস্তলোকৰ তাৰণ বা উদ্ধাৰৰ কাৰণে হৰিৰ গুণ-নামৰ সেতু বান্ধি দিলে।

**পঞ্চশদ স্তৱক ঃ**

ভকতি ভাণ্ডাৰ দ্বাৰসব ছোড়ি
মুকুতি কয়লি উদাস।
একশৰণ হৰি নাম ধৰমকহু
ৰাজা কৰু পৰকাশ।।

শব্দাৰ্থ ঃ ভকতি ভাণ্ডাৰ— ভকতিৰ ভঁৰাল।

ভকতি... ছোড়ি— ভকতি-ভঁৰালৰ দুৱাৰবোৰ আঁতৰাই অৰ্থাৎ স্ত্ৰী-শূদ্ৰ নিৰ্বিশেষে সকলোকে ভক্তিপন্থৰ অধিকাৰী কৰি।

মুকুতি.. উদাস— আচলতে ভকতসকল মুক্তিৰ প্ৰতি উদাস অৰ্থাৎ নিস্পৃহ হ'ল, তেওঁলোকে ৰসময়ী ভকতিহে বিচৰা হ'ল। 'উদাস' বিশেষণটো 'ভকত'ৰ পৰা নি 'মুক্তি'ত লগোৱা হ'ল। এনে বিশেষণক 'transfered epithet' বোলে ইংৰাজীত। ই আধুনিক কবিতাৰ এক কৌশল।

একশৰণ... নাম— শঙ্কৰদেৱৰ ধৰ্মটোৰ নাম (মাধৱদেৱে ইয়াত প্ৰকাশ কৰিছে।)

গদ্যৰূপ ঃ গুৰুজনে ভকতিৰ ভঁৰালৰ দুৱাৰবোৰ খুলি মুকুতিক উদাস কৰি পেলালে। অৰ্থাৎ ভক্তিপন্থাৰে জাতি-ধৰ্ম-বৰ্ণ-লিঙ্গ নিৰ্বিশেষে সকলোকে আদৰি ল'লে আৰু চতুৰ্থ পুৰুষাৰ্থ মুক্তিৰ প্ৰতি ভকতিক উদাসীন (নিস্পৃহ) কৰি পৰম পুৰুষাৰ্থ ৰসময়ী ভক্তিৰ সন্ধান দিলে। এইদৰে গুৰুজনে সমস্ত ধৰ্মৰে ৰজা 'একশৰণ হৰিনাম' প্ৰকাশ কৰিলে ।

**ষোড়শ স্তৱক ঃ**

কি কহব শঙ্কৰ দেৱক মহিমা
জানি জ্ঞানী অন্ত নপাই।
যাকেৰি চৰণক ৰেণু শিৰে পৰশি
মুকুতি সুখ সুখে পাই।।

শব্দাৰ্থ ঃ মহিমা... নপাই— শঙ্কৰদেৱৰ মহিমা জ্ঞানীসকলে জানিব খুজিও জানিব নোৱাৰে, ইয়াত এনে এটা ইঙ্গিত আছে যে ভক্তসকলেহে গুৰুজনৰ মহিমা জানিব পাৰে। আমি ভবাত, মাধৱদেৱেহে গুৰুজনৰ মহিমা সম্যকভাৱে উপলব্ধি কৰি গুৰু ভটিমাটিত প্ৰকাশ কৰি গৈছে।

গদ্যৰূপ ঃ শঙ্কৰদেৱৰ অপাৰ মহিমাৰ বিষয়েনো কি কম! জ্ঞানীসকলেও তাৰ অন্ত নাপায়। (তেওঁৰ মহিমা এনেকুৱাই যে) তেওঁৰ চৰণৰ ধূলি শিৰেৰে পৰশি অৰ্থাৎ তেওঁৰ পদযুগলত চাপি ধৰিলে মুকুতিৰ সুখ সহজে পোৱা যায়।

**সপ্তদশ স্তৱক ঃ**

মাধৱ দীন মুৰুখমতি কহয়
বাণী শুন সৱলোই।
বিনে গুৰু চৰণ ভকতি ৰকতি
মুকুতি কবহু ন হোই।।

শব্দাৰ্থ ঃ দীন, মূৰুখমতি— মাধৱদেৱে নিজকে সদায় দীন (দুখীয়া), মূৰ্খ, দাস আদি বুলি নিজৰ পৰিচয় দিয়ে। এয়া তাৰাৰ বিনয় আৰু দাস্যভাৱৰ পৰাকাষ্ঠা। লোই— লোক। ৰকতি— (<ৰক্তি) (ঈশ্বৰৰ প্ৰতি) ৰক্তি বা আকৰ্ষণ ৰতি।

গদ্যৰূপ ঃ 'দীন মূৰুখমতি' মাধৱে কৈছে, 'হে লোকসকল, মোৰ কথা শুনা। গুৰুৰ চৰণ সেৱা নকৰিলে, ঈশ্বৰৰ প্ৰতি ৰতি-ভক্তি আৰু মুক্তি কেতিয়াও নহয়।

**অষ্টাদশ স্তৱক ঃ**

ওহি পৰম তত্ত্ব বেদকো বাণী
জানি নৰ নকৰ বিৰাম।
ধৰমক কৰমক গৰৱক ছোড়ি
ডাকি বোলহু ৰাম ৰাম।।

শব্দাৰ্থ ঃ ওহি— এইটোৱে, এয়াই অৰ্থাৎ গুৰু সেৱা অবিহনে ভক্তি-ৰক্তি-মুক্তি অসম্ভৱ।

বেদকো— বেদৰ, ধৰমক— ধৰ্মৰ, কৰমক— কৰ্মৰ, গৰৱক— গৰ্বক (কৰ্মকাৰক), ছোড়ি— ত্যাগ কৰি, বোলহু— বোলা।

গদ্যৰূপ ঃ এইটোৱে (অৰ্থাৎ গুৰুসেৱা অবিহনে ভক্তি-ৰক্তি-মুক্তি অসম্ভৱ) হ'ল পৰম তত্ত্ব, বেদেও ইয়াকে ঘোষণা কৰিছে। গতিকে হে নৰগণ, এই তত্ত্ব জানি আৰু পলম নকৰিবা। ধৰ্ম-কৰ্মৰ গৰ্ব 'ৰাম ৰাম' বুলি ডাক দিয়া।

**গুৰু ভটিমাটিৰ তাৎপৰ্য ঃ**

মাধৱদেৱে মঙ্গলবাচক তথা স্তুতিবাচক 'জয়' শব্দেৰে ভটিমাটি আৰম্ভ কৰিছে। শঙ্কৰদেৱ-মাধৱদেৱৰ ৰচনাসমূহ প্ৰায়ে 'জয়' শব্দৰে আৰম্ভ কৰা হৈছে। প্ৰথম স্তৱকত মাধৱদেৱে গুৰু শঙ্কৰদেৱৰ চৰণত প্ৰণাম জনাইছে।

দ্বিতীয়, তৃতীয়, চতুৰ্থ স্তৱকত মাধৱদেৱে গুৰুজনাৰ দেহশ্ৰী, চাল-চলন, মাত-কথা আদি বৰ্ণনা কৰিছে। পাষণ্ড-মৰ্দনৰ কথাটো পৰৱৰ্তী অৱতাৰ লীলা বা অৱতাৰ কৰ্মৰ ভিতৰুৱা হ'ব। গুৰুজনাৰ গাৰ বৰণ গৌৰ, পদুমৰ পাহিৰ দৰে চকুযোৰ বৈ পৰা, মুখৰ জেউতি চন্দ্ৰৰ দৰে আহ্লাদদায়ক, কোনো অলঙ্কাৰ নিপিন্ধিলেও তেওঁক সুন্দৰ দেখি। গজৰাজৰ দৰে তেওঁৰ গমন সাৱলীল আৰু সৌষ্ঠৱপূৰ্ণ আৰু তেওঁৰ বিলোকন (চাৱনি) ধীৰ আৰু প্ৰশান্ত। তেওঁৰ কণ্ঠ (মাত) মেঘৰ দৰে গম্ভীৰ। তেওঁ গহীন, গম্ভীৰ আৰু

অতিকৈ ধৈৰ্যশীল। সভাসদসকলৰ মাজত তেওঁ সূৰ্যৰ দৰে প্ৰকাশমান হৈ, সকলোকে আনন্দ দিয়ে। তেওঁক দেখিলে পাপ বিনাশ হয়।

পঞ্চম, ষষ্ঠ, সপ্তম স্তৱকত মাধৱদেৱে 'বস্তু-প্ৰকাশ'ৰ ক্ষেত্ৰত গুৰুজনাৰ কৃতিত্বৰ কথা প্ৰকাশ কৰিছে। 'বস্তু' শব্দৰ প্ৰয়োগ সংস্কৃত ভাগৱতৰ মঙ্গলাচৰণৰ দ্বিতীয় শ্লোকত কৰা হৈছে— পাৰমাৰ্থিক তত্ত্ব বা সত্যৰ অৰ্থত। মাধৱদেৱে ঘোষাতো একে অৰ্থতে শব্দটো ব্যৱহাৰ কৰিছে। এই বস্তু হ'ল নাৰায়ণ— যিয়ে মায়াৰ যোগেদি জগত সৃষ্টি কৰি পালন কৰি আছে, যাক ব্ৰহ্মা, ইন্দ্ৰ-শিৱই অহৰহ সেৱা কৰি থাকে, সনক-সনাতন-সনন্দ সনত আদি যোগীয়ে যাৰ মহিমাৰ অন্ত নাপায়, বেদে যাক সৰ্বদা স্তুতি কৰি থাকে বা সৰ্বশ্ৰুতি শিৰোৰত্ন ভাগৱতত যাৰ সেৱাৰ মহিমা বৰ্ণিত হৈছে। শঙ্কৰদেৱে সেই পৰম তত্ত্ববস্তুকে কলিকালত প্ৰকাশ কৰিলে অৰ্থাৎ 'বহু সত্যৰ মাজত এক পৰম সত্যৰ আৰু বহু দেৱতাৰ মাজত এক পৰম দেৱতা' (কৃষ্ণ)ৰ সন্ধান মহাপুৰুষ শঙ্কৰদেৱে কলিকালৰ বিভ্ৰান্ত মানৱ সমাজক দিলে।

অষ্টম স্তৱকত মাধৱদেৱে শঙ্কৰদেৱৰ পাৰমাৰ্থিক স্বৰূপ প্ৰকাশ কৰিছে। সৰ্বভাৰতীয় নৱবৈষ্ণৱ ভক্তিধৰ্মৰ অন্যতম প্ৰধান বৈশিষ্ট্য হ'ল গুৰুসকলক ঈশ্বৰৰ অৱতাৰ বুলি বিশ্বাস কৰা। মাধৱদেৱেও শঙ্কৰদেৱক ঈশ্বৰ বুলিয়ে (অৰ্থাৎ পূৰ্ণাৱতাৰ) প্ৰথমে বৰ্ণনা কৰিছিল। পিছত গুৰুজনাৰ আজ্ঞা মানি অংশাৱতাৰ বুলি ক'লে।

নৱম স্তৱকৰ পৰা যোড়শ স্তৱকলৈ মাধৱদেৱে গুৰু শঙ্কৰদেৱৰ লীলা-কৰ্মসমূহ প্ৰকাশ কৰিছে। চতুৰ্থ স্তৱকৰ পাষণ্ড-মৰ্দনৰ কথাটোও ইয়াৰ ভিতৰুৱা হ'ব। শঙ্কৰদেৱে বেদাদি শাস্ত্ৰ, গীতা-ভাগৱত আদিকৈ সৰ্বশাস্ত্ৰ মন্থন কৰি ধৰ্মৰ উত্তম (ৰজা) 'একশৰণ হৰিনাম ধৰ্ম' প্ৰকাশ কৰিলে। তেওঁ ভক্তি ধৰ্মৰ দুৱাৰ জাতি-ধৰ্ম-বৰ্ণ-লিঙ্গ নিৰ্বিশেষে সকলোলৈকে মুকলি কৰি দিলে আৰু তেওঁলোকক চতুৰ্থ পুৰুষাৰ্থ মুক্তিৰ প্ৰতি নিস্পৃহ কৰি পৰম পুৰুষাৰ্থ ৰসময়ী ভক্তিৰ প্ৰতি সস্পৃহ কৰি তুলিলে। শঙ্কৰদেৱে বেদাদি শাস্ত্ৰসন্মত পাণ্ডিত্যেৰে অভিমানী পণ্ডিতসকলৰ গৰ্ব চূৰ্ণ কৰিলে। ভক্তি-ধৰ্ম বিৰোধী পাষণ্ডসকলক মৰ্দন কৰিলে।

গুৰুজন সৰ্বগুণাকৰ। তেওঁ দুখী-দৰিদ্ৰক অকপটে দান কৰে। তেওঁ মানুহকে ধৰি সমস্ত প্ৰাণীৰ প্ৰতি দয়াশীল। বিশেষকৈ ভকতসকলক তেওঁ নিজৰ সন্তানতকৈও বেছি মৰম-দয়া কৰে আৰু পৰমাৰ্থ-বস্তু নিঃশেষকৈ দান কৰে। তেওঁৰ যশস্যা বিশেষকৈ গীত-কবিত্ব গুণ দূৰ-দূৰণিলৈ বিস্তাৰিত হৈছে। তেওঁ শ্ৰীমন্ত অৰ্থাৎ মৰ্যাদা-মহত্ববোধ আদিৰে উদ্ভাসিত। তেওঁ ৰজাঘৰ-প্ৰজাঘৰ সকলোতে সন্মানৰ আসনত স্থিত। তেওঁৰ চেতনা (মূৰ্তি) আৰু মন হৰিৰ মূৰ্তিত মগ্ন, আনন্দ স্বৰূপৰ আনন্দ সাগৰত তেওঁ নিমজ্জিত। এনেদৰে তেওঁৰ হৃদয় নিৰ্মল হৈ পৰিছে আৰু তাত ঈশ্বৰৰ পূৰ্ণ প্ৰতিবিম্ব উদ্ভাসি উঠিছে। হৃদিস্থ ঈশ্বৰক সাক্ষাৎ কৰা গুৰুজন ভকত কুমুদকুলৰ বাবে ইন্দু স্বৰূপ হৈছে।

গুৰুজনে কলিযুগৰ পাপ সাগৰত কক্‌বকাই থকা লোকসকলৰ উদ্ধাৰৰ কাৰণে হৰিনাম সেঁতু ৰচনা কৰিছে। তেওঁৰ চৰণত চাপি ধৰি, তেওঁৰ ৰচিত হৰিনাম প্ৰকাশত গীত-পদ তেওঁৰ নিৰ্দেশিত ৰীতিৰে গাই অনায়াসে মুক্তিকে ধৰি অভিলসিত বস্তু লাভ কৰিব পাৰি।

শেষত সপ্তদশ আৰু অষ্টাদশ স্তৱকত মাধৱদেৱে এটি পৰম তত্ত্ব ঘোষণা কৰি তাৰ উপলব্ধিৰ বাবে সকলোকে দৃঢ়ভাৱে আহ্বান জনাইছে। পৰম তত্ত্বটি এয়ে যে গুৰুৰ চৰণ অবিহনে ভকতি-পন্থত আগুৱাব নোৱাৰি, ঈশ্বৰৰ প্ৰতি পৰাণুৰক্তি নজন্মে আৰু মুক্তিও লাভ কৰিব নোৱাৰি। এয়া বেদৰো বাণী। গতিকে ধৰ্ম-কৰ্মৰ গৰ্ব (যি বন্ধনৰ কাৰণ হয়) ত্যাগ কৰি, গুৰুৰ চৰণ চাপি ভক্তিপন্থত আগুৱাবলৈ মাধৱপুৰুষে উদাত্ত আহ্বান জনাইছে।

গুৰু ভটিমাটি যেনিবা সৰ্বগুণাকৰ গুৰু শঙ্কৰদেৱৰ বাঙ্ময় মূৰ্তি। আনহাতে ই যেন গুৰুৰ চৰণত ভিতৰে-বাহিৰে লোলুধ্যমান শ্ৰীকণ্ঠ মাধৱদেৱৰ হৃদয় বিগলিত ভকি-অৰ্ঘ্য আৰু গুৰু বস্তুৰ গুৰুত্ব সম্পৰ্কে লোক সমাজক জনোৱা আহ্বানৰ ধ্বনিময় ৰূপ।

**প্ৰসঙ্গীয়া টোকা ঃ**

১। চতুৰ-বয়ন (ষষ্ঠ স্তৱক) ঃ সৃষ্টিকৰ্তা ব্ৰহ্মাই সৃষ্টি বঢ়াবৰ বাবে নিজৰ দেহৰ বাওঁভাগৰ পৰা এগৰাকী সুন্দৰী কন্যা (শতৰূপা) আৰু সোঁভাগৰ পৰা এজন পুৰুষ (স্বয়ম্ভূ মনু)ৰ জন্ম দিলে। ব্ৰহ্মাৰ আজ্ঞামতে দুয়ো বিবাহপাশত

আৰব্ধ হৈ সতি-সন্ততিৰ জন্ম দিলে। শিৱপুৰাণত আছে, নিজৰ শৰীৰৰ পৰা জন্ম দিয়া শতৰূপাৰ প্ৰতি ব্ৰহ্মা ইমানেই আকৃষ্ট হ'ল যে শতৰূপাই পিতাকৰ এই কাৰ্যত লজ্জিত হৈ তেওঁৰ দৃষ্টিৰ পৰা আঁতৰি থাকিবলৈ ল'লে। ব্ৰহ্মাই তেতিয়া চাৰিফালে চাৰিখন মুখ সৃষ্টি কৰি শতৰূপাক দৃষ্টি ক্ষেত্ৰত ধৰি ৰাখিলে। শতৰূপাই বিব্ৰত হৈ আলাসতে থাকিবলৈ ল'লে যাতে পিতাকে তেওঁক নেদেখে। তেতিয়া ব্ৰহ্মাই উৰ্দ্ধমুখে চাব পৰা আৰু এটি মূৰৰ সৃষ্টি কৰিলে। নিজৰ পুত্ৰীৰ প্ৰতি এনে অশোভন আচৰণ কৰা ব্ৰহ্মাৰ ওপৰত মহাদেৱ ৰুষ্ট হ'ল আৰু ব্ৰহ্মাৰ পঞ্চম মূৰটো ছেদন কৰিলে। তেতিয়া ব্ৰহ্মাৰ হিতাহিত জ্ঞান উপজিল, তেওঁ অনুশোচনাত দগ্ধ হৈ চাৰিখন মুখেৰে অবিৰতভাৱে বেদ আওৰাবলৈ ধৰিলে। এইদৰে চাৰিখন মুখ থকা বাবেই ব্ৰহ্মাৰ অন্যতম নাম হ'ল চতুৰ্মুখ বা চতুৰ-বদন বা চতুৰ-বয়ন। (ড° মালিনী গোস্বামী, সৃষ্টিকৰ্তা ব্ৰহ্মা ঃ অভিশাপ আৰু অপযশ। আমাৰ অসম, ২৩/১/২০০৮)

শ্ৰীমদ্ভাগৱতত ব্ৰহ্মাৰ চাৰিখন মুখ হোৱা কথাটো আনধৰণে আছে। অনন্তশায়ী নাৰায়ণৰ নাভিকমলত ব্ৰহ্মা জাত হ'ল। তেওঁ কমলৰ কৰ্ণিকা বা কোষত বহি কোনো লোকক দেখা নাপালে। তেতিয়া কোনো লোকক দেখাৰ আশাৰে ব্ৰহ্মাই চাৰিওফালে চালে আৰু ফলত তেওঁৰ চাৰিখন মুখ সৃষ্টি হ'ল। (ভাগৱত, ৩/১২/৩৪--৩৭) ভাগৱতত ব্ৰহ্মাই নিজৰ মুখৰ পৰা উৎপন্ন দুহিতা সৰস্বতীৰ প্ৰতি কামাসক্ত হোৱাৰ কথা আছে, পিছত জন্মা শতৰূপাৰ প্ৰতি নহয়। (৩/১২/২৬--৩৩)

**২। অৱতাৰ ঃ অংশ আৰু পূৰ্ণ (অষ্টম স্তৱক) ঃ**

নৱবৈষ্ণৱ ভক্তিধৰ্মৰ অন্যতম প্ৰধান বৈশিষ্ট্য হ'ল গুৰুসকলক ঈশ্বৰৰ অৱতাৰ বুলি বিশ্বাস কৰা। মহাপুৰুষ শঙ্কৰদেৱ, জগতগুৰু শঙ্কৰদেৱ, মহাপ্ৰভু চৈতন্যদেৱ আদি আখ্যাত ব্যৱহৃত মহাপুৰুষ, জগতগুৰু, মহাপ্ৰভু শব্দই ঈশ্বৰক বুজায়।

মাধৱদেৱে শঙ্কৰদেৱক প্ৰথমে ঈশ্বৰৰ পূৰ্ণাৱতাৰ বুলি বৰ্ণনা কৰাতেই উক্ত বৈশিষ্ট্য প্ৰকাশ পাইছিল। পিছত অৱশ্যে গুৰুৰ আজ্ঞানুসৰি 'অংশ' বুলি বৰ্ণনা কৰে। দামোদৰদেৱৰ শিষ্য গোপাল মিশ্ৰ (ভাগৱত-৩য় স্কন্ধ), পুৰুষোত্তম ঠাকুৰ (ন-ঘোষা) আদিয়ে শঙ্কৰদেৱক অংশাৱতাৰ বুলি কৈ গৈছে। দৈতাৰি ঠাকুৰ (গুৰু চৰিত), দামোদৰদেৱৰ শিষ্য শ্ৰীহৰি কবি (ভা.-৫ম স্কন্ধ), ৰাম সৰস্বতী (কুলাচল বধ), দ্বিজ ৰামানন্দ (গুৰু চৰিত) আদিয়ে শঙ্কৰদেৱক পূৰ্ণাৱতাৰ বুলি কৈ গৈছে। (শ্ৰীনাৰায়ণ চন্দ্ৰ দেৱগোস্বামী, স.সং. স্বৰ্ণৰেখা ঃ ৭৮৬-৭৯০)

**৩। গীত-কবিত্ব গুণ... কীৰিতি গয়ো বহুদূৰ (একাদশ স্তৱক) ঃ**

এই 'বহুদূৰ' কথাটো বিচাৰযোগ্য। গুৰু ভটিমাটো ৰচাৰ সময়ত মাধৱদেৱ কোচ ৰাজ্যৰ অন্তৰ্গত বৰপেটা অঞ্চলতে আছিল। ইতিমধ্যে বাৰ বছৰ জুৰি তীৰ্থ পৰ্যটন কৰা শঙ্কৰদেৱ গুৰুজনৰ মুখে আৰু শাস্ত্ৰমুখে মাধৱদেৱে বিশাল ভাৰতবৰ্ষৰ কথা উপলব্ধি কৰিব পাৰিছিল। গতিকে এই 'বহুদূৰ' এ কোচ ৰাজ্যৰ পশ্চিমলৈ বিস্তৃত বিশাল ভূখণ্ডকে বুজাইছে।

শঙ্কৰদেৱে প্ৰথম বাৰৰ তীৰ্থ ভ্ৰমণতে উৰিষ্যা আৰু বাৰাণসীতে বেছি কাল আছিল। তেতিয়া বদৰিকাশ্ৰমত প্ৰথম বৰগীত ৰচনা কৰি এই শ্ৰেণী গীত ৰচনা আৰু সুৰ-সঞ্চাৰৰ শুভ আৰম্ভণি কৰিছিল। ব্ৰজাৱলীত ৰচনা কৰা বাবে বাহিৰৰ ঠাইবোৰৰ পণ্ডিত ৰসিকসকলে বৰগীতৰ অৰ্থও বুজি পাইছিল। ফলত উৰিষ্যা-বাৰাণসী আদি ভক্তি-ধৰ্মৰ কেন্দ্ৰবোৰত শঙ্কৰদেৱৰ গীত-কবিত্ব গুণে স্বীকৃতি লাভ কৰিছিল।

কীৰ্ত্তনত আছে ঃ 'নকৰিবা নিন্দা মোক মহন্তে। আসিল শাস্ত্ৰ বাৰাণসী হন্তে।।' (নাম- অপৰাধ, ৭১) চৰিত পুথিয়ে সাক্ষ্য দিয়ে শ্ৰীধৰ স্বামীৰ টীকাসহ ভাগৱত পুৰাণ তীৰহুতৰ (আন নাম মিথিলা- একাংশ বিহাৰৰ উত্তৰ-পূৱত, একাংশ নেপালত। অতীতৰ পৰাই বিদ্যাকেন্দ্ৰ) জগদীশ মিশ্ৰই শঙ্কৰদেৱক দিছিল বৰদোৱাত. মিশ্ৰ বিষ্ণুপুৰীৰ 'ভক্তি-ৰত্নাৱলী'খন হাজোৰ কণ্ঠভূষণে শঙ্কৰদেৱক দিছিল কোচ ৰাজ্যত। এই তথ্যবোৰে দেখুৱাই যে শঙ্কৰদেৱৰ গীত-কবিত্ব গুণ বহুদূৰলৈ বিস্তাৰিত হৈছিল।

**৪। ধৰ্মৰ ৰজা 'একশৰণ হৰিনাম'** (পঞ্চম স্তৱক) ঃ

(ক) সকল ধৰ্মত কৰি বিশিষ্ট।
হৰি কীৰ্ত্তনেসে ধৰ্ম গৰিষ্ঠ।।

--কীৰ্ত্তন, পা. মৰ্দন--১০৬

(খ) আন ধৰ্ম কিঙ্কৰ নামেসে তাৰ ৰাজা।

-- ভাগৱত

(গ) স ৱৈ পুংসাং পৰো ধৰ্মো য়তো ভক্তিৰধোক্ষজে।' ভা. ১/২/৬)

ইয়াৰ অনুবাদ ঃ

তাকেসে পৰম ধৰ্ম বুলিয় নিশ্চয়।
যাত হন্তে মাধৱৰ ভকতি মিলয়।।

-- ৰত্নাৱলী

'একশৰণ হৰিনাম ধৰ্ম'ক ধৰ্মৰ ৰজা বোলাৰ মুখ্য কাৰণ দুটা—

ক) বেদান্তৰ পৰম সত্য তত্ত্বক পৰম ভজনীয় দেৱতা কৃষ্ণৰূপে প্ৰকাশ কৰা হৈছে। গীতাৰ একশৰণ তত্ত্ব ইয়াত দৃঢ়ভাৱে ৰক্ষা কৰা হয়। যুগল উপাসনাৰ কোনো স্থান নাই।

খ) সেই পৰম সত্যতত্ত্বক উপলব্ধি কৰিবৰ বাবে সৰল-সহজ, অনাড়ম্বৰ হৃদয়-নিৰ্ভৰ ভক্তি-মাৰ্গৰ সন্ধান দিয়া হৈছে। এই মাৰ্গত জাতি-বৰ্ণ-লিঙ্গ নিৰ্বিশেষে সকলোৰে অধিকাৰ।

**৫। শঙ্কৰদেৱৰ মহিমা** (যোড়শ স্তৱক) ঃ

মাধৱদেৱৰ উপৰি আন শিষ্য বা সেৱকসকলে শঙ্কৰদেৱৰ অপাৰ মহিমাৰ কথা বখানি গৈছে। ইয়াত 'স্থালীপুলাক ন্যায়' অনুসৰি দামোদৰদেৱৰ শিষ্য গোপালচৰণ দ্বিজৰ এযাৰ উক্তি উদ্ধৃত কৰা হৈছে ঃ

'আহে সভাসদ লোক দেখ! ওহি কামৰূপে ইমত হৰিভক্তি নাছিল। আৰে কৃষ্ণৰ একান্ত দাস মহন্তসৰৰ অগ্ৰগণি শ্ৰীমন্ত শঙ্কৰ উদিত হৈল যাতো এতেকেসে লোকত ইমত ভক্তি প্ৰচাৰিল। তেন্তেসে সমস্ত লোকৰ বান্ধৱ, যাৰ পুণ্য যশে জগত ঢাকিল। সিটো মহাপুৰুষৰ মঞি কি মহিমা কহিবো অল্প ব্ৰাহ্মণ ছৱাল হৈয়া।' (ভক্তি-ৰত্নাকৰ কথাবন্ধ)

**৬। গুৰু ভটিমাটিৰ প্ৰভাৱ ঃ**

মাধৱদেৱৰ গুৰু ভটিমাৰ প্ৰভাৱ সমসায়িক বা পৰৱৰ্তী লেখকসকলৰ ওপৰত স্বাভাৱিকতে পৰিছে—

দাতা ভোক্তা জ্ঞাতা ধীৰ গহীন গম্ভীৰ।।
পৰম পণ্ডিত যত শাস্ত্ৰত নিপুণ।
দৰশিত সুন্দৰ কহিবো কত গুণ।।

-- দৈত্যাৰি, চৰিত-১৩--১৪

---

লেখক পৰিচয় ঃ **কৈলাস দাস**
সভাপতি, সাহিত্য শাখা সমিতি
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
(সহযোগী অধ্যাপক, পদাৰ্থ বিজ্ঞান বিভাগ,
আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়,
নগাঁও)

# বৰগীতৰ ভগৱৎ তত্ত্ব

প্ৰদীপ কুমাৰ শইকীয়া

বৰগীত মহাপুৰুষ দুজনাৰ অনুপম আৰু এক অভিনৱ সৃষ্টি। এফালে উক্ত আধ্যাত্মিক তাৎপৰ্য আৰু আনফালে আৱেগসঞ্চাৰী প্ৰাৰ্থনাসূচক সুৰে বৰগীতৰ গৰিমা দুগুণে বঢ়াইছে। নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰত বৰগীতসমূহৰ অৰিহণা অতুলনীয়। ভক্তিৰস, আধ্যাত্মিকভাৱ, অপাৰ্থিৱ সুখ আদি গুণেৰে ৰঞ্জিত গীতসমূহৰ মাজেৰে মহাপুৰুষ দুজনাৰ ভগৱানৰ প্ৰতি থকা আকুল হিয়াৰ কৰুণ কাকুতি-মিনতি আদি প্ৰকাশ পাইছে। বিষয়ানন্দৰ অসাৰতা আৰু আজীৱন কৃষ্ণ প্ৰেমানন্দৰ মূৰ্চ্ছনাই গীতসমূহৰ প্ৰধান উপজীব্য।

তত্ত্ববস্তু বুজোৱা বৰ টান। তত্ত্ব মানুহে কাৰো পৰা শিকি বুজি মুখস্থ কৰি লোৱা বিদ্যা নহয়। তত্ত্ব ঈশ্বৰৰ কৃপা আৰু উপলব্ধিৰ বিষয়বস্তু। তত্ত্ব কৃষ্ণক ভক্তি কৰি আপোনা আপুনি হৃদয়ত বিকাশ হোৱা বস্তু। গোটেই বিশ্বখন অনন্ত তত্ত্ব বস্তুৰ ভিতৰত সোমাই আছে। প্ৰতিটো কথাত, প্ৰতিটো প্ৰাণীত, প্ৰতিটো ঘটনাত তত্ত্ব বিৰাজমান হৈ আছে। বৰগীতত মহাপুৰুষ দুজনাই যি তত্ত্ব প্ৰকাশ কৰিছে সেয়া প্ৰকৃতাৰ্থত ভগৱৎ বা ঈশ্বৰ তত্ত্ব। ভগৱৎ তত্ত্ব মানে ঈশ্বৰ কৃষ্ণৰ লীলা। কৃষ্ণই ব্ৰহ্মাণ্ডখনৰ একমাত্ৰ পৰমপুৰুষ। পুৰুষবাচক জনকেই পৰমব্ৰহ্ম বুলি বিভিন্ন শাস্ত্ৰই ঘোষণা কৰিছে। বৰগীতসমূহৰ মাজতো পৰম আনন্দময়জনৰ সন্ধান প্ৰাঞ্জল আৰু মধুময় মাৰ্জিত ভাষাৰে সুন্দৰ ৰূপত বিকশিত কৰা দেখা যায়।

শঙ্কৰ মাধৱৰ ৰচিত সকলোবোৰ গীতেই পাৰমাৰ্থিক তত্ত্বৰে পৰিপূৰ্ণ। কাৰণ সকলোতে পৰমপুৰুষ কৃষ্ণৰ উপাস্যতাৰ কথা নিহিত আছে। পৰমাৰ্থ হ'ল পৰম পুৰুষৰ জ্ঞান। সমস্ত জগতৰ পৰম সত্যবস্তু বা সত্যতত্ত্ব হ'ল গোপাল গোবিন্দ যদুনন্দন কৃষ্ণ- যি একাধাৰে সগুণ সাকাৰ ঈশ্বৰ আৰু নিৰ্গুণ নিৰাকাৰ ব্ৰহ্ম। অনিত্য সংসাৰখনত জীৱই মায়াগ্ৰস্ত হৈ অবস্তুকে বস্তু বুলি ধাৰণা কৰি জীৱন নিৰ্বাহ কৰি দুখৰ উপৰি দুখ পায়। জীৱৰ উদ্ধাৰৰ পৰিত্ৰাণৰ একমাত্ৰ পথ বা উপায় হ'ল আনন্দময় কৃষ্ণৰ চৰণত একান্তভাৱে শৰণ লৈ তেওঁৰ গুণনাম শ্ৰৱণ-কীৰ্তন, স্মৰণ কৰি ভক্তিমাৰ্গত খোজকঢ়া। কৃষ্ণৰ চৰণত শৰণাপন্ন হৈ কৃষ্ণক ভজনা কৰি জীৱাত্মা পৰমাত্মাৰ লগত একীভূত কৰাই বৰগীতসমূহৰ দাৰ্শনিক, আধ্যাত্মিক, পাৰমাৰ্থিক বা ভগৱৎ তত্ত্ব।

ভক্তিৰস প্ৰধান বৰগীতত ভগৱৎ তত্ত্ব সুন্দৰ ৰূপত প্ৰকাশ পাইছে। ভক্তিৰসেৰে সিক্ত বৰগীতসমূহত বহু ঈশ্বৰবাদৰ পৰিৱৰ্তে একেশ্বৰবাদৰ সন্ধান দিছে। 'জয় জয় যাদৱ জলনিধিজাধৱ ধাতা শ্ৰুতমাত্ৰখিল ত্ৰাতা' উক্ত বৰগীতটোত যদুপতি যাদৱ কৃষ্ণৰ লগত পৰম ব্ৰহ্মক অভিন্ন ৰূপত প্ৰকাশ কৰিছে। যাৰ নাম শ্ৰৱণ-কীৰ্তন, স্মৰণ কৰিলে সকলো কাৰ্য সিদ্ধি লাভ কৰিব পাৰি সেইজন পৰম পুৰুষ জগতৰ প্ৰাণ। তেওঁ জন্ম ৰহিত নিত্য বুদ্ধ সত্য সনাতন। নিত্য নতুন সত্য সুন্দৰজন মায়াতীত। তেওঁ পৰমানন্দৰ মূল প্ৰাণকেন্দ্ৰ। তেওঁ অবিনাশী, মঙ্গলদায়ক আৰু অনন্ত কোটি ব্ৰহ্মাণ্ডৰ অধিকাৰী। বৰগীতটোত কৃষ্ণৰ পৰম পুৰুষত্বৰ কথা ঘোষণা কৰিছে।

মহাপুৰুষ দুজনাই পৰমপুৰুষক সগুণ ৰূপত উপলব্ধি কৰাৰ বাবে বিভিন্ন সময়ত কিছুমান প্ৰতীকৰ ব্যৱহাৰ কৰা দেখা যায়। প্ৰকৃতাৰ্থত সৰ্বশক্তিমান নিৰ্গুণ তত্ত্বৰ দৰে সগুণ ঈশ্বৰো কোনো নিৰ্দিষ্ট ৰূপ নাথাকে। ঈশ্বৰৰ শক্তিৰ প্ৰকাশ দুয়ো ধৰণেৰে হ'ব পাৰে। ইন্দ্ৰিয় গ্ৰাহ্য আৰু ইন্দ্ৰিয়াতীত। বৰগীতত সগুণ কৃষ্ণৰ ৰূপ চিন্তনৰ মাজেদি নিৰ্গুণ ব্ৰহ্মক উপলব্ধি কৰাৰ ব্যৱস্থা এনেদৰে দাঙি ধৰিছে।

(ক) মধুৰ মূৰুতি মুৰাৰু
মন দেখ হৃদয় হামাৰু।

ৰূপ অনঙ্গ সঙ্গ তুলনা।
তনু কোটি সুৰুজ উঝিয়াৰু।।
-- শ্ৰীমন্ত শঙ্কৰদেৱ

(খ) নীল তনু পীতপট ধতি লটি লোৰ।
নৱঘন ঘন যৈচে বিজুলী উজৌৰ।।
শিৰে শিখণ্ডক ডোলে গলে গজমোতি।
কোটি মদন মন মোহন মুৰুতি।।

শঙ্কৰ-মাধৱে ৰাম, কৃষ্ণ, হৰি, বিষ্ণু আদি পদেৰে পৰম ব্ৰহ্মৰ অৰ্থ প্ৰকাশ কৰিছে। পৰম ব্ৰহ্ম নিৰাকাৰ যদিও তেওঁ সগুণ ৰূপে ধৰা দিলেও নিৰাকাৰ ৰূপে সমস্ত প্ৰাণীতে বিৰাজমান। তেওঁ জগতৰ অধিষ্ঠাতা আৰু অন্তৰ্যামী ৰূপে সৰ্বত্ৰতে বিৰাজমান সেই কথা বৰগীতত পৰিস্কাৰ কৰি প্ৰকাশ কৰিছে এনেদৰে—

১। যত জীৱ জঙ্গম কীট পতঙ্গম
অগ নগ জগ তেৰি কায়া।
২। ঈশ স্বৰূপে হৰি সৰে ঘটে বৈঠহ
যৈচন গগন বিয়াপি।।
-- শ্ৰীমন্ত শঙ্কৰদেৱ

সকলো অৱতাৰৰ মূল কাৰণ নাৰায়ণ। নাৰায়ণ সৃষ্টিৰ আদিতে একমেবাদ্বিতীয়ম, নিজানন্দময়, আত্মাৰাম। সেইজন নাৰায়ণেই লীলাৰ দ্বাৰা আনন্দ আস্বাদন কৰিবৰ নিমিত্তে 'একোহহং বহুস্যাম'। অৰ্থাৎ এক মই বহু হ'ম। এয়ে মোৰ লীলা। লীলাই আনন্দৰ কাৰণ। নাৰায়ণে আত্মপ্ৰেমেৰে আত্মানন্দ আস্বাদন কৰি প্ৰেমাংশৰ শত-সহস্ৰ ভাগত বিভাগ কৰি নিজাংশৰ দ্বাৰাই নিজানন্দকে আস্বাদন কৰে। তলৰ বৰগীতটিত ইয়াৰ পৰিস্ফুট প্ৰকাশ দেখা গৈছে—

'নাৰায়ণ লীলা জানব কোই
সনক সনাতন চিন্তি চতুৰ মুহ
অধিকহি মোহিত হোই।
কোটি কোটি অণ্ড আৱত যাৱত
ৰোম ৰন্ধ মহ যাৱা।
সোহি ভূমিভাৰ হৰসি শূৰ শূকৰ
নৰসিংহ অৱতাৱা।।
যত দেখু কায়া সুত বিত জায়া
মায়াকু সব ধন্ধ।

আমি সমস্ত জীৱই তোমাৰ অংশ যদিও মায়া বন্ধনত থকা বাবে তোমাৰ বিনোদন লীলাৰ কথা বুজিব নোৱাৰি মোহগ্ৰস্ত হৈ আছোঁ। মায়া ছেদ কৰিবৰ বাবে পৰমানন্দৰ ওচৰত শৰণাপন্ন হ'বলৈ মহাপুৰুষ দুজনাই আহ্বান জনাইছে। মাধৱ মহাপুৰুষে তাৰাৰ অমূল্য শাস্ত্ৰ ঘোষাত ঘোষিত কৰিছে—

'অখণ্ডিত সদা শুদ্ধ চৈতন্য শক্তিৰ বলে
মোৰ প্ৰভু নাৰায়ণ এ
তুমি দূৰ কৰি আছা মায়া
হৰি হৰি তোমাৰ নিকটে নাহি মায়া।
তোমাক নভজো পদে মায়ায়ে মুহিলে মোক
মোৰ প্ৰভু নাৰায়ণ এ
আৰে কৃপাময় কৰা দায়া।
হৰি হৰি মায়াক নিবাৰি কৰা দায়া হৰি এ
(৭৫৫)

নিগম শাস্ত্ৰ মতে ৰাম কৃষ্ণ হৰি আদি অভেদ। শঙ্কৰ মাধৱৰ দৃষ্টিতো ৰাম কৃষ্ণ অভেদতত্ত্ব। ৰাম কৃষ্ণৰ অভেদতত্ত্ব আৰু ৰাম-কৃষ্ণ নামৰ মহিমা গূঢ়তত্ত্ব বৰগীতত প্ৰকট হৈ প্ৰকাশ পাইছে।

'নাহি নাহি ৰময়া পাপতাৰক কোই।
পৰমানন্দ পদ মকৰন্দ সেৱহু মন মোই।।

উক্ত বৰগীতটিত ৰামত বিনে সংসাৰ তাপৰ পৰা উদ্ধাৰ কৰোতা আন কোনো নাই এই কথা ঘোষণা কৰিছে। যুগধৰ্ম পালন কৰিবলৈ আহ্বান জনোৱাৰ উপৰি যাগ, যজ্ঞ, তন্ত্ৰ, মন্ত্ৰ আদি কৰ্মই মুক্তিপদ দিব নোৱাৰে। সেয়েহে ৰামৰ চৰণত সেৱা কৰি পৰম তৃপ্তি লভিবলৈ নৰৰূপী নাৰায়ণসকলক সোঁৱৰাই দিছে।

'মন মেৰি ৰাম চৰহি লাগু' ইয়াতো অনিত্য সংসাৰ, ক্ষণভঙ্গুৰ জীৱনৰ অসাৰ্থকতা প্ৰকাশ কৰিছে। চঞ্চল মনেই সমস্ত অনৰ্থৰ হেতু। এই চঞ্চল মনক সংযম কৰি ভগৱান ৰামৰ চৰণত আত্মনিৱেদন কৰিব পাৰিলেই পৰম পুৰুষাৰ্থ লাভ কৰিব পাৰি। দেখ ৰাম বিনা গতি নহে।। মনক পামৰু বুলিছে, মনৰ কাম কেৱল সকল্প, বিকল্প ভঙা পতাহে। গতিকে মনক সতৰ্ক কৰি কৈছে পৰমানন্দ স্বৰূপ ৰামৰ নাম ভজনা কৰি বিমল শান্তি উপলব্ধি কৰিবলৈ। 'পামৰু

মন ৰামচৰণে চিত্ত দেহু।'

কেদাৰ ৰাগত বন্ধা 'পাৱে পৰি হৰি কৰহোঁ কাতৰি' ৰ যোগেদি জগত মিথ্যা, ব্ৰহ্ম সত্য এই তত্বকেই বৰ্ণাবলৈ বিচাৰিছে। ধন, জন, জীৱন, যৌৱন পুত্ৰ পৰিবাৰ এই সকলোবোৰ অসাৰ। ভোগসুখ মানুহৰ বাবে চিৰস্থায়ী নহয়। গতিকে পৰম শাশ্বত সুখ লাভ কৰিবলৈ হৃষিকেশ গোবিন্দৰ চৰণত ভজনা কৰিব লাগে। ভগৱানক আৰাধনা কৰিলে কৃষ্ণৰ কৃপা মিলিব আৰু কৃষ্ণৰ কৃপাই জীৱক মুক্তি পথৰ সন্ধান দিব।

'একশৰণ নামধৰ্মত মধুসূদন ভগৱানৰ চৰণত আশ্ৰয় গ্ৰহণ কৰি কায়-বাক্য-মনে এক ঈশ্বৰক ভক্তি কৰাটো মূল কথা। পৰমেশ্বৰক লাভ কৰিবলৈ হ'লে বিকাৰহীনভাৱে অৱতাৰী পুৰুষ ৰঘুপতি ৰামৰ চৰণত শৰণ লৈ সাংসাৰিক মায়া, মোহ, ভয়, ত্যাগ কৰি শৰীৰৰ আসুৰিক প্ৰবৃত্তিবোৰ নাশ কৰিব লাগিব। শৰীৰৰ 'মন' ৰূপী ৰাৱণক বধ কৰিবলৈ বিবেকৰূপী ৰামে নানান সৎসঙ্গ লৈ শৰীৰৰূপী লংকাত প্ৰৱেশ কৰিব লাগিব। এই কথা 'শুন শুনৰে সুৰ বৈৰী প্ৰামাণা নিশাচৰ নাশ নিদানা' বৰগীতত মুক্তভাৱে প্ৰকাশ কৰিছে।

মাধৱ মহাপুৰুষৰ বৰগীতত ভগৱৎ তত্ব, দাৰ্শনিক তত্ব প্ৰকাশ কৰিছে কৃষ্ণৰ দুমুখীয়া কাৰ্য-কলাপৰ মাজেৰে। ইয়াক কৃষ্ণ কপট মনুষ্য ৰূপে স্বয়ং ঈশ্বৰ অৱতাৰ। পূৰ্ণাৱতাৰ কৃষ্ণ আচলতে অজ জন্মৰহিত। নিত্য বিকাৰ ৰহিত। যিজন তিনি ভূৱনৰ অধিকাৰী সেইজন আকৌ গকূলৰ লৱণু ভিক্ষাৰী। কৃষ্ণৰ ভিন্ন চল আৰু চাতুৰী মাজেৰে পৰম পুৰুষত্বৰ কথা বৰগীতত প্ৰচাৰ কৰিছে উক্ত বৰগীতটিত—

'জয় জয় নন্দ নন্দন পৰমানন্দ
বন্দো বাল গোপালং
যো পদ পঙ্কজ ৰজ অজ বন্দয়
সকল ভূৱন একু পালং।

অদ্বিতীয় সৎ চিৎ আনন্দ স্বৰূপ বস্তুৱেই পৰম তত্ব শ্ৰীকৃষ্ণ। কৃষ্ণই পৰম ব্ৰহ্ম। ব্ৰহ্মাক নানাজনে নানা ভাৱে চিন্তা কৰে। বৰগীতত নিৰ্গুণ ব্ৰহ্মই সগুণৰূপে অৰ্থাৎ কৃষ্ণ ৰূপে অৱতাৰ গ্ৰহণ কৰিছে আৰু জগতৰ তাৰণ হেতু অনেক লীলা কৰিছে।

১। তিনি গুণময় বেদবন পৰিহৰা।
গোৱালীৰ ঘৰে গৈয়া ব্ৰহ্ম চিনি ধৰা।।
উড়ুখলে যাৰে বান্ধি থৈয়া আছে টানি।
সোহি বেদ শিৰোৰত্ন অৰ্থ ভজা জানি।।

যাক উৰুখলত বান্ধি থৈছে সেইজন বেদৰো গুপুত বিত্ত নাৰায়ণ। সেইজনেই বেদৰ দ্বাৰা নিৰ্ণীত আৰু বন্দিত পৰমতত্ব তেওঁক ভক্তি কৰাই আমাৰ একমাত্ৰ গতি।

২। সত্য সনাতন নিত্য নিৰঞ্জন দেৱ।
অনাদি অনন্ত যোহি বিনে নাহি কেৱ।।
সোহি প্ৰভু নাম ধৰু নন্দকু নন্দন।
কৰো পৰভাতে তযু চৰণ বন্দন।।

তেৱেঁই সত্য সনাতন, নিত্য আৰু নিৰঞ্জন পৰম দেৱতা। আদি অন্তহীন পৰম তত্ব, তেওঁত বিনে আৰু কোনো নাই। সেইজন জগতৰ স্বামীয়েই নন্দনন্দন নাম ধৰি প্ৰকট হৈছে। জগতৰ প্ৰাণ পৰমাত্মাই সকলোৰে অন্তিম গতি।

বিশ্বখন মায়াৰে কল্পিত। পৰম ব্ৰহ্মাই মায়াক আশ্ৰয় কৰি জগত পৰিচালনা কৰে। মায়াক নানা শব্দই প্ৰকাশ কৰিব পাৰি যদিও মায়া ব্ৰহ্মাৰ শক্তি স্বৰূপ। মায়াৰ পাশত বন্দী হৈ জীৱই সংসাৰত অনেক ক্লেশ ভোগীব লগা হয়। মায়াৰ পৰা নিস্তাৰ পাবলৈ জীৱই পৰম শাশ্বত জনৰ নাম শ্ৰৱণ-কীৰ্তন আৰু স্মৰণ কৰিব লাগে, কাৰণ মায়া মৰ্দন কৰোতা পৰমদেৱতা কৃষ্ণৰহে অধিকাৰ আছে। এই কথা বৰগীতত এনেদৰে পোৱা যায়—

'হামু পশু মায়া জালত বন্দী।
নাহি নাহি দেখো পলাইতে সন্ধি।।
কাম ক্ৰোধ কুত্তা কামুৰি খায়।
বিষয় বিষ লাগি এ জীৱ যায়।।

আকৌ কৈছে—

'হৰিৰ মায়াৰ ফান্দে জীৱ ভৈল বন্দী।
ই তিনি ভূৱনে পলাইবাৰ নাহি সন্ধি।।
গুণি চোৰা মন তুমি এৰাইবা কমনে।
ফান্দোৱাল গোবিন্দৰ ধৰিয়ো চৰণে।।

হৰিৰ মায়াৰূপী জালত জীৱ বন্দী হৈ আছে। এই তিনি ভুৱনত মায়াৰ জালত নপৰাকৈ সাৰি থাকিব কোনো ঠাই নাই। গতিকে মায়া জালত বন্দী কৰি থোৱা গোবিন্দৰ চৰণত ধৰা। হৰিক ভজনা কৰিলে মায়াজালৰ পৰা পৰিত্ৰাণ পাই যদুপতি কৃষ্ণৰূপে অৱতীৰ্ণ হোৱা হৰিক লাভ কৰিব পাৰি।

যাৰ আজ্ঞা ব্ৰহ্মা হৰে শিৰে ধৰে, যাৰ ৰোম কূপত কোটি কোটি ব্ৰহ্মাণ্ড আয়াজাত কৰি আছে, সেই জন আনন্দসিদ্ধ ঘনশ্যাম পৰম কৰুণাসিন্ধু। তেওঁ পৰম পুৰুষোত্তম গোপাল। জীৱৰাশিক সংসাৰ দুখৰ পৰা উদ্ধাৰ কৰিবলৈ জন্মৰহিত হৈয়ো জন্ম ধাৰণ কৰে। ক্ৰিয়াতীত অকৰ্তা হৈয়ো কৰ্ম সম্পাদন কৰে। বৰগীতত এই কথা সগুণ আৰু নিৰ্গুণ তত্ত্বৰ মাজেৰে প্ৰকট কৰিছে।

'নাহি জন্মে তোমাৰ তথাপি জন্ম ধৰা।
সোহি জন্মে জীৱৰ জনম দূৰ কৰা।।
সহজে অকৰ্তা কৰ্ম কৰা অপৰ্যন্ত।
সোহি কৰ্মে জীৱৰ কৰ্মৰ কৰা অন্ত।।
তুমি প্ৰভু নিৰ্গুণ গুণেৰ সীমা নাই।
নিৰ্গুণ হোৱয় জীৱ সোহি গুণ গাই।।'

তুমি জন্মৰহিত হৈয়ো জন্ম ধাৰণ কৰা, নিৰ্গুণ হৈয়ো সগুণ অৱতাৰৰ ৰূপত জন্ম লোৱা। সেই জন্মৰ দ্বাৰা জীৱক পুনজন্মৰ দুখ সাগৰৰ পৰা পৰিত্ৰাণ কৰা। তুমি মায়া অতীত, ক্ৰিয়াৰ অতীত অকৰ্তা। কিন্তু মায়াই সৃষ্টি কৰা জগতৰ সমস্ত কৰ্ম তোমাৰ ইচ্ছাতে সম্পাদন হ'ব লাগিছে। তোমাৰ গুণৰাশি জীৱই কীৰ্তন কৰি জীৱও নিৰ্গুণ হ'ব পাৰে বুলি বৰগীতে বৰ্ণনা কৰিছে।

প্ৰকৃততে মহাপুৰুষ দুজনাই বৰগীতসমূহত কৃষ্ণ চৰিত্ৰৰ মনোৰম ছবি অংকনৰ মাজেৰে ভক্তিতত্ত্বৰ সাৰ্থক প্ৰকাশ কৰিছে। প্ৰায়বোৰ গীততে ভগৱৎ তত্ত্ব সাঙোৰ খাই আছে। পৰমাৰ্থৰ গীতবোৰৰ মাজেদি দুয়োজন মহাপুৰুষৰ গভীৰ বৈদান্তিক জ্ঞানৰ উমান পোৱা যায়। এই বৈদান্তিক দাৰ্শনিক তত্ত্ববোৰ ব্ৰহ্মৰ স্বৰূপ, ব্ৰহ্ম আৰু জীৱৰ সম্বন্ধ, মায়া আৰু অবিদ্যাৰ প্ৰভাৱত পৰা জীৱৰ দুখ দুৰ্দশা আৰু একমাত্ৰ ত্ৰাণকৰ্তা ৰূপে ভগৱান বিষ্ণুৰ মাহাত্ম্যৰে পৰিপূৰ্ণ। এই বাবে বৰগীতবোৰত কৈছে যে নাৰায়ণৰ মায়াৰ অন্ত নাই।

'অঘট ঘটন পটু চাতুৰী যো নিত
অনিত সমান সৱ হোই।
যতয়ে অনিত নিত সম ভাসত
ঐচন চাতুৰী হৰি তোই।।

মহাপুৰুষ দুজনাই উচ্চখাপৰ ভাৱ আৰু ভক্তিৰসসিক্ত গীতবোৰৰ দ্বাৰা কৃষ্ণ সংস্কৃতি প্ৰচাৰ কৰি ভক্তক ভগৱন্তৰ লগত যোগসূত্ৰ স্থাপনৰ ব্যৱস্থা দি গ'ল। নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ বাবে মহাপুৰুষ দুজনাই গীত, নাট, পদ, কাব্য আদি ৰচনা কৰিছিল। এই ধৰ্মৰ মূল উপাস্য দেৱতা বিষ্ণুৰ লীলা মালা আৰু গুণ গৰিমা, মহিমা আদি প্ৰচাৰ কৰাই বৰগীতসমূহৰ মুখ্য উদ্দেশ্য। ভগৱানৰ মানৱী প্ৰচেষ্টা আৰু তেওঁৰ প্ৰকৃত স্বৰূপ তথা ঐশ্বৰিক লীলা তত্ত্বৰে বৰগীতবোৰ সমৃদ্ধ। বৰগীতসমূহ গীতিকাৰ দুজনৰ স্বকীয় উপলব্ধিৰ প্ৰকট ৰূপ। প্ৰকৃততে আধ্যাত্মিক তত্ত্ব প্ৰকাশ আৰু চিদানন্দ কৃষ্ণৰ লীলা মাহাত্ম্য প্ৰচাৰ কৰা বৰগীতসমূহ, সঙ্গীত, সাহিত্য আৰু ৰসময়ী ভক্তি এই কেউটা দৃষ্টিতে মহত্বপূৰ্ণ। মহত্বৰ দিশৰ পৰা বৰগীত অনুপম আৰু অতুলনীয়।●●

**সহায়ক গ্ৰন্থ ঃ**

১। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ বিৰচিত বৰগীত ঃ সম্পা. কৈলাস দাস
২। শ্ৰীশ্ৰীশঙ্কৰদেৱ মাধৱদেৱ বিৰচিত বৰগীত ঃ দ্বিজেন্দ্ৰ নাথ ভকত
৩। বৰগীত ঃ সম্পাদনা, বাপচন্দ্ৰ মহন্ত
৪। অসমীয়া কবিতাৰ বিচাৰ বিশ্লেষণ ঃ সম্পাদনা, অৰ্চনা পূজাৰী
৫। আচাৰ্য বাপ ঈশ্বৰ কথামৃত ঃ সম্পাদনা, দয়াল কৃষ্ণ বৰা
৬। বিভিন্ন স্মৃতিগ্ৰন্থত প্ৰকাশ পোৱা প্ৰবন্ধ।

লেখক পৰিচয় ঃ **প্ৰদীপ কুমাৰ শইকীয়া**
সম্পাদক, মৰিগাঁও জিলা শাখা
(সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
মৰিগাঁও মহাবিদ্যালয়)

# শ্ৰীমদ্ভগৱদ গীতা ঃ এক চমু বিশ্লেষণ

ড° ইন্দিৰা শইকীয়া বৰা

ভাৰতীয় জীৱনত উপনিষদৰ প্ৰভাৱ প্ৰায় সকলো ক্ষেত্ৰতে বিস্তৃত। সভ্যতাৰ আৰম্ভণিৰে পৰা ভাৰতে মানৱ জাতিক আধ্যাত্মিক চিন্তাৰ অৰিহণা যোগাই আহিছে। বিভিন্ন জাতি-গোষ্ঠীৰ ধৰ্ম সংস্কৃতিক সামৰি লৈ এখন অখণ্ড সমাজ গঢ় দি অহাৰ বাহিৰেও সমগ্ৰ মানৱ জাতিক শান্তি-সম্প্ৰীতিপূৰ্ণ এক শাশ্বত নিৰঙ্কুশ সভ্যতা গঢ়াৰ পথ দেখুৱাই আহিছে। ভাৰতে এনে সাৰ্বভৌম আদৰ্শ দাঙি ধৰিব পৰাৰ মূল উৎস উপনিষদ বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। জন্মৰ পৰা মৃত্যুলৈকে যিমান কৰ্ম আদি কৰা হয় আৰু যি কৰ্মৰ দ্বাৰা জীৱন পৰিচালিত হয় তাৰ মূলতে আছে উপনিষদ। যি বিদ্যা বা জ্ঞানে অজ্ঞতা নাশ কৰি জীৱক ব্ৰহ্মপ্ৰাপ্তিৰ বাবে বাট দেখুৱাই দিয়ে, পৰমব্ৰহ্ম সাধনৰূপ সেই ব্ৰহ্মবিদ্যাৰ নামেই উপনিষদ। 'উপনিষদ' শব্দটো নিষ্পন্ন কৰিলে উপ-নি + সদ্ + ক্বিপ্ = উপনিষদ।

'কঠোপনিষদ'ৰ ভাষ্য ভূমিকাত 'উপনিষদ' শব্দটোৰ এনেধৰণে ব্যাখ্যা দিছে। 'সদ্' ধাতুৰ অৰ্থ জীৰ্ণ কৰা, বিনাশ কৰা বা গমন। 'নি' মানে নিশ্চিতৰূপে বা নিঃশেষে। যি বিদ্যাই মানুহৰ জন্ম-মৃত্যুৰ কাৰণ অজ্ঞান বা অবিদ্যাক নিঃশেষে জীৰ্ণ কৰে বা বিনষ্ট কৰে সেই বিদ্যাৰ নাম উপনিষদ। 'উপ' শব্দৰ অৰ্থ কাষত। বেদজ্ঞ গুৰুৰ কাষত বহি বেদক আশ্ৰয় কৰি যি বিদ্যা বা জ্ঞান লাভ কৰা হয় তাকেই উপনিষদ বোলে। বেদৰ চৰম (উৎকৃষ্ট) জ্ঞান, কৰ্ম বা ৰহস্য উপনিষদত ৰূপায়িত হৈছে। সেই কাৰণে উপনিষদৰ আন এটা নাম 'ৰহস্য'। বেদৰ জ্ঞানকাণ্ডৰ পাচত উপনিষদ অন্তৰ্গত হোৱা বাবে উপনিষদক 'বেদান্ত' বুলিও কোৱা হয়। অতি 'গভীৰ' আৰু 'দুৰ্গম' বুলি এই উপনিষদ বা ব্ৰহ্মবিদ্যাক নিৰ্বিচাৰে য'তে ত'তে সকলোৰে ওচৰত প্ৰকাশ কৰা নহ'ল বুলিয়েই ই হ'ল 'ৰহস্য'। 'ৰহসি' অৰ্থাৎ 'নিভৃতে' 'সংগোপনে' যি বিদ্যা দান কৰা হয় সেয়ে 'ৰহস্য'।

হিন্দুধৰ্মৰ মূল উৎস বেদ। 'উপনিষদ' বেদৰ বিশুদ্ধ অংশ। বেদক চাৰিটা ভাগত ভগোৱা হয়— সংহিতা, ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদ।

বেদৰ ব্ৰাহ্মণ ভাগত যাগ-যজ্ঞ, পুৰোহিতসকলৰ লক্ষণ আৰু কৰ্তব্য, যজ্ঞ প্ৰণালী, উদ্দেশ্য, ফলশ্ৰুতি আৰু দাৰ্শনিক ব্যাখ্যা দিছে। আৰণ্যকত অধ্যাত্ম বিদ্যা, আত্মতত্ত্ব, ব্ৰহ্মতত্ত্ব, সৃষ্টি ৰহস্য প্ৰভৃতি জ্ঞানকাণ্ড আৰণ্যকৰ প্ৰতিপাদ্য। প্ৰাচীন কালত তত্ত্বদ্ৰষ্টা ঋষিসকলে লোকালয়ৰ পৰা দূৰত থাকি নিৰ্জন অৰণ্যত বাস কৰিছিল আৰু সেই অৰণ্যতেই সংগোপনে ব্ৰহ্ম জিজ্ঞাসু শিষ্যক এই অধ্যাত্মবিদ্যা দান কৰিছিল। সেই কাৰণে এই বিদ্যা যি গ্ৰন্থত লিপিবদ্ধ হৈছে তাক 'আৰণ্যক' বুলি কোৱা হয়। 'অৰণ্য' অৰ্থাৎ ব্ৰহ্ম সম্বন্ধীয় জ্ঞান যি শাস্ত্ৰত আছে সেয়েই আৰণ্যক।

উপনিষদত যি তত্ত্বজ্ঞান বৰ্ণিত আৰু ব্যাখ্যা হৈছে সি হিন্দুধৰ্মৰ শ্ৰেষ্ঠ অংশ বুলি গৃহীত হ'ল। পৰৱৰ্তী কালত ভাৰতত যিবোৰ ধৰ্মই প্ৰতিষ্ঠা লাভ কৰিলে সেই সকলোবোৰ উপনিষদৰ ওপৰত ভিত্তি কৰিয়েই আগবাঢ়িল।

উপনিষদৰ মূল ভাব হ'ল ব্ৰহ্মসত্য, জগৎ মিথ্যা। 'তত্ত্বমসি' অৰ্থাৎ 'তুমিয়েই সেই'। উপনিষদক আত্মবিদ্যা, মোক্ষবিদ্যা আৰু ব্ৰহ্মবিদ্যা বুলিও কোৱা হয়। বেদান্ত দৰ্শনৰ এই তিনিটা স্তৰ উপনিষদ, গীতা আৰু ব্ৰহ্মসূত্ৰ।

আমাৰ এই প্ৰবন্ধৰ আলোচনাৰ বিষয় হ'ব উপনিষদৰ দ্বিতীয় স্তৰ গীতাৰ বৰ্তমান প্ৰাসঙ্গিকতা।

মহাভাৰতৰ ভীষ্মপৰ্বৰ অন্তৰ্গত শ্ৰীমদ্‌ভগৱদ্‌গীতা এক সাৰ্বজনীন, সাৰ্বকালিক আৰু সাৰ্বস্থানিক গ্ৰন্থ। প্ৰতিপাদ্য

বিষয়ৰ দৃষ্টিত এক অতুলনীয় নীতিশাস্ত্র। অষ্টাদশ (ওঠৰ) অধ্যায়ত ৰচিত গ্ৰন্থখনৰ প্ৰতিটো অধ্যায়ৰে নিজা বৈশিষ্ট্য আছে। ভাৰতীয় ঐতিহ্যই উপনিষদসমূহৰ সাৰৰূপে গীতাক গ্ৰহণ কৰা হৈছে আৰু কোৱা হৈছে— 'সকলো উপনিষদ যেন গাইগৰু, গোপালনন্দন শ্ৰীকৃষ্ণ দোহনকাৰী (খীৰাওঁতা), অৰ্জুন দামুৰী (পোৱালি), গীতাৰূপ অমৃত সেই গাইৰে গাখীৰ আৰু সুধীজন ইয়াৰ ভোগ কৰোঁতা।'[১]

উপনিষদৰ সাৰস্বৰূপ এই 'গীতা'ৰ সেয়ে সম্পূৰ্ণ নাম হৈছে— 'শ্ৰীমদ্ভগৱদ্‌গীতোপনিষদ'- শ্ৰীমান (শ্ৰীযুক্ত) ভগৱানে (শ্ৰীকৃষ্ণই) পান কৰা উপনিষদ। সংক্ষেপে 'গীতা' এই শব্দ সমগ্ৰ গ্ৰন্থৰ বোধক। গীতাৰ দ্বাদশ অধ্যায়ত ভগৱান কৃষ্ণই সাকাৰ ভক্তি আৰু নিৰাকাৰ ভক্তি, সাকাৰ ভক্ত আৰু নিৰাকাৰ ভক্তৰ পাৰ্থক্য তথা বৈশিষ্ট্য স্পষ্ট কৰিছে। এই অধ্যায়ত মুঠ শ্লোকৰ সংখ্যা ২০টা, তাৰে প্ৰথম শ্লোকত কৃষ্ণসখা অৰ্জুনে কৰা এক প্ৰশ্নৰ আলমত ভগৱানে বাকী ১৯টা শ্লোকত প্ৰশ্নৰ উত্তৰ দি সংশয় দূৰ কৰিছে। অৰ্জুনে ভগৱানৰ পৰা জানিব খুজিছে যে, 'যিসকল তোমাৰ ভক্তই অনবৰতে যোগক আশ্ৰয় কৰি তোমাক নিৰন্তৰ উপাসনা কৰি থাকে, আকৌ যিসকলে অবিনাশী অব্যক্ত ব্ৰহ্মৰেই মাত্ৰ উপাসনা কৰি থাকে, সেই সাকাৰ আৰু নিৰাকাৰ তথা সগুণ আৰু নিৰ্গুণ উপাসকসকলৰ ভিতৰত কোনসকল সকলোতকৈ যোগবিৎ বা যোগজ্ঞ?[২] অৰ্জুনৰ এই প্ৰশ্ন সকলো জ্ঞানাৰ্থীৰে, সকলো মোক্ষাৰ্থীৰে সকলো জিজ্ঞাসু ভক্তৰে প্ৰশ্ন। ভগৱানক মূৰ্তিমান আৰু বিমূৰ্তৰূপে যুগ যুগ ধৰি ভক্তসকলে বিভিন্ন প্ৰকাৰে চিন্তা কৰি আহিছে। ভগৱানৰ এই দুই প্ৰকাৰ ধাৰণাৰ কোনটো ধাৰণা পোষণ কৰাসকল অধিক যোগ্য তথা সফল এয়া এক সৰ্বকালিক প্ৰশ্ন। ভগৱানে দুই কুল ৰক্ষা কৰি উত্তৰ দিছে— 'উভয় পক্ষই তেওঁক পাব পাৰে, সিদ্ধি উভয় পক্ষৰে, তথাপি ভগৱানে স্পষ্টভাৱে জনালে যে, অব্যক্ত উপাসনা অতি কষ্টকৰ, বিশেষকৈ দেহাভিমানী সংসাৰীসকলৰ বাবে। দেহাভিমানী বা দেহ সচেতন সংসাৰীজনে অব্যক্ত উপাসনাৰে সিদ্ধি লাভ কৰিবলৈ গ'লে দুঃখ পাবলগীয়া হয়।'[৩] এই উক্তিত ভগৱানে অব্যক্ত উপাসনা অৰ্থাৎ নিৰাকাৰ ব্ৰহ্মাৰ উপাসনা দেহাভিমানহীন যোগীসকলৰহে সহজ সাধ্য এই ইঙ্গিত দিছে। নিৰাকাৰ উপাসনাত ব্যৰ্থ হোৱাজনে বা তেনে উপাসনাত নিজৰ বাবে সম্ভৱ নহয় বুলি ভবাসকলে আক্ষেপ কৰাৰ প্ৰশ্ন নুঠে। কাৰণ সখা অৰ্জুনে কৰা প্ৰশ্নৰ উত্তৰত প্ৰথমেই ভগৱানে স্পষ্ট কৰিছে যে সাকাৰ উপাসককে তেওঁ আটাইতকৈ যোগবিৎ বা যোগসিদ্ধ বুলি গ্ৰহণ কৰে। ভগৱানে কৈছে— 'মোতেই সম্পূৰ্ণৰূপে মনোনিবেশ কৰি সদায় মোৰ ভজন ধ্যানতে ৰত থাকি যি ভক্তই পৰম শ্ৰদ্ধাৰে সগুণৰূপী মোক পৰমেশ্বৰকে অৰ্চনা কৰে, সেই ভক্তকে মই সকলো যোগীৰ ভিতৰত শ্ৰেষ্ঠ বুলি ভাবোঁ।' কিন্তু ভগৱানে এই কথাও কৈছে যে সৰ্বব্যাপী নিৰাকাৰ সচ্চিদানন্দ পৰমব্ৰহ্মাৰ সাধকসকলেও তেওঁকেই লাভ কৰে।

মহাপুৰুষ শঙ্কৰদেৱে কীৰ্ত্তন-ঘোষাৰ বলিছলন খণ্ডত ভগৱানৰ এই বাণীকে কৈছে- যিজনে মুখত ঈশ্বৰৰ নামলৈ হৃদয়ত ঈশ্বৰৰ ৰূপ ধাৰণ কৰি ভগৱানক উপাসনা কৰে সেইজনেই তেওঁক লাভ কৰে আৰু ভগৱান সেইজন ভক্তৰ বশ্য।

গীতাৰ দ্বাদশ অধ্যায়ত ভগৱানে নিজেই ভক্তৰ ব্যৱহাৰ আৰু মানসিকতা কেনে হ'ব লাগে সেই সন্দৰ্ভত ভগৱানৰ উক্তিয়ে স্পষ্ট কৰি দিছে যে, ভগৱানক সন্তুষ্ট কৰিবলৈ বাহ্যিক পূজা-অৰ্চনা, জপ ধ্যান বা নৈবেদ্য প্ৰদান পৰ্যাপ্ত নহয়, ভক্তৰ মানসিক সংস্কাৰ আৰু সমাজ হিতৈষিতাহে থাকিব লাগে, যিবোৰ আমাৰ দৈনন্দিন জীৱনৰ বাবে অপৰিহাৰ্য। এই কথা গুৰুজনা শঙ্কৰদেৱেও প্ৰহ্লাদ চৰিতত কৈছে যে ভগৱানক লাভ কৰিবলৈ উচ্চ বৰ্ণৰ নহ'লেও হয়। জপ, তপ, যজ্ঞ-দান আদি নকৰিলেও হয় আনকি বিস্তৰ শাস্ত্ৰ জ্ঞানৰো প্ৰয়োজন নাই। কেৱল ভক্তিতে ভগৱান সন্তুষ্ট হয়।[৪] উপনিষদৰ এই বাক্য শঙ্কৰদেৱৰ ৰচনাৰাজিত বিদ্যমান।

গীতাৰ দ্বাদশ অধ্যায়ৰ শ্লোকসমূহত (১৪ৰ পৰা ১৯ লৈ) ভগৱানে শ্লোকৰ শেষত 'স মে প্ৰিয়ঃ' (তেওঁ মোৰ প্ৰিয়) এই বাক্যষাৰ কৈছে আৰু এজন ভক্তই ভগৱানক পাবলৈ কেনে গুণৰ অধিকাৰী হোৱা উচিত সেই কথাও কৈছে। যিজনে কাকো দ্বেষ নকৰে, সকলোৰে প্ৰতি মিত্ৰভাৱাপন্ন আৰু দয়াবান, যিজন সমত্ববুদ্ধি আৰু অহঙ্কাৰ ৰহিত, যি সুখ-দুঃখত সমানভাৱে থাকে, সদায় সন্তুষ্ট সমাহিত চিত্তৰ, সংযত স্বভাৱৰ, দৃঢ়বিশ্বাসী, যিজনৰ মন-বুদ্ধি মোতেই অৰ্পিত এনেকুৱা গুণযুক্ত ভক্তই মোৰ প্ৰিয়।'[৭]

পৰমপুৰুষ ভগৱান কৃষ্ণই ভক্তৰ গাত থাকিবলগীয়া

চাৰিত্ৰিক বৈশিষ্ট্যৰ বিষয়ে উল্লেখ কৰিছে। বৰ্তমান সমাজত দেখা দিয়া উচ্ছৃঙ্খলতা আৰু আড়ম্বৰপূৰ্ণ নানা বিধ মাধ্যমেৰে ভগৱানক বিচৰাসকলৰ বাবে ই সময়োচিত বক্তব্য। আমি সকলোৱে জানিব লাগিব যে নিজক সংস্কাৰ কৰি সমাজক আধ্যাত্মিক দিশত আগবাঢ়িবলৈ সহযোগ কৰিব লাগে। ইয়াত ভগৱানে ব্যক্তিগত, সামাজিক আৰু আধ্যাত্মিক সংস্কাৰৰ কথা কৈছে।

উপনিষদে ঈশ্বৰক পাবৰ বাবে যিবোৰ নৈতিক দায়িত্ব পালনৰ উপদেশ দিছে অৰ্থাৎ সংযম, উদাৰতা, দয়া, ধ্যান, যথাৰ্থকৰ্ম, অহিংসা, সত্যবাদিতা এইবোৰ গভীৰভাৱে চিন্তা কৰি মানি চলিলে এক পৰম পৱিত্ৰ জীৱন-যাপন কৰিবলৈ গৃহত্যাগী সন্ন্যাসী হৈ যোৱাৰো কোনো অৰ্থ নাই।

ভগৱানে পুনৰ কৈছে- 'যাৰ পৰা কোনো প্ৰাণীয়ে উদ্বেগত ভুগিবলগীয়া নহয় অৰ্থাৎ ভয় পাবলগীয়া নহয় আৰু নিজেও আনৰ পৰা উদ্বিগ্ন নহয়, যি হৰ্ষ, ক্ৰোধ, ভয় আৰু উদ্বেগৰ পৰা মুক্ত তেনে ভক্তহে মোৰ প্ৰিয়।'[৮]

বৰ্তমান সমাজত আনক উৎপীড়ন কৰা, নিজে অসামাজিক কামত লিপ্ত হৈ ভয়ত ভোগা, পৰিয়ালৰ বা সমাজক উৎপীড়ন কৰাসকলৰ বাবে গীতাৰ এইবাণী অতিকে প্ৰয়োজনীয়। তেওঁলোকৰ শেষ পৰিণতি ধ্বংস। আনকি জগতক তাড়না কৰা হিৰণ্যকশিপুৰেও মৃত্যুৰ পৰা ৰক্ষা পোৱা নাছিল। কুমাৰ কালৰ পৰাই ঈশ্বৰত মন সমৰ্পণ কৰিব লাগে।[৯] এই বুলি দৈত্য শিশুসকলক প্ৰহ্লাদে উপদেশ দিছে।

ভগৱান শ্ৰীকৃষ্ণই প্ৰিয়ভক্তৰ গুণৰ বিষয়ে পুনৰ কৈছে যে 'যিজন সকলো বিষয়তে নিস্পৃহ, শুচি অৰ্থাৎ শুদ্ধ আচৰণত ৰত, কৰ্তব্যত এলাহবিহীন, পক্ষপাত শূন্য, যিজনে ফল কামনা কৰি কোনো কৰ্ম আৰম্ভ নকৰে তেনে ভক্তহে প্ৰিয়।'[১০]

এই শ্লোকত ভগৱানে কোৱা গুণসমূহ সাংসাৰিক লোকৰ বাবে সহজসাধ্য নহ'লেও শুদ্ধ আচৰণ, কৰ্তব্যত এলাহবিহীন আৰু পক্ষপাত শূন্যহৈ সমাজত আদৰ্শ দেখুৱাব পাৰে। ব্যৱহাৰিক জীৱনৰ এনে কৰ্মই মানুহৰ সকলো দিশতে উন্নতি সাধিত হয়।

ভগৱানে পুনৰ কৈছে যে- যিজনে প্ৰিয়বস্তু লাভত আনন্দ নকৰে, অপ্ৰাপ্য বস্তু লাভ কৰিবলৈ আকাঙ্খা নকৰে, ইষ্ট নাশত শোক নকৰে, যিজনে কৰ্মৰ শুভ-অশুভ ফলাকাঙ্খা ত্যাগ কৰিছে তেনে ভক্তিমান সাধক তেওঁৰ প্ৰিয়।[১১]

বৰ্তমান সমাজৰ জটিল পৰিৱেশত সুস্থিৰ ভাৱে থাকিবলৈ ভগৱানৰ এই উপদেশ অতিকে প্ৰয়োজনীয়।

যিজন ভক্তিমান ব্যক্তি শত্ৰু-মিত্ৰ মান-অপমান আদিত সমভাৱাপন্ন, গ্ৰীষ্ম, শীত, সুখ-দুঃখক যি সমজ্ঞান কৰে, যিজন আসক্তি ৰহিত, নিন্দা আৰু প্ৰশংসাক তুল্য জ্ঞান কৰে, সংযত বাক্, যথালাভত সন্তুষ্ট, যিজন নিয়তবাসশূন্য, স্থিৰমতি এনে প্ৰকৃতিৰ ব্যক্তিয়েই ভগৱানৰ প্ৰিয়।[১২]

ভগৱানৰ দ্বাৰা কথিত ভক্তৰ এই গুণসমূহ মানুহে আহৰণ কৰা অতীৱ প্ৰয়োজন। সমভাৱৰ শিক্ষা ব্যৱহাৰিক দিশত প্ৰয়োগ কৰিব লাগে। সুস্থিৰ মনৰ লোকসকলেহে কৰ্মত সুফল দেখুৱাব পাৰে। আসক্তি বৰ্জিত হোৱা, ইষ্ট লাভত সন্তুষ্ট হোৱা সমাজৰ বাবে কল্যাণকাৰক। জীৱনযাত্ৰাৰ সঙ্কটপূৰ্ণ ক্ষেত্ৰত সকলো লোকেই মানিসক আৰু ব্যৱহাৰিক ক্ষেত্ৰত সমভাৱাপন্ন হোৱা উচিত।

শেষত ভগৱানে অৰ্জুনক পুনৰ কৈছে যে যিসকলে ধৰ্মৰ সম্যক্ উপাসনা কৰে, সেইসকল শ্ৰদ্ধাশীল মৎপৰায়ণ ভক্ত ভগৱানৰ অতিকে প্ৰিয়।[১৩] গীতাৰ অষ্টাদশ অধ্যায়ৰ ৬৫ আৰু ৬৬ নং শ্লোকতো ভগৱানে ভক্তৰ প্ৰতি আহ্বান জনাই কৈছে- 'তুমি একমাত্ৰ মোতেই চিত্ত ৰাখা, মোৰ ভক্ত হোৱা, মোক পূজা কৰা, মোক নমস্কাৰ কৰা, এনেদৰে বৰ্তমান তুমি মোক কৃপা লাভ কৰা, জ্ঞানেৰে মোকেই পাবা, কিয়নো তুমি মোৰ প্ৰিয়। সকলো ধৰ্ম পৰিত্যাগ কৰি একমাত্ৰ মোত শৰণ লোৱা। সকলো পাপৰ পৰা মই মুক্ত কৰিম।[১৪]

ভগৱান শ্ৰীকৃষ্ণৰ মুখ নিঃসৃত ভক্তৰ এই বিশিষ্ট গুণসমূহ অতুলনীয় যিবোৰ ধৰ্মশাস্ত্ৰত বিৰল। এনে শিষ্টাচাৰ সদাচাৰ, সুচৰিত্ৰ, পৰোপকাৰ আদি সমাজ জীৱনৰ উচ্চ আধ্যাত্মিক আদৰ্শ অনুশীলন কৰিব পাৰিলে ভগৱানৰ প্ৰিয়ভক্ত হ'ব পাৰি।

কঠোপনিষদত বৰ্ণিত অনুসাৰে ভগৱানে যাক কৃপা কৰে তেওঁহে মাথোন ভগৱানক বুজিব পাৰে। ঈশোপনিষদৰ সপ্তমমন্ত্ৰত[১৫] কোৱা হৈছে— জীৱজগতৰ ভিতৰত মনুষ্যদেহকেই সৰ্বশ্ৰেষ্ঠ বুলি স্বীকৃতি দিয়া হয়, যদিহে এই মনুষ্যদেহত পূৰ্ণ আধ্যাত্মিক জ্ঞানৰ চেতনা থাকে। প্ৰধানকৈ

ন-বিধ দিব্য কৰ্মৰ দ্বাৰা ভগৱদ্ ভক্তি কৰিব পাৰি। উপনিষদৰ দাৰ্শনিক চিন্তাধাৰাৰ দুটাৰূপৰ প্ৰথমটো হৈছে জ্ঞানমাৰ্গেৰে মুক্তিৰ অন্বেষণ, আনটো হৈছে ভক্তি মাৰ্গেৰে মুক্তিৰ অন্বেষণ আৰু এই ভক্তিমাৰ্গ প্ৰায় সকলোবোৰ উপনিষদতে প্ৰকাশ পাইছে।

ভগৱান কৃষ্ণই ভক্তক চাৰি প্ৰকাৰত ভাগ কৰিছে।[১৬] সেই চাৰি প্ৰকাৰ হৈছে— আৰ্ত, জিজ্ঞাসু, অৰ্থাৰ্থী আৰু জ্ঞানী। এইসকল ভক্তৰ ভিতৰত সদায় তেওঁতে চিত্ত থকা ভক্তক শ্ৰেষ্ঠ বুলি কৈছে আৰু জ্ঞানীসকল তেওঁৰ প্ৰিয়ভক্ত।●●

**পাদটীকা ঃ**

১. সৰ্ৰোপনিষদো গাৰো দোগ্ধা গোপালনন্দনঃ।
পাৰ্থোৰৎসঃ সুধীৰ্ভোক্তা দুগ্ধং গীতামৃতং মহৎ।।
-- গীতাধ্যানম্-৫

২. এবং সতত যুক্তা য়ে ভক্তাস্তাং পৰ্য্যুপাসতে।
যে চাপ্যক্ষৰমব্যক্তং তেষাং কে যোগবিত্তমাঃ।।
-- গীতা-১২/১

৩. ক্লেশোহধিকতৰস্তেষামব্যক্তাসক্ত চেতসাম্।
অব্যক্তা হি গতিৰ্দুঃখং দেহবদ্‌ভিৰৱাপ্যতে।।
-- গীতা-১২/৫

৪. ময়াবেশ্য মনো মে মাং নিত্যযুক্তা উপাসতে।
শ্ৰদ্ধয়া পৰয়োপেতাস্তে মে যুক্ততমা মতাঃ।।
-- গীতা-১২/২

৫. মুখে হৰি নাম স্মৰৈ হৃদয়ত ৰূপধৰৈ
তাহাৰ ভৃত্যৰো মঞি ভৃত্য।।
-- কীৰ্ত্তন, বলিচলন-৬৩৩

৬. নলাগে ভক্তিত দেৱদ্বিজ ঋষি হুইবে।
নলাগে সম্ভৃতশাস্ত্ৰ বিস্তৰ জানিবে।।
তপ জপ যজ্ঞ দান সৱে বিড়ম্বন।
কেৱল ভক্তিত তুষ্ট হোন্ত নাৰায়ণ।।
-- প্ৰহ্লাদ চৰিত, ৩৮০

৭. অদ্বেষ্টা সৰ্বভূতানাং মৈত্ৰঃ করুণ এৱ চ।
নিৰ্ম্মমো নিৰহঙ্কাৰঃ সমদুঃখ সুখঃ ক্ষমী।।
সন্তুষ্টঃ সততং যোগী যতাত্মা দৃঢ় নিশ্চয়।
মৰ্য্যপিত মনোবুদ্ধিৰ্যো মদ্ভক্তঃ স মে প্ৰিয়।।
-- গীতা-১২/১৩-১৪

৮. যস্মান্নোদ্বিজতে লোকো লোকান্নোদ্বিজতে চ যঃ।
হৰ্ষামৰ্ষভয়োদ্‌বেগৈৰ্ম্মুক্তো যঃ স চ মে প্ৰিয়ঃ।।
-- গীতা-১২/১৫

৯. ধৰিয়ো কুমাৰ কালে ভাগৱত ধৰ্ম।
-- কীৰ্ত্তন, প্ৰহ্লাদ চৰিত /৩৫৭

১০. গীতা-১২/১৬

১১. ঐ -১২/১৭

১২. ঐ - ১২/১৮-১৯

১৩. ঐ - ১২/২০

১৪. মন্মনা ভৱ মদ্ভক্তো মদ্‌য়াজী মাং নমস্কুৰু।
মামেৱৈষ্যসি সত্যং তে প্ৰতিজানে প্ৰিয়োহসি মে।।
সৰ্বধৰ্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।
অহং ত্বাং সৰ্বপাপেভ্যো মোক্ষয়িষ্যামি মা শুচঃ।।
-- গীতা, ১২/৬৫-৬৬

১৫. যস্মিন্ সৰ্বাণিভূতানি আত্মৈবাভূদ্ বিজানতঃ।
তত্ৰ কো মোহঃ কঃ শোক একত্বমনুপশ্যতঃ।।
ঈশোপনিষদ- ৭

১৬. গীতা- ৭/১৬-১৭

লেখক পৰিচয় ঃ **ড° ইন্দিৰা শইকীয়া বৰা**
সদস্যা, সাহিত্য শাখা সমিতি
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
(মুৰব্বী অধ্যাপিকা, সংস্কৃত বিভাগ
প্ৰাগ্‌জ্যোতিষ কলেজ, গুৱাহাটী)

# মহাপুৰুষ মাধৱদেৱৰ ৰচনাত মায়া

**বোধেশ্বৰ কাকতি**

মহাপুৰুষ মাধৱদেৱৰ ৰচনাৱলীৰ দাৰ্শনিক ভিত্তি বেদান্ত। 'সমস্ত বেদান্ত সাৰ' ভাগৱতৰ শুদ্ধ সত্য তত্ত্বকে তেখেতৰ ৰচনাৱলীৰ ভিতৰত নামঘোষা, ভক্তি-ৰত্নাৱলী, নাম-মালিকা আদি কাব্যত প্ৰকাশ পাইছে। নামঘোষা মহাপুৰুষ শঙ্কৰদেৱ প্ৰৱৰ্তিত একশৰণ হৰিনাম ধৰ্মৰ সম্পূৰ্ণ ভক্তিমাৰ্গৰ শাস্ত্ৰ। ব্ৰহ্ম, মায়া, পৰমব্ৰহ্ম, জীৱ, বিদ্যা, অবিদ্যা— এইবিলাক জ্ঞানমাৰ্গৰ দাৰ্শনিক তত্ত্বৰ কথা। এইবোৰ দৰ্শনৰ তত্ত্বযুক্তি আৰু জ্ঞানৰ পৰিসৰৰ ভিতৰুৱা, কিন্তু ভক্তিৰ ক্ষেত্ৰত ইবিলাকৰ তাত্ত্বিক দিশ আধ্যাত্মিক ক্ষেত্ৰৰ কথা। দাৰ্শনিক তত্ত্ব আৰু আধ্যাত্মিক ভক্তিৰসৰ দুইটি ধাৰাৰ সমন্বয় নহ'লে নীৰস তত্ত্ব আৰু ৰসময় ভক্তিৰ সংযোগ সাধন সম্ভৱ নহয়। মহাপুৰুষ মাধৱদেৱৰ ৰচনাত মায়াৰ স্বৰূপ আৰু ৰহস্য সম্বন্ধে আলোচনা কৰিবলৈ হ'লে ভাৰতীয় দৰ্শনৰ পৰিমণ্ডলত মায়াৰ স্বৰূপ সম্পৰ্কে কিছু পৰিস্কাৰ ধাৰণাৰ প্ৰয়োজন। মায়াৰ লগত ব্ৰহ্ম, পৰমব্ৰহ্ম, জীৱ, ঈশ্বৰ, আত্মা আৰু বিদ্যা-অবিদ্যা আদি তত্ত্বসমূহৰ সম্বন্ধ আছে।

মায়াবাদ বেদান্ত দৰ্শনৰ আলোচ্য বিষয়। বেদতেই প্ৰথম মায়াৰ উল্লেখ আছে বুলি কোৱা হৈছে। দাৰ্শনিক ক্ষেত্ৰত বেদান্ত শব্দই শঙ্কৰাচাৰ্যৰ অদ্বৈত বেদান্তকেই সাধাৰণতে বুজায়। অদ্বৈত বেদান্তৰ সাৰমৰ্ম হৈছে— 'ব্ৰহ্ম সত্য জগন্মিথ্যা জীৱো ব্ৰহ্মৈৱ কেৱলম্।' অৰ্থাৎ ব্ৰহ্মই একমাত্ৰ সত্য, জগৎ মূলঃ অসত্য বা মিছা। প্ৰপঞ্চ জীৱাত্মা ব্ৰহ্মৰ সৈতে একে, দুইৰো মাজত কোনো ভেদ নাই। বেদান্তত ব্ৰহ্মই পৰমাত্মাক বুজাইছে, এতেকে জীৱাত্মা আৰু পৰমাত্মাৰ মাজত পাৰ্থক্য নাই। সাধাৰণভাৱে ক'বলৈ গ'লে এইয়ে অদ্বৈতবাদ।

কিন্তু কেৱল মাত্ৰ ব্ৰহ্মহে যদি সত্য হয় আৰু জগত যদি মিছা, তেন্তে আমাৰ চকুত এই পৰিদৃশ্যমান জগতখন, আমাৰ জীৱন, এইবোৰ অসত্য নে কি? প্ৰকৃততে আমাৰ চকুত কিন্তু এই দৃশ্যমান জগতখন সদায় সঁচা যেনেই প্ৰতীয়মান হয়। তেনেহ'লে আমি কিয় মিছাতে সঁচা দেখোঁ? অদ্বৈতবাদী দাৰ্শনিক সিদ্ধান্ত মতে ইয়াৰ কাৰণ মায়া।

যি শক্তিৰ দ্বাৰা ঈশ্বৰে জগত সৃষ্টি কৰে সেই ঐশী শক্তিক 'মায়া' নামে অভিহিত কৰা হৈছে। 'মায়া' শব্দটো 'মা' ধাতুৰ পৰা উদ্ভৱ হৈছে; তাৰ অৰ্থ জোখা বা পৰিমিত কৰা। গতিকে 'মায়া' শব্দৰ অৰ্থ হ'ব যি অপিৰমেয় আৰু অপৰিচ্ছিন্ন তেওঁক পৰিমিত বা পৰিচ্ছিন্ন ৰূপে যি শক্তিয়ে দেখুৱাই সেয়ে মায়া। যি শক্তিৰ দ্বাৰা ভগৱান নিজে অব্যক্ত আৰু অৰূপ হৈয়ো ৰূপবিশিষ্ট জগতখন নিজতে প্ৰকাশ কৰে সেই ঐশী সৃজনী শক্তিয়েই মায়া। এই মায়াৰ আন নাম প্ৰকৃতি। যিহেতুকে ঈশ্বৰে জগতখন দুটা স্বকীয় উপাদান প্ৰকৃতি আৰু পুৰুষৰ দ্বাৰা সৃষ্টি কৰিছে, সেই কাৰণে দুয়োটাকে ঈশ্বৰৰ মায়া ৰূপে জনা যায় যদিও অপৰা প্ৰকৃতিহে সাধাৰণতে মায়া শব্দৰে বুজোৱা হয়। এই মায়াক যেতিয়া জগতৰ বীজৰূপে বৰ্ণনা কৰা হয় তেতিয়া ইয়াৰ নাম প্ৰকৃতি। গীতাত ভগৱন্ত কৃষ্ণই মায়া সম্পৰ্কে কৈছে—

'দৈৱী হ্যেষা গুণময়ী মম মায়া দুৰত্যয়া।
মামেৱ যে প্ৰপদ্যন্তে মায়ামেতাং তৰন্তি তে।।'

এই শ্লোকৰ দ্বাৰা ত্ৰিগুণাত্মিকা অপৰা প্ৰকৃতিকহে 'মায়া' শব্দই বুজাইছে। এই মায়া শক্তিৰ প্ৰভাৱত জীৱ যে ব্ৰহ্মৰ পৰা অভিন্ন আৰু জ্ঞাতাস্বৰূপ সেই কথা পাহৰি যায় আৰু শৰীৰ আৰু জাগতিক বস্তুৰ প্ৰতি আসক্ত হৈ শৰীৰক আত্মবুদ্ধি কৰি সংসাৰ বন্ধনপ্ৰাপ্ত হয়। মায়াই যিহেতুকে জীৱৰ প্ৰকৃত জ্ঞান লুপ্ত কৰি জাগতিক মোহ উৎপন্ন কৰে সেই কাৰণেই সংসাৰবদ্ধ জীৱৰ কাৰণে মায়া অবিদ্যা।

মায়া ব্ৰহ্মৰেই শক্তি। এই শক্তিৰ দুটা কাম— এটা আৱৰণ আৰু আনটো বিক্ষেপন। আৱৰণ শক্তিৰে অসত্য জগতখনকে সত্য বুলি দেখুৱায়। যেনেকৈ এজন যাদুকৰে

কৌশলেৰে আচল কথাটো আমাৰ চকুৰ আঁৰত ৰাখে আৰু মিছাটোকে সঁচা বুলি প্ৰতীয়মান কৰায়, সেই দৰেই মায়াই ইয়াৰ আৱৰণ শক্তিৰে সত্য ব্ৰহ্মক আঁৰ কৰি ৰাখে আৰু বিক্ষেপন শক্তিৰ দ্বাৰা অসন্ত জগতখনকে সন্ত হেন প্ৰকাশ কৰে। এই ভ্ৰম বুদ্ধিয়েই মায়া বা অবিদ্যা। 'অবস্তুক দেখাৱয় বস্তুক আৱৰি। সেহিসে মোহোৰ মায়া জানা নিষ্ঠ কৰি। (শঙ্কৰদেৱ)। ৰচি এডালক সাপ বুলি ভাবোতে সৰ্পভ্ৰমটো আমাৰ মনৰহে ধাৰণা, প্ৰকৃততে ৰচিডাল সাপ নহয়। সপোনত দেখা বাঘটো আমাৰ অৱচেতন মনৰ ভ্ৰান্ত ধাৰণাহে। সপোনটো শেষ হ'লে বাঘটো নোহোৱাৰ দৰে মায়া বা অবিদ্যা আঁৰত হ'লেই প্ৰকৃত সত্যটো উপলব্ধি হয়। যেতিয়া যথাৰ্থ জ্ঞান বা পাৰমাৰ্থিক জ্ঞান লাভ হ'লেই মায়া বা অবিদ্যা সম্পূৰ্ণ বিনাশ হয়।

মহাপুৰুষীয়া একশৰণ ধৰ্ম ভক্তিৰসাত্মক ভাগৱত আৰু গীতাৰ ওপৰত প্ৰতিষ্ঠিত হৈছে। ভাগৱত আৰু গীতাৰ কৃষ্ণ বা বিষ্ণু পূৰ্ণব্ৰহ্ম বা পৰমাত্মা। এই সগুণ ব্ৰহ্ম জগতৰ আনন্দ স্বৰূপ কৃষ্ণদেৱতা ভক্তি সম্ভৱ; কাৰণ ভক্তি মানেই হ'ল পৰমানন্দ। পৰমেশ্বৰত পৰম আসক্তি বা প্ৰেম। কৃষ্ণ বা বিষ্ণুৱেই ব্ৰহ্মৰ মূৰ্তিমান আনন্দময় পৰম দেৱতা। তেওঁ কাল আৰু মায়াৰ গৰাকী; সৃষ্টি, স্থিতি, প্ৰলয় তেৱেঁই অধিকাৰী। সমস্ত জগতৰ সাৰবস্ত তেৱেঁ। মহাপুৰুষ মাধৱদেৱৰ ৰচনাত এয়া বৰ্ণিত সগুণ কৃষ্ণ। মায়া যে বিষ্ণু কৃষ্ণৰ অধীন শক্তি, তেওঁৰ কৰুণাৰ অবিহনে মায়াৰ পৰা কোনো হাত সাৰি থাকিব নোৱাৰে আৰু ভগৱানত শৰণাগত হোৱাৰ বাহিৰে মায়াৰ পৰা ৰক্ষা পাবৰ কোনো উপায় নাই। এই তত্ত্ব ব্ৰহ্মা, শিৱ, ইন্দ্ৰ আদি দেৱতাসকলৰ ক্ষেত্ৰত প্ৰমাণিত হৈছে। ব্ৰহ্মাই মায়া কৰি গোৰক্ষ দামুৰি চুৰ কৰি অৱশেষত কৃষ্ণৰ মায়াত আৰু শিৱই বিষ্ণুমায়া নাৰীৰূপ চাবলৈ প্ৰয়াস কৰি নিজৰ জ্ঞান হেৰুৱাই পেলাবলগীয়া হৈছিল। এই বিলাকৰ তাৎপৰ্য এয়েই যে, কৃষ্ণৰ বাহিৰে সকলোৱেই অচেতনআৰু মায়াৰ দ্বাৰা আৱদ্ধ।

মহাপুৰুষ মাধৱদেৱৰ নামঘোষাত মায়াই এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে। নামঘোষাৰ প্ৰায় আঠৈকুৰি জোকা ঘোষাৰ মাজত মায়াৰ স্বৰূপ উল্লেখ পোৱা যায়। ইয়াত অবিদ্যা শব্দৰো বহুত বাৰ উল্লেখ আছে। যেনে—

মায়া আদি কৰি যত　　সমস্তে জগত জড়
　　কৃষ্ণেসে চৈতন্য আত্মা শুদ্ধ।
চৈতন্য কৃষ্ণক এৰি　　জড়ক ভজিয়া মৰে
　　কিনো লোক অধম মুগুধ।।৪৭।।

আকৌ- মায়া আদি কৰি　　সমস্তে অসন্ত
　　জানিবা জড় নিশ্চয়।
হৰি মাত্ৰ সন্ত　　চৈতন্য ঈশ্বৰ
　　পৰম তত্ত্ব নিৰ্ণয়।।২০৫।।

কৃষ্ণই একমাত্ৰ পৰম সত্য, চৈতন্য, সনাতন ঈশ্বৰ তেওঁ নিত্য, শুদ্ধ আত্মা আৰু অখণ্ডিত জ্ঞান স্বৰূপ। কৃষ্ণ বা বিষ্ণুৰ বাহিৰে সমস্ত চৰাচৰ মায়াৰ আনন্দদায়ক কল্পিত ৰূপ। মহাপুৰুষ মাধৱদেৱে লিখিছে—

'হে কৃষ্ণ তুমি মাত্ৰ　　চৈতন্য স্বৰূপ নিত্য
　　সত্য শুদ্ধ জ্ঞান অখণ্ডিত।
আৱৰ যতেক ইটো　　তোমাৰ বিনোদ ৰূপ
　　চৰাচৰ মায়াৰ কল্পিত।।৮৪।।

মায়াও জড় জগতৰ ভিতৰুৱা বস্তু। কাল আৰু মায়া সৃষ্টি, স্থিতি আৰু প্ৰলয় এই সকলোৰে অধিকাৰী মূল দেৱ কৃষ্ণ বা বিষ্ণু। বিষ্ণুৱেই জগতৰ সাৰবস্তু। কৃষ্ণৰ বাহিৰে যিহেতু সকলো অচেতন, এতেকে ব্ৰহ্মা মায়াৰ শয্যাত টোপনিত পৰি আছে।

ব্ৰহ্মা আদি কৰি জীৱ যত
　　ৰাম ৰাম ৰাম ৰাম ৰাম
মায়া শয্যা মাজে আছয় ঘুমতি যায়
তুমিসে চৈতন্য সনাতন
　　ৰাম ৰাম ৰাম ৰাম ৰাম
　　আমি অচেতন নিয়োক নাথ জগাই।।৬৫।।

মায়া ভগৱানৰ নিজা সৃষ্টি। এই মায়াই কপট ৰূপ ধাৰণ কৰি বা ছলনা কৰি আমাৰ মন মুহি ৰাখে ইয়াৰ কাৰণ হ'ল হৰিত শৰণাগত নোহোৱা। ব্ৰহ্মায়ো বাঞ্ছা কৰা নৰতনু পাই ঈশ্বৰত বিমুখ হোৱা আৰু তেওঁত ভক্তি নকৰাত তেওঁৰ মায়াই আমাক সংসাৰ যাতনা ভোগাইছে। পৰম দেৱতা কৃষ্ণত একান্ত শৰণে পশিলেই এই মায়াৰ নিৰ্যাণ হ'ব। সেয়ে পৰম ভক্ত মাধৱদেৱে ভগৱন্তৰ চৰণ ছত্ৰৰ ছাঁয়া আশ্ৰয় লৈ একান্ত শৰণাপন্ন হ'বলৈ এফাকি ঘোষাৰ জৰিয়তে সকলোকে আহ্বান জনাইছে। ভগৱন্তৰ মহিমা হৃদয়ঙ্গম কৰি একান্তপ্ৰপন্ন ভক্তই তেওঁতে শৰণাপন্ন হৈ মায়াৰ হাত সাৰিবৰ বাবে আকুল প্ৰাৰ্থনা জনায়।

দৰ্শনৰ নিৰ্গুণ নিৰাকাৰ ব্ৰহ্মাক ভক্তই সগুণ সাকাৰ পৰমেশ্বৰ কৃষ্ণৰূপে ধাৰণা কৰিহে তৰণৰ উপায় চিন্তা কৰিব পাৰে।

পৰমেশ্বৰ ভগৱন্তৰ প্ৰতি পৰম ঐকান্তিক প্ৰেমেই ভক্তি। এতেকে সগুণ ঈশ্বৰৰ স্থিতি অবিহনে ভক্তি নিৰৰ্থক কথা। এতেকে দেখা যায় যে, দাৰ্শনিক অদ্বৈতবাদৰ লগত একশৰণ হৰিনাম ধৰ্মৰ ভক্তিবাদৰ সম্পূৰ্ণ মিল নাই। 'ব্ৰহ্ম পদে শুদ্ধ জীৱক বুলিয়া ঈশ্বৰ পৰম ব্ৰহ্ম'- ইয়াৰ পৰা বুজা যায় ব্ৰহ্ম জীৱ বা আৱৰণহীন জীৱাত্মা আৰু ঈশ্বৰ পৰম ব্ৰহ্ম। আন কথাত ভক্ত আৰু পৰমাত্মাৰ মাজত মধুৰ সম্বন্ধ।

কিন্তু জীৱ ঈশ্বৰৰ অংশ হ'লেও মায়া বা অবিদ্যাই জীৱক ঈশ্বৰৰ পৰা পৃথক কৰি ৰাখে। মায়াত মুগ্ধ হৈ জীৱই শৱতুল্য অনাত্মা শৰীৰক আত্মা জ্ঞান কৰে আৰু মায়া বন্ধনযুক্ত হৈ সংসাৰত নানা ক্লেশ ভোগ কৰে। এই মায়া আঁতৰাব পাৰিলেই জীৱই সকলো দুখ নিকাৰৰ পৰা মুক্তি পায়। মায়া দূৰ হ'লে শৰীৰত থকা আত্মাক জীৱই প্ৰত্যক্ষ দেখা পায়। মায়া জাল ছিন্ন হ'লে, ডিঙিত থকা বস্তুক সহজে পোৱাৰ দৰে জীৱই সহজে ভগৱানক লাভ কৰিব পাৰে।

'অবিদ্যা নাশিলে লাগ কৃষ্ণক পাৱয় যেন
কণ্ঠ লগ্ন বস্তুক সাক্ষাত।।

—নাম-ঘোষা, ৪১

মায়াৰ গভীৰ ব্যাখ্যা পোৱা যায় মাদৱদেৱৰ 'জন্ম-ৰহস্য' পুথিৰ কোনো কোনো অংশত। নাৰদে কৃষ্ণক কৰা বন্দনাৰ মাজত জীৱজগত আৰু ব্ৰহ্মাৰ স্বৰূপ সুন্দৰকৈ প্ৰকাশ পাইছে। নাৰদে কৈছে—

'কৰিলা অধীন মায়া নিজ যোগ বলে।
তুমি মাত্ৰ সঞ্চা আন প্ৰপঞ্চ সকলে।।
তোমাৰ অন্তক নোহে জগত যতেক।
তুমি পুনু প্ৰভু প্ৰপঞ্চত ব্যতিৰেক।।'

'অৰ্জুন ভঞ্জন' নাটত কুবেৰৰ পুত্ৰদ্বয়ৰ মুখত দিয়া স্তুতি বেদান্তৰ দুৰূহ তত্ত্ব প্ৰকাশ পাইছে—

'হে পৰমানন্দ, পৰম পুৰুষ, পুৰুষোত্তম, দেৱক পৰম দেৱতা, জগতৰে আদি কাৰণ, প্ৰধান পুৰুষ! ..... তু.... ভূমিক ভাৰ হৰণ কাৰণে কপট মানুষ ৰূপ হুয়াছ। তুহু মাত্ৰ সত্য, ওহি জগত মায়াময়, জানি তোহাৰি চৰণ পশিয়ে কেৱল ভকতি মাত্ৰক আশা কৰহু।' অনাদি ব্ৰহ্মাৰ অংশ স্বৰূপে মায়াও অনাদি। ঈশ্বৰ সহযোগী হিচাপে মায়াকে বোলা হয় প্ৰকৃতি। মায়াক এক ৰহস্যময় শক্তিৰূপে পোৱা যায়, যি জীৱক অবিৰাম দিয়ে দুখ আৰু যন্ত্ৰণা। মায়াৰ চলনাৰ বিষয়ে মাধৱদেৱে কৈছে—

'তোমাৰ মায়ায়ে হৰি কপট গুণক ধৰি
মুহি আছে আমাক সমূলি।।'

কিন্তু মায়া ব্ৰহ্মাৰ দৰেই চিৰন্তন। মায়াক নিয়ন্ত্ৰণ কৰোতা ঈশ্বৰক অবিদ্যাই স্পৰ্শ কৰিব নোৱাৰে। অবিদ্যা বা মায়া তৰণৰ একমাত্ৰ উপায় হৈছে পৰমেশ্বৰৰ প্ৰতি ভক্তি। ভক্তিৰ সহায় নহ'লে জ্ঞান আৰু কৰ্মৰ সহায়ত জীৱ তৰিব নোৱাৰে। ভক্তিৰ দ্বাৰাই জীৱই মায়াক অতিক্ৰম কৰিবলৈ সক্ষম হয় আৰু সংসাৰ চক্ৰৰ হাত এৰাই মুক্তি লাভৰ যোগ্য হয়।

ভাগৱত শাস্ত্ৰত মায়াৰ ৰহস্য বৰ্ণিত হৈছে। ভাগৱত শাস্ত্ৰ আৰম্ভ হৈছে মহামুনি ব্যাসৰ পৰম বিষাদৰ পৰা। এই বিষাদৰ পৰা পৰিত্ৰাণ পোৱাৰ উপায় কি বুলি নাৰদ মুনিক প্ৰশ্ন কৰাত নাৰদৰ উপদেশ হ'ল- 'কৃষ্ণ গুণ নাম ধৰ্মৰ কৰিয়ো বেকত।' তেতিয়া ব্যাস মুনিয়ে কৃষ্ণমূৰ্তি ধ্যান কৰিবলৈ ধৰিলে আৰু 'হৃদয়তে কৃষ্ণক দেখিলে বিদ্যমান।' কিন্তু ব্যাসে এটি অভূতপূৰ্ব দৃশ্য দেখিলে আৰু শৰীৰ ৰোমাঞ্চিত হ'ল। তেওঁ দেখিলে— কৃষ্ণৰ সোঁহাতে ভক্তি মাৰ আৰু বাওঁহাতে মায়া। মায়াৰ দ্বাৰা কৃষ্ণ ভগৱন্ত বন্ধনপ্ৰাপ্ত হৈছে আৰু ভক্তি মাৰে সেই বান্ধোন খুলি দিছে। ঈশ্বৰ আৰু ভক্তিৰ মাজত পাৰস্পৰিক সম্বন্ধৰ এটি তত্ত্বকেই এই উপমাৰ দ্বাৰা প্ৰকাশ কৰিছে।

ভাগৱতৰ মতে মায়া তৰণৰ সাধন প্ৰণালী শ্ৰৱণ-কীৰ্তন ভক্তি। মহাপুৰুষীয়া ধৰ্মতো কলি যুগত ভগৱন্তক লভিবৰ উপায় একান্ত ভক্তি আৰু ইয়াৰ মাধ্যম শ্ৰৱণ-কীৰ্তন ভক্তি বুলি সৰ্বশ্ৰেষ্ঠ আসন দিয়া হৈছে। ভগৱন্ত কৃষ্ণৰ গুণ-নাম শ্ৰৱণ-কীৰ্তনৰ দ্বাৰাই মায়াৰ হাত সাৰিব পাৰি। তলৰ ঘোষা কেইফাকিত এই কথা প্ৰকাশ পাইছে—

মাধৱৰ নাম গুণ কীৰ্ত্তন কৰিয়া।
হৰিক পাৱয় সুখে মায়াক তৰিয়া।।৫২৮
যিটোজনে ফুৰে সদা হৰি গুণ গায়া।
হৰিৰ কৃপাত সিটো সুখে তৰে মায়া।।৪৩৮
যেৱে হৰিপদে শৰণ পশিয়া
হৰিনাম লৱে মুখে।

হৰিৰ প্ৰসাদ পাৱয় সিজনে
মায়াক তৰয় সুখে।।৩৬৭

সকলো যুগৰ ভিতৰত কলিযুগ ধন্য। এই যুগত জন্মলাভ কৰা সকলো ধন্য; কাৰণ প্ৰভু ভগৱন্ত কৃষ্ণৰ কৃপাতহে হতভগীয়া জনেও কলিত ৰাম নাম শ্ৰৱণ-কীৰ্তন কৰি দুস্তৰ মায়াৰ পৰা নিস্তাৰ পাব পাৰে। মহাপুৰুষ মাধৱদেৱৰ ৰচনাত মায়া তৰণৰ উপায় হিচাপে একান্ত ভক্তিকে সাৰোগত কৰিছে। হৰি বিমুখতাত যি নিগ্ৰহ, হৰিত আত্মা সমৰ্পণতেই তাৰ সমাপ্তি। 'মধুমতী মায়া উন্মত্ত কৰায়া' সংসাৰত জীৱক দুক দিওঁতা মধুসূদনৰ হাততহে মায়া মৰ্দনৰ ক্ষমতা আছে। হৰিত আত্ম সমৰ্পণ নকৰালৈকে মায়াই লগ নেৰে—'তাৰত মায়াত/ নতৰে হৰিত/ শৰণ নলৰে যেৱে।।'

শ্ৰৱণ-কীৰ্তন ৰূপ ভক্তি হৈছে হৰিৰ কৃপা লাভৰ সহজ পথ। 'মহন্তৰ সঙ্গে হৰি কথা ৰসে মনক জিনিয়া' হৰি অনুগ্ৰহ লাভ কৰিব পৰি। সেই কাৰণে ভগৱত কৃপা কৰি কলিৰ লোকক সাধনৰ পথ দেখুৱালে—

'কলিৰ লোকক পৰম দয়ালু
কৃষ্ণে কৰিলন্ত দায়া।
মোৰ নাম গুণ গায়া মহাসুখে
তৰোক দুৰ্ঘোৰ মায়া।।'

মহাপুৰুষীয়া নামধৰ্ম পালনকাৰী ভক্তসকল সদায় ভকতি আনন্দৰস সৰোবৰত ৰাজহংসৰ দৰেই মুক্ত বিচৰণকাৰী। এওঁলোকক সংসাৰৰ দুখ-কষ্ট, বিষয়-বাসনাই পৰশিব নোৱাৰে। সংসাৰত থাকিলেও তেওঁলোক বোকাত পদুমৰ দৰে। সাংসাৰিক ভোগ লালসাৰ প্ৰতি নিস্পৃহ, এয়াই জীৱমুক্ত অৱস্থা। মানৱ জীৱনত ইয়াতকৈ আৰু শ্ৰেষ্ঠ একো নাই। এয়াই সচ্চিদানন্দ পৰম পুৰুষৰ লগত মিলনৰ প্ৰয়াস—

যিহেতু চৈতন্যপূৰ্ণ পৰমাত্মা ৰূপে হৰি
হৃদয়ত আছন্ত প্ৰকাশি।
তাতেসে ইন্দ্ৰিয়গণ ভূত প্ৰাণ বুদ্ধি মন
প্ৰৱৰ্ত্তে যতেক জড়ৰাশি।।২২

মন, প্ৰাণ, বুদ্ধি, পঞ্চভূত আদি সকলো জড়। জড় দেহত পৰমাত্মা প্ৰৱেশ কৰি থকা বাবেহে ইবোৰ চৈতন্যৰূপে প্ৰকাশ পাইছে।

পাৰমাৰ্থিক দৃষ্টিকোণৰ পৰা চালে জীৱৰ মনলৈ অহা দুখ-যান্ত্ৰণা জাগতিক ভ্ৰমৰ পৰাই উৎপত্তি বুলিব পাৰি। প্ৰকৃত সত্যক বুজিব নোৱাৰি ভ্ৰম বা ছলনাকেই সত্য বুলি ধৰা হয়। এই ভ্ৰমৰ পৰাই জীৱনৰ সুখ শান্তি সমূলি হেৰুৱাই দুখ-যান্ত্ৰণাত ভূগিব লগা হয়। মহাপুৰুষ মাধৱদেৱে 'নামঘোষা'ৰ মাজেদি তাকেই প্ৰকাশ কৰিছে। 'মায়াৰ ৰচনা আশা নদী মাজে মজিয়া নপাইলো পাৰ'— সংসাৰ যন্ত্ৰণাত ভুগি ভক্ত কবি মাধৱদেৱে ভগৱন্তৰ অভয় চৰণত কাতৰ প্ৰাৰ্থনা কৰিছে—

'মায়াৰ নিগ্ৰহে মঞি পৰম আতুৰ ভৈলো
প্ৰাণ যদুপতি জীৱন যদুপতি।
অনাথৰ নাথ হৰি তুমি কৃপাময় বিনে
মোৰ আৰ নাহি আন গতি।।৬৫

প্ৰভু ভগৱন্ত কৃষ্ণই সৰ্ব দুখ হৰণ কৰোঁতা হৰি নিৰাশ্ৰয়ৰ আশ্ৰয় আৰু পৰম দয়ালু; তেওঁৰ বাহিৰে অন্য আশ্ৰয়ৰ স্থল নাই। প্ৰভু ভগৱন্তই ভকতৰ আৰু কৃষ্ণই পৰম কৃপালু দেৱতা। ভকতে সাধু সঙ্গত থাকি প্ৰভুৰ গুণ-নাম শ্ৰৱণ-কীৰ্তন কৰি পৰম কৃতাৰ্থ হয়। মাধৱপুৰুষে মায়াৰ নিগ্ৰহ পৰম আতুৰ হৈ কাকুতি কৰিছে—

হে প্ৰাণ বন্ধু কৃষ্ণ কৃপাৰ ঠাকুৰ।
অনু এক দয়া কৰা মায়া হোক দূৰ।।৫৩৩
আতুৰ ভৈলোহো হৰি বিষয় বিকলে।
কৰিয়ো উদ্ধাৰ মোক চৰণ কমলে।।৫৩

মহাপুৰুষ মাধৱদেৱে তাৰাৰ সমস্ত ৰচনাৰ মাজেদি ঐকান্তিক ভক্তিৰে মায়া বন্ধনৰ পৰা মুক্ত হোৱাৰ সুগম পথ দেখুৱাইছে। গীতা ভাগৱত আদি নিগম শাস্ত্ৰত জীৱন বৃত্তৰ মাজতে থাকি ভক্তি সাধনৰ যোগেদি পুৰুষৰ্থ সাধনৰ উপায় দিছে।●●

লেখক পৰিচয়ঃ **বোধেশ্বৰ কাকতি**
সদস্য, সাহিত্য গৱেষণা পৰিষদ
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

# ভকতি-সৌৰভ

ভবেন দুৱৰী

**জয় যাদৱ এ** — মোৰে প্ৰাণ জীৱৰে জীৱন নাৰায়ণ, ভকতৰ ধন তযু অৰুণ চৰণ, জয় যাদৱ এ.... দুৰণিৰ এটি নামঘৰৰ পৰা ভাঁহি অহা এজন ভকতৰ আৱেগ-বিহ্বল ভাৱেৰে পৰিপূৰ্ণ সন্ধ্যা প্ৰসঙ্গৰ এটি কোমল কলি। এক প্ৰাণোচ্ছল অভিক্ষেপ। সহজ অৰ্থ কৰিলে এনে হয়- 'হে যাদৱ, তুমি মোৰ প্ৰাণ আৰু সকলো জীৱৰে জীৱন— তুমিয়েই নাৰায়ণ। তোমাৰ অৰুণ চৰণ দুখানি ভকতৰ ধন অৰ্থাৎ অতি প্ৰিয় মূল্যৱান সম্পদ। তুমি মঙ্গলময়, হে যাদৱ! তোমাৰ কৃপাত সকলো মঙ্গলময় হওক। তোমাৰ জয়-জয়কাৰ হওক।'

একান্ত ভকত সৱে এনেদৰে নিৰ্গুণ কৃষ্ণৰ য'ত প্ৰাৰ্থনা কৰে, ভকত বৎসল হৰি তেওঁৰ নিবাস স্থান বৈকুণ্ঠ আৰু যোগীসকলৰ হৃদয়কো এৰি সেই স্থানত অৱতীৰ্ণ হয়। স্বাভাৱিকতে প্ৰশ্ন হয়, এনেকুৱা কিয় হয়? ভগৱানে বাৰু কিয় তেওঁৰ নিজৰ পৰম পৱিত্ৰ স্থান এৰি তেওঁৰ নিজৰে নাম-গুণ শুনিবলৈ ভকতে নাম লোৱা ঠাইলৈ ঢাপলি মেলে? ভকতে বাৰু কিয় কৃষ্ণৰ ভক্তিত গদ গদ হৈ পৰে?? তাৰ উত্তৰ নৱসিদ্ধই নিমি ৰজাক জনাইছিল। সেই একে প্ৰশ্নৰে সদোত্তৰ স্বয়ং কৃষ্ণই মহাভকত উদ্ধৱক প্ৰদান কৰিছিল। নিমি নৱ-সিদ্ধ সংবাদ আৰু কৃষ্ণ-উদ্ধৱ সংবাদত আলোচিত কিয়দংশই শিৰোনাম 'ভকতি-সৌৰভ'।

কবি সিদ্ধই নিমি ৰজাক কৈছিল, 'যিবিলাক মহাযোগীয়ে সদায় যোগ সাধনা কৰি থাকে তেওঁৰ কোটি জন্মেও সপ্ৰেম ভক্তি লাভ নহয়। হৰি নাম কীৰ্তন কৰিলে একে জনমতে সপ্ৰেম ভকতি লাভ কৰিব পাৰি। বেদেও অতি সহজে সপ্ৰেম ভকতি লাভ নহয় বুলি কয়। হে নিমি ৰজা, তেনে কথা ভাবি তুমি মনত সংশয় নকৰিবা। তুমি হৰি নামৰ মহিমাৰ কথা শুনা। হৰিনাম ধৰ্ম মহা গুহ্যতম। মহাহৰিক ভজনা কৰি তেওঁৰ নাম কীৰ্তন কৰিলে তিনিটা মহা প্ৰয়োজন সাধন হয়। প্ৰথমে মাধৱক ভক্তি কৰাৰ প্ৰেমভাৱ উপজে। শৰীৰৰ প্ৰতি বিৰাগ ভাৱ জন্মে। শৰীৰ যে প্ৰকৃততে অসাৰ সেই কথা উপলব্ধি হয়। কৃষ্ণইহে কেৱল প্ৰেমৰ সম্পদ সেই কথা জানিব পাৰি। ভক্তিভাৱে মাধৱক ভজনা কৰি সেই তিনিটা মহাপ্ৰয়োজন সাধন কৰিব পাৰি। ভোকত আহাৰ গ্ৰহণ কৰিলে যিদৰে প্ৰতি গৰাহতে তিনি প্ৰয়োজন সিজে তেনেদৰে কৃষ্ণক ভকতি কৰিলে তিনি মহাপ্ৰয়োজন সিজে। ক্ষুধাত আহাৰ গ্ৰহণ কৰিলে মনৰ সন্তুষ্টি লাভ হয়, দ্বিতীয়তে শৰীৰৰ পুষ্টি লাভ হয় আৰু তৃতীয়তে ক্ষুধা নিবাৰণ হয়। কৃষ্ণক অলপ অলপকৈ ভজিলে তেওঁৰ প্ৰতি প্ৰেমভাৱ অলপ অলপকৈ বাঢ়িবলৈ ধৰে। অলপ ভোজন কৰিলে যিদৰে কিছু তুষ্টি লাভ হয় ঠিক তেনেদৰে কৃষ্ণক অলপ ভজন কৰিলে কৃষ্ণপ্ৰেম ভাৱ ওপজে আৰু একান্তভাৱে ভজনা কৰিলে পৰম প্ৰেমভাৱ ওপজে। প্ৰেমভাৱে একান্ত মনে কৃষ্ণক ভকতি কৰিলে কৃষ্ণৰ পৰা পৰম প্ৰসাদ লাভ কৰিব পাৰি। তেতিয়া সকলো বিষয়-বাসনা দূৰ হয়। কৃষ্ণৰ বাহিৰে সকলো অসাৰ বুলি জানিব পৰা হয়. বিষয়-বাসনাৰ প্ৰতি আসক্ত নোহোৱা ভকতে কেতিয়াও কৃষ্ণৰ পদমূল নেৰে। সেই প্ৰেম ভকতিয়েই বেদৰ শিৰোৰত্ন। হে ৰজা নিমি, তোমাকে ভাগৱতৰ কথা জনালো, তুমি এনেভাৱে ভাগৱত ধৰ্ম আচৰণ কৰিবা। তোমাৰ কল্যাণ হওক।

নিমি ৰজাই পুনৰ নৱসিদ্ধক প্ৰণাম জনাই কৈছিল, হে মুনিসৱ, তোমালোকে কৈছা যে হৰি ভকতে বিঘিনিৰ মূৰত ভৰি দি আনন্দ মনে ফুৰে। অভকতসকলক বিঘিনিয়ে

এৰা নিদিয়ে এই কথাও তোমালোকৰ পৰাই জানিলো। যিজন হৰিৰ প্ৰতি ভক্তিহীন তেওঁৰ জীৱন অসাৰ্থক আৰু তেওঁ মিছাতে আয়ু ক্ষয় কৰে। সেইজনৰ কি গতি হয় দয়া কৰি মোক কোৱা।' নিমি ৰজাৰ কথা শুনি সিদ্ধ চমসে উত্তৰ দিলে— হে ৰাজন, হৰিক যিয়ে ভজনা নকৰে তেওঁৰ কি গতি হয় কওঁ শুনা। মাধৱহে নিজ পিতৃ। তেওঁ পৰমেশ্বৰ, জগতৰ গুৰু। তেওঁৰ পৰাই চাৰিও জাতি উদ্ভৱ হৈছে, এই চাৰি জাতিৰ পিতৃ হৈছে কৃষ্ণ। সেইজনা পিতৃক নভজি অৱজ্ঞা কৰাজন কৃতঘ্ন আৰু মহাপাপী। তেওঁ পিতৃগুৰু দ্ৰোহ পাপত ডুবি কুল ক্ৰিয়া ভ্ৰষ্ট হয়। কৃষ্ণক নাজানি যিজনে কৃষ্ণক নভজে সেইজন কৃষ্ণৰ কৃপাৰ পৰা বঞ্চিত হৈ দুখ ভোগ কৰিবলগা হয়। তেনে লোকেও কাৎচিত কোনো ভকতৰ সঙ্গ লাভ কৰি কৃষ্ণক জানিব পাৰে আৰু কৃষ্ণক ভকতি পৰম গতি লাভ কৰিব পাৰে।'

সেই একে ধৰণৰ প্ৰশ্নই মহাভকত উদ্ধৱে স্বয়ং কৃষ্ণক কৰিছিল আৰু তাৰ যথাৰ্থ উত্তৰ কৃষ্ণই উদ্ধৱক দিছিল। বেদে জ্ঞান বিনে গতি নাই বুলি কৈছে। জ্ঞান হৰি ভকতিৰ মাজতে আছে। হৰি ভক্তি কৰোতেই নিজে নিজে ভকতৰ মনত জ্ঞান উপজে। জ্ঞান লাভৰ বাবে অযথা যোগ সাধনা কৰাৰ কোনো প্ৰয়োজন নাই। কেৱল হৰি ভকতিৰ জৰিয়তে মানুহে দুৰ্ঘোৰ সংসাৰ গৰ্তৰ পৰা উদ্ধাৰ হ'ব পাৰে। হৰিৰ গুণ-নাম স্মৰণ কৰি, হৰি ৰূপ হৃদয়ত ধাৰণ কৰি অপ্ৰয়াসে হৰিৰ কৃপা লাভ কৰিব পাৰি।

কৰ্মৰ বিষয়ে সুধা প্ৰশ্নত উদ্ধৱক কৈছিল- যিয়ে হৰি নাম নলয়, হৰিৰ গুণ-নাম কীৰ্তন নকৰে, তেওঁ জীৱন বৃথা। তেনেজন লোকৰহে কৰ্মত অধিকাৰ আছে। দুষ্ট চিত্তেৰে যিজন যি কৰ্ম কৰে সেই কৰ্ম বিফলে যায়। গতিকে হে সখা উদ্ধৱ, তুমি জ্ঞান আৰু কৰ্মত বিশ্বাস নকৰি কেৱল একান্ত মনে মোৰ (হৰিৰ) গুণ কীৰ্তন কৰি মোৰ চৰণ চিন্তা কৰি এই দুখময় সংসাৰ অতি সুখেৰে তৰিব পাৰিবা। তপ, জপ, তীৰ্থ, স্নান, মহাদান, জ্ঞান, বৈৰাগ্য যিবোৰ সুফল লাভ কৰিব পাৰি, সেই সকলো বোৰ মোৰ নাম গুণ একান্ত মনে কীৰ্তন কৰি ঘৰতে থাকি সকলো সহজে লাভ কৰিব পাৰি। মোক ভকতি কৰাৰ বাহিৰে আন কোনো গতি দাতা এই সংসাৰত নাই। বেদে এই পৰম সত্যকে প্ৰতিপাদন কৰিছে তাত কোনো সংশয় নাই।'

মহাপুৰুষ গুৰুজনায়ো তাকে পুনৰ দোহাৰিছে, হৰি নাম ল'লে সকলো পাপ নাশ হয়। হৰি নাম লওঁতে কোনো কষ্ট কৰিব নালাগে নতুবা কোন অৰ্থৰ অপচয় নহয়। হৰিৰ নাম শুনিলে অমৃত পান কৰাৰ দৰে হয়। গতিকে হৰিৰ নাম মুখৰ পৰা এৰিব নালাগে। এই কলি যুগত হৰিৰ নামৰ বাহিৰে সংসাৰ তৰিবৰ আন একো উপায় নাই। হৰি নাম পুণ্যৰ বীজ। যিমানবোৰ তপ, তীৰ্থ, স্নান, মন্ত্ৰ, জপ, যজ্ঞ আছে সিবোৰ সকলো হৰিনাম উচ্চাৰণৰ দ্বাৰা সিদ্ধ হয়। হৰি নাম সংসাৰ ব্যাধিৰ মহৌষধ। গতিকে যি হৰি নাম নলয় তেওঁ আন কৰ্ম কৰি দুখহে লাভ কৰে। তেওঁৰ সমান অজ্ঞানী কোনো নাই। কৃষ্ণ পৰম দেৱ। ব্ৰহ্মা আদি সকলো দেৱতাই কৃষ্ণক সেৱা কৰে। গতিকে কৃষ্ণৰ চৰণত ভকতি কৰিবলৈ গুৰুজনাই সকলোকে উপদেশ দিছে। (ভাগৱগত, একাদশ স্কন্ধ) তাৰে ফলশ্ৰুতিত সৃষ্টি হৈছে উপৰত উল্লিখিত নাম-প্ৰসঙ্গৰ সোৱাদ আৰু বিয়পিছে কৃষ্ণ ভকতিৰ সুবাস।●●

লেখক পৰিচয়ঃ **ভবেন দুৱৰী**
সদস্য, সাহিত্য শাখা সমিতি
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
(সঞ্চলক (কৰ্মচাৰী,
অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ, গুৱাহাটী

# কৃপাল গুৰু শঙ্কৰ

**সভাৰাম ভৰালী**

জন্মতে স্পৰ্শিলো মৃত্যুতে ঘৰ্ষিলো
শঙ্কৰৰ পদ ধূলি।
জীৱন নাটৰ যৱনিকা টানো
শঙ্কৰ শঙ্কৰ বুলি।।
-- গীতগঙ্গোতী

জগতৰ সৎ ব্যক্তিসকলে বিভিন্ন প্ৰকাৰে বিভিন্নজনক কৃপা বৰিষণ কৰি জগতত আদৰ্শ প্ৰতিষ্ঠা কৰি গৈছে। তেনে পৰম কৃপালু মহাপুৰুষসকলৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ হ'ল সৰ্বগুণাকৰ শ্ৰীমন্ত শঙ্কৰদেৱ। 'শঙ্কৰ' নামৰ লগত 'দেৱ' শব্দ সংযোগ হৈ শঙ্কৰদেৱ হৈছে। The word Deva means 'One who gives to men'. অৰ্থাৎ যি কেৱল দিবহে জানে ল'ব নাজানে তেৱেঁই 'দেৱ'। এতিয়া প্ৰশ্ন হ'ল গুৰু শঙ্কৰদেৱে আমাকনো কি দিলে? এই প্ৰশ্নৰ সমাধান হিচাপে মহানুভৱীসকলৰ সুৰতে সুৰ মিলাই আন এটি প্ৰশ্ন অৱতাৰণা কৰি ক'বৰ মন যায় যে জগত বন্ধু শঙ্কৰ গুৰুৱেনো আমাক কি দিয়া নাই? এইটোও ডাঙৰ আৰু সময় উচিত প্ৰশ্ন। প্ৰসঙ্গ ক্ৰমে অসমীয়া সাহিত্যৰ পুৰুধা ব্যক্তি চন্দ্ৰ কুমাৰ আগৰলাদেৱে উপলব্ধিত মনেৰে লিখা— 'হে শঙ্কৰ তুমি অসমক নিদিলা কি? ধন্য অসম, তুমি শঙ্কৰ সূৰ্যক পাইছিলা। নহ'লেনো আজি ক'ত থাকিলাহেঁতেন।' বোলা সোণসেৰীয়া কথাষাৰ স্মৰণ কৰিবৰ মন যায়। সেয়ে এজন ভক্তহৃদয় ব্যক্তিয়ে গুৰু কৃপাৰ মহত্ব অনুধাৱন কৰি মন্তব্য দিলে এইদৰে— 'সাধন যোনিৰ সম্ভাৱনাক নাৰায়ণ পদলৈ উন্নীত কৰাৰ পৱিত্ৰ প্ৰেৰণাই হ'ল 'গুৰু-কৃপা'। পুনৰ বিজ্ঞসকলৰ ভাষাৰে ক'বৰ মন যায় যে শঙ্কৰক বাদ দি অসম বা অসমীয়াৰ নিজা বুলি ক'বলৈ স্থায়ী সম্পদেইবা থাকিল কি?

ব্যক্তি আৰু সমাজ উত্তৰণৰ ক্ষেত্ৰত বাধা স্বৰূপ মায়া তত্ত্বৰ বেলিকা গুৰুজনাই আমাক সকিয়ালে এইদৰে- 'য'ত দেখা য'ত শুনা/ যতেক মনত গুণা/ সবে মায়াময় স্বপ্ন সম।।' সেয়ে নহয়, বৰগীতৰ মাধ্যমেৰে গুৰুজনাই পুনৰ অশাশ্বত সংসাৰ বৃক্ষৰ বৰ্ণনা দিছে এই বুলি—

'অথিৰ ধনজন জীৱন যৌৱন
অথিৰ এহু সংসাৰ।
পুত্ৰ পৰিবাৰ সবহু অসাৰ
কৰব কাহেৰি সাৰ।।

পুনঃ পুনঃ সংসাৰ চক্ৰত কক্‌বকাই থকা জীৱ জগতক উদ্ধাৰ হোৱাৰ সুগম পথ মুচুকুণ্ড স্তুতিৰ মাধ্যমেৰে শঙ্কৰ গুৰুৱে ইঙ্গিত দিছে এইদৰে—

সংসাৰ চক্ৰত চিৰকাল ভ্ৰমো
তোমাত নভৈল বোধ।
একোৱে প্ৰকাৰে সুখ শান্তি নাই
নিজিনিলো কাম ক্ৰোধ।।

অন্যহাতে বাইবেলত 'Know thyself' বুলি কোৱাৰ দৰে ই মানৱ দৰদী গুৰুজনায়ো বাঘৰ পোৱালিয়ে নিৰ্মল পানীত নিজৰ প্ৰকৃত চেহেৰাৰ প্ৰতিবিম্ব দেখিহে স্ব-পৰিচয়ৰ উমান পোৱাৰ নিচিনাকৈ মূঢ়মতি মনুষ্যক অমৃতময় জ্ঞানৰ মাধ্যমেৰে জ্ঞান দিয়াৰ প্ৰচেষ্টা চলাই কীৰ্ত্তন-ঘোষাৰ প্ৰথম পদত ঘোষিলে—

'প্ৰথমে প্ৰণামো ব্ৰহ্ম ৰূপী সনাতন।
সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ।।

শাস্ত্ৰৰ ভিতৰত উত্তম শাস্ত্ৰ, উত্তম সেৱা, উত্তম কৰ্ম আৰু মন্ত্ৰৰ মাজত মহামন্ত্ৰৰ ইঙ্গিত দি মহাপুৰুষ মাধৱদেৱে ঘোষিলে—

'একেখানি মাত্ৰ শাস্ত্ৰ নিষ্ঠ দেৱকী নন্দনে কৈলা যাক
দেৱো একমাত্ৰ দেৱকীদেৱীৰ সুত।
দেৱকী পুত্ৰৰ পদসেৱা কৰ্ম্মো এক এহিমানে মাত্ৰ
মন্ত্ৰো এক তান নাম মাত্ৰ অদভূত।।৬৬৬

তাৰ উপৰি— 'কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম/ জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।।' বোলা সৰ্বগুণাকৰ পুৰুযোত্তম গুৰুৱে ফান্দত পৰি থকা হৰিণক জালৰ পৰা মোকলাই

ব্যাধকো আধলি এটি পাৰিশ্ৰমিক হিচাবে দি উদাৰ ভাৱনাৰে সকলো ধৰ্মৰ প্ৰতি সমভাৱ প্ৰদৰ্শন কৰি ঘোষিলে এই বুলি—

পৰৰ ধৰ্মক নিহিংসিবা কদাচিৎ।
কৰিবা ভুতক দায়া সকৰুণ চিত।।

সেয়ে নহয় মানুহৰ মাজত চলি থকা জাত-পাত, ধৰ্ম-বৰ্ণ সম্প্ৰদায়ৰ প্ৰকাণ্ড প্ৰাচীৰখন নিচিহ্ন ৰূপে গঢ়াৰ মানসেৰে মানৱতাবাদী গুৰুৱে পুনৰ বৰ্ণনা দিলে এইদৰে—

'কিৰাট কছাৰী খাছি গাৰো মিৰি
যৱন কঙ্ক গোৱাল।
অসম মুলুক ৰজত তুৰুক
কুৱাচ ম্লেচ চণ্ডাল।।

ঈশ্বৰ স্ৰষ্টা সকলো প্ৰাণীৰ প্ৰতি সমদৃষ্টি ৰাখি গুৰুজনাই অষ্টমস্কন্ধ ভাগৱতত প্ৰকাশ কৰিলে এই ভাবি—

'য'ত দেখা ভূত প্ৰাণী সবে বিষ্ণু হেন জানি
হিংসা এড়ি কৰা উপকাৰ।
বিষ্ণুক মনত ধৰা শ্ৰৱণ কীৰ্ত্তন কৰা
নিস্তাৰিবা তেবেসে সংসাৰ।।

পুনৰ সকলো জীৱজগতৰ মধ্যে এক পৰম তত্ত্বৰ অস্তিত্বৰ স্বীকাৰ কৰি গুৰুজনাই কীৰ্ত্তন-ঘোষাত ঘোষিলে এইদৰে—

সমস্ত ভূতৰে তুমি আছা হৃদয়ত।
তত্ত্ব নাপাই তোমাক বিচাৰে বাহিৰত।।

জীৱশ্ৰেষ্ঠ মানৱে সংসাৰ কূপত পৰি প্ৰেয়-শ্ৰেয়, সুখ-দুখৰ দোমোজাত পৰি দিশ নিৰ্ণয়ৰ বেলিকা হাবাথুৰি খাব লগা হৈছে। এনে সন্ধিক্ষণৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ কৃপালু গুৰুৰ প্ৰপন্ন শিষ্য মাধৱ মহাপুৰুষে গুৰুজনাৰ দৰেই কৃপালু ভাৱনাৰে মূঢ় মানৱৰ প্ৰতি নামঘোষাত নিশ্চয়তা প্ৰদান কৰি ঘোষিলে—

হৰিক আশ্ৰয় জানিবা নিশ্চয়
সুখৰ মূল কাৰণ।
হৰিত বিমুখ দুখৰ কাৰণ
জানিবা নিষ্টবচন।।

মানৱ শৰীৰ ধাৰণৰ ক্ষেত্ৰত পোষক দ্ৰব্য 'খাদ্য'ৰ ভূমিকা অপৰিহাৰ্য। সেয়ে হ'লেও বিশ্বমানৱ মহাত্মা গান্ধীৰ এটি সৎ উপদেশ হ'ল— 'খোৱাৰ কাৰণে জীৱন নহয়, জীয়াই থাকিবৰ কাৰণে খাব লাগে।' সাত্বিক বা নিৰ্গুণ খাদ্যৰ অন্য এটি নাম হ'ল 'প্ৰসাদ'। সেয়ে হয়তু জগত গুৰু শ্ৰীমন্ত শঙ্কৰদেৱে নিৰ্গুণ কৃষ্ণক পাৱৰ বাবে নিৰ্গুণ খাদ্যৰ ব্যৱস্থা কৰি গৈছে, যাক বোলা হয় প্ৰসাদ। প্ৰসাদ মানে কৃপা বা অনুগ্ৰহ। কাৰ কৃপা বা অনুগ্ৰহ বুলি প্ৰশ্ন আহিলে নিমিষতে দিব পৰা উত্তৰটো হ'ল- ঈশ্বৰৰ অনুগ্ৰহ। অৰ্থাৎ ঈশ্বৰৰ প্ৰসাদ খালে ঈশ্বৰৰ কৃপা অৱশ্যেই মিলে। এই বেলিকা ভাগৱত শাস্ত্ৰৰ মত হ'ল—

'কৃষ্ণত অৰ্পণ নকৰি যিটো দ্ৰব্য ভূঞ্জয়।
কুকুৰৰ বিষ্টা সদৃশ সিটো দ্ৰব্যচয়।।'

আধ্যাত্মিক চিন্তা উপলব্ধক শ্ৰেষ্ঠ মানৱতাবাদী শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰচাৰ কৰা ধৰ্মত এক ঈশ্বৰৰ শৰণ লোৱাত গুৰুত্ব আৰোপ কৰা বাবে এই ধৰ্মক 'একশৰণ নামধৰ্ম' বোলা হয়। অন্যহাতে এই ধৰ্ম পৰম পুৰুষ কৃষ্ণ আৰু ৰামক কেন্দ্ৰ কৰি প্ৰচাৰ হোৱা বাবে 'মহাপুৰুষীয়া ধৰ্ম'ও বোলা হয়। মহাপুৰুষীয়া ধৰ্মৰ মাজেৰে জগত বন্ধু, জগত গুৰু শ্ৰীমন্ত শঙ্কৰদেৱে চৰম সিদ্ধান্ত দিছে এইদৰে—

হৰি ৰাম হৰি ৰাম এ মূল মন্ত্ৰ
কলিত নাহিকে তপ জপ যজ্ঞ যন্ত্ৰ।

অমঙ্গলো সুমঙ্গল হোৱা কৃষ্ণ কীৰ্তনত গুৰুত্ব দি একশৰণ তত্ত্ব প্ৰচাৰ কৰা কৃপালু গুৰু শ্ৰীমন্ত শঙ্কৰ মহাপুৰুষৰ মাহাত্ম্য উপলব্ধি কৰি এজন ভক্ত হৃদয়ৰ শঙ্কৰ প্ৰেমী ভক্তই নিজৰ লগতে জগতবাসীলৈ এটি অদ্বিতীয় প্ৰশ্ন— 'কোন আছে শঙ্কৰ সমান?' বুলি আত্মা সন্তুষ্টি লভিছে। শেষত এই মহাজ্যোতি হৃদয় সম্ৰাট শ্ৰীমন্ত শঙ্কৰক নিজৰ ৰন্ধ্ৰে ৰন্ধ্ৰে আত্মসাৎ কৰা বঢ়াৰ পো মাধৱৰ ভাষাৰে স্মৰিলো এই ভাবি—

'শঙ্কৰেসে গুৰু মোৰ আত্ম প্ৰিয়তম হৰি
শঙ্কৰত পৰে নাহি আন।
ইহ পৰলোকে শঙ্কৰেসে গতি মোৰ
শঙ্কৰক স্মৰি যাওক প্ৰাণ।।●●

লেখক পৰিচয়ঃ **সভাৰাম ভৰালী**
দিখৌমুখ, শিৱসাগৰ

# 'গুৰু-চৰিত-কথা'ত
# শঙ্কৰদেৱৰ মানৱীয় দৃষ্টিৰ প্ৰতিফলন

ড° মুকুল চক্ৰৱৰ্ত্তী

**গ্ৰন্থ পৰিচয় ঃ**

আমাৰ দেশৰ বৈষ্ণৱ সত্ৰ-থান আদিত 'চৰিত-তোলা' বা 'চৰিত চৰ্চা' কৰা প্ৰথা এটি প্ৰচলিত হৈ আহিছে। সত্ৰীয়া চৈধ্য প্ৰসঙ্গৰ শেষত এগৰাকী অভিজ্ঞ ভকতে গুৰুৰ জীৱন-লীলাৰ, খণ্ড বিশেষ ক্ৰমান্বয়ে কয়, উপস্থিত ভক্ত সমাজে পৰম নিষ্ঠা আৰু ভক্তিৰে সৈতে তাকে শুনে। কোনো কোনো ভকত সজ্জনৰ গৃহতো দহ ভকত একেলগ হৈ এনে চৰিত্ৰ-প্ৰসঙ্গ প্ৰৱৰ্ত্তন কৰে আৰু গুৰুসকলৰ জীৱন-কাহিনী এফালৰপৰা বিৱৰি কয়। ঠায়ে ঠায়ে পদ চৰিতৰ পৰা একো একো অংশ সুৰ লগাই আবৃত্তি কৰা হয়। কিবা সন্দেহ বা আসোঁৱাহ পালে আন ভক্তই তাক তুলি ধৰে। প্ৰয়োজন বোধে শুধৰায়ো দিয়ে। কেতিয়াবা ভক্ত বক্তা-শ্ৰোতাৰ মন গুৰুমহিমাত মজি, চাৰি-পাঁচ দিন চৰিত চৰ্চ্চা চলাই যায়। মন কৰিবলগীয়া কথা যে চৰিত চৰ্চনৰ মাজেৰে গুৰুসকলৰ উক্তিসমূহ বেদৰ বাণীৰ দৰে লৰচৰ নোহোৱাকৈ অনেক কাল বিভিন্ন থান-সত্ৰত একেদৰে আবৃত্তি কৰা হৈ আহিছে। সত্ৰলৈ শিষ্য বা আন বৰলোক আহিলেও আশীৰ্বাদ দিবৰ বেলিকা এগৰাকী বুঢ়া ভকতে এছোৱা চৰিত কথন কৰে। অতিথিয়েও চৰিত কোৱা সময়খিনি আঠু কাঢ়ি থাকি চৰিত চৰ্চনৰ মাধুৰ্য উপভোগ কৰে।

চৰিত পুথিমতে, মাধৱদেৱেই প্ৰথমতে ভক্তসমাজত গুৰুৰ গুণানুকীৰ্ত্তন কৰি 'চৰিত তোলা' প্ৰথা প্ৰৱৰ্ত্তন কৰে। ইয়াৰ পিছৰে পৰা এই 'চৰিত তোলা' প্ৰথা সত্ৰ আৰু ভক্তসমাজত প্ৰচলিত হয়, গুৰু পৰম্পৰাৰ জীৱনী আৰু কাৰ্যাৱলী বৰ্ণনা কৰি চৰিত পুথি ৰচিত হবলৈ ধৰে। উল্লেখযোগ্য যে যি গৰাকী বিশিষ্ট বুঢ়াভকত আতৈয়ে বা বাপুসকলৰ মাজত বা ভক্তসমাজত চৰিত ব্যাখ্যা কৰে তেওঁক বক্তাহে বুলিব পাৰি, লিখক নহয়। বক্তাগৰাকীৰ কথন-বচন অনুসৰি যিজনে বা যিসকলে পুথিখনি লিখি উলিয়াইছে তেওঁৰ বা তেওঁলোকৰ নাম পোৱা নাযায়। বৰ্তমান প্ৰাপ্ত কথা চৰিত পুথিসমূহ এনে ধৰণৰ চৰিত তোলা প্ৰথাৰ পৰাই উদ্ভূত। কথা চৰিতৰ দৰে পদ-চৰিতবোৰো একে উৎসৰপৰা সৃষ্ট। প্ৰকৃততে-পদচৰিত সকলোখিনিয়েই 'কথন-চৰিত্ৰৰ ছন্দ-সংস্কৰণ মাথোন। কথা-চৰিত বিলাকেই হ'ল-সত্ৰীয়া চৰিত তোলাৰ ঐতিহ্যৰ ঘাই সুঁতি, পদ-চৰিতবোৰো সেই ঐতিহ্যৰ সুঁতিৰ পৰা তুলি আনি ঘটত থোৱা তীৰ্থজল।[১]

বেলেগ বেলেগ প্ৰধান সত্ৰসমূহৰ নিজা নিজা কথা-চৰিত আছে। 'গুৰু-চৰিত কথা'ৰ মূল সাঁচিপতীয়া পুথিখনিৰ যে নিজৰ এক দীঘল ইতিহাস আছে তাক দেখিলেই বুজিব পাৰি। পুথিখনি আজিৰপৰা প্ৰায় সত্তৰ বছৰমান আগত ১৯২৭ ইং চনমানত বৰপেটা সত্ৰৰ সত্ৰীয়া চতুৰ্ভূজ মিশ্ৰৰপৰা শৰণ লোৱাৰ সময়ত ড° বাণীকান্ত কাকতিদেৱে নিৰ্মালিৰূপে পাইছিল। ১৯৩৮ ইং চনৰ ২০ জানুৱাৰীত কাকতিদেৱে পুথিখনি অসম বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগক ধাৰলৈ দিয়ে। উক্ত বিভাগত পুথিখনিৰ সংখ্যা ২৪৪ D.H.A.S. দি চিহ্নিত হৈছিল আৰু পুথিখনি 'শঙ্কৰ চৰিত' বা শঙ্কৰ চৰিত গদ্য নামে পঞ্জীয়ন কৰা হৈছিল। এই পুথিখনি ইং ১৯৪৫ চনৰ ২ জুলাইত ড° কাকতিদেৱে পুনৰ নিজৰ হাতলৈ নিয়ে। ইং ১৯৪৯-৫০ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ

হাতে লিখা গ্ৰন্থৰ পুথিভঁৰাল হোৱাত বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰথম অধ্যাপক ড° কাকতিদেৱে তাত উক্ত পুথিখন প্ৰথম হাতে-লিখা পুথিৰূপে দান কৰে। তেতিয়াৰে পৰা ই গুৱাহাটী বিশ্ববিদ্যালয়ৰ সম্পত্তি আৰু 'গুৰু-চৰিত' (শঙ্কৰ) নামে পৰিচিত। সমস্ত পুথিখনিৰ আখৰ পাতি সূক্ষ্মভাবে নিৰীক্ষণ কৰিলে এই কথা স্পষ্ট হয় যে প্ৰথম লিপিবদ্ধ কৰাৰ পিছত পুথিখন বহুজনৰ হাত লাগি তাৰ স্বকীয় বৈশিষ্ট্যৰ কিছু পৰিবৰ্তন আৰু পৰিবৰ্ধন ঘটিছে।

'শঙ্কৰ-চৰিত' বা 'শঙ্কৰ-চৰিত-গদ্য' অথবা গুৰু-চৰিত (শঙ্কৰ) নামসমূহ দৰাচলতে পুথিৰ তালিকাত দিয়া নাম। চৰিত পুথিখনিৰ নিজৰ এটিও নাম নাই। অৱশ্যে পুথিখনিৰ মাজত গুৰুজনলীলা চৰিত্ৰ'[২] নাইবা 'দুজনা গুৰু দুজনা ঠাকুৰদেউ নজনা আতা অনেক মহাভাগৱতৰ চৰিত্ৰ অমৃত'[৩] কথা দুযাৰি পোৱা যায়। দৰাচলতে ইয়াক নাম বুলি ধৰি ল'ব নোৱাৰি। এই পুথিখনি ড° বাণীকান্ত কাকতিদেৱৰ উপদেশ অনুসৰি অধ্যাপক উপেন্দ্ৰ চন্দ্ৰ লেখাৰুদেৱে সম্পাদন কৰি ইং ১৯৫২ চনত ছপা কৰি উলিয়ায়। তেতিয়া তেখেতে ছপা পুথিখনিৰ নাম ৰাখিছে 'কথা গুৰু-চৰিত'। এই চৰিতখনি ড° মহেশ্বৰ নেওগ ডাঙৰীয়াই পুনঃ সম্পাদন কৰি, ১৯৮৭ ইং চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰকাশন বিভাগৰ দ্বাৰা প্ৰকাশ কৰে। ড° নেওগে তেতিয়া পুথিখনৰ নামকৰণ কৰে 'গুৰু-চৰিত-কথা' বুলি।

**'গুৰু চৰিত-কথা'ত শঙ্কৰদেৱৰ মানৱীয় দৃষ্টিৰ প্ৰতিফলন ঃ**

'গুৰু-চৰিত-কথা' এতিয়ালৈকে উদ্ধাৰ হোৱা গদ্যত ৰচিত পুথি। ইয়াত আছে দহ-এঘাৰ গৰাকী গুৰু বা সন্ত বা বৈষ্ণৱ আতাৰ জীৱন আৰু কাৰ্যাৱলীৰ ধাৰাবাহিক বৃত্তান্ত। সেই সকল হ'ল-শঙ্কৰদেৱ, মাধৱদেৱ, ঠাকুৰ আতা, শ্ৰীৰামআতা, ভৱানীপুৰীয়া গোপাল আতা, মথুৰা দাস বুঢ়া আতা, কেশচৰণ আতা, বৰবিষ্ণু আতা, লক্ষ্মীকান্ত আতা আৰু গোবিন্দ বা লেচাকণীয়া আতা। ইয়াত বাহিৰেও শঙ্কৰদেৱৰ দুই নাতি পুৰুষোত্তম আৰু চতুৰ্ভূজ আতা দুগৰাকীয়েও যথেষ্ট ঠাই অধিকাৰ কৰি আছে। তথাপি পুথিখনিৰ মূল বিষয় হ'ল-শঙ্কৰদেৱ আৰু মাধৱদেৱৰ জীৱন। দুয়োগৰাকী মহাপুৰুষ। মহাপুৰুষ দুগৰাকীয়ে অসমত নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰবৰ্ত্তক হিচাপে মুখ্য ভূমিকা গ্ৰহণ কৰিছে। 'নৱ-বৈষ্ণৱ ধৰ্ম' বিষয়টো দৰাচলতে এক মানৱতাবাদী আদৰ্শৰ পৰিচায়ক। তদুপৰি এই পুথিখনিত দুয়োগৰাকী মহাপুৰুষৰ ব্যক্তিগত আৰু ৰাজহুৱা জীৱনৰ বহুতো সৰু-সুৰা অথচ তাৎপৰ্যপূৰ্ণ কথাই স্থান পাইছে। এনে কথাসমূহে মহাপুৰুষ দুজনাক তেজ-মঙহৰ বাস্তৱ মানুহ হিচাপে জীৱন্ত কৰি তুলিছে। আমাৰ এই পত্ৰত 'গুৰু-চৰিত-কথা' পুথিখনিত থকা, তথ্যসমৃদ্ধ ঘটনাৰ মাজেৰে শঙ্কৰদেৱৰ মানৱীয় আবেদন অনুভূতি ক'ত কেনেদৰে প্ৰকাশ পাইছে তাৰ এটি বিশ্লেষণ আগবঢ়োৱা হ'ল।

শঙ্কৰদেৱৰ এগৰাকী আদৰৰ ভকত হ'ল সৰ্বজয় আতৈ। সৰ্বজয় আতৈৰ প্ৰতি গুৰুৱে যি সেৱা-শুশ্ৰষা আগবঢ়াইছিল সি প্ৰতিগৰাকী ভক্তৰ মনত স্মৰণীয় হৈ থকা কথা। শঙ্কৰ গুৰুজনা তেতিয়া বেলগুৰি ধুৱাহাটত। কীৰ্ত্তনঘৰত গুৰুজনাই ধৰ্মকথা কয়, ৰাম ৰাম- ৰামদাসে ঘোষা কীৰ্ত্তন কৰে। এদিনাখন দশমৰ মহাৰাসৰ কীৰ্ত্তন কৰিছে। বৃদ্ধ সৰ্বজয় আতৈয়ে একান্ত চিত্তে কীৰ্ত্তন -ৰস পান কৰি থাকোতে গম নোপোৱাকৈ ক্ষুদ্ৰ শৌচ গ'ল। ক্ষুদ্ৰ শৌচ দোঙা বান্ধিলে। সকলো ভক্তই ক্ষুদ্ৰ শৌচ দেখি সৰ্বজয় আতৈক উপহাস কৰি কীৰ্ত্তন ঘৰৰ পৰা ওলাই গ'ল। ভক্তসকলৰ এনে কাৰ্যৰ বিপৰীতে গুৰুজনাই সৰ্বজয় আতৈক ধৰি তুলি নি স্নান কৰাই, বস্ত্ৰসলাই ঠাই পৰ্যন্ত পৰিষ্কাৰ কৰিলে। গুৰুৰ এনে কাৰ্য দেখি মাধৱদেৱ আচৰিত হৈ, এই কাম দাস-দাসীৰহে বুলি কোৱাত মানৱসেৱী শঙ্কৰদেৱে ডাঙৰে সৰু হ'ব পাৰিলে সংসাৰৰ পৰা মুক্তি লাভ কৰিব পাৰি বুলি একান্ত শিষ্য মাধৱদেৱক তত্ত্বজ্ঞান দিয়ে। চৰিতৰ ভাষাত--

> বোলে বৰাৰ পো সৰুত্ৰ বৰ হবহে খোজে হৈতেও নপাৰে মধ্যবৰ্ত্তী হৈ পাসদলত লাগি ৰই আয়াজাতকৈঃ বৰে ছোট হ'ব পাইলে সংসাৰ হাত সৰকি সাৰিব পাৰিঃ[৪]

মহাপুৰুষ গুৰুজনাৰপৰা ধৰ্মবস্তু পাই কতলোকে যে সংসাৰৰ পৰা মুক্ত হ'ল তাৰ লেখ-জোখ নাই। তেনেস্থলত গুৰুজনাই একান্ত ভকত তেওঁৰ গুৰু বুলি কোৱাৰ কথাও মানৱতাবাদৰে পৰিচায়ক। প্ৰাসংগিক কথাংশ

এনেধৰণৰ এদিনাখন গুৰুগৃহলৈ যাওঁতে মাধৱদেৱৰ অলপ পলম হ'ল। গুৰুজনে মাধৱদেৱৰ পলম হোৱাৰ কাৰণ সুধিলে। তেতিয়া মাধৱদেৱে বাটত এজন ব্ৰাহ্মণৰ কাৰণে পলম হোৱা বুলি জনালে। ব্ৰাহ্মণজনে, কেনেকৈ পলম কৰালে তাকো গুৰুজনক বৰ্ণালে। ব্ৰাহ্মণজনে হেনো মাধৱদেৱক প্ৰশ্ন কৰিছিল- তেওঁৰ গুৰু কোন? উত্তৰত মাধৱদেৱে ক'লে-- শ্ৰীমন্ত শঙ্কৰদেৱ। কিন্তু পিছমুহুৰ্ত্ততে ব্ৰাহ্মণজনে শঙ্কৰদেৱৰ গুৰু কোন বুলি প্ৰশ্ন কৰি পয়মালখন ঘটালে। মাধৱদেৱে একো উত্তৰ দিব নোৱাৰি গুৰুজনাকে সুধিব লাগিব বুলি জনালে। মাধৱদেৱৰ মুখেৰে এনে কথা শুনি গুৰু শঙ্কৰে তেতিয়া মাধৱদেৱক কবলৈ কৈছিল, চৰিতৰ ভাষাত—

পাচে গুৰুজনে বোলে এনেকৈ নুবুলিলা কিবঃ কৃষ্ণদেউ বুলিচে মোৰ গুৰু ভকতেসে স্বৰূপ স্বভাৱ। যেন বায়ু আকাশৰ নাহি ভিন্নভাৱ।। আমিও ভাবিছো সৰ্ব্বতত্ত্ব ভকতক মই গুৰু মানো। ভকত গুৰুত পৰে আনক নাজানো।[৫]

'জগত গুৰু' বুলি আমি যাক আখ্যা দিছোঁ তাৰাই ভকতকে নিজৰ গুৰু বুলি পৰিচয় দিয়াটো গুৰুজনাৰ মানৱতাৰে প্ৰকাশ মাথোন।

ভাৰতীয় বেদান্ত দৰ্শনত বিশ্বাসী শঙ্কৰদেৱ। এনে আধ্যাত্মিক দৰ্শনৰ প্ৰবক্তা হৈও এগৰাকী ভক্তই মৃত্যুৰ দুৱাৰদলিত উপস্থিত হোৱাৰ বাতৰি পাই শঙ্কৰদেৱে চকুলো টুকি ব্যথিত হৈ পৰাটো সামান্য কথা নহয়। জয়ন্তী (জয়তি) মধাই আতৈৰ দেহাৱসান ঘটিছিল বসন্ত ৰোগত। ৰোগাক্ৰান্ত অৱস্থাত শঙ্কৰদেৱে শিষ্য মাধৱদেৱৰ হতুৱাই খবৰো কৰি আছিল। শেষৰবাৰ মাধৱদেৱে খবৰ কৰিব যোৱাত গুৰুজনক জনাবলৈ বুলি কৈ পঠাইছিল-- অমৃতৰ ভাণ্ডৰ গোন্ধ পাই ভুঞ্জিবলৈ মুখ মেলিলো, হাত সুমাই ভূঞ্জিব নাপালো, আয়ুস শেষ, বঞ্চিত হ'লো। পঞ্চভূতৰ দেহা, উপজিলে-মৃত্যু, ইয়াৰ বাবে মোৰ খেদ নাই। চৰিতৰ ভাষাত—

বোলে বাপ মোৰ গুৰুজনত জনাবাগৈঃ অমৃতৰ ভাণ্ড ঘ্ৰাণ পাই মুখ মেলি দেখিলোগৈ নিৰিমলঃ হাত সুমাই মথামখে ভূঞ্জিবে নপাইলো আয়ো দৈব্যে নাটিলে সি মুখে বঞ্চিলে বিধিঃ ই খেদ লগতহে জাই ই জন্মলৈ।। ই পঞ্চভূতৰ দেহ পৰিব এতিয়াঃ উপজিলে এবাৰ মৃত্যুঃ জন্তু পৰ্যন্তেঃ আত খেদ নাইঃ[৬]

এই কথাখিনি মাধৱদেৱে জনাবলৈ অহাত শঙ্কৰদেৱে ভাগৱতৰ দ্বিতীয় স্কন্ধৰ পদ ভাঙনি কৰি আছিল। মাধৱদেৱৰ মুখেৰে কথাখিনি শুনি গুৰুজনৰ হাতৰপৰা কাপ-ছিয়াহী খহি, চকুলো নিগৰিল। এনে ঘটনাই শঙ্কৰদেৱৰ মানবীয় আবেগ-অনুভূতিক কৰুণভাৱে প্ৰতিষ্ঠা কৰে। সমাজ এখনক সংস্কাৰ কৰা পথ নিতান্তই কণ্টকময়। এই কণ্টকময় পথ অতিক্ৰম কৰোঁতে খং-ৰাগ, দ্বেষ-বিদ্বেষ আদি পৰিহাৰ কৰা যথাৰ্থতে কঠিন। শঙ্কৰদেৱে সংস্কাৰৰ পথত খোজ দিওঁতে এনে ৰিপু বা কু-প্ৰবৃত্তিৰ পৰা হাত সাৰিব পৰা নাছিল। সুখৰ বিষয় এনেবোৰ ৰিপুৰ কবলত পৰিলেও তেওঁৰ শান্ত সমাহিত ক্ষমা গুণে সেইবোৰৰ প্ৰশমন ঘটাবও পাৰিছিল। চৰিতখনিত এনে বহুত ঘটনা আছে-য'ত বহুত ভকত-আতৈএ সংস্কাৰৰ অনুশাসন মানি চলিব নজনাৰ বাবে শঙ্কৰ গুৰুৱে খং কৰিব লগা হৈছিল। খং-ৰাগ কৰিলেও পিছ মুহুৰ্ততে গুৰুৱে মানৱীয় আবেগ-অনুভূতিৰ তাড়নাত ক্ষমাৰ দৃষ্টিৰে চাইছিল। শঙ্কৰদেৱৰ খং-ৰাগ, দ্বেষৰ বলি হোৱা অথচ ক্ষমাৰে উজলি উঠা মাত্ৰ এটা উদাহৰণ এই প্ৰসংগত উত্থাপন কৰিলোঁ। উদাৰ গোবিন্দ আতৈ। উদাৰ বিশেষণ; শঙ্কৰ গুৰুৱে দিয়া। এইগৰাকী গোবিন্দ আতৈয়ে শঙ্কৰদেৱে দ্বিতীয়বাৰ তীৰ্থ কৰিবলৈ যোৱাৰ সময়ত মহাপুৰুষৰ আগত হাতত এটিও টকা নাই বুলি কৈছিল।[৭] তীৰ্থৰপৰা উভতিবৰ সময়ত গোবিন্দ আতৈয়ে মদাৰগঞ্জত এটি টকা ভঙাই সকলোকে খোৱাবস্তু যোগান ধৰিলে। এই কথা জানিব পাৰি প্ৰথমতে মিছা কথা কোৱা বাবে শঙ্কৰদেৱে খং কৰি গোবিন্দ আতৈৰ মুখ চাবলৈ সজ নহয় বুলি ক'লে। আতৈয়ে এই কথাত মনতে দুখ পাই সেইদিনাৰ পৰা মহাপুৰুষৰ আগত নোলাল। আনফালে গুৰু-মুখ-নিসৃত কৃষ্ণ কথাত ৰতি।সেয়েহে আতৈএ এটি নতুন কৌশলৰ আশ্ৰয় লৈ হৰিকথা শুনি যাবলৈ ধৰিলে। অৰ্থাৎ মহাপুৰুষে সংগীসকলক লগত লৈ বাটে বাটে কৃষ্ণকথা চৰ্চি গ'লে উদাৰে মহাপুৰুষে দেখা নোপোৱাকৈ বাটৰ কাষে কাষে, জংগলৰ মাজে মাজে গৈ কৃষ্ণ কথা শুনি যায়। এদিনাখন সংগত গোবিন্দ আতৈক

দেখা নাপাই, মাধৱদেৱক এই বিষয়ে সুধিলে। মাধৱদেৱে গুৰুৱে মুখ চাবলৈ সজ নহয় বুলি কোৱাত আতৈ হাবিয়েদি যায় বুলি জনালে। শঙ্কৰদেৱে এই কথা শুনি গোবিন্দ আতৈক মাতিবলৈ দিলে। মাতিলে, আতৈ লাজে-ভয়ে আহিল। গুৰুজনে দেখে-চৰিতৰ ভাষাত

গা কাটি বখলাবখল কৰিলে ঃ দুখ দেখি বোলে উদাৰৰ হৰি কথাত কি খেদ দেহৰ স্পৃহা এৰিলে ঃ মোৰ পাচতে সুনিবা দোষ এৰিলো মই'[৮] বুলি গুৰুজনে ক্ষমা কৰিলে।

এইগৰাকী আতৈৰ এটি বিশেষ স্বভাৱ আছিল এই যে গুৰুজনে কৃষ্ণকথা চৰ্চা কৰিলে মাজতে আসোঁৱাহ উলিয়াই উলিয়াই সোধে। এনে স্বভাৱৰ বাবে গুৰুৱে ভালো পাই, কেতিয়াবা বিৰক্তি পাই খঙো কৰে। মহাপুৰুষে শীতকালৰ আবেলি বাও নৰাতলি, সৰিয়হ খলাত ৰ'দ লৈ ধৰ্ম চৰ্চা কৰে, সকলো শিষ্যই শুনে। গোৱিন্দ আতৈত্ৰ আসোঁৱাহ ধৰি সোধে, গুৰুজনে পুনৰ কয়, কেতিয়াবা নোলোৱাটোও ওলায়। সকলোৱে নতুন কথা ওলোৱা দেখি আনন্দ পায়। এদিনৰ কথা বতৰ বেয়া। কৃষ্ণকথা চৰ্চ্চা সামৰিবৰ সময়ত উদাৰ আতৈত্ৰ এটি আসোঁৱাহ উলিওৱা বাবে, গুৰুৱে খং কৰি গোৱিন্দ আতৈক নিন্দা কৰিলে। আতৈত্ৰ সেই লাজতে পূৰ্বৱৎ গুৰুৰ আগত নোলায়। নোলালেও হৰিকথা শুনাৰপৰা আতৈ এদিনো বঞ্চিত হোৱা নাই। মাহৰ বা সৰিয়হৰ মাটিৰ দমৰ মাজত লুকাই থাকি হৰিকথা শুনে। এদিন শিশু হৰিচৰণ ঠাকুৰ, পুৰুষোত্তম ঠাকুৰ, ৰামচৰণ ঠাকুৰ আদিয়ে ওমলি থাকোতে মাটিৰ দমৰ মাজৰপৰা উদাৰক উলিয়ালে। গুৰুৱে উদাৰৰ কাণ্ড দেখি তবধ মানি ক'লে-চৰিতৰ ভাষাত—

বোলে মই পুনু নকৰো খঙ্গ সুধিবা সুনিবা এদাৰ তুমি বংশে

সৈতে উদ্ধাৰ ঃ আৰু বাজে ভিতৰে উদাৰ।।[৯] বুলি গুৰুজনে উদাৰক এইবাৰো ক্ষমা কৰিলে।

ব্যাধে-চিকাৰীয়ে ফান্দ পাতি অৰণ্যৰ পশু-পক্ষী বন্দী কৰি, সেইবোৰকে বিক্ৰী কৰি নিজৰ লগতে পা-পৰিয়ালৰ ভৰণ-পোষণৰ ব্যৱস্থা কৰে। তীৰ্থ ভ্ৰমণৰ কালত হাবি-জংগলৰ মাজেৰে অহা-যোৱা কৰোঁতে শঙ্কদেৱে অনেকবাৰ এনে ব্যাধ-চিকাৰীৰ ফান্দত বন্দী হোৱা পশু-পক্ষীক মুকলি কৰি দিছে। পশু-পক্ষীবোৰক মুকলি কৰি দিয়েই মহাপুৰুষজনা ক্ষান্ত থকা নাই। তেওঁ ব্যাধ-চিকাৰীৰ ফান্দত কৰবাত আধলি এটি, কৰবাত সিকা এটি ৰাখি ব্যাধ-চিকাৰীৰ জীৱন-জীৱিকাৰ কথাও চিন্তা কৰিছে। মানৱতাবাদী মহাপুৰুষগৰাকীৰ এনে মহান কাৰ্যই নিৰ্মম-নিৰ্দয় ব্যাধৰ অন্তৰ জয় কৰিব পাৰিছে। তেনে এগৰাকী ব্যাধে শঙ্কৰগুৰুক তীৰ্থৰ বাটত আগচি ধৰি ধৰ্মবস্তু প্ৰাৰ্থনা কৰিছে ঃ- চৰিতৰ ভাষাত

মহাবিৰকত জন্মি বৈৰাগ্য খেদ লাগি খেদি গ'ল ঃ পাই ৰাজাৰ দোহাই দি আগচি দণ্ডৱতে পৰি অনেক কাতৰ কৰি নেৰে।। বোলে জ্ঞানশূন্য পশু-পক্ষীকোজে বন্ধৰপৰা টকা দি মুকুত কৰি আহিলা প্ৰভুঃ আমাকো সংসাৰ বন্ধৰপৰা মুক্ত কৰা শৰণবিত্ত দি।। পাচে মহাপুৰুষ গুৰু ভাও তুতি কাৰুণ্যত সন্তোষ হৈ ঃ শুদ্ধ ধৰ্মবস্তু দি নিস্তাৰ কৈলে।।[১০]

চৰিত পুথিখনিত মাজে মাজে দেখা যায়-শিষ্য ভকতসকলৰ মাজত গা কৰি উঠা ঈৰ্ষা- অসূয়াৰ কথা। কিন্তু তেনেবোৰ কথাকো শঙ্কৰদেৱৰ মহান মানৱতাই হেলাৰঙে তল পেলাব পাৰিছে। গুৰুজনাৰ এনে মানৱতাবাদী দৃষ্টিভংগীৰ মাজতে লুকাই আছে-'গুৰুৱে এক কৰে ভকতেহে ভাগ কৰে' কথাষাৰিৰ মৰ্মাৰ্থ। এনে বহুত ঘটনাৰ মাজৰ পৰা নিদৰ্শন হিচাপে-দামোদৰক মহাপুৰুষ শঙ্কৰদেৱে হাটিৰ পৰা চাউলপাত দিওঁতে আন ভকতসকলে অসূয়া কৰাৰ কথাটিকে উল্লেখ কৰিলোঁ। দামোদৰদেৱ শঙ্কৰদেৱৰ লগত থকা কালত আন ভকতসকলে চাউলপাত আনি দিয়াৰ দৰে নতুন ঠাইত (ধনুখন্দাৰ সিপাৰৰ বহাত) কোনো ভকতে চাউলপাতৰ যোগান ধৰা নাছিল। গুৰুজনাই মাথোন এসন্ধ্যা চাউল লোন সমগ্ৰখিনি দিয়ে- তাৰেহে দামোদৰে এসন্ধ্যা ভোজন কৰে। গুৰুজনৰ এনে কাৰ্যও আন ভকতসকলে সহিবলৈ টান পালে। চৰিতৰ ভাষাত

'তাকে ভকতে দেখি হাটিত অসৈয়া কৰে ঃ বোলে অতদিন গুৰুজনৰ সঙ্গেঁ আচো ফুৰু আমাক কুটা গচেৰেও নোসোধে নিদিএ কালি সোমাইচেহি ৰেকোটা বৰ কাম কৰিচে নিতে ৰোজ ধৰে।।'[১১]

কথাখিনি গুৰুজনে শুনি মনত বৰ বেজাৰ পালে।

মনৰ দুখত সিদিনা দামোদৰলৈ একোকে নিদিলে গৃহৰো ধোৱা চাউল শাক সিজাব নিদি উপবাসে থাকিল। সেইদিনা নিশা পাটকিৰ এক মুদৈ ব্ৰাহ্মণে এটি সপোন দেখিচে। সপোনটি এনে ধৰণৰ ঃ পাটকিৰ মুদৈ ব্ৰাহ্মণে বছৰি মাঘমহা বহু ব্ৰাহ্মণক মাতি ব্ৰহ্মভোজন কৰায়। সেইমতে সেইবাৰো যা-যোগাৰ কৰিছে, ৰাতি পুৱালেই ব্ৰহ্মভোজন। ঈশ্বৰ বেকত হৈ ক'লে- হৰিবিমুখ পশুতুল্যক খুৱাই একো লাভ নাই তাৰ সলনি এটি হৰিগুণ গোৱা ব্ৰাহ্মণক যদি খুওৱা হয় তেন্তে শতসহস্ৰ গুণ ফল লাভ কৰিব। মুদৈ ব্ৰাহ্মণে তেনেহৰি গুন গোৱা বিপ্ৰ চিনি নেপাওঁ বুলি ঈশ্বৰ অন্তৰ্ধান হ'ল। ৰাতি পুৱাল। মুদৈ ব্ৰাহ্মনে ব্ৰহ্মভোজনৰ সমস্ত জোগাৰ ভাৰি লগাই আনি মহাপুৰুষ গুৰুৰ ওচৰত ভেটিছে। তেতিয়া মহাপুৰুষ গুৰুৱে সকলো আতৈক মতাই আনি বিপ্ৰৰ স্বপ্নৰ কথা সুধিছে, বিপ্ৰয়ো স্বপ্ন বৃত্তান্ত কৈছে। সকলোৱে আচৰিত মানিলে। তেতিয়া গুৰুজনে ক'লে

'বোলে তোম্ৰাসৱে একঠা দিঞতে অসূয়া কৰা ঃ এতিয়া ঈশ্বৰে চাউল দিছে দামোদৰক।'

এনেদৰে গুৰুজনে কৈ ব্ৰহ্মভোজনৰ সমস্ত যোগাৰৰ কিছু অংশ ভকতসকলৰ মাজত ভগাই দি বাকী অংশ দামোদৰৰ ঠাইত দিলে। গুৰুজনাৰ এনে কাৰ্যৰ পিচৰে পৰা দামোদৰৰ প্ৰতি আন আতৈ-ভকতসকল সহজ হৈ পৰিল।

এনেদৰে আলোচনা কৰিলে-'গুৰু-চৰিত কথা'ৰ পাতত অনেক উল্লেখযোগ্য কাৰ্য, কথা ওলাব-যিয়ে শঙ্কৰদেৱৰ মানৱতাৰ দিশটো আলোকিত কৰি তুলিছে। অতি পৰিতাপৰ কথা যে শঙ্কৰদেৱৰ তিৰোভাৱৰ প্ৰায় পাঁচশ বছৰৰ পিছতো এনেবোৰ কাৰ্য, কথা চৰ্চাৰ বিষয় হৈ পৰা নাই। বৰ্তমান সমাজ জীৱনৰ প্ৰেক্ষাপটত শঙ্কৰদেৱৰ মানৱীয় আবেদনৰ মূল্যায়ণ অতি গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। যি সময়ত মহাপুৰুষজনাই নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ কাৰ্যক এক আহিলা হিচাপে লৈ পৰ্বত-ভৈয়াম এক কৰি বিশাল অসমীয়া জাতি গঠনত আগভাগ লৈছিল, সেই বৃহৎ অসমীয়া জাতি আজি ভাষা-ধৰ্মৰ নামত জহি-খহি যাব লাগিছে। এনে আত্মঘাতী কাৰ্যৰ বিপৰীতে মহাপুৰুষ শঙ্কৰদেৱৰ মানৱতাবাদী আদৰ্শক পুনৰ প্ৰতিষ্ঠা কৰিবলৈ আজিৰ পুৰুষে অহোপুৰুষাৰ্থ কৰিব লাগিব।⬢⬢

---

১। নেওগ, মহেশ্বৰ; (সম্পাদিত) গুৰু চৰিত-কথা, ১৯৮৭ পাতনি-৪৮ ইং ১৯৪৫ চন ২ জুলাইত ড° কাকতিদেৱে পুনৰ নিজৰ হাতলৈ নিয়ে ইং ১৯৪৯-৫০ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ হাতে লিখা গ্ৰন্থৰ পুথিভঁৰাল স্থাপিত হোৱাত বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰথম অধ্যাপক ড° কাকতিদেৱে তাত উক্ত পুথিখন প্ৰথম হাতে-লিখা পুথিৰূপে দাঁন কৰে। তেতিয়াৰে পৰা ই গুৱাহাটী বিশ্ববিদ্যালয়ৰ সম্পত্তি আৰু 'গুৰু-চৰিত (শঙ্কৰ)' নামে পৰিচিত। সমস্ত পুথি-খনিৰ আখৰ-পাতি সুক্ষ্মভাবে নিৰীক্ষণ কৰিলে এই কথা স্পষ্ট হয় যে প্ৰথম লিপিৱদ্ধ কৰাৰ পিছত পুথিখন বহুজনৰ হাত লাগি তাৰ স্বকীয় বৈশিষ্ট্যৰ কিছু পৰিবৰ্তন আৰু পৰিবৰ্ধন ঘটিছে।

'শঙ্কৰ-চৰিত' বা 'শঙ্কৰ-চৰিত গদ্য' অথবা 'গুৰু-চৰিত (শঙ্কৰ)' নামসমূহ দৰাচলতে পুথিৰ তালিকাত দিয়া নাম। চৰিত পুথিখনিৰ নিজৰ এটিও নাম নাই। অৱশ্যে পুথিখনিৰ মাজত 'গুৰুজনলীলা চৰিত্ৰ'[২] নাইবা 'দুজনা গুৰু দুজনা ঠাকুৰদেউ নজনা আতা অনেক মহাভাগৱতৰ চৰিত্ৰ অমৃত'[৩] কথা দুযাৰি পোৱা যায়। দৰাচলতে ইয়াক নাম বুলি ধৰি ল'ব নোৱাৰি। এই পুথিখনি ড° বাণীকান্ত কাকতিদেৱৰ উপদেশ অনুসৰি অধ্যাপক উপেন্দ্ৰ চন্দ্ৰ লেখাৰুদেৱে সম্পাদন কৰি ইং ১৯৫২ চনত ছপা কৰি উলিয়ায়। তেতিয়া তেখেতে ছপা পুথিখনিৰ নাম ৰাখিছে 'কথা-গুৰু-চৰিত'। এই চৰিতখনি ড° মহশ্বেৰ নেওগ ডাঙৰীয়াই পুনঃসম্পাদন কৰি, ১৯৮৭ ইং চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰকাশন বিভাগৰ দ্বাৰা প্ৰকাশ কৰে। ড° নেওগে তেতিয়া পুথিখনৰ নামকৰণ কৰে। 'গুৰু-চৰিত-কথা' বুলি।

২। প্ৰাগুক্ত গ্ৰন্থ, দফা নং-০৩

৩। প্ৰাগুক্ত গ্ৰন্থ, দফা নং-১৯৩০

৪। প্ৰাগুক্ত গ্ৰন্থ, দফা নং-১৫৩
৫। প্ৰাগুক্ত গ্ৰন্থ, দফা নং-২৩৬
৬। প্ৰাগুক্ত গ্ৰন্থ, দফা নং-২৩৬
৭।প্ৰাগুক্ত গ্ৰন্থ, দফা নং-২৭১
৮। প্ৰাগুপ্ত গ্ৰন্থ, দফা নং-৩১১
৯। প্ৰাগুপ্ত গ্ৰন্থ, দফা নং-৩৯৬
১০। প্ৰাগুক্ত গ্ৰন্থ, দফা নং-২৭৫
১১। প্ৰাগুক্ত গ্ৰন্থ, দফা নং-২৬৭

**সহায়ক প্ৰসংগ পুথি ঃ**

গোঁহাই, ড° হীৰেণ ঃ অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা, ১৯৯০
চক্ৰৱৰ্ত্তী, ড° মুকুল ঃ গুৰু-চৰিত-কথা অধ্যয়ন, ২০০০ গুৰু-চৰিত-কথাৰ ৰূপ-ৰস,২০০৮
নেওগ, ড° মহেশ্বৰ ঃ (সম্পাদিত) গুৰু-চৰিত-কথা, ১৯৮৭
বৰ্মন, ড° শিৱনাথ ঃ শ্ৰীমন্ত শঙ্কৰদেৱ কৃতি আৰু কৃতিত্ব,১৯৮৯

**লেখক পৰিচয় ঃ ড° মুকুল চক্ৰৱৰ্ত্তী**
**অধ্যাপক, আধুনিক ভাৰতীয় ভাষা বিভাগ**
**গুৱাহাটী বিশ্ববিদ্যালয়।**

# বৰগীতত ভক্তিৰ ভাৱ বৈচিত্ৰ্য ঃ এটি অধ্যয়ন

ড° কনক চন্দ্ৰ চহৰীয়া

**১.০. বৰগীতৰ স্বৰূপঃ**

সৰ্বভাৰতীয় বৈষ্ণৱ ভক্তি আন্দোলনক পুৰণি কামৰূপ তথা উত্তৰ-পূব ভাৰতলৈ বোৱাই অনাত শ্ৰীমন্ত শঙ্কৰদেৱে যি কেইপদ কলা সম্পদৰ সহায় লৈছিল তাৰ ভিতৰত বৰগীতো অন্যতম। চৰিত পুথিত উল্লেখ থকা মতে প্ৰথমবাৰ তীৰ্থ ভ্ৰমণলৈ যাওঁতে শঙ্কৰদেৱে বদৰিকাশ্ৰমতে "মন মেৰি ৰাম চৰনেহি লাগু" নামৰ বৰগীতটি ৰচনা কৰাৰ পৰাই এই বিধ কলা-সম্পদৰ পৰম্পৰা আৰম্ভ হয়।[১] কোনো কোনোৱে অৱশ্যে আকৌ তেওঁ তীৰ্থভ্ৰমণলৈ যাত্ৰা কৰি বৰপেটা আৰু কোচবিহাৰৰ মধ্যৱৰ্ত্তী স্থান ৰোমাৰিত বিশেষ এটা পৰিয়ালত ৰৈ তেওঁলোকৰ ইচ্ছানুসৰি শৰণ দিওঁতে ৰচনা কৰা "ৰাম মেৰি হৃদয় পঙ্কজ ৰৈছে ভাই চিত্ত না চিন্তস কৈছে" নামৰ বৰগীতটোকহে তেওঁৰ প্ৰথম বুলি উল্লেখ কৰিছে।[২] যি হওক, ৰাম নামৰ গুণানুকীৰ্ত্তনেৰে আৰম্ভ হোৱা শঙ্কৰদেৱৰ ৰচিত গীতৰ সংখ্য বাৰকুৰি । কিন্তু বৰপেটাৰ কমলা গায়ন নামৰ ভকত এজনে পিচত সেইখিনি মুখস্থ কৰিবলৈ নিয়াত বনপোৱা জুয়ে ভকতৰ ঘৰপোৰাত লগতে গীতবিলাকো পুৰিলে। ইয়াতে শঙ্কৰদেৱে দুখপাই মাধৱদেৱ পুৰুষক গীত ৰচিবলৈ আহ্বান জনালে। চৰিত পুথিত এই ঘটনাৰ উল্লেখ এনেদৰে আছেঃ

"আৰু গীত কৰি গোটাই লিখিলে বাৰেওকুৰিঃ কমলা গায়নে নিলে আওৰাবলৈ, চ'ত মহা বনপোৱা বতাহত ঘৰপোৰাত পুইলেঃ গুৰুজনে খেদকৈ বোলে বৰাৰ পোঃ অনেক শ্ৰমকৈ গীতখানি কৈলো, পুইলে। গীত কিছু কৰা, আমি নকৰো আৰু ঃ তেহে শ্ৰীমাধৱদেৱে গুৰু বাক্য ধৰি কৰিছে। আতৈসবৰ মুখত ৰোৱা আগে গুৰি ৰিহাগাৰি ক্ৰমে দি মাজত চোট আতাই গীত কৈলে নকুৰি এঘাৰটা বৰগীত, চই ৰসে চোৰ চাতুৰী।"[৩]।। ৩৮০

উক্ত দুৰ্ঘটনাৰ বাবেই এফালে শঙ্কৰদেৱ বিৰচিত বৰগীতৰ সংখ্যা কমি গৈ থাকিল; মাত্ৰ ভকতৰ মুখত ৰৈ যোৱা ডেৰকুৰিৰ দুটামান বেছি আৰু আনফালে মাধৱদেৱে লাভ কৰিলে বৰগীত ৰচাৰ উত্তৰাধিকাৰ। গুৰুজনাৰ গীতৰ পৰম্পৰা ৰক্ষাৰ বাবেই তেওঁ পিছলৈ লিখি উলিয়ালে প্ৰায় দহকুৰি বৰগীত।

শঙ্কৰদেৱ আৰু মাধৱদেৱ দুয়োজনাই ৰচনা কৰি উলিওৱা এই গীতবোৰক কিন্তু তেওঁলোক নিজে কতো 'বৰগীত' আখ্যা দিয়া নাছিল। প্ৰসঙ্গত গাবৰ বাবে ৰচনা কৰা এই গীতবোৰক কিন্তু তেওঁলোক কেৱল একো-একোটা ৰাগহে বান্ধি দিছিল। গীতৰ ভাষা আছিল মুখ্যতঃ ব্ৰজবুলি, অৱশ্যে পিছলৈ মাধৱদেৱে ৰচনা কৰা কেইটামান গীতৰ ভাষা হ'ল পুৰণি অসমীয়া। গীতবোৰত কোনো নিৰ্দিষ্ট তালৰো উল্লেখ নাছিল। অৱশ্যে এই ক্ষেত্ৰত শঙ্কৰদেৱৰ ষড়ছন্দৰ গীত তিনিটা ব্যতিক্ৰম। এই কেইটাত তালৰ উল্লেখ পোৱা গৈছে। মহাপুৰুষ দুজনাই ৰচনা কৰা এই গীতখিনিক তেওঁলোকে নিজে বৰগীত বুলি নকলেও ইয়াক বৰগীত বোলাৰ পৰম্পৰাটো আৰম্ভ হৈছিল তেওঁলোকৰ শিষ্য-প্ৰশিষ্য তথা ভকত-বৈষ্ণৱৰ পৰায়। সেৱা-প্ৰসঙ্গৰ বস্তু, ভকতিৰ সম্পদ ৰূপে সুকীয়াকৈ ৰখাৰ একান্ত ইচ্ছাতেই বোধকৰো ইয়াক সাধাৰণ গীত নুবুলি ভকত-বৈষ্ণৱে 'বৰগীত' আখ্যা দিছিল। ভকতে বৰগীত বুলি কোৱাৰ ভালেমান উল্লেখ চৰিত পুথিত পোৱা গৈছে। তেনে এষাৰ কথা এনে ধৰণৰঃ "প্ৰভুজন বৰগীত কৰোতে গুৰুভণিতা দিবলৈ গুণি থগিত খাই থাকে খেদ প্ৰেমতে।"[৪]

চৰিত পুথিত বৰগীতৰূপে পৰিচিত হোৱা এই গীত-পদ খিনিৰে আধুনিক কালত পুনৰ মূল্যায়ণ হৈছে। যাৰফলত গীতবোৰৰ গুণগত দিশবোৰ ফহিয়াই চাই ইবোৰক ভালেমান বিশেষণেৰেও অলংকৃত কৰিব বিচৰা হৈছে। এই ক্ষেত্ৰত ড° বাণীকান্ত কাকতিয়ে অসমীয়া সাহিত্যৰ `Noble Numbers` কালীৰাম মেধিয়ে Songs of Celestial দেবেন্দ্ৰনাথ বেজবৰুৱাই Holy Song আখ্যা দিয়াটো প্ৰণিধানযোগ্য। ড কাকতিয়ে ইংৰাজ কবি Herrick ৰ আধ্যাত্মিক ভাবাপন্ন কবিতা `Noble Numbers ৰ লগত তুলনা দি বৰগীতৰ অন্তৰালত থকা বিশ্বজনীন আবেদনৰে আভাস দিব বিচাৰিছে। তেওঁ এই কথাও কবলৈ পাহৰা নাই যে, ই আমাৰ সমাজত বৰগীতৰূপে প্ৰচলিত হোৱাৰ কাৰণ ইয়াৰ ওখ নৈতিক আধ্যাত্মিক ভাব।[৫] তদুপৰি ইয়াৰ বিষয় বস্তুৰ সংযমশীলতা, শাস্ত্ৰীয় ৰাগৰ সুনিৰ্দিষ্ট বন্ধন, চৈধ্য প্ৰসঙ্গত স্থানাভিসিক্ত, বৈষ্ণৱ পৰম্পৰাৰ পবিত্ৰ সীমাবদ্ধতা আৰু প্ৰধানকৈ ইয়াত প্ৰয়োগ কৰা ব্ৰজবুলি ভাষা আদি দিশবোৰৰ পৰাও বৰগীত অসমীয়া সাহিত্যত অপূৰ্ব তথা অনন্য কলাসম্পদ ৰূপে বিবেচিত হৈছে।

**২.০ বিষয়-ভেদঃ** দুয়োজনা মহাপুৰুষে ইতিপূৰ্বে ৰচনা কৰি থৈ যোৱা বিষ্ণুকৃষ্ণ বা ৰামকেন্দ্ৰিক এই বৈষ্ণৱ গীত-পদখিনি বিষয় ভেদ অনুসৰি লীলা, পৰমাৰ্থ, বিৰহ, বিৰক্তি, চোৰ আৰু চাতুৰি এই ছয় ভাগে বিভক্ত। এই ভাগবিভাজনৰ কথা চৰিত পুথিত এনেদৰে আছেঃ

"আৰু এদিন বঙ্গদেশী বাঙ্গলা গীত গাইচেহিঃ খেলা লীলাৰ ভকত বিশেষ চাপিলেগৈঃ গুৰুজনে বোলে ভকতৰ লীলা শুনিবৰ মন জাইঃ তেহে গীত কৰিছেঃ ব্ৰজ জীৱন দায়াল দীন দলনু।। এ নন্দ কুমাৰ।। মন মোহন এই গীত পাচোটাকৈ।। লীলা পৰমাৰ্থ বিৰহ বিৰক্তি চোৰ চাতুৰি এই ছয় ৰসে গীত।।"৭৭৬।।

পৰিষ্কাৰ কথা, এই ছয় শ্ৰেণীৰ গীত কেৱল বিষয় ভেদ মাত্ৰ নহয়, ৰসৰ ফালৰ পৰাও পৃথক আবেদনশীল। লীলা শ্ৰেণীৰ গীতৰ মাজেৰে ভগৱান বিষ্ণু-কৃষ্ণৰ বিবিধ ৰূপ আৰু কাৰ্য্য যেনেদৰে বৰ্ণিত হৈছে, তেনেদৰে শিশু কৃষ্ণৰ মানৱীৰূপৰ জাগৰণ, চলন নৃত্য আদি বৰ্ণময় কাৰ্য্য ধৰা দিছে। এই ক্ষেত্ৰত মাধৱদেৱ পুৰুষৰ প্ৰায় বেছিখিনি গীততেই শিশু কৃষ্ণই কৰা লীলাৰ এই চাৰিটা পৰ্য্যায় বিদ্যমান। শঙ্কৰদেৱৰ গীতত যি লীলা মাহাত্ম্য ধৰা পৰিছে সেৱা ভগৱন্তৰ পৰম পুৰুষত্ব। দৰাচলতে শঙ্কৰদেৱৰ অধুনাপ্ৰাপ্ত বেছিখিনি গীতেই পাৰমাৰ্থিক; অৰ্থাৎ অৱতাৰী লীলা প্ৰকট কৰাতকৈ তেওঁ ভগৱান বিষ্ণুৰ পাৰমাৰ্থিক ৰূপ লীলাহে বন্দনা কৰিছে।

পাৰমাৰ্থিকৰ উপৰি শঙ্কৰদেৱৰ গীতত বিৰহ আৰু বিৰক্তিভাবো বিদ্যমান। কৃষ্ণই বলৰাম সহিতে বৃন্দাবনৰ পৰা মথুৰালৈ যাত্ৰা কৰাৰ বৰ্ণনা সন্নিৱিষ্ট গীতখিনিয়েই বিৰহ শ্ৰেণীৰ। ৰসৰ আবেদনৰ ফালৰ পৰা ই কৰুণ ৰসসিক্ত। তেনেদৰে আকৌ ইন্দ্ৰিয়জ কামনা বাসনা তথা সাংসাৰিক মায়া-মোহৰ প্ৰতি বিৰাগভাজন প্ৰকাশক যিখিনি গীত আছে, সেইখিনি বিৰক্তি শ্ৰেণীৰ অন্তৰ্গত। এই গীতখিনিৰ মাজেৰে শান্ত ৰসৰো পৰিস্ফুৰণ ঘটিছে। অৱশ্যে শান্তই বোলক বা কৰুণেই বোলক মুখ্যতঃ ইও ভক্তিৰসৰে ভিতৰুৱা।

শিশু কৃষ্ণই গোপীসকলৰ ঘৰত চোৰ কৰি দধি-মাখন খোৱাৰ লগতে নানান দুষ্টালি কৰা আৰু মাক যশোদাক মথুৰালৈ গুচি যাব বুলি সততে ভীতিগ্ৰস্ত কৰি ৰখাৰ বৰ্ণনা সম্বলিত গীতখিনিকে চোৰ আৰু চাতুৰি শ্ৰেণীত ধৰা হৈছে। সন্দেহ নাই কৃষ্ণৰ এই দুষ্টালি ভৰা চৌৰ্য ক্ৰীড়া আৰু চাতুৰিত এফালে যেনেকৈ মানৱীয় চিৰ শিশুৰূপে প্ৰকাশিত হৈছে, আনফালে আকৌ চিৰন্তনা মাতৃ ৰূপে যশোদাৰ বাৎসল্য প্ৰীতিৰো উদ্ৰেক ঘটাইছে। ইয়াত হাস্য আৰু অদ্ভুত ৰসৰো চিটিকনি নপৰা নহয়।

মুঠতে বিষয়-ভেদ অনুসৰি বৰগীতক এনেধৰণে চৰিতকাৰ সকলৰ সময়ৰ পৰাই ছয় ভাগত চিহ্নিত কৰা হৈছে যদিও প্ৰসঙ্গ অনুসৰি ইয়াক অন্য কিছুমান শ্ৰেণীতো ভগাব পাৰি। যেনে তুতি বা প্ৰাৰ্থনাসূচক, উপদেশমূলক, ফাগুৱ গীত, উদ্ধৱযানৰ গীত, ভোজনৰ গীত, দধিমথনৰ গীত ইত্যাদি।

**৩.০. ভক্তিৰ ভাৱ-ৰূপঃ** বৰগীতক বিষয় আৰু প্ৰসঙ্গ অনুসৰি যিভাবেই ভগোৱা নহওক কিয়, ইয়াৰ আটাইৰে মূল আবেদন কিন্তু ভক্তিহে। শঙ্কৰদেৱ ভক্তি প্ৰকাশ আৰু প্ৰচাৰ কৰিবলৈকে এই গীত-পদ সমূহ ৰচনা কৰিছিল। এই প্ৰসঙ্গতে উল্লেখ কৰা ভাল যে নববিধ ভক্তিৰ ভিতৰত কীৰ্ত্তনো

অন্যতম। এই কীৰ্ত্তন আকৌ পাঁচ প্ৰকাৰৰ; যেনেঃ নামোচ্চাৰণ, স্তুতিপাঠ,কথাব্যাখ্যা, গীত আৰু অভিনয়। ভগৱন্তৰ নাম আৰু লীলাক গেয় বস্তু কৰি গান কৰাই গীত। অভিনয়ৰ দৰেই এই গীতৰো মুখ্য উদ্দেশ্য ৰস সৃষ্টি আৰু এই ৰসানুভূতিয়ে প্ৰেমভক্তিৰ সোৱাদ দিয়ে।[৭] সন্দেহ নাই, শঙ্কৰদেৱৰ এই বৰগীতৰ মাজেৰে সেই ভক্তিৰ ভাব মুখ্যতঃ চাৰি প্ৰকাৰে সাধিত হৈছে, সেয়া হ'ল-- দাস্য, শান্ত, বাৎসল্য আৰু সপ্ৰেম।

**৩.০১ দাস্য ভাৱ ঃ** ভক্তই পৰমাত্মাক পিতা-মাতা-প্ৰভু আৰু নিজকে পুত্ৰ-সেৱক বুলি ভাবি কৰা ভক্তিয়েই দাস্যভাব।[৮] বৈষ্ণৱ ভক্তিধাৰাত ভগৱান শ্ৰীকৃষ্ণই এনে দাস্যভাবৰ ইষ্ট দেৱতা। ভক্তই তেওঁক বিষ্ণু নাৰায়ণ বা বাসুদেৱ ৰূপে দাস্য ভক্তিৰে উপাসনা কৰে। মহাপুৰুষ দুজনাৰ যিবোৰ বৰগীতত এই বিষ্ণু কৃষ্ণৰ প্ৰতি প্ৰাৰ্থনা বা কাকুতি প্ৰকাশ পাইছে সেইবোৰৰ মাজৰেই ভক্তিৰ দাস্য ভাবৰ পৰাকাষ্ঠা প্ৰকাশ পাইছে। শঙ্কৰদেৱৰ বেছিখিনি বৰগীতেই এনেধৰণৰ দাস্য ভাবৰ প্ৰাৰ্থনাসূচক। তাৰাৰ 'জয় জয় যাদৱ জলনিধিজাদৱ ধাতা, নাৰায়ণ কাহে ভকতি কৰো তেৰা, শাৰঙ্গপাণি পাহে পামৰমতি হামি, ছিৰিৰাম মঞি হৰি পাপী পামৰু আদি গীতৰ লগতে মাধৱদেৱ পুৰুষৰ 'নাৰায়ণ সেবোহো চৰণ তোহাৰি, নাৰায়ণ মাগো চৰণে ৰতি তেৰা, গোপাল কৃপাল ৰাম কৰুণা সাগৰ স্বামী, মই তেৰি দাসকু দাসা কৰু কৰুণা মুৰাৰি, মোকে ইবাৰ কৰুণা কৰা নাৰায়ণ, মোৰ পতিত পাৱন প্ৰভু হৰি হৰেৰ বাপ কিনা গতি হইলা হামাৰে' আদিত এই দাস্যভাবৰ ভক্তি প্ৰবাহিত হৈছে। অৱশ্যে কৈ থোৱা ভাল, বিষয়বস্তু একে হলেও কোনো কোনো ক্ষেত্ৰত শঙ্কৰদেৱতকৈও মাধৱদেৱৰ গীতত অনুভূতিৰ গাঢ়তা আৰু ভক্ত হৃদয়ৰ আকুলতা পৰিলক্ষিত হয়।[৯]

**৩.০২ শান্তভাৱ ঃ** সংসাৰৰ অনিত্যতাৰ উপলব্ধি, বাসনা ত্যাগ আদিৰে জ্ঞানৰ সহায়ত ভক্তৰ হৃদয়ত যি ভক্তিভাৱ উপজে সিয়েই শান্ত ভাবৰ ভক্তি।[১০] এই ভক্তিভাবত আবেগিক অনুভূতিতকৈও ধ্যান-ধাৰণা সমাধিৰ শান্ত স্থিৰ নিশ্চল মনে প্ৰাধান্য লাভ কৰে। বিষয়-সংসাৰৰ অনিত্যতা উপলব্ধি কৰি মহাপুৰুষ দুজনাই ৰচনা কৰা বিৰক্তি বিষয়ক গীত কেইটাই ইয়াৰ অন্তৰ্গত। এই ক্ষেত্ৰত শঙ্কৰদেৱৰ 'পাৱে পৰিহৰি কৰোহো কাতৰি প্ৰাণ ৰাখবি মোৰ, মন মেৰি ৰাম চৰনেহি লাগু; আৰু মাধৱদেৱৰ হামাৰু ৰামচৰণে মন লাগু, ৰাম পৰম ধন চিন্তহু মন ভাই, পামৰু মন কমনে হৰিৰ নাম ৰহলি বিছুড়ি, বুঢ়া ভাই হৰি গুণ গাই নাচা আদি গীতত এফালে সংসাৰৰ অনিত্যতা আৰু আনফালে ঈশ্বৰৰ পাৰমাৰ্থিক সত্যতা উপলব্ধিৰে ভক্তকবিৰ হৃদয়ত শান্তভাবৰ পৰিস্ফুৰণ ঘটিছে।

**৩.০৩ বাৎসল্যভাৱ ঃ** ঈশ্বৰক বালক বা পুত্ৰৰ দৃষ্টিৰে চাই ভক্তই নিজকে পিতৃ-মাতৃ বা ধাত্ৰী-ৰূপত ভাবি জন্মোৱা অনুৰাগ বা স্নেহেই বাৎসল্য ভাবৰ ভক্তি।[১১] বাৎসল্য ভাবৰ ভক্তিত ঘাইকৈ শ্ৰীকৃষ্ণৰ বাল্যলীলাৰ গুণানুকীৰ্ত্তন কৰা হয়। বৰগীতৰ লীলা বিষয়ক শ্ৰেণীৰ যিবোৰত শ্ৰীকৃষ্ণৰ জাগন, চলন, খেলন আৰু নৃত্য কাৰ্য্য বৰ্ণিত হৈছে সেই বোৰেই মুখ্যত ঃ বাৎসল্য ভাব প্ৰধান। ক'বলৈ গলে মাধৱদেৱৰ প্ৰায় বেছিখিনি গীতেই এই বাৎসল্য ভাবৰ ভক্তিৰে সিক্ত। অৱশ্যে শঙ্কৰদেৱ বিৰচিত "আনন্দে গোবিন্দে বায় বৃন্দাবনে বেণু, বালক গোপাল কৰতৰে কেলি, উচ্চায়া পাঞ্চনি নাচে হাসে গোপ মেলি' আদি গীতৰ মাজতো বাৎসল্য ভাবে ধৰা নিদিয়াকৈ থকা নাই। চোৰ আৰু চাতুৰি বিষয়ক গীতবোৰৰ মাজতো কম-বেছি পৰিমাণে এনে বাৎসল্য ভাবৰ ছিটিকনি অনুভৱ কৰা যায়। এই প্ৰসঙ্গতে ড° বাণীকান্ত কাকতিয়ে বাৎসল্য আৰু দাস্যৰ মাজত ওচৰ সম্পৰ্ক থকা বুলি কোৱা কথাষাৰ প্ৰণিধানযোগ্য। তেওঁৰ মতে লৌকিক দৃষ্টিত যিটো দাস্যভাৱ অন্তৰৰ ফালৰপৰা সিয়েই বাৎসল্য ভাবত পৰিণত হয়; অৰ্থাৎ দাস্য ভাবে যেতিয়া পৰিপূৰ্ণতা পায়, তেতিয়া ভক্তৰ অন্তৰত মদ, মাৎসৰ্য্য, অহংকাৰ আদি কোনো ভাব নাথাকে। একে আষাৰে ক'বলৈ গলে স্বাৰ্থৰ গোন্ধ নাথাকে। কিন্তু সেই বুলি ভক্তৰ হৃদয়ৰ পৰা স্নেহ কৰুণা, দয়া, দাক্ষিণ্য আদি ভাববোৰ আঁতৰি যাব নোৱাৰে, নহলে প্ৰাৰ্থনাসূচক দাস্যভাব নীৰস হ'ব। প্ৰকৃতাৰ্থত বাৎসল্য ভাবো এনে নিঃস্বাৰ্থ সন্তান প্ৰীতি ভোগৰ ভিতৰতে ইয়াত ত্যাগ থাকে।[১২]

**৩.০৪ সপ্ৰেম ভাৱ ঃ** অসমৰ বৈষ্ণৱ ভক্তিত মধুৰ

ভাবক স্থান দিয়া নাই যদিও কৃষ্ণৰ বিৰহত ব্যাকুল হৈ পৰা গোপীৰ বেদনাসিক্ত চিত্ৰই সপ্ৰেম ভাবৰ ভক্তিৰ নিদৰ্শন দাঙি নধৰা নহয়। এই ভক্তিভাব বিৰহ বিষয়ক বৰগীতৰ মাজতো বিদ্যমান। বিশেষকৈ শঙ্কৰদেৱ বিৰচিত "মাই মাধৱ বিৰহে হৰয়ে চেতন তনু জীৱন নাৰহে, কি কহব উদ্ধৱ কিকহব প্ৰাণ/ গোবিন্দ বিনে ভয়ে গোকুল উছান, বিৰহে আকুল গোপী হামাকু নিমিত্তে, কহৰে উদ্ধৱ কহ প্ৰাণৱে বান্ধৱ হে" আদি গীতত গোপী হৃদয়ৰ এই ভক্তিৰ সপ্ৰেম ভাব ফুটি ওলাইছে। গতিকে পৰিষ্কাৰ কথা, বিষয়-ভেদৰ দৰে বৰগীতৰ ভক্তিতো ভাবৰ বৈচিত্ৰ বিদ্যমান। বৈষ্ণৱ ধৰ্মৰ উপাস্য ভগৱান বিষ্ণু-কৃষ্ণৰ এফালে চিৰন্তন পাৰমাৰ্থিক ৰূপ আৰু আনফালে মানৱীয় সত্ত্বা-এই দুয়োটা ৰূপেই ভক্ত কবিৰ হৃদয়ত ধৰা দিয়া বাবেই বৰগীততো ভক্তিয়ে এনেদৰে দাস্য, শান্ত, বাৎসল্য আৰু সপ্ৰেম ভাবৰ পোহাৰ মেলিছে।

**৪.০ উপসংহাৰ ঃ** বৈষ্ণৱ ভক্তি আন্দোলনে ভাৰতৰ ইমূৰৰ পৰা সিমূৰলৈ যি আধ্যাত্মিক ভাবৰ খলক লগাইছিল, যি ভক্তিৰ উচ্ছাস সজাগ কৰি তুলিছিল, এই বৰগীতবোৰো আছিল সেই খলক আৰু উচ্ছাসৰ প্ৰতিধ্বনি মাথোন।[১৮] ভাৰতৰ অন্যান্য প্ৰান্তৰ ভক্ত কবি সকলৰ গীত পদৰ বিষয় আৰু ভক্তিভাবৰ আবেদনৰ লগতো ইয়াৰ আছিল এক ওচৰ সম্পৰ্ক। সেয়ে সৰ্বভাৰতীয় ঐক্য স্থাপনত ভাৰতীয় ভক্তি আন্দোলনৰ এপদ কলা সম্পদ হিচাপে বৰগীতৰ যে এখন সুকীয়া আসন আছে তাত সন্দেহ নাই।●●

---

**পাদটীকা ঃ**

১। ড° সত্যেন্দ্ৰনাথ শৰ্মা ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ ঃ ১৪৪
২। ড° মহেশ্বৰ নেওগ ঃ (সম্পা) ঃ স্বৰ বৰগীত, পৃ.
৩। — ঃ গুৰু, চৰিত কথা, পৃ.১৭৮
৪। — ঃ উক্ত গ্ৰন্থ
৫। ড° বাণীকান্ত কাকতি ঃ পুৰণি অসমীয়া সাহিত্য, পৃ.৫৬
৬। ড° মহেশ্বৰ নেওগ ঃ (সম্পা) পূৰ্বোক্ত গ্ৰন্থ, পৃ.৩৪৭
৭। তীৰ্থনাথ শৰ্মা ঃ ভক্তিবাদ, পৃ.৭৬-৭৭
৮। ড° উপেন্দ্ৰ নাথ গোস্বামী ঃ বৈষ্ণৱ ভক্তি ধাৰা আৰু সন্ত কথা, পৃ.৫
৯। — ঃ ভাষা আৰু সাহিত্য, পৃ.১১২
১০। ড° উপেন্দ্ৰ নাথ গোস্বামী ঃ বৈষ্ণৱ ভক্তি ধাৰা আৰু সন্ত কথা,পৃ.৫
১১।— ঃ উক্ত গ্ৰন্থ, পৃ.৫
১২। ড° বাণীকান্ত ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃ.৪৪
১৩। উক্ত গ্ৰন্থ, পৃ.৬১

**লেখক পৰিচয় ঃ ড° কনক চন্দ্ৰ চহৰীয়া**
**অসমীয়া বিভাগ**
**গুৱাহাটী বিশ্ববিদ্যালয়**

# সামাজিক শ্ৰেণীভেদৰ সমস্যা আৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ শিক্ষা

ড° অনুৰাধা শৰ্মা

ভক্তি আন্দোলনৰ সামাজিক পটভূমিত মহাপুৰুষ শঙ্কৰদেৱে যি বৃহত্তৰ অসমীয়া জাতি গঠনৰ প্ৰয়াস কৰিছিল তাৰ সূত্ৰ ধৰিয়েই সৰ্বভাৰতীয় জাতিভেদৰ পৰম্পৰাৰপৰা বহুবিষয়ত উদাৰ কেতবোৰ বৈশিষ্ট্য অসমীয়া সমাজত নিদৰ্শনীয় প্ৰতিফলন হিচাপে ৰৈ গৈছে। শঙ্কৰদেৱৰ শিক্ষাক নিৰৱচ্ছিন্ন ধাৰাবাহিকতাৰে বিকাশ কৰিব পৰা হ'লে গতিশীল আৰু বলিষ্ঠ জাতি হিচাপে অসমীয়াসকল বিশ্বত পৰিচিত হ'লহেঁতেন আৰু যিকোনো গোষ্ঠী, জাতি বা সাম্প্ৰদায়িক সংঘৰ্ষ বা এইধৰণৰ অনুদাৰ মনোভাবৰপৰা অসম মুক্ত হ'লহেঁতেন বুলি ক'ব পাৰি। সেয়ে বৰ্তমানৰ গোষ্ঠী সংঘৰ্ষ, সাম্প্ৰদায়িকতা জাতি-ভেদ পৰিচিতিৰ উৎকট ৰূপে আমাৰ সমাজ প্ৰদূষিত কৰাৰ সময়ত ভক্তি আন্দোলনৰ প্ৰেক্ষাপটত শঙ্কৰদেৱে দি যোৱা সাম্যৰ আদৰ্শলৈ ঘূৰি চোৱাৰ অৱকাশ আছে। ইতিমধ্যে জাতিভেদৰ সমস্যা আৰু শঙ্কৰদেৱৰ প্ৰসঙ্গত যথেষ্ট আলোচনা হৈছে আৰু নতুন নতুন দিশ মুকলি হৈছে যদিও বিষয়টো এনে সদা প্ৰাসঙ্গিক যে বাৰম্বাৰ উল্লেখান এই কথাকে সোঁৱৰাই দিলে যে পঞ্চদশ শতিকাতেই মহাপুৰুষজনাই সামাজিক শ্ৰেণীভেদৰ ক্ষেত্ৰত যি শিক্ষা দি গৈছে, সেই শিক্ষা যে প্ৰকৃত মানুহ হোৱাৰ পথ তাক ভক্তিধৰ্মৰ বাহিৰৰ সকলেও অস্বীকাৰ কৰিব নোৱাৰে।

বাণীকান্ত কাকতিয়ে 'শঙ্কৰদেৱৰ আধ্যাত্মিক দান'- শীৰ্ষক প্ৰবন্ধত উল্লেখ কৰা শঙ্কৰদেৱৰ চতুৰঙ্গ দানৰ ভিতৰত এটি হৈছে সামাজিক শ্ৰেণীভেদ উলঙ্ঘা কৰি সমাজৰ পিছপৰি থকাসকলকো সাধনাৰ ক্ষেত্ৰত সমান অধিকাৰ দান। ভক্তিৰ বাটত "কৰ্মৰ বিভীষিকা আৰু সামাজিক ব্যৱধানৰ কুঁৰলী আঁতৰায় সকলোকে ভয় নোহোৱাকৈ খোজ কাঢ়িবৰ জন্মগত অধিকাৰ মহাপুৰুষে দান কৰে।"[১] ইয়াত 'সামাজিক শ্ৰেণীভেদৰ কুঁৰলী' আৰু জন্মগত অধিকাৰ' অতি তাৎপৰ্যপূৰ্ণ। হিন্দু সমাজৰ বৰ্ণ ব্যৱস্থাই সামাজিক শ্ৰেণীভেদৰ স্তৰ সৃষ্টি কৰিছিল। অৱশ্যে এয়া অকল অসমৰ সমাজ ব্যৱস্থাৰ এক বৈশিষ্ট্য বুলি ক'লে ভুল কৰা হ'ব, আৰ্যসকলৰ বৰ্ণব্যৱস্থাৰ সৃষ্টিৰ লগে লগে সামগ্ৰিকভাৱে হিন্দু সমাজত উচ্চ-নীচৰ প্ৰৱণতাই গা কৰি উঠিছিল। বৰ্ণ বা জাতিৰ আধাৰত `class of caste`প্ৰণালীৰে আৰ্যসমাজত মানুহক ভাগ ভাগ কৰা হৈছিল, যি পৰৱৰ্তীকালত সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষমতাৰ সতে সাংগোপাংগে জড়িত হৈ পৰিছিল। গীতাত কৃষ্ণই 'চতুৰ্বৰ্ণং ময়া সৃষ্টং গুণকৰ্ম বিভাগশ্চঃ'-বুলি বিষয়টো সম্পূৰ্ণভাৱে গুণ আৰু কৰ্মৰ লগত জড়িত কৰিছে, কিন্তু ব্যৱহাৰিক ক্ষেত্ৰত বৰ্ণভেদ গুণ আৰু কৰ্মৰ বিভাগ অনুসৰি হোৱা নাছিল। পিছলৈ ব্ৰাহ্মণ্যবাদীৰ প্ৰতাপত গোটেই ব্যৱস্থাটোৱে তীব্ৰৰূপ ধাৰণ কৰি সমাজখনক ছানি ধৰিছিল। পৰৱৰ্তীকালত উচ্চ-নীচৰ ভেদ অৰ্থনীতিৰ লগতো জড়িত হৈ পৰিল। "অৰ্থ সম্পত্তি বা প্ৰতিপত্তি থকাসকলে উচ্চশ্ৰেণীৰ মৰ্যাদা ভোগ কৰাত কোনো অসুবিধা নাছিল। আনহাতে সমাজৰ অধিক ক্ষমতাবাদ শ্ৰেণীটোৱেই আছিল ৰাজন্যবৰ্গ। এই ৰাজন্যবৰ্গৰ স্বাৰ্থতে সকলো নীতি-নিয়ম প্ৰণয়ন কৰি ব্ৰাহ্মণসকল ক্ৰমান্বয়ে বিশাল ভূ সম্পত্তিৰ অধিকাৰীও হৈছিল আৰু ইয়াৰ বিনিময়ত ক্ষত্ৰিয়সকলে বৈশ্য আৰু শূদ্ৰসকলক শোষণ কৰা কাৰ্যত তেওঁলোক প্ৰধান হিচাপে থিয় দিছিল। ভালদৰে চালে দেখা যায় অৰ্থনৈতিক সুবিধাৰ এই আন্তঃসম্পৰ্কবোৰে

ব্ৰাহ্মণসকলক ৰাজকীয় শক্তিৰ লগত গাঁঠি পেলাইছিল আৰু এই দুয়োটা শক্তিৰ প্ৰভাৱত বৰ্ণব্যৱস্থা সমাজত স্থায়ীভাৱে শিপাই পৰিছিল।"[২]

সৰ্বভাৰতীয় প্ৰেক্ষাপটত অসমৰ জনগাঁথনি কিছু পৰিমাণে ভিন্ন। বিশেষকৈ আৰ্য আৰু আৰ্যভিন্ন লোকৰ সুষম সমন্বয়ত গঢ় লৈ উঠা বহুতো সাংস্কৃতিক উপাদান বা বৈশিষ্ট্যত বিশুদ্ধতা বা মৌলিকতা বিচাৰি উলিওৱাটো জটিল আৰু দুৰূহ। অসমৰ প্ৰাচীন ইতিহাসলৈ চালে দেখা যায় যে ৰাজ্যশাসনৰ দায়িত্ব কিৰাতবংশী ৰজাই লৈছিল আৰু elite culture বুলি পৰিগণিত হোৱা হিন্দুধৰ্মৰ প্ৰতি আগ্ৰহী আছিল। ৰাজ্যশাসনৰ সুবিধাৰ বাবেই হওক বা হিন্দু সংস্কৃতিৰ প্ৰতি থকা আকৰ্ষণৰ বাবেই হওক এওঁলোকে হিন্দুধৰ্ম গ্ৰহণ কৰি হিন্দুসভ্যতা বা সংস্কৃতিৰ প্ৰসাৰণ ঘটাইছিল সঁচা কিন্তু সাধাৰণ প্ৰজাৰ মাজত বৰ্তি থকা জাতিভেদৰ বৈষম্য আঁতৰাবলৈ চেষ্টা কৰা নাছিল বা সাধাৰণ জনজাতীয় প্ৰজাৰ ধৰ্মৰ ক্ষেত্ৰত সামাজিক মৰ্যাদা কি হ'ব এই কথাও বিচাৰ কৰা নাছিল। লক্ষণীয় বিষয় যে, জনজাতীয় লোকসকলৰ ধৰ্মক ৰাজধৰ্মৰ সৈতে একাকাৰ কৰি হিন্দুসমাজৰ মাজলৈ আনিছিল যদিও এওঁলোকৰ স্থান আছিল হিন্দুসমাজখনৰ একেবাৰে তলৰ স্তৰত। তথাকথিত উচ্চবৰ্ণৰ হিন্দুসকলৰ বৰ্ণাভিমানে তেওঁলোকৰ লগত সামাজিকভাৱে মিলামিছা কৰাত বাধা আৰোপ কৰিছিল। অসমীয়া সাহিত্যৰ প্ৰথম লিখিত নিদৰ্শন হিচাপে পৰিচিত চৰ্যাপদতো ইয়াৰ স্পষ্ট স্বাক্ষৰ আছে।[৩]

শঙ্কৰদেৱৰ আদৰ্শই এই যিটো 'সামাজিক শ্ৰেণীভেদৰ ব্যৱধানৰ কুঁৱলী আঁতৰায় বুলি বাণীকান্ত কাকতিয়ে অভিহিত কৰিছে ই কিমান গভীৰ আৰু ব্যাপকভাৱে খোপনি পুতি থকা সামাজিক বৈষম্যৰ বিষয় এটাক প্ৰতিহত কৰিবলৈ প্ৰয়াস কৰিছিল তাক হিন্দুধৰ্ম-সংস্কৃতিৰ ইতিহাস, সমাজব্যৱস্থা আৰু পৰম্পৰাৰ সামান্যতম আভাস থকা ব্যক্তিমাত্ৰেই ক'ব পাৰে। কাৰণ, সামাজিক শ্ৰেণীভেদৰ সমস্যা বা কুঁৱলী আঁতৰোৱাৰ সমসাময়িক পৰিৱেশ বা পৰিস্থিতি অনুকূল নাছিলেই বৰং শক্তিশালী হেঙাৰস্বৰূপে উদাৰ আৰু মুকলি চিন্তাক অহৰহ বাধা দিবলৈ চেষ্টা কৰিছিল। আজি একবিংশ শতিকাৰ বিজ্ঞানৰ যুগ বুলি গৰ্ব কৰাৰ সময়তো হিন্দুসমাজৰ সামাজিক শ্ৰেণীভেদ শিথিল হৈ যোৱা নাই, সেইক্ষেত্ৰত চাৰে পাঁচশ বছৰ আগৰ পৰিৱেশ বিবেচনীয়।

শঙ্কৰদেৱৰ পূৰ্বৰ অসমীয়া সমাজখনত জাতিভেদৰ বান্ধোনে কঠোৰ অনুশাসনৰ ৰূপ লৈছিল। জাতিভেদৰ প্ৰসঙ্গত শঙ্কৰদেৱৰ শিক্ষা বিচাৰ কৰিলে এই কথাখিনি আগত ৰাখিবলগীয়া হয় এইবাবেই যে শঙ্কৰদেৱে অসমত বৰ্ণবৈষম্য আঁতৰাবলৈ প্ৰকাশ্যে কোনো সামাজিক বিপ্লৱৰ সৃষ্টি কৰা নাছিল আৰু সেই সময়ত যুগ যুগ ধৰি চলি অহা সংস্কাৰৰ বিৰোধিতা কৰাটো সম্ভৱপৰো নাছিল। এনে কৰাহেঁতেন ৰজা-প্ৰজা উভয়ৰে অধিকতৰভাৱে ৰোষৰ বলি হৈ তেওঁৰ ভক্তিধৰ্ম তিষ্ঠি থকাই টান হ'লহেঁতেন। গতিকে স্পৰ্শকাতৰ বিষয় এটা অতি সন্তৰ্পণে ধৰ্মৰ লগত জড়িত কৰি তেওঁ দুৱাৰখন মুকলি কৰি দিছিল। আন এক মনকৰিবলগীয়া কথা হ'ল-জাতিভেদৰ সমস্যাৰ উৎস পোনতে ধৰ্ম, পিছতহে ই সামাজিক স্তৰত শক্তিশালী ৰূপত শিপাইছে। আকৌ, সামাজিক জীৱনত ধৰ্মীয় ক্ৰিয়াকাণ্ডই সদায় আগস্থান পায়। গতিকে, গুৰিৰ পৰা নিৰ্মূল কৰিব নোৱাৰিলে ইয়াৰ গ্ৰাসৰপৰা সমাজ মুক্ত কৰাৰ কোনো উপায় নাই। এই দিশৰপৰা চালে তেওঁ প্ৰকাশ্যে কোনো সামাজিক বিপ্লৱৰ সৃষ্টি নকৰিলেও ভক্তিধৰ্মত যি 'আধ্যাত্মিক সাম্য'ৰ ধাৰণা প্ৰতিষ্ঠা কৰি থৈ গৈছে, সেয়াই শ্ৰেণীভেদৰ কুঁৱলী আঁতৰাবলৈ সক্ষম হৈছে। গতিকে, মহেশ্বৰ নেওগৰ "Sankardeva did not venture to pull down caste discriminations"[৪] কথাষাৰ বিচাৰৰ ক্ষেত্ৰত সেই সময়ৰ সামাজিক পটভূমি বিবেচনীয়। যুগ যুগ ধৰি চলি অহা সংস্কাৰৰ বিৰুদ্ধে পোনপটীয়াকৈ বিদ্ৰোহ কৰিবলৈ গ'লে নিঃসন্দেহে তেওঁৰ জীৱন আৰু বিপন্ন হৈ পৰিলেহেঁতেন। গতিকে জাতিভেদৰ সমস্যা সমাধানৰ বাবে সেই যুগৰ পৰিবেশো নাছিল। কিন্তু উপাস্য আৰু উপাসকৰ ভিতৰত কৰ্মৰ বাহুল্য, সামাজিক শ্ৰেণীবন্ধ আদিৰ ভিতৰত যি অজ্ঞানতাৰ কুঁৱলী বিয়পি আছিল, মহাপুৰুষৰ প্ৰতিভাৰ পোহৰত সি আঁতৰি গৈ চিৰন্তন আৰ্যসত্যক প্ৰকাশ কৰিছিল।[৫] আধ্যাত্মিক উপলব্ধিত সামাজিক শ্ৰেণীবিভাগ অনুসৰি অধিকাৰ ভেদ থাকিব নোৱাৰে, অৰ্থাৎ ঈশ্বৰ উপাসনাৰ

ক্ষেত্ৰত উচ্চনীচৰ ভেদ নাই। ভকতিত জাতি-অজাতিৰ বিচাৰ নিষ্প্ৰোজনঃ

> কৃষ্ণৰ কথাত যিটো ৰসিক।
> ব্ৰাহ্মণ জন্ম তাৰ লাগে কিক।।
> স্মৰোক মাত্ৰ হৰি দিনে ৰাতি।
> নবাছে ভকতি জাতি-অজাতি।।৫৮।।
>
> -- পাষণ্ড মৰ্দ্দন,

কীৰ্ত্তন-ঘোষা

জাতিভেদৰ প্ৰতি অনাস্থা নাথাকিলে তেওঁ এইদৰে প্ৰকাশ কৰিব নোৱাৰিলেহেঁতেন। "ব্ৰাহ্মণৰ চণ্ডালৰ নিবিচাৰি কূল" বুলি কৰা উল্লেখেই সেই সময়ৰ সমাজ পৰিপ্ৰেক্ষিতত এক শক্তিশালী স্থিতি। এইক্ষেত্ৰত শিৱনাথ বৰ্মণৰ "শঙ্কৰদেৱ জাতিভেদৰ বিৰোধী নাছিল"[৬] বুলি কৰা মন্তব্যৰ স'তে আমি একমত হ'ব নোৱাৰোঁ। অৱশ্যে, তেওঁ এই কথা উল্লেখ কৰিছে, "জাতিভেদৰ ক্ষেত্ৰত শঙ্কৰদেৱৰ প্ৰগতিশীলতা এইখিনিতে যে নামধৰ্মৰ ভাণ্ডাৰ তেওঁ খুলি দিছিল সমাজৰ সকলো জাতিৰ মানুহৰ বাবেই।"[৭] সেই সময়ৰ সমাজ পৰিপ্ৰেক্ষিতত এইখিনিয়েই যথেষ্ট আছিল। জাতিভেদৰ বিৰোধী নহ'লে তেওঁ সকলোৰে বাবে ধৰ্মৰ দুৱাৰ মুকলি কৰি নিদিলেহেঁতেন। তথাকথিত নিম্নস্তৰৰ মানুহক আধ্যাত্মিক অধিকাৰ সম্পৰ্কে তেওঁ সচেতন কৰি তুলিছিল। আনহাতে, ধৰ্মৰ ক্ষেত্ৰত থকা ব্ৰাহ্মণসকলৰ প্ৰাধান্যও তেওঁ প্ৰত্যাহ্বান সৃষ্টি কৰিছিল। "ব্ৰাহ্মণক জাতি হিচাপে তেওঁৰ লেখাত বা শিক্ষাত ক'তো নিন্দা কৰা হোৱা নাই।"[৮] তেওঁৰ ব্ৰাহ্মণ শিষ্যও আছিল। 'অগ্ৰগামী প্ৰগতিশীল গোষ্ঠী হিচাপে তেৰোঁ ব্ৰাহ্মণক সন্মান কৰি চলিবলৈ বিচাৰিছিল। ব্ৰাহ্মণ শিষ্যসকলক দামোদৰৰ তাতে শৰণ লোৱাইছিল।'[৯] ধৰ্মৰ ক্ষেত্ৰত এক উদাৰ দৃষ্টিভঙ্গী থকা বাবেই ব্ৰাহ্মণ-অব্ৰাহ্মণকে ধৰি বিভিন্ন জনগোষ্ঠী তথা জনজাতিৰ লোকে তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিছিল। ঈশ্বৰৰ ভক্ত হিচাপে সকলো - সন্মানৰ যোগ্য। তথাকথিত জাতিৰ শ্ৰেষ্ঠত্বক তেওঁ অস্বীকাৰ কৰিছিল।[১০] এক উদাৰ আৰু মুকলি মনোভাৱেৰে সকলোকে গ্ৰহণ কৰি নোলোৱাহেঁতেন শঙ্কৰদেৱৰ আদৰ্শই এটা জাতিৰ ভেটি তৈয়াৰ কৰি নগলেহেঁতেন।

সামাজিক শ্ৰেণীভেদ বা পৌৰোহিত্যৰ ব্যৱধান নোহোৱাকৈ ভক্তিৰ ক্ষেত্ৰত তেওঁ যি সকলোৰে সমান অধিকাৰ দান কৰিছিল, সেয়াই বিন্দুতে সিন্ধু হৈ সামাজিক শ্ৰেণীবান্ধোনৰ কুঁৱলী আঁতৰাই 'সাম্য'ৰ ধাৰণাৰে অসমীয়া সমাজ ৰৌদ্ৰোজ্জ্বল কৰি তুলিছিল। যাৰ বাবে সৰ্বভাৰতীয় সমাজখনৰ কেতবোৰ ঠাইত পৰিলক্ষিত বৰ্ণবৈষম্য(Caste discrimination) ,অস্পৃশ্যতা (Untoucbility) আদিৰ ৰূপ অসমীয়া সমাজত কম। ভক্তিধৰ্মৰ ঢৌৱে বংগদেশ, উৰিষ্যা আৰু দাক্ষিণাত্যক প্ৰবলভাৱে চুই গৈছিল, কিন্তু সেইবোৰ ঠাইৰ তুলনাত অসমত জাতিভেদ প্ৰথা শিথিল আৰু অন্যান্য সংস্কাৰৰ ক্ষেত্ৰতো অসমীয়া সমাজ সেইবোৰৰ তুলনাত ভালেখিনি মুক্ত। অসমীয়া সমাজৰ এনে বিশিষ্টতাৰ আঁৰত থকা কাৰকবোৰ চালেই স্পষ্টতঃ ধৰা পৰে শঙ্কৰদেৱৰ ভক্তিধৰ্মৰ আদৰ্শ।

আকৌ, বাণীকান্ত কাকতিয়ে উল্লেখ কৰা 'জন্মগত অধিকাৰে' মানুহক মানুহ হিচাপে জীয়াই থকাৰ অধিকাৰ সূচায়। ই মানৱতাবাদৰ (Humanism) পৰিপোষক। উল্লেখ যে, ভাৰতীয় মানৱতাবাদৰ ধাৰণা আধ্যাত্মিক দৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত; ঈশ্বৰ বা আত্মাক বাদ দি নহয়। পাশ্চাত্য মানৱতাবাদৰ লগত এইখিনিতে ইয়াৰ অন্যতম পাৰ্থক্য। গুৰুজনাই মানৱতাবাদী আদৰ্শৰে অসুৰ বা পশুসুলভ আচৰণ এৰি সমস্ত প্ৰাণীকে বিষ্ণুৰূপে পূজা কৰিবলৈ আহ্বান জনাইছেঃ

> হেন জানি অসুৰ স্বভাৱ এৰি।
> সমস্ত প্ৰাণীকে পূজা বিষ্ণু বুদ্ধি কৰি।।
>
> - - -

কীৰ্ত্তন-ঘোষা

মানুহে আসুৰিক স্বভাৱ এৰিলেহে যে মংগল সাধন হ'ব সেই কথা তেওঁ উপলব্ধি কৰিছিল। সমস্ত প্ৰাণীতে ঈশ্বৰত্ব আৰোপৰ ধাৰণাই মনুষ্যত্বৰ পৰম বিকাশ। এনে মানৱতাবাদী দৰ্শনেৰে তেওঁ ভক্তিধৰ্মত সকলোকে সমান অধিকাৰ দান কৰিছে। প্ৰকৃততে "সমাজৰ সকলো স্তৰৰ লোককে একশৰণ হৰিনাম ধৰ্মত দীক্ষিত কৰি এখন বহল সমাজ গঢ়াৰ ব্যৱস্থা কৰিছিল। বৰ্ণব্যৱস্থা প্ৰতিহত কৰিবলৈ সকলোকে একে শাৰীলৈ অনাৰ ব্যৱস্থা কৰিছিল।"[১১] শঙ্কৰদেৱৰ ভক্তিধৰ্মত জন্মগতভাৱে কোনো শ্ৰেষ্ঠ নহয়,

ভক্তিৰ বলত তথাকথিত নিম্নস্তৰৰ মানুহেও উচ্চাসন লাভ কৰিব পাৰেঃ

> চণ্ডালে কৰিছে হৰি কীৰ্ত্তন।
> বুলি তাক নিন্দে অজ্ঞজন।।
> তাক সম্ভাষণ যিজনে কৰে।
> আজন্মৰ পুণ্য তেখনে হৰে।।১৭।।
>
> -- পাষণ্ড মৰ্দ্দন
>
> চণ্ডালো হৰি নাম লৱে মাত্ৰ।
> কৰিবে উচিত যজ্ঞৰ পাত্ৰ।।৪৭।।
>
> -- পাষণ্ড মৰ্দ্দন

হিন্দুধৰ্মৰ ব্ৰাহ্মণ্যবাদী ধাৰাত সমাজত উচ্চাসন লাভ কৰিছিল-- পুৰোহিত শ্ৰেণীটোৱে। আনহাতে শঙ্কৰদেৱৰ ভক্তিধৰ্মত হৰিনাম লৈ চণ্ডালেও যজ্ঞৰ পাত্ৰ হ'ব পাৰে। তথাকথিত নিম্ন জাতিৰ মানুহক এনে যোগ্যতা দানে প্ৰতিপন্ন কৰিছে-- মানুহৰ জন্মগত অধিকাৰ। জন্মত নহয়, ভক্তিতহে ভকত শ্ৰেষ্ঠ। এনে আদৰ্শৰ বাবেই শঙ্কৰদেৱৰ সমাজ সকলো শ্ৰেণীৰ মানুহৰ বাবে মুকলি আছিল। গোবিন্দ গাৰো, পৰমানন্দ মিৰি, নৰহৰি আহোম, জয়ৰাম ভোট, চান্দসাই যৱন আৰু ভট্টদেৱ ব্ৰাহ্মণে তেওঁৰ সমাজত একেলগে ঠাই পূৰাইছিল।'[১২] সমসাময়িক অসমৰ প্ৰায় সকলোবোৰ জাতি-জনগোষ্ঠীৰ মানুহ শঙ্কৰদেৱৰ শিষ্য হৈ পৰিছিল। বিষ্ণুৰাভাই উল্লেখ কৰিছেঃ "মাৰ্ক্সৰ সাম্যবাদ আৰু গান্ধীৰ গান্ধীবাদৰ আগেয়ে তেওঁ তেনে নীতি প্ৰচাৰ কৰিছিল।"[১৩] উপৰুৱাকৈ চালে মাৰ্ক্স বা গান্ধীৰ নীতি তেওঁলোকতকৈ আগতেই প্ৰচাৰিত বুলি কৰা উক্তিত অতিৰঞ্জনৰ আভাস আছে। কিন্তু তাত্ত্বিক দিশৰপৰা নাচাই যদি আমি ব্যৱহাৰিক দিশত চাওঁ তেন্তে দেখা পাম শঙ্কৰদেৱে এখন শ্ৰেণীহীন ভক্তৰ সমাজ গঢ়িবলৈ প্ৰয়াস কৰিছিল য'ত সকলোৰে অধিকাৰ সমান।

শঙ্কৰদেৱৰ ভক্তিধৰ্মত জাতি-অজাতিৰ বিচাৰহীনতাই উপাসনাৰ ক্ষেত্ৰত সাম্যভাৰৰ অৱতাৰণা কৰিছে। নিঃসন্দেহে ই সাম্যভাবৰ 'বীজ' মাত্ৰ। কিন্তু বীজৰপৰাই মহীৰুহ হয়। উপযুক্ত পৰিৱেশ পালে আধ্যাত্মিক ক্ষেত্ৰৰপৰা ই সামাজিক ক্ষেত্ৰলৈ বিস্তাৰণ ঘটিলহেঁতেন। শঙ্কৰদেৱৰ আদৰ্শ তেওঁৰ উত্তৰ সুৰীসকলে সঠিকভাৱে অনুধাৱন কৰিব নোৱাৰাবাবেই ইয়াৰ বিকাশ নঘটিল। হীৰেন গোহাঁইৰ ভাষাৰে "সেই যুগৰ পৰিৱেশ তেওঁৰ উদাৰতাৰ আৰু বহল মনোভাবৰ জোখাৰে নাছিল বাবেই শেষ পৰ্যন্ত জাতিভেদৰ ঢাপৰ মাজতে সি ৰৈ গ'ল। তথাপি এই আন্দোলনে এক বহল, সুচল, মুকলি গণতান্ত্ৰিক জীৱনাদৰ্শৰ যি ধ্বনি তুলিছিল, তাৰ প্ৰতিধ্বনিয়েই আজিও অসমীয়া জাতীয় সংহতিৰ ঘাই প্ৰেৰণা।"[১৪] সকলো ধৰ্মীয় ক্ৰিয়া-কাণ্ড আঁতৰাই থৈয়ো সামাজিক শ্ৰেণীভেদৰ ক্ষেত্ৰত শঙ্কৰদেৱৰ শিক্ষাক সাৰোগত কৰি আমি জাতীয় জীৱনৰ উৎকৰ্ষ সাধন কৰিব পাৰোঁ। সেয়ে ধৰ্মগুৰু হিচাপে অকল নহয়, জাতীয় জীৱনৰ গুৰু হিচাপে শঙ্কৰদেৱৰ আদৰ্শ সদা স্মৰণীয়।●●

---

**প্ৰসঙ্গ টোকা ঃ**


১) বাণীকান্ত ৰচনাৱলী, অসম প্ৰকাশন পৰিষদ,১৯৯১,পৃঃ ০৪

২) বৰা, দিলীপ ঃ সমাজ সাহিত্য আৰু সংহতি, ভৱানী অফেছেট এণ্ড ইমেজিং ছিষ্টেমছ্ প্ৰাঃ লিঃ, ২০০৮, পৃঃ ৫৫

৩) নগৰে বাহিৰে ডোম্বী তোহাৰি কুড়িয়া। চোই ছোই যায় যো ব্ৰাহ্ম নাড়িয়া"(১০ নং চৰ্যা)

৪) Neog, Maheswar- Sankardeva and His Times, Gauhati Univerisity, 1965, page-116

৫) বাণীকান্ত ৰচনাৱলী, অসম প্ৰকাশন পৰিষদ,১৯৯১ পৃঃ ০৩

৬) বৰ্মণ, শিৱনাথ ঃ শ্ৰীমন্ত শঙ্কৰদেৱ কৃতি আৰু কৃতিত্ব, পূৰ্বাঞ্চল প্ৰকাশ,১৯৮৯ পৃঃ ৯৮

৭) উল্লিখিত গ্ৰন্থ, পৃঃ ৯৮

৮) বাণীকান্ত ৰচনাৱলী, অসম প্ৰকাশন পৰিষদ, ১৯৯১, পৃঃ ২২২

৯) গোহাঁই, হীৰেন ঃ অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা, লয়াৰ্ছ বুক ষ্টল, ১৯৯০, পৃঃ ১০

১০) "আধ্যাত্মিক উপলব্ধি যদি ঈশ্বৰ আৰু শুদ্ধ মনৰ ভিতৰত বুজা-বঢ়া কৰিবলগীয়া বিষয় হয়, তেনেহ'লে সামাজিক শ্ৰেণীবিভাগ অনুসৰি ইয়াত অধিকাৰ ভেদ থাকিব নোৱাৰে।ওখকুলীয়া মানুহহে ঈশ্বৰ আৰাধনাৰ অধিকাৰী বা নীহকুলীয়া মানুহৰ ইয়াত অধিকাৰ নাই, এনে ভেদ-জ্ঞান ইয়াত থাকিব নোৱাৰে।"--বাণীকান্ত ৰচনাৱলী, অসম প্ৰকাশন পৰিষদ, ১৯৯১, পৃঃ ০৩

১১) নাথ, জীৱকান্ত (সম্পাদক) ঃ প্ৰেম অমৃতৰ নদী, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, অষ্ঠিতম বাৰ্ষিক অধিবেশন, ১৯৯৯, মিলেশ্বৰ পাতৰৰ প্ৰবন্ধ 'শঙ্কৰদেৱ আৰু গোষ্ঠী প্ৰৱণতাঃ বাস্তৱতাৰ পটভূমিত," পৃঃ ১২৪

১২) নেওগ, মহেশ্বৰঃ শ্ৰীশ্ৰী শঙ্কৰদেৱ, চন্দ্ৰ প্ৰকাশ,১৯৮৭, পৃঃ ৯৮

১৩) বিষ্ণুৰাভা ৰচনাৱলী (প্ৰথম খণ্ড), বিষ্ণুৰাভা সোঁৱৰণী গৱেষণা সমিতি,১৯৮২, পৃঃ৭৩

১৪) গোহাঁই, হীৰেনঃ অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা, লয়াৰ্ছ বুকষ্টল, ১৯৯০, পৃঃ ১২

**লেখক পৰিচয় ঃ ড° অনুৰাধা শৰ্মা**
**অধ্যাপিকা, আধুনিক ভাৰতীয় ভাষা বিভাগ**
**গুৱাহাটী বিশ্ববিদ্যালয়**

# ভক্তি আন্দোলনৰ পটভূমিত

# মহাপুৰুষ শঙ্কৰদেৱৰ বৰগীত আৰু আজান ফকীৰৰ জিকিৰ

# এটি তুলনামূলক আলোচনা

আব্দুল মালিক

খ্ৰীষ্টীয় দশম একাদশ শতিকামানত অসমীয়া প্ৰমুখ্যে বিভিন্ন ভাৰতীয় প্ৰান্তীয় ভাষাসমূহে স্বকীয় ৰূপ গ্ৰহণ কৰাৰ পিছত বিভিন্ন ধৰ্মীয় গ্ৰন্থসমূহো আঞ্চলিক ভাষালৈ অনুদিত হ'বলৈ ধৰে। ফলস্বৰূপে নিজ নিজ ভাষালৈ ভাগৱত, ৰামায়ণ, মহাভাৰত, গীতা আদি ধৰ্ম গ্ৰন্থসমূহৰ সোৱাদ সৰ্বসাধাৰণ লোকে পাবলৈ সহজ হ'ল। সেই সময়ত ইছলাম ধৰ্মৰ প্ৰসাৰ আৰু প্ৰচাৰ, হিন্দু ধৰ্মৰ বহুবিধ পন্থাৰ প্ৰচলনৰ ফলত সৃষ্টি হোৱা সামাজিক খেলি-মেলি, শঙ্কৰাচাৰ্যৰ জ্ঞানমাৰ্গ অদ্বৈতবাদৰ প্ৰতিক্ৰিয়া তথা পুৰোহিতহীন ধৰ্মীয় উপাসনা পদ্ধতিৰ প্ৰচলনৰ ফলত সমগ্ৰ ভাৰতবৰ্ষজুৰি সৃষ্টি হৈছিল নৱ-বৈষ্ণৱ ধৰ্মৰ আন্দোলন। "ইউৰোপত ৰেঁনেছা অৰ্থাৎ নৱজাগৰণৰ ইতিহাসৰ লগত যেনেকৈ মাটিত লুথাৰৰ প্ৰোটেষ্টাণ্ট ধৰ্মৰ প্ৰৱৰ্ত্তন আৰু প্ৰাচীন লেটিন ক্লাচিকেল সাহিত্য আৰু কলাৰ পুনৰ অধ্যয়নৰ প্ৰভাৱ জড়িত হৈ আছে, তেনেকৈ প্ৰায় একে সময়তেই বৈষ্ণৱ আন্দোলন আৰু ভক্তিধৰ্মক কেন্দ্ৰ কৰি ভাৰতত সাংস্কৃতিক পুনৰভ্যুদয় ঘটিছিল।"[১] দ্ৰাবিড় দেশত ওপজা ভক্তিক ৰামানন্দই উত্তৰ ভাৰতলৈ লৈ আহে আৰু কবীৰ, বল্লাভাচাৰ্য, দাদুদয়াল আদি সন্তসকলে বিভিন্ন অঞ্চলত ইয়াৰ প্ৰসাৰ ঘটায়। সমকালীন ভক্ত সাধক চৈতন্যদেৱে বঙ্গদেশত ভক্তিৰসৰ অমিয়া বাণী প্ৰচাৰ কৰে আৰু অসমত শ্ৰীমন্ত শঙ্কৰদেৱে ইয়াৰ গুৰি বঠা ধৰি সমাজত ধৰ্মীয়, সামাজিক চেতনাৰ বৈপ্লৱিক পৰিৱৰ্তন সাধন কৰে। শঙ্কৰদেৱে পঞ্চদশ শতিকাৰ শেষাৰ্দ্ধত এই আন্দোলনৰ ধল বোৱাই আনে অসমলৈ। মহাপুৰুষজনাৰ আবিৰ্ভাৱৰ সময়ত অসমত অনেক উপভাষা, বিভিন্ন ধৰ্মীয় আচাৰ-পদ্ধতিয়ে এক সামাজিক বিশৃংখলতাৰ সৃষ্টি কৰিছিল। সুদীৰ্ঘ বাৰ বছৰ কাল ভাৰতবৰ্ষৰ বিভিন্ন তীৰ্থ, মঠ-মন্দিৰ দৰ্শন কৰি ভক্তি-ধৰ্মৰ অভিজ্ঞতাপুষ্ট শঙ্কৰদেৱে স্বদেশৰ উপযোগীকৈ বৈষ্ণৱ ভক্তি-মাৰ্গৰ প্ৰচাৰত মনোনিবেশ কৰে। কোৱা বাহুল্য যে, মহাপুৰুষজনাই ভক্তিধৰ্ম প্ৰচাৰ কৰাৰ আগতেই অসমৰ বুকুত বৈষ্ণৱ ধৰ্মৰ এটি ক্ষীণ সুঁতি প্ৰবাহিত হৈ আছিল। তাৰাই নৱ-বৈষ্ণৱ ধৰ্মৰ নীতি আৰু তাৰাই জনসাধাৰণৰ মাজত প্ৰচাৰ কৰিবলৈ আশ্ৰয় ল'লে সাহিত্য-সংস্কৃতিৰ।

আজিৰ পৰা প্ৰায় চাৰে পাঁচশ বছৰ আগতে আৱিৰ্ভাৱ ঘটা শ্ৰীমন্ত শঙ্কৰদেৱ আজিও অসমীয়া সমাজ তথা ধৰ্মীয় জীৱনৰ পথ-প্ৰদৰ্শক হৈ আছে। একেশ্বৰবাদ ভাগৱতী-ধৰ্ম প্ৰচাৰ কৰাই আছিল শঙ্কৰদেৱৰ মূল উদ্দেশ্য। সামাজিক সমতা আৰু ৰাষ্ট্ৰীয় সংহতিৰ আৱশ্যকতা তাৰাৰ ধৰ্মীয় মতবাদৰ অন্যতম লক্ষ্য আছিল। বিভিন্ন ধৰ্ম, মতবাদ আৰু বৰ্ণৰ সমাবেশ থকা বৈচিত্ৰ্যপূৰ্ণ বৰ অসমত তাৰাই অনুভৱ কৰিছিল সংহতিৰ আৱশ্যকতা। সেয়ে অসমীয়াৰ জীৱনত সাম্প্ৰদায়িক সম্প্ৰীতিৰ কথা স্মৰণ কৰিলেই শঙ্কৰদেৱৰ প্ৰাসঙ্গিকতা অৱধাৰিতভাৱে আহি পৰে।

কেৱল শঙ্কৰদেৱেই নহয়, ত্ৰয়োদশ-চতুৰ্দশ শতিকাৰ পৰা সপ্তদশ শতিকাৰ মাজভাগলৈ ভক্তিধৰ্মৰ প্ৰায়বোৰ প্ৰচাৰকৰ কাব্য-সাহিত্যতে হিন্দু-মুছলমানৰ ঐক্য-স্থাপনৰ প্ৰয়াস পৰিলক্ষিত হয়। জাতিভেদ বিশ্বাস নকৰা ৰামানন্দই হিন্দু ধৰ্মত এটা বিপ্লৱৰ সৃষ্টি কৰিছিল। সেয়ে কবীৰৰ নিচিনা তাঁতিৰ (জোলা) ঘৰৰ সন্তানকো ৰামানন্দই আপোন কৰি লৈছিল। এইজনা সাধকে আল্লা আৰু বিষ্ণুৰ মাজত কোনো ভেদ দেখা নাছিল। তদ্ৰূপ গুৰু নানক, মালিক মহম্মদ জায়সী, আব্দুৰ ৰহিম খান খানা, ৰসখানা, নামদেৱ, নৰসিংহ সৰস্বতী, শ্ৰীমন্ত শঙ্কৰদেৱ, শ্ৰীচৈতন্যদেৱ, আজান ফকীৰ আদি

সন্তসকলে ভাৰতীয় হিন্দু-মুছুলমানৰ মাজত সম্প্ৰীতি আৰু সদ্ভাৱ স্থাপন কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। হিন্দু-মুছুলমানৰ ঐক্য স্থাপনৰ প্ৰথম সংগ্ৰামী সন্তজন আছিল গুৰু নানক।

অসমত একেশ্বৰবাদী ধৰ্মৰ প্ৰথমজনা প্ৰচাৰক শ্ৰীমন্ত শঙ্কৰদেৱ। তাৰা এনে এজন বৈষ্ণৱ আছিল যিয়ে সকলো ধৰ্ম-সম্প্ৰদায়ৰ লোককে নিজ শিষ্যৰূপে আকোৱালি ল'ব পাৰিছিল। আনকি মুছুলমান সম্প্ৰদায়ৰ লোককো 'হৰিদাস' বুলি গ্ৰহণ কৰিছিল। গাৰো, মিৰি, ভোট, যৱন, ব্ৰাহ্মণ আদি সকলোকে ভক্তিধৰ্মৰ একেটা শাৰীতে শঙ্কৰদেৱে ঠাই দিলে। চান্দসাই বা চান্দ খাঁ নামৰ এজন মুছুলমান দৰ্জী শঙ্কৰদেৱৰ ধৰ্মীয় মতৰ প্ৰতি আকৃষ্ট হৈ শিষ্যত্ব গ্ৰহণ কৰিছিল। অৰ্থাৎ শ্ৰীমন্ত শঙ্কৰদেৱে অসমত হিন্দু-মুছুলমানৰ সম্প্ৰীতি স্থাপনৰ ক্ষেত্ৰত আন্তৰিক প্ৰচেষ্টা হাতত লৈছিল। সামূহিকভাৱে ধৰ্মচৰ্চা কৰাৰ ক্ষেত্ৰত তাৰাই বিশেষ গুৰুত্ব প্ৰদান কৰিছিল বাবে সকলোৱে একেলগে কীৰ্ত্তন গাব পৰা পদ্ধতি শঙ্কৰদেৱে উদ্ভাৱন কৰি খোল-তাল-হাত চাপৰিৰ সমাবেশ ঘটালে। এই পদ্ধতিৰে তাৰাই সকলো শ্ৰেণীৰ লোককে আকৰ্ষিত কৰোৱালে। "জাতি-ধৰ্ম-নিৰ্বিশেষে সংহতি স্থাপন কৰাব পাৰিছিল কাৰণেই অসমলৈ ইছলাম ধৰ্ম প্ৰচাৰ কৰিবলৈ অহা পৰৱৰ্তীকালৰ আজান ফকীৰে কীৰ্ত্তন কৰাৰ পদ্ধতিৰে হাত-চাপৰি বজাই 'জিকিৰ' গাই আল্লাক পাব বিচাৰিলে-এই অসম ভূমিত।"[২] সংহতি আৰু সম্প্ৰীতিৰ ক্ষেত্ৰত মহাপুৰুষজনাই দেখুৱাই দিয়া বাটেৰে মুছুলমান সাধক আজান ফকীৰেও বাট বুলিলে।

সৰহভাগ ধৰ্মীয় সাধকৰ দৰে আজান ফকীৰৰ জীৱন-গাঁথাও ৰহস্যৰ আৱৰ্তৰে ঢাক খোৱা। এইজনা মহান সাধকৰ জীৱন-চৰ্যা অধ্যয়নৰ পৰম্পৰা আৰম্ভ হোৱা বেছি দিন হোৱা নাই। তেওঁৰ জীৱন আৰু সৃষ্টিকৰ্ম 'জিকিৰ'ৰ অধ্যয়ন তথা গৱেষণাৰ ক্ষেত্ৰত ক্ষেত্ৰধৰ বৰগোহাঁই, মহম্মদ মহিবুল্লা, ফণীন্দ্ৰনাথ বৰুৱা, চৈয়দ ইক্ৰাম হুছেইন, ডিম্বেশ্বৰ নেওগ, মুহিবুল হুছেইন, চৈয়দ আব্দুল মালিক আদি বৰেণ্য ব্যক্তিসকলে বাটকটীয়াৰ ভূমিকা গ্ৰহণ কৰি অসমীয়া জাতীয় সাহিত্য-সংস্কৃতিৰ ভঁৰাল সমৃদ্ধিশালী কৰি তুলিছে। আজান ফকীৰৰ জীৱন আৰু কৰ্ম সম্পৰ্কে ভালেমান আলোচনা হৈছে যদিও এই সাধকজনাৰ জীৱনৰ আদিছোৱাত কথা বিশেষ জনা নাযায়। চৈয়দ মুহিবুল হুছেইন, আব্দুল মালিক আদি গৱেষকসকলৰ মতে আজান ফকীৰৰ জন্ম হয় বৰ্তমান ইৰাকৰ ৰাজধানী বাগদাদ চহৰত। তেওঁ কোন চনত অসমৰ সেউজ ভূমিত পদাৰ্পণ কৰিছিলহি তাকো সঠিকভাৱে ক'বলৈ অসুবিধা। অৱশ্যে তেওঁৰ জিকিৰত থকা বিৱৰণৰ পৰা তেওঁ সেই নিৰ্দিষ্ট জিকিৰ ফাঁকি কেতিয়া ৰচনা কৰিছিল, তাৰ উমান পোৱা যায় এনেদৰে--

দহ শ দুকুৰি নবীচন হিজিৰী
আকৌ পাঁচে বছৰ যায়,
ছাহ মীৰানে এই জিকিৰ কৰিলে
কোৰাণ কিতাপত পাই।

১০৪৫ হিজিৰীত ইংৰাজী ১৬৩৪/৩৫ চন পৰে। তেতিয়া অসমত স্বৰ্গদেৱ প্ৰতাপ সিংহৰ ৰাজত্বকাল। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে ১৬৩৪ চনৰ ভালেমান বছৰ আগেয়ে সাধকজনাই অসমলৈ আহিছিল; কাৰণ অসমীয়া ভাষা ভালদৰে শিকিবলৈ বাগদাদৰ ফকীৰজনাৰ নিশ্চয় কেবাবছৰো সময়ৰ প্ৰয়োজন হৈছিল।

অসমীয়া মানুহৰ জনজীৱনত নানা কিম্বদন্তিয়ে আজান ফকীৰক জীৱন্ত কৰি ৰাখিছে। মছজিদত 'জান' দি নামাজ পঢ়িবলৈ আহ্বান কৰা বাবে অথবা অজান ঠাইৰ পৰা আহি অসমত থিতাপি লোৱা বাবে শ্বাহ মিলন নামৰ এই সাধকজনা অসমীয়া মানুহৰ মনত 'আজান ফকীৰ' ৰূপত সজীৱ হৈ থাকিল। তেওঁৰ অলৌকিক মহিমা, সহনশীলতা, দয়া, উদাৰতা, ক্ষমা আদি অনেক সৎ গুণাৱলী অসমৰ জনজীৱনত প্ৰতিষ্ঠিত।

হিন্দু-মুছুলমান সকলো মানুহৰ মাজত তেওঁৰ জিকিৰ গীত সমানে জনপ্ৰিয়। তেওঁৰ জীৱনৰ অনেক কথা ইতিহাসৰ পাতত লিখিত নাথাকিলেও তেওঁৰ জিকিৰবোৰৰ মাজত প্ৰকাশিত উচ্চ আধ্যাত্মিক চিন্তাৰাজিয়ে অসমীয়া মানুহৰ মাজত আজান ফকীৰক বৰণীয় ব্যক্তিৰূপে প্ৰতিষ্ঠিত কৰিছে।

জিকিৰৰ আলোচনা প্ৰসংগত আজান ফকীৰৰ নাম আপোনা আপুনি আহি পৰে আৰু তেওঁকেই জিকিৰৰ ৰচক বুলি ধৰা হয় যদিও আজান চাহেবৰ আগতে কেবাজনো

মুছলমান সাধকে জিকিৰ ৰচনা কৰিছিল বুলি জনা যায়। অৱশ্যে এই কথা আজান ফকীৰৰ জিকিৰতো উল্লেখ আছে। আজান ফকীৰ অসমলৈ অহা সময়ত অসমৰ অধিকাংশ মুছলমান নামত হে মুছলমান আছিল যদিও ইছলামী জীৱন-যাপনৰ প্ৰতি তেওঁলোকে আগ্ৰহ দেখুওৱাতকৈ থলুৱা ৰীতি-নীতি, আচাৰ-বিচাৰ, লোক-বিশ্বাস, কু-সংস্কাৰ আদিৰ প্ৰতিহে আগ্ৰহী আছিল। এইসকল সৰল আৰু অজ্ঞলোকক সজ পথলৈ ঘূৰাই আনিবলৈ আজান ফকীৰে জিকিৰ গীতৰ আশ্ৰয় লৈছিল। মূল আৰবী 'জিক্‌ৰ' শব্দৰ পৰা উদ্ভৱ হোৱা জিকিৰৰ অৰ্থ হ'ল ভগৱানৰ নাম পুনঃ পুনঃ স্মৰণ কৰা। অসমৰ শঙ্কৰী ধৰ্মত যাক 'নাম' বুলি কোৱা হয়, সেই নাম লোৱাৰ লগত জিকিৰৰ সাদৃশ্য পৰিলক্ষিত হয়। আধ্যাত্মিক ভাৱাপন্ন এই জিকিৰ এবিধ বিশেষ ভক্তিমূলক গীত। "বাৰকুৰি বৰগীত, তেৰকুৰি ফকৰাৰ দৰে আঠকুৰি জিকিৰ অসমীয়া ভাষাৰ অমূল্য সম্পদ।"[৪] এই জিকিৰবোৰ নিৰ্দিষ্ট সুৰ আৰু চেৱেৰে গোৱা হয়। অসমৰ উৰ্বৰ সাংস্কৃতিক সত্তাটোৰ স্বৰূপ উপলব্ধি কৰি ফকীৰ চাহেবে এইসমূহ গীত-পদ ৰচনা কৰে। ইছলাম ধৰ্মৰ দৰে বৈষ্ণৱ ধৰ্ম একেশ্বৰবাদী আৰু বিমূৰ্ত উপাসক। দুয়ো ধৰ্ম একেশ্বৰবাদী হোৱাৰ সুবাদতেই বৈষ্ণৱ ধৰ্মানুষ্ঠানত, বিশেষকৈ সাজ-সজ্জা, বেশ-ভূষাত ইছলামীয় প্ৰভাৱ অনুমেয়। হিন্দুধৰ্মী অসমীয়া সমাজ পৰিবেষ্টিত আধ্যাত্মিক ভাৱাপন্ন অসমীয়া মুছলমান ভকতসকলেও অময়া ভকতৰ সংগ লাভ কৰিবলৈ সক্ষম হৈছিল। উভয় সম্প্ৰদায়ৰ লোককে অময়া ভকতৰ টোকাৰীত নিনাদিত দেহবিচাৰৰ গীতে আপ্লুত কৰিছিল। একেলগে একে সুৰেৰে নিষ্কাম ভকতিৰ অমিয়া ৰস পান কৰি ৰসনিষ্পত্তি ঘটাইছিল দুয়ো সম্প্ৰদায়ৰ লোকে। "ভক্ত হৃদয়ৰ ব্যাকুলতাইহে মানুহক চিৰায়ত অমৃতৰ সন্ধান দিয়ে, য'ৰ পৰা ক্ষৰিত হয় চিৰকালৰ সৌন্দৰ্যৰ সুধা"[৫] সেইবাবেই দুজনা ধৰ্মগুৰু শঙ্কৰদেৱ- আজান ফকীৰৰ গীত-পদে অসমৰ উভয় ধৰ্মৰ মানুহৰ প্ৰাণত ভক্তিৰ মূৰ্ছনা জগাই তুলিছিল। আজান ফকীৰ চাহাবে ইছলামীয় ৰীতি-নীতি, জাকাত-কলিমা-ৰোজা আদিৰ প্ৰতি মানুহৰ মন আকৰ্ষিত কৰি তুলিবলৈ দেহ-বিচাৰৰ গীতৰ দৰে জিকিৰ গীত ৰচনা কৰিলে। কোৰাণ-হাদীছৰ জটিল ধৰ্মীয় তত্ত্বকথাবোৰো ভক্তিৰ মাধুৰীৰে, সুৰৰ পাপৰিৰে সজাই সৰ্বসাধাৰণৰ বোধগম্য কৰি তুলিছে। অসমৰ সামাজিক ৰীতি-নীতিৰে সমৃদ্ধ কেঁচা-মাটিৰ গোন্ধ সম্বলিত জিকিৰবোৰ হৈ পৰিল চুফীবাদী দৰ্শনৰ প্ৰাঞ্জল প্ৰকাশ।

দৰাচলতে শঙ্কৰদেৱৰ বিশালতা আৰু ঐতিহাসিক গুৰুত্বৰ স'তে আজান ফকীৰ চাহাবৰ জীৱন আৰু কৰ্মৰ তুলনা কৰিব নোৱাৰি। কিন্তু দুয়োজনা সন্তৰে উদ্দেশ্য আৰু দৰ্শনৰ অভূতপূৰ্ব মিল থকা বাবেই মহাপুৰুষ দুজনাৰ গীত-পদৰ তুলনা কৰাৰ আমাৰ এই ধৃষ্টতা। দুই ভিন্ন ধৰ্মৰ দুয়োগৰাকী গুৰুৰে যথাৰ্থতে এখন সাংস্কৃতিকভাৱে ধৰ্মনিৰপেক্ষ সমাজ নিৰ্মাণৰ পৰিকাঠামো নিৰ্মাণ কৰাৰ পৰিকল্পনা যুগুতাইছিল। আজান ফকীৰৰ জিকিৰ আৰু শঙ্কৰদেৱৰ বৰগীতসমূহে দেখুৱাই দিয়ে অসমত হিন্দু-মুছলমানৰ সম্প্ৰীতি কিমান নিকপকপীয়া আৰু ব্যাপক ; ঐকান্তিক ঈশ্বৰৰ অস্তিত্ব উপলব্ধিত দুয়োটা ধাৰাৰ সাহিত্যই কিদৰে মহৎ কাৰ্য সম্পাদন কৰিছে। দুয়োগৰাকী মহান সাধকৰ ভক্তিগীতসমূহৰ তুলনামূলক আলোচনাই আমাক ইতিহাসৰ কিছুমান বিশেষ তাৎপৰ্য অৱস্থাত কীৰ্তি আৰু মাহাত্ম্য প্ৰকাশ উপলব্ধিত সহায় কৰিব।

জিকিৰ ৰচনাৰ ক্ষেত্ৰত আজান ফকীৰ চাহাবে ঘাইকৈ ধৰ্মীয় গ্ৰন্থ কোৰাণ আৰু হাদীছকে সমলৰূপে লৈছিল যদিও শঙ্কৰদেৱ-মাধৱদেৱ প্ৰমুখ্যে অন্যান্য বৈষ্ণৱ কবিসকলৰ দ্বাৰাও প্ৰভাৱান্বিত হৈছিল। সৰ্বোপৰি তেওঁ অসমৰ পৰম্পৰাগত ওজাপালি, লোকগীত, দেহবিচাৰৰ গীত আদিৰ ছন্দ, সুৰ, লয়ৰ দ্বাৰাও অনুপ্ৰাণিত হৈছিল। তেওঁ মহাপুৰুষ শঙ্কৰদেৱৰ বৰগীত, কীৰ্ত্তন-দশম আদি পুথি অধ্যয়ন কৰোতে ইয়াৰ সুললিত ধ্বনিৰ লগতে ইছলাম ধৰ্মৰ লগত মিল থকা ভালেমান কথাৰ প্ৰতি আকৰ্ষিত হৈছিল। সেয়ে আজান ফকীৰে মহাপুৰুষজনাৰ আৰ্হিতে ভালেমান গীত ৰচনা কৰে আৰু পৰৱৰ্তী কালত সেইবোৰ জিকিৰ নামেৰে পৰিচিত হ'ল। "আজান পীৰৰ স্মৃতিশক্তি আছিল প্ৰখৰ। সমস্ত কীৰ্ত্তন-ঘোষাৰ পদ আৰু কোৰাণৰ বাণীবিলাক কণ্ঠস্থ মাতিব পাৰিছিল।"[৬] তেওঁ কেৱল ধৰ্মগুৰুৱেই নাছিল, প্ৰকৃততে তেওঁ আছিল এজন মানৱ প্ৰেমিক, অতি অনুসন্ধিৎসু, হিন্দু-মুছলমানৰ সম্প্ৰীতি আৰু সমন্বয়ৰ

বাটকটীয়া।

জিকিৰবোৰক বিষয়বস্তু অনুসৰি প্ৰধানকৈ তিনিটা ভাগত ভগাব পাৰি, যেনে-- ধৰ্মীয় ৰীতি-নীতিৰ কথা সম্বলিত, চুফী সাধনাৰ বিষয়ে ৰচিত আৰু দেহ-বিচাৰৰ গীতৰ লেখিয়া গীতসমূহ। এই বিভাজনক শঙ্কৰদেৱৰ বৰগীতসমূহৰ লগতো ৰিজাব পাৰি। তাৰাৰ বৰগীতবোৰকো অনাখৰী লোকক বিষ্ণুত শৰণ লোৱাৰ উপদেশ, উচ্চ আধ্যাত্মিক ভাৱ-চিন্তা তথা মানৱ দেহৰ অনিত্যতা সম্পৰ্কে সোঁৱৰাই দিয়া-বিচাৰৰ গীতৰ লেখিয়া গীত-এই তিনিটা ধাৰাত ভগাব পাৰি। যিহেতু মহাপুৰুষীয়া ধৰ্ম বা নৱ-বৈষ্ণৱ ধৰ্মৰ দৰে ইছলাম ধৰ্মও একেশ্বৰবাদী, সেয়ে নিৰাকাৰ প্ৰভু বা খোদাৰ ঐশ্বৰিক শক্তি উপলব্ধি কৰি ভগৱানৰ নাম স্মৰণ কৰিবলৈ দুয়োজনা মহাপুৰুষে উপদেশ দিছে। যিহেতু মহাপুৰুষীয়া ধৰ্ম বা নৱ-বৈষ্ণৱ ধৰ্মৰ দৰে ইছলাম ধৰ্মও একেশ্বৰবাদী, সেয়ে নিৰাকাৰ প্ৰভু বা খোদাৰ ঐশ্বৰিক শক্তি উপলব্ধি কৰি ভগৱানৰ নাম স্মৰণ কৰিবলৈ দুয়োজনা মহাপুৰুষে উপদেশ দিছে। জিকিৰত পোৱা যায়--

নামক সেৱা কৰে নামেহে আল্লা
দেৱক সেৱা কৰে দেও।
ধৰম হেন বস্তু ফুৰে অনাই-বনাই
চিনোতা নহ'লে কেও।।

সংসাৰলৈ আহি জীৱই নিজৰ প্ৰথম কাম যে প্ৰভুৰ নাম স্মৰণ কৰা- সেই কথা পাহৰি যায়। সেয়ে আজান ফকীৰে সোঁৱৰাই দিছে এনেদৰে--

নামে পৰম ধন শুনা মোৰ ভাই
বিষয়তে ছয় মূল মাণিক বিকাই।

এইফাঁকি জিকিৰ শুনিলেই আমাৰ মনলৈ আহে মহাপুৰুষ শঙ্কৰদেৱৰ বৰগীতৰ এই শাৰী দুটি-

ৰাম পৰম ধন চিন্তহু মন ভাই।
বিষয় কাচক মূলে মাণিক বিকাই।।

বৰগীতৰ ধ্ৰুপদী গাম্ভীৰ্য আৰু ঘনত্ব জিকিৰসমূহত অনুমেয়।

জিকিৰবোৰ আল্লাহৰ গুণানুকীৰ্ত্তন আৰু উপাসনাধৰ্মী ভক্তিগীত, এইবোৰ লৌকিক পৰম্পৰাৰ লগত সম্পৃক্ত। তথাপিও ধ্ৰুপদী গাম্ভীৰ্যৰে সিক্ত বৰগীতৰ ভাৱ আৰু প্ৰকাশ ৰীতিৰ ওচৰচপা। খোদাৰ অনুগামী মুছলমান আৰু বিষ্ণুৰ অনুগামী নৱ-বৈষ্ণৱসকল বাহ্যিক দৃষ্টিত দুটা সুকীয়া ধৰ্মীয় বৃত্তৰ আৱৰ্তত অৱস্থান কৰিলেও আধ্যাত্মিক তথা মানসিকভাৱে দুয়োটা ধৰ্মৰ অনুগামীসকল যে তেনেই নিকটৱৰ্তী, তাক বুজিব পাৰি এইবোৰ গীতৰ জৰিয়তে। শঙ্কৰদেৱে বৰগীত বা অন্যান্য ভক্তিমূলক ৰচনাত ব্যৱহাৰ কৰা নাম, দেউ, গুৰু, ব্ৰহ্মাণ্ড, ভৱনদী, মুকুতি আদিবোৰ শব্দ আজান ফকীৰেও উদাৰভাৱে জিকিৰসমূহত ব্যৱহাৰ কৰিছে। দুয়ো প্ৰকাৰৰ গীততে সংসাৰক অৰণ্যৰ লগত ৰিজনি দিয়া, ইহ সংসাৰত বজাৰ-হাট প্ৰতিষ্ঠা কৰা, ভগৱান বিমুখী লোকক যমদূতে প্ৰদান কৰা অমানুষিক অত্যাচাৰৰ কথা সুন্দৰকৈ বৰ্ণোৱা হৈছে। দুয়ো প্ৰকাৰৰ গীততে গুৰুৰ প্ৰাধান্য দেখা যায় যদিও জিকিৰবোৰত গুৰুৰ গুৰুত্ব বেছি। এই মানৱ জীৱন যে ক্ষণস্থায়ী সেই কথা বৰগীতত উল্লেখ হৈছে এনেদৰে--

অথিৰ ধন-জন জীৱন-যৌৱন
অথিৰ এহু সংসাৰ।
পুত্ৰ পৰিবাৰ সৱহি অসাৰ
কৰবোঁ কাহেৰি সাৰ।।

এই কথাই প্ৰতিধ্বনিত হৈছে আজান ফকীৰৰ জিকিৰত এনে ধৰণে--

দুনীয়া এদিনৰ দুনীয়া দুদিনৰ
দুনীয়া ফুলনি বাৰী
কতক চলেবলে কৰ তই দুনীয়া
ধৰিব খেৰালি মাৰি।

যি গৰাকী ব্যক্তিয়ে অজ্ঞান এন্ধাৰ ভেদি পোহৰৰ পথ, জ্ঞানৰ পথৰ সন্ধান দিব পাৰে তেঁৱেই গুৰু। সদ্‌গুৰু মনুষ্য জীৱনৰ আধ্যাত্মিক উৎকৰ্ষ সাধনত অতীব প্ৰয়োজন। গুৰুৰ উপদেশ জ্ঞান সাৰোগত কৰি শ্ৰদ্ধা-ভক্তিৰে সদ্‌গুৰুৰ পাৱত ভজনা কৰিলে ভক্তই প্ৰকৃত পথৰ সন্ধান পাব। মহাপুৰুষ শঙ্কৰদেৱৰ একান্ত ভক্ত মাধৱদেৱৰ এষাৰি কথা এই ক্ষেত্ৰত উল্লেখযোগ্য--

বিনে গুৰু চৰণ ভকতি ৰকতি
মুকুতি কবহো নহই।। (গুৰু ভটিমা)

সদ্‌গুৰুৰ অবিহনে যে জীৱৰ মুক্তিৰ অন্যপথ নাই, সেয়া আজান ফকীৰেও গভীৰভাৱে উপলব্ধি কৰিছিল। সেয়ে তেওঁৰ জিকিৰত পোৱা যায়--

সদ্‌গুৰুক ভেটিবা, আতমাক চিনিবা
সিজিব দিনৰে কাম।

মানৱ দেহ অনিত্য, ক্ষণভংগুৰ। জীৱই বহু সাধনাৰ বলতহে মানৱী জীৱন লাভ কৰে। সেয়ে এই ক্ষন্তেকীয়া জীৱন সাফল্যমণ্ডিত কৰিবলৈ মানুহে আমোদ-প্ৰমোদত জীৱন উটুৱাই নিদি প্ৰভুৰ সেৱাত কটাই দিব লাগে। বৰগীতত কোৱা হৈছে--

কৃষ্ণ কিংকৰ কহ ক্ষণিক দেহ ৰহ
নৰতনু পুনুহু নাপাই।
কৰম গৰব সৱ দূৰ কৰি হৰি
চৰণ চিন্তি চিত্ত লাই।।

একে ভাৱৰ প্ৰতিধ্বনি ঘটিছে আজান ফকীৰৰ জিকিৰতো-

এইটো জীৱনে বেহাই ল মুকুতা
আল্লাৰ্লৈ নকৰ কাণ,
আৰুতো নাপাৱ মানৱী জনমে
পাবগৈ অমিয়া থান।

মানুহে ঈশ্বৰক পাব বিচাৰিলেও মায়াই আগভেটা দি ঈশ্বৰৰ সান্নিধ্য লাভৰ পৰা দূৰত ৰাখিব বিচাৰে। মায়াই মানুহক কেতিয়াবা ভুল বাটেৰে পৰিচালিত কৰি মুক্তিৰ পথ ৰুদ্ধ কৰি দিয়ে। এই মায়াৰ কথা শঙ্কৰদেৱৰ বৰগীতত উল্লেখিত হৈছে এনেদৰে--

অথিৰ জীৱন ধন যৌৱন জায়া।
ভকতি বিৰোধী বিষয় সৱ মায়া।।

তদ্ৰূপ আজান ফকীৰৰ জিকিৰতো মায়াৰ স্বৰূপ বৰ্ণনা কৰা হৈছে একে ধৰণেই--

মক্কাৰ দুৱাৰত চাহেব তিৰবেণীৰ ঘাট
বেহাব নোৱাৰে তাত মায়াই ভেঁটে বাট।

আজান ফকীৰ চাহাবে যে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ, মাধৱদেৱ আৰু অন্যান্য বৈষ্ণৱ কবিসকলৰ কাব্যৰ দ্বাৰা প্ৰভাৱিত হৈছিল, এই কথা তেওঁ নিজেই এটা জিকিৰত উল্লেখ কৰিছে--

শঙ্কৰদেউৰ জীয়ৰী মাধৱদেউৰ বোৱাৰী
ৰহেপুৰ নগৰত ঘৰ।
ৰহেপুৰ নগৰৰ ৰসক নমাই আনি
দিলে সকলোকে বাটি।।

এনেদৰে ভালেমান মিল দেখা গ'লেও বৰগীতবোৰৰ লগত জিকিৰৰ অনেক পাৰ্থক্যও পৰিলক্ষিত হয়। এই দিশত পোনতে উনুকিয়াব পাৰি গায়ন-শৈলীলৈ। বৰগীতবোৰ এজন গায়কে গাব পৰা গীত; আনহাতে জিকিৰবোৰ একেলগে কেবাজনেও লগলাগি পৰিবেশন কৰা গীত। এজন ওজাই জিকিৰ লগাই দিয়ে ২০/৩০ জন লোকে তেওঁৰ চৌপাশে ঘূৰি ঘূৰি নাচি নাচি আৰু হাত চাপৰি মাৰি জিকিৰ গায়। অৱশ্যে জিকিৰতো বৰগীতৰ দৰে ঘোষা আছে যদিও ৰাগ, তালৰ উল্লেখ নাই। দুয়োবিধ গীততে প্ৰকাশৰ সংযম লক্ষ্যণীয় বৈশিষ্ট্য।

বৰগীত আৰু জিকিৰৰ মাজত লক্ষ্য কৰা আন এবিধ পাৰ্থক্য হ'ল ৰহস্যবাদৰ চিত্ৰায়ণত। কেবাটাও বৰগীতত ৰহস্যবাদ ভক্তিৰ উপস্থিতি ধৰা পৰে। আনহাতে, জিকিৰৰ নেপেথ্যতো চুফীবাদী ভাৱৰ প্ৰকাশ দেখা যায়। অৱশ্যে চুফীবাদৰ দৰে মধুৰ প্ৰেমৰ জৰিয়তে পৰমেশ্বৰক বিচৰা পদ্ধতি জিকিৰত অনুপস্থিত। জিকিৰৰ সুৰত অসমৰ ওজাপালি, দেহবিচাৰৰ গীত তথা বৰগীতৰ প্ৰভাৱ অনুমেয়। অইন এটি গুৰুতৰ পাৰ্থক্য দেখা যায় ভাষাৰ ক্ষেত্ৰত। মহাপুৰুষ শঙ্কৰদেৱে বৰগীতত ব্ৰজাৱলী ভাষাৰ প্ৰয়োগ কৰিছে। কিন্তু আজান ফকীৰে এই ভাষাৰ পৰিৱৰ্তে সৰ্বসাধাৰণৰ কথিত ভাষাকেই জিকিৰত ব্যৱহাৰ কৰিছে। অৱশ্যে শব্দ চয়নৰ ক্ষেত্ৰত তেওঁ যথেষ্ট আৰবী-ফাৰ্চী শব্দৰ সমাবেশ ঘটাইছে। কিন্তু ইয়াৰ ফলত আজান চাহাবৰ জিকিৰবোৰে আপোন মাটিৰ সুৰভি হেৰুৱাই অচিনাকী হৈ পৰা নাই; বৰং অসমীয়া ভাষাৰ শব্দমালাক সমৃদ্ধহে কৰিছে।

বৰগীত আৰু জিকিৰ-দুয়োবিধ গীতেই উদ্দেশ্যধৰ্মী। বৰগীতবোৰে যেনেকৈ নৱ-বৈষ্ণৱ আদৰ্শৰ বাহক হৈ সৰ্বসাধাৰণ লোকৰ প্ৰাণ স্পৰ্শ কৰি ভগৱানৰ নিকটলৈ টানিছে, তেনেদৰে জিকিৰসমূহেও পাৰ্থিৱ মায়া-মোহৰ পৰা নিলগাই সাধাৰণ লোকক আল্লা-ৰচুলৰ কাষ চপাইছে। বৰগীতসমূহত বিভিন্ন ৰসৰ উদ্ৰেক ঘটিলেও প্ৰধানকৈ ভক্তি

ৰসেই প্ৰাধান্য পোৱাৰ দৰে জিকিৰগীতসমূহতো ভক্তিৰসেই মূল ৰস হিচাপে প্ৰকাশ লাভ কৰিছে। বৰগীতসমূহৰ ছন্দসজ্জা নিকপকপীয়া; প্ৰধানকৈ পয়াৰ, ত্ৰিপদী আদি ছন্দত ৰচিত। আনহাতে জিকিৰসমূহৰ ছন্দসজ্জা ইমান দৃঢ় নহয় যদিও অধিকাংশ জিকিৰেই দুলড়ি, লেচাৰি আৰু ছবি ছন্দত গ্ৰথিত। চুফীবাদ আৰু বৈষ্ণৱবাদৰ মাজত ভালেমান মিল থকা বাবেই অসমীয়া সাহিত্যত এই দুবিধ গীতৰ মাজত অনেক মিল পৰিলক্ষিত হয়। বৰগীতবোৰ কাব্যিক সৌন্দৰ্যত অত্যন্ত চহকী। উপমা-আদি অলংকাৰৰ নিপুণ প্ৰয়োগে প্ৰতিটো গীতকেই মনোৰম কৰি তুলিছে। আনহাতে, আজান ফকীৰৰ জিকিৰবোৰো কাব্যিক সৌন্দৰ্যত চহকী যদিও শঙ্কৰদেৱৰ নিচিনা পাগত-উঠা নহয়।

বৰগীতৰ পুথিত গীতবোৰৰ কোনো তাল উল্লেখ কৰা নাথাকে। সাধাৰণতে কেৱল খোল, তাল আৰু কোনো কোনো সত্ৰত মৃদংগৰ সৈতে বৰগীত পৰিবেশন কৰে। কালি আৰু নাগাৰৰ ব্যৱহাৰো কদাচিৎ দেখা যায়। আনহাতে জিকিৰবোৰ হাত চাপৰিসহ বীণ বজাই গোৱা হয়। আজিকালি টোকাৰী বা দোতাৰাৰ ব্যৱহাৰো দেখা যায়। একতাৰা বা গোপী যন্ত্ৰও কেতিয়াবা ব্যৱহাৰ হোৱা দেখা যায়। জিকিৰৰ সুৰত অসমীয়া ওজাপালি, দেহবিচাৰৰ গীত আৰু বৰগীতৰ প্ৰভাৱ অনুমেয়। জিকিৰবোৰ বৰগীতবোৰতকৈ পিছৰ সময়ত ৰচিত বাবেই জিকিৰসমূহত বৰগীতৰ প্ৰভাৱ অনস্বীকাৰ্য। সুৰ-তাল চাপৰিৰে জিকিৰ গোৱা কাৰ্য ধৰ্মীয় আওতাৰ বাহিৰত পৰিলেও ইয়াৰ জৰিয়তেই আজান ফকীৰ চাহাবে পথভ্ৰষ্টলোকসকলক ইছলামৰ ছত্ৰছায়ালৈ টানিবলৈ সক্ষম হৈছিল। বৈষ্ণৱ ধৰ্মৰ নাম প্ৰসংগৰ শেষত মাহ-প্ৰসাদ বিলোৱাৰ দৰে আজান ফকীৰেও জিকিৰ পৰিবেশনৰ অন্তত চিন্নি বা শীৰিনী দিয়া প্ৰথাৰ প্ৰৱৰ্ত্তন কৰিছিল বুলি জনা যায়। গভীৰভাৱে অধ্যয়ন কৰিলে মহাপুৰুষ শঙ্কৰদেৱৰ বৰগীত আৰু আজান ফকীৰ চাহাবৰ জিকিৰৰ মাজত অনেক মিল- অমিল দেখা যাব। আমাৰ সীমিত অধ্যয়ন জৰিয়তে মাথোন কেইটিমান দিশহে আঙুলিয়াই দিবলৈ যত্ন কৰা হ'ল।

সামৰণিত ক'ব পাৰি, মহাপুৰুষ শঙ্কৰদেৱে সনাতন হিন্দুধৰ্মৰ বিভিন্ন পন্থাৰ মাজত একত্ব সাধন কৰাৰ্থে যি নৱ-বৈষ্ণৱ ধৰ্মৰ সূঁতিটোলৈ বৰগীতৰ সহায়ত জনসাধাৰণক অকৰ্ষিত কৰিবলৈ সক্ষম হৈছিল; তেনেদৰে সুদূৰ বাগদাদৰ পৰা অহা অসমৰ আজান ফকীৰেও অসমীয়া ঐতিহ্যৰে সম্পৃক্ত জিকিৰবোৰৰ সহায়ত অসমীয়া সমাজখনত সাম্প্ৰদায়িক একতা আৰু সংহতিৰ সোপান ৰচিছিল। উদাৰতা আৰু ধৰ্মনিৰপেক্ষতাৰ ঘোষিত আজান ফকীৰৰ বাণী সেয়ে আমাৰ কাণত প্ৰতিধ্বনিত হয়--

হিন্দু কি মুছলমান   একেই আল্লাৰ ফৰমান
মোৰ মনত একেটি ভাৱ।●●

**পাদটীকাঃ**

| | | |
|---|---|---|
| ১) সত্যেন্দ্ৰ নাথ শৰ্মা | ঃ | অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, ২০০৪, পৃ. ৭৪ |
| ২) আব্দুছ ছাত্তাৰ | ঃ | দৃষ্টি আৰু সৃষ্টি, ১৯৮৭ পৃ. ২৫ |
| ৩) চৈয়দ আব্দুল মালিক | ঃ | আজান ফকীৰ আৰু সুৰীয়া জিকিৰ, পৃ. ৪ |
| ৪) মহেশ্বৰ নেওগ | ঃ | অসমীয়া গীতি-সাহিত্য, ১৯৮৭,পৃ.৩২ |
| ৫) ডম্বৰু কাকতি | ঃ | শঙ্কৰদেৱ আৰু আজান পীৰ চাহেবৰ অৱদান ঃ এটি তুলনামূলক বিচাৰ, শ'ৰাগুৰিৰ আজান, ১৯৯৮ সম্পা. চফিকুৰ ৰহমান। |
| ৬) নীল গোহাঞি | ঃ | ইতিহাস আৰু কিম্বদন্তিৰ পটভূমিত আজান পীৰৰ কাহিনী, পূৰ্বোক্ত গ্ৰন্থ। |

**লেখক পৰিচয় - আব্দুল মালিক**
**অধ্যাপক, অসমীয়া বিভাগ**
**হাজী আনফৰ আলী কলেজ, ডবকা ঃ নগাঁও**

# জাতীয় সংহতিৰ পটভূমিত শ্ৰীমন্ত শঙ্কৰদেৱৰ সংস্কৃতি-ভাৱনা

নমিতা শইকীয়া

**প্ৰস্তাৱনা ঃ** অষ্টম শতিকাৰ পৰা ত্ৰয়োদশ শতিকাৰ ভিতৰত ভাৰতবৰ্ষৰ আধ্যাত্মিক চিন্তাৰ জগতখনত এক বৈপ্লৱিক পৰিৱৰ্তনৰ সূচনা হৈছিল। অদ্বৈতবাদী শঙ্কৰাচাৰ্য, বিশিষ্টাদ্বৈতবাদী ৰামানুজ, দ্বৈতাদ্বৈতবাদী নিম্বাৰ্ক, দ্বৈতবাদী মধ্ব (আনন্দতীৰ্থ)ৰ দাৰ্শনিক দৃষ্টিভংগীৰে প্ৰভাৱিত হৈ মানুহে মায়া বুলি ভবা জগতখনক ত্ৰয়োদশ শতিকাৰ শেহৰ ফালে বাস্তৱ বুলি  ভাৱিবলৈ আৰম্ভ কৰিছিল। পৰমাত্মাৰ লগতে জীৱাত্মাকো স্বকীয় তাৎপৰ্য দান কৰা হৈছিল। সাধাৰণভাৱে ক'বলৈ গ'লে খ্ৰীষ্টীয় চতুৰ্দশ শতিকাৰ পৰা সপ্তদশ শতিকাৰ ভাৰতবৰ্ষৰ ধৰ্মীয় জগতখনত হোৱা পৰিৱৰ্তনসমূহক ভিত্তি কৰিয়েই ভক্তি আন্দোলনৰ সূচনা হৈছিল।১৩৯৯ খ্ৰীষ্টাব্দত ৰামানন্দৰ আবিৰ্ভাৱত বৈষ্ণৱ ধৰ্মৰ আধাৰত ভক্তি আন্দোলনে এটা পূৰ্ণ পৰ্যায়ৰ সামাজিক বিপ্লৱৰ পৰিণতি লাভ কৰিছিল। ভক্তি আন্দোলনৰ এনে পৰিণতিক দৃঢ়, জনমুখী, প্ৰসাৰিত আৰু স্থায়ী কৰাৰ ক্ষেত্ৰত পোন্ধৰ শতিকাত উত্তৰ আৰু উত্তৰ-পূৰ ভাৰতত জন্ম লাভ কৰা চাৰিগৰাকী মহাপুৰুষৰ নাম উল্লেখযোগ্য। উত্তৰ ভাৰতৰ কবীৰ, উত্তৰ-পূৰ ভাৰত তথা সম-কামৰূপত শঙ্কৰদেৱ, পঞ্জাৱত নানক আৰু বংগদেশত চৈতন্যদেৱে এই ভক্তি আন্দোলনৰ গুৰি ধৰিছিল।

শঙ্কৰদেৱৰ ভক্তি আন্দোলনৰ ক্ষেত্ৰ আছিল বিচিত্ৰ গোষ্ঠীসমাজ। সেইবাবে তেওঁ এনে এক ধৰ্মমত উদ্ভাৱনত চিন্তা কৰিছিল, যিটোৱে বিচিত্ৰ সাংস্কৃতিক আচৰণ, ভিন ভিন ধৰ্ম বিশ্বাসৰ গোষ্ঠীয় সমাজবোৰক আকৰ্ষণ কৰিব পাৰে। আনহাতে, তাকে কৰিবলৈ যাওঁতে ভাৰতীয় সনাতন পৰম্পৰাৰ পৰা গোষ্ঠী সমাজবোৰৰ আধ্যাত্মিক ধাৰাণাও যাতে বিচ্ছিন্ন হৈ নাযায় তাৰ প্ৰতিও শঙ্কৰদেৱ সজাগ আছিল।

ভক্তি আন্দোলনৰ উপাস্য দেৱতা ভাগৱত পুৰাণৰ কৃষ্ণ উপনিষদৰ নিৰ্গুণ আৰু নিৰাকাৰ ব্ৰহ্মৰ সগুণ আৰু সাকাৰ প্ৰতিভূ। শঙ্কৰদেৱৰ সমগ্ৰ চিন্তাশৈলী বা সংস্কৃতি-ভাৱনাৰ ঘাই উৎস আৰু আধাৰ হ'ল বেদান্তৰ এই ব্ৰহ্মতত্ত্ব, যি ভাগৱতত কৃষ্ণৰ মাজেদি ৰসলৈ ৰূপান্তৰিত হৈছে।

এইখিনিতে উল্লেখযোগ্য যে, শঙ্কৰদেৱে ভাগৱতৰ আদৰ্শক তেওঁৰ ভক্তিধৰ্ম প্ৰচাৰৰ মূল আধাৰ কৰি লোৱাৰ মূলতে হ'ল সেই সময়ৰ চাৰিওপিনৰ সমাজখনৰ পৰিস্থিতি। গতিকে এনে এক ছিন্ন-ভিন্ন পৰিৱেশত এনে এক ধৰ্মমতৰহে প্ৰয়োজন য'ত মানুহে সামাজিক, সাংস্কৃতিক, বৃত্তিগত আদি বন্ধনৰ মাজতো শান্তিময়ভাৱে জীৱন-যাপন কৰিব পাৰে। শঙ্কৰদেৱৰ বৈশিষ্ট্য বা মাহাত্ম্য এইখিনিতে যে, মানুহৰ মনত এক অলীক শান্তিৰ পৰিৱেশ সৃষ্টি কৰিয়েই তেওঁ কৰ্তব্যৰ ওৰ পেলোৱা নাছিল। বৰঞ্চ বাস্তৱ শান্তিৰ বাবে বাস্তৱ পৰিৱেশ ৰচনাৰ বাবেও যত্ন কৰিছিল।

**বিষয়বস্তু আলোচনাৰ প্ৰয়োজনীয়তা ঃ** মানৱতাৰ বধ্যভূমিস্বৰূপ প্ৰাচীন ভাৰতীয় ধৰ্মীয় ব্যৱস্থাৰ তুলনাত মধ্যযুগৰ ভক্তি আন্দোলনে এক নতুন দিগন্তৰ দুৱাৰ মুকলি কৰিছিল। একশৰণৰ লগতে আন্তৰিক ভক্তিৰ ওপৰত গুৰুত্ব, আচাৰ বিধিৰ সৰলতা, মানৱীয় প্ৰমূল্যৰ ওপৰত গুৰুত্ব তথা জাতিপ্ৰথাৰ প্ৰতি উদাসীনতা আদি বৈশিষ্ট্যসমূহে ভাৰতীয় সমাজ জীৱনত আলোড়নৰ সৃষ্টি কৰিছিল। এনে

বৈশিষ্ট্যসমূহ সামৰিয়েই শ্ৰীমন্ত শঙ্কৰদেৱৰ নেতৃত্বত উত্তৰ-পূৱ ভাৰতত ভক্তি আন্দোলনে এক নতুন মাত্ৰা লাভ কৰি উদ্ভাসিত হৈ উঠিছিল। কিন্তু বহু সময়ত দেখা যায় ভক্তি আন্দোলনৰ নেতাসকলে পুৰাতন ভাৰতীয় জাতি-বৰ্ণ ব্যৱস্থা সম্পূৰ্ণৰূপে উচ্ছেদ কৰি এক নতুন সমাজ ব্যৱস্থাৰ পোষকতা কৰা নাছিল। সামাজিক আৰু ধৰ্মীয় এই দুই পৃথক ক্ষেত্ৰত পৃথক মনোভাৱহে পোষণ কৰিছিল। ৰামানুজে নিজে জাতিভেদ প্ৰথা কঠোৰ ভাৱে মানি চলিলেও অন্ত্য জাতিৰ মানুহকো বিষ্ণু ভক্তিৰ সুৰভি বিলোৱাত উৎসাহী আছিল। 'ব্ৰাহ্মণৰ চাণ্ডালৰ নিবিচাৰি কুল' বুলি পদ ৰচনা কৰা শ্ৰীমন্ত শঙ্কৰদেৱৰ দ্বাৰা অনুমোদিত দশম স্কন্ধ ভাগৱতৰ অনন্ত কন্দলিয়ে কৰা অনুবাদত ব্ৰাহ্মণ প্ৰশস্তি মন কৰিবলগীয়া। তথাপি ক'বই লাগিব জাতি প্ৰথাৰ প্ৰতি তেওঁলোকে ধৰ্মীয় ক্ষেত্ৰত সীমাৰেখাৰ ভিতৰত উদাসীন মনোভাৱ প্ৰদৰ্শন কৰিছিল।

অসমৰ জাতীয় জীৱন, সাংস্কৃতিক ইতিহাস, মানৱতাবাদী দৃষ্টিভঙ্গী প্ৰভৃতি শ্ৰীমন্ত শঙ্কৰদেৱৰ বহুধাবিস্তৃত অৱদান স্মৰণযোগ্য। প্ৰিয় শিষ্য মাধৱদেৱৰ 'যাকেৰি নাহিকে উপাম' আৰু 'গীত কবিত্ব গুণ শঙ্কৰদেৱৰ কীৰিতি গয়ো বহু দূৰ বুলি' কৰা গুৰুত্বপূৰ্ণ মন্তব্যকে ধৰি বেজবৰুৱাৰ 'জগতগুৰু, জ্যোতিপ্ৰসাদৰ 'সংস্কৃতিৰ গুৰু' বুলি কোৱাৰ পৰা আৰম্ভ কৰি বৰ্তমান পৰ্যন্ত নানাজন গুণী-জ্ঞানী ব্যক্তি, গৱেষক আলোচকে শঙ্কৰদেৱৰ বিষয়ে নিজা নিজা মত প্ৰকাশ কৰিছে। সেয়েহে ক'ব পাৰি অসমৰ জাতীয় চেতনা আৰু অনুভূতিৰ জগতত শ্ৰীমন্ত শঙ্কৰদেৱে এক বিশাল ক্ষেত্ৰ আৱৰি আছে। ধৰ্ম, সাহিত্য, সংস্কৃতি, মানৱীয় দৃষ্টিভঙ্গী সকলো দিশৰ পৰা শ্ৰীমন্ত শঙ্কৰৰ প্ৰতিভাই বৰ্তমানৰ জাতীয় চেতনাক কেনেদৰে প্ৰভাৱিত কৰিছে তাৰ অধ্যয়নে আমাক অনাগত দিনৰ বাবেও পথ নিৰ্দেশনা দান কৰিব পাৰে।

**অসমৰ ভক্তি আন্দোলনত সংস্কৃতি ভাৱনাৰ তাৎপৰ্যঃ**

খ্ৰীষ্টীয় চতুৰ্দ্দশ সপ্তদশ শতিকাত সমগ্ৰ ভাৰতবৰ্ষত যি বিশাল ভক্তি আন্দোলনৰ সূচনা হৈছিল অসমৰ বৈষ্ণৱ আন্দোলন সেই জাগৰণৰেই অধিক পল্লৱিত আৰু প্ৰসাৰিত আঞ্চলিক ৰূপ। বেজবৰুৱাই ক'বৰ দৰে 'অসমীয়াক ধৰ্ম, ভাষা, সাহিত্য, সমাজ, নীতি, সদাচাৰ, মনুষ্যত্ব, সত্যনিষ্ঠা আদিৰ পৰা সংগীত বিদ্যা, চিত্ৰকলাৰ আমোদ আনন্দলৈকে সকলোবোৰ, মুঠতে জাতীয়তা গঠন কৰিবৰ নিমিত্তে যি যি আৱশ্যক সকলো শঙ্কৰদেৱে দান কৰি গৈছে।'[১] সু-নিৰ্দ্দিষ্ট প্ৰণালী আৰু সাংগঠনিক প্ৰচেষ্টাৰ মাজেদি সংস্কৃতিৰ উপাদাসমূহ সাহিত্য, গীত, নৃত্য, বাদ্য, চাৰুকলা আদিক কিদৰে ভাৱাদৰ্শ বিস্তাৰৰ কামত ব্যৱহাৰ কৰিব পাৰি, ভাৰতীয় সংস্কৃতিৰ সমন্বয়ত কিদৰে গণ সংস্কৃতিলৈ ৰূপান্তৰিত কৰিব পাৰি তাৰ সাৰ্থক দৃষ্টান্ত ভাৰতৰ ভক্তি আন্দোলন তথা অসম-কামৰূপৰ ভক্তি আন্দোলনৰ মাজত দেখা যায়।

মহাপুৰুষ শঙ্কৰদেৱ-মাধৱদেৱে পঞ্চদশ যোড়শ শতিকাত প্ৰৱৰ্তন কৰা নৱবৈষ্ণৱ আন্দোলনে সমগ্ৰ অসমত নৱ জাগৰণৰ সূচনা কৰি থৈ গ'ল। আজি পাঁচোটাকৈ শতাব্দীৰ পাছতো শঙ্কৰদেৱৰ প্ৰতিভা আৰু প্ৰভাৱেই অসমীয়া জাতি, জীৱন আৰু সংস্কৃতিৰ চৌপাশ আৱৰি আছে। অসমীয়া জাতীয় জীৱন, সামাজিক সাংস্কৃতিক জীৱনলৈ মহাজাগৰণৰ সোঁত বোৱাই অনা শঙ্কৰদেৱ প্ৰৱৰ্ত্তিত নৱবৈষ্ণৱ জাগৰণে অসমীয়া জাতীয় সত্তাৰ ক্ৰমবিকাশতো প্ৰভাৱ বিস্তাৰ কৰিছে।

জ্যোতিপ্ৰসাদে উল্লেখ কৰি গৈছে যে, অৱক্ষীয়মান আৰু স্ববিৰোধী ব্ৰাহ্মণ্য সমাজখনৰ সংস্কাৰ বিচাৰিয়েই শঙ্কৰদেৱে তেওঁৰ ভক্তি আন্দোলনৰ প্ৰৱৰ্তন কৰিছিল। সেই আন্দোলন আছিল জনতাৰ অংশগ্ৰহণেৰে উজ্জীৱিত। জ্যোতিপ্ৰসাদৰ চিন্তা চেতনাত পোহৰত শঙ্কৰদেৱে বৈপ্লৱিক দৃষ্টিৰ সংস্কৃতি-স্ৰষ্টা ৰূপে ধৰা দিলে। শঙ্কৰদেৱক মানুহৰ পূৰ্ণ সংস্কৃতিৰ প্ৰতীক হিচাপে প্ৰতিষ্ঠা কৰিব খোজা জ্যোতিপ্ৰসাদে কৈ গৈছে-'শ্ৰীমন্ত শঙ্কৰে দিয়া সংস্কৃতিৰ নাম হৈছে কৃষ্ণ। কৃষ্ণ শব্দৰ বৈয়াকৰণিক অৰ্থ হৈছে সংস্কৃতি। ভাৰতীয় মহান ঐতিহ্যকেই, সেই ঐতিহ্যৰ কৃষ্ণৰূপী সংস্কৃতিকেই শ্ৰীমন্ত শঙ্কৰে উপনিষদ ভাগৱতৰ পৰা উলিয়াই আনি অৰ্থাৎ ব্ৰাহ্মণ্য সংস্কৃতিকেই সেই যুগৰ উপযোগী ৰূপত আমাক দি থৈ গ'ল। আৰু তেওঁ নিজে নিজৰ জীৱনত সেই কৃষ্ণ আদৰ্শকে তেওঁৰ জীৱনৰ সকলো ক্ষেত্ৰতে প্ৰকাশ কৰি দি গ'ল।[২] এই 'কৃষ্ণ' সংস্কৃতিৰেই শঙ্কৰদেৱে সমকালীন সমাজখনক নতুন আৰু সংস্কৃত জীৱনৰ পথ দেখুৱাইছিল।

'ব্ৰাহ্মণৰ চণ্ডালৰ নিবিচাৰি কুল' বুলি পদ ৰচনা কৰা

শঙ্কৰদেৱে আজিৰ পাঁচশ বছৰৰ আগতেই অস্পৃশ্যতাৰ বিৰুদ্ধে বৈপ্লৱিক প্ৰচাৰ আৰম্ভ কৰে আৰু দুৰ্ভোগৰো সন্মুখীন হ'ব লগা হয়। সমসাময়িক ৰাজনৈতিক সংঘাতপূৰ্ণ অৱস্থা, সামাজিক আৰু ধৰ্মীয় জীৱনত প্ৰচলিত আচাৰ নীতিৰ বিসংগতি, কু-সংস্কাৰ, বৰ্ণাশ্ৰম সংস্কাৰৰ পৰা সৃষ্টি হোৱা বিভেদ-নীতি আৰু ব্যভিচাৰৰ প্ৰতিকূল হেঁচাৰ পৰা সাধাৰণ মানুহক উলিয়াই আনি সমতা আৰু মৰ্যাদাপূৰ্ণ জীৱন দান কৰিব খুজিছিল শঙ্কৰদেৱে। এইখিনিতে ড° হীৰেন গোঁহাইৰ এষাৰ কথা প্ৰণিধানযোগ্য-হিন্দু সামন্তবাদৰ প্ৰধান প্ৰকাশ জাতিভেদ ভক্তিবাদে একাষৰীয়া কৰি থৈছিল। দুঃস্থ, নিপীড়িত , অৱমমিত মানুহৰ বাবেও আচল সমাজত নহ'লেও ভক্তৰ সমাজত এখন আসন পাৰি থৈছিল। শঙ্কৰদেৱে ব্ৰাহ্মণ, শূদ্ৰ, জাতি-জনজাতি, স্পৃশ্য-অস্পৃশ্য সকলোকে একেলগ কৰি পৰম্পৰক আধ্যাত্মিক সাধনাত সহচৰ, সমদৰ্শীৰূপত নামঘৰত বহুৱাই 'ঈশস্বৰূপ হৰি সব ঘটে বৈঠহ'ৰ দৰে আদৰ্শৰ বাস্তৱ প্ৰয়োগেৰে এক নতুন মানৱীয় সংস্কৃতিৰ সোপান ৰচনা কৰিছিল।

সমাজৰ অন্ত্য জাতিসমূহে যুগ যুগ ধৰি অবৰ্ণনীয় দুখ ভোগ কৰিবলগা হোৱা জাতি প্ৰথাৰ প্ৰতি কেৱল উদাসীনতা প্ৰকাশ আৰু 'অৰ্ধ আকাশ' স্বৰূপ নাৰীসকলক যথাযথ গুৰুত্ব সহকাৰে নোলোৱাকৈয়ে অন্ততঃ ধৰ্মীয় ক্ষেত্ৰখনৰ সীমাৰেখাৰ ভিতৰত শঙ্কৰদেৱে মানৱতাবাদৰ পোষণ কৰিছিল। শঙ্কৰদেৱৰ দৃষ্টিত হয়তো অহৰহ উদ্ভাসিত হৈ আছিল তেওঁৰ চাৰিওফালৰ সমাজ, সেই সমাজৰ ভিন্নগোষ্ঠীয় মানুহৰ জীৱন, সংস্কাৰ, বৰ্ণাশ্ৰম ব্যৱস্থাত অৱহেলিত মানুহৰ জীৱনত এক নতুন অৰ্থ আৰু মৰ্যাদা দান কৰাৰ বাসনা। সমসাময়িক সমাজখনক সামগ্ৰিক ৰূপত কলা সংস্কৃতিৰ মাজেদি দৈনিন্দক জীৱনৰ লগতে আধ্যাত্মিক সাধনাৰ সৈতে সম্পৃক্ত কৰিবলৈ শঙ্কৰদেৱে ভক্তিৰ কেন্দ্ৰ হিচাপে 'নামঘৰ'ৰ উদ্ভাৱন কৰিছিল। যাৰ স্থাপত্যৰ সৰলতাত মুগ্ধ হৈ জ্যোতিপ্ৰসাদে লেখিছিল-'শ্ৰী শঙ্কৰদেৱৰ এই নামঘৰৰ সহজ-সৰলতাই আজি বিশ্ব স্থাপত্যৰ আধুনিক আৰু ভাৱিষ্যিতিক ৰূপৰো আদৰ্শ।'[৩] শঙ্কৰদেৱে নামঘৰক কেৱল ধৰ্মপীঠেই কৰি নাৰাখিলে, সকলো স্তৰৰ জনসাধাৰণে ভাগ ল'ব পৰাকৈ ভাৰতীয় নাট্য পৰম্পৰাৰ ভেটিত অংকীয়া নাট বা ভাওনাৰ নৱ আদৰ্শও ৰোপণ কৰিলে। শঙ্কৰদেৱৰ অনুপম সৃষ্টি ভাওনাই নামঘৰৰ যোগেদি অসমীয়া সমাজত নাট ৰচনাৰ পৰা অভিনয়, সংগীত, নৃত্যৰ পৰা বাদ্য-যন্ত্ৰ নিমাৰ্ণলৈকে, মনোৰঞ্জনৰ পৰা ভক্তি সঞ্চাৰী স্বৰ্গীয় আনন্দ সৃষ্টিলৈকে এক নতুন সাংস্কৃতিক কৰ্মযজ্ঞৰ গুৰি ধৰিলে। খোল-তাল, বাঁহ-বেত, হেঙুল-হাইতালৰ কৰ্মখচিত মুখা, ছোঁ বৈষ্ণৱ সমাজৰ ভগৱৎ সাধনাৰ মাধ্যম, তেনেকৈ ই অসমৰ উচ্চাংগ সংগীতৰো পৰম্পৰা। নামঘৰৰ সিংহাসন প্ৰমুখ্যে বিভিন্ন হস্তনিৰ্মিত সামগ্ৰীসমূহে ভক্তিৰ অনুসংগ হৈও অসমৰ লোককলাৰ মনোময় পৰম্পৰাৰ প্ৰতীক।

গীত, নাট, ভাওনা আদি সুকুমাৰ কলাৰ উপৰি সমাজ সংগঠন আৰু সমাজ সংস্কাৰৰ প্ৰতি শঙ্কৰদেৱৰ যি সাংস্কৃতিক দৃষ্টিভংগী সি মন কৰিবলগীয়া। সেই সময়তে বহুধা বিভক্ত হৈ থকা ভিন ভিন জনসমষ্টিৰ সমন্বয়ত এক জাতিসত্তাৰ ভিত্তি তৈয়াৰ হোৱাটো লক্ষণীয়। কাৰণ অৰ্থনৈতিক আৰু সামাজিকভাৱে পিষ্ট ক্লিষ্ট জনসাধাৰণে হৰিনাম কীৰ্ত্তনৰ যোগেদিয়েই এক কাল্পনিক সাম্যবাদী সমাজৰ সন্ধান লাভ কৰিছিল। অৱশ্যে জনসাধাৰণে হৰিনাম কীৰ্ত্তনৰ যোগেদিয়েই এক কাল্পনিক সাম্যবাদী সমাজৰ সন্ধান লাভ কৰিছিল। অৱশ্যে ইয়াৰ সমান্তৰালভাৱে আহোম ৰাজতন্ত্ৰইও ৰাজকীয় প্ৰয়োজনতে অঞ্চলটোৰ জনগাঁথনিত এক নতুন বিন্যাস আৰম্ভ কৰিছিল। বিশেষকৈ মোমাই তামুলী বৰবৰুৱাৰ গাঁও সংগঠনৰ কথা উল্লেখযোগ্য। তথাপি শ্ৰীমন্ত শঙ্কৰদেৱে 'কিৰাত কছাৰী/খাচী গাৰো মিৰি' (মিচিং) আদিকো আনসকল বৈষ্ণৱৰ সৈতে একেলগে হৰিনাম শ্ৰৱণ কীৰ্ত্তনৰ ব্যৱস্থা কৰি নগাৰ নৰোত্তম, গাৰোৰ গোবিন্দ, মুছলমানৰ চান্দসাই আদিক শৰণ-ভজন দি মানসিক ঐক্যৰ ডোলেৰে নবন্ধা হ'লে এক অসমীয়া জাতিৰ ভিত্তিমূল তৈয়াৰ হ'লহেঁতেন বুলি ভাৱিবলৈ টান। এখন সু-সংস্কাৰ সমাজৰ সকলো বীজ মহাপুৰুষ ভক্তি আন্দোলনৰ মূল আদৰ্শৰ মাজত নিহিত হৈ আছে।

**সামৰণি ঃ** শ্ৰীমন্ত শঙ্কৰদেৱে যুগৰ উপযোগীকৈ ধৰ্ম, কলা, সমাজ গঢ়াৰ দায়িত্বৰ উপৰি ত্যাগৰ মনোভাৱেৰে গাৰ্হস্থ্য ধৰ্ম পালনৰো পথ দেখুৱাইছিল। তথাপি নানানটা কাৰণত অসমৰ ভক্তি আন্দোলনৰ মাজত থকা মানৱতাবাদী আৰু গণতান্ত্ৰিক ভাৱধাৰা পাছলৈ সক্ৰিয় হৈ নাথাকিল।

মহাপুৰুষজনাৰ তিৰোভাৱৰ পাছতে সংহতি বিভাজনৰ নামত এই আন্দোলন চতুৰ্ধা বিভক্ত হৈ পৰিল। কৃত্ৰিম আৰু ভেদভাৱৰ পৰা উপজা এই সংঘাতৰ উপৰি ৰজাঘৰীয়া সা-সুবিধা পোৱা-নোপোৱা, বামুণীয়া-শুদিৰীয়া আদিক লৈও সত্ৰসমূহৰ মাজত অনৈক্যৰ সৃষ্টি হ'ল। কেৱল কাল সংহতিৰ সত্ৰসমূহে সমাজে হেয় জ্ঞান কৰা লোকসকলক শ্ৰীমন্ত শঙ্কৰদেৱৰ সাম্যভাৱৰ দৃষ্টিৰে আদৰি লৈ পৰ্বত ভৈয়াম সকলোতে এই ধৰ্মৰ উদাৰ বাণী প্ৰচাৰ কৰাত মনোনিৱেশ কৰিছিল।

মানৱ মঙ্গল ভাৱনাত উদ্বুদ্ধ হৈ এটা উৎসৰ্গিত জীৱন যাপন কৰিছিল বাবেই শ্ৰীমন্ত শঙ্কৰদেৱ এক বিৰাট কৰ্মযজ্ঞৰ হোতা হ'ব পাৰিছিল। শঙ্কৰদেৱৰ নেতৃত্ব আৰু দিগদৰ্শন নোহোৱা হ'লে অসমৰ ভক্তি আন্দোলনে এটা সামাজিক ব্যাপ্তি লাভ নকৰিলেহেঁতেন। কিন্তু শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰতিষ্ঠা কৰি থৈ যোৱা কল্যাণময় পৰিকল্পনা আজিৰখন অসমৰ জাতীয় সংহতিত কেনেদৰে তিষ্ঠি থাকিব এনেবোৰ বাস্তৱ উদাহৰণেই প্ৰমাণ কৰে।

মানৱিকতাদী দৃষ্টিভঙ্গী আৰু সাংস্কৃতিক প্ৰজ্ঞা সঞ্চাৰিত কৰি এক বৃহত্তৰ আৰু মহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত অতুলনীয় অৱদান আগবঢ়াওঁতা শ্ৰীমন্ত শঙ্কৰৰ চিন্তা আৰু কৰ্মই এই সকলোবোৰ সমস্যাৰ সমাধান ঘটোৱাত অৰিহণা আগবঢ়াব পাৰে। শঙ্কৰদেৱৰ সংস্কৃতি-বীক্ষা আৰু সংস্কৃতি-ভাৱনাৰ স্বৰ্ণময় ৰূপে এক সংহতিপূৰ্ণ অসমীয়া জাতিৰ বুনিয়াদ পুনৰ প্ৰতিষ্ঠাত নিশ্চয়কৈ অনুপ্ৰাণিত কৰিব পাৰে।●●

---

**প্ৰসঙ্গ টোকাঃ**

১। বেজবৰুৱাৰ গ্ৰন্থাৱলী ঃ গুৱাহাটী ১৯৬৯, পৃঃ ৪১৫

২। জ্যোতিপ্ৰসাদ ৰচনাৱলী ঃ দ্বিতীয় সংস্কৰণ,১৯৮৬ পৃঃ ৪২৩

৩। জ্যোতিপ্ৰসাদ ৰচনাৱলী ঃ দ্বিতীয় সংস্কৰণ,১৯৮৬ পৃঃ৪৮৫

---

**গ্ৰন্থপঞ্জী ঃ**

১) অতুল চন্দ্ৰ হাজৰিকা (সম্পাঃ) ঃ বেজবৰুৱা গ্ৰন্থাৱলী, দ্বিতীয় খণ্ড সাহিত্য প্ৰকাশ, গুৱাহাটী

২) প্ৰদীপ জ্যোতি মহন্ত ঃ শঙ্কৰদেৱৰ শিল্পলোক, পূৰ্বাঞ্চল প্ৰকাশ, গুৱাহাটী,২০০৭

৩) বসন্ত কুমাৰ গোস্বামী (সম্পা.) ঃ শঙ্কৰদেৱ সন্দৰ্শন, অসম সাহিত্য সভা যোৰহাট, ১৯৯৮

৪) মহেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা ঃ বাণী মন্দিৰ, গুৱাহাটী, ১৯৮৬

৫) মেদিনী চৌধুৰী ঃ সৰ্বভাৰতীয় ভক্তি আন্দোলন আৰু শঙ্কৰদেৱৰ মূল্যায়ন ঃ সুভদ্ৰা প্ৰকাশন, গুৱাহাটী ২০০৬

৬) যতীন্দ্ৰনাথ গোস্বামী (সম্পা.) ঃ বেজবৰুৱা গ্ৰন্থাৱলী, তৃতীয় খণ্ড, সাহিত্য প্ৰকাশ, গুৱাহাটী, ২০০৫

৭) ৰঞ্জিত কুমাৰ দেৱগোস্বামী (সম্পা) ঃ শঙ্কৰদেৱ চৰ্চ্চা১ কথা গুৱাহাটী, গুৱাহাটী, চেপ্তেম্বৰ, ২০০৫ শঙ্কৰদেৱ চৰ্চ্চা ২, কথা গুৱাহাটী, গুৱাহাটী, অক্টোবৰ, ২০০৫

৮) শিৱনাথ বৰ্মন ঃ শ্ৰীমন্ত শঙ্কৰদেৱ কৃতি আৰু কৃতিত্ব ঃ ত্ৰিমূৰ্তি প্ৰকাশ, গুৱাহাটী, ১৯৮৬।

৯) শিৱনাথ বৰ্মন (সম্পা). ঃ প্ৰসংগ শঙ্কৰদেৱ ঃ ষ্টুডেন্টচ ষ্ট'ৰচ ঃ গুৱাহাটী ১৯৯৭।

১০) সত্যেন্দ্ৰনাথ শৰ্মা (সম্পা)ঃ জ্যোতিপ্ৰসাদ ৰচনাৱলী ঃ অসম প্ৰকাশন পৰিষদ, গুৱাহাটী ১৯৮১।

---

**লেখক পৰিচয় ঃ নমিতা শইকীয়া**
**অধ্যাপিকা, অসমীয়া বিভাগ**
**বাহনা মহাবিদ্যালয়, যোৰহাট**

# ৰাষ্ট্ৰীয় সংহতি প্ৰতিষ্ঠাত শঙ্কৰদেৱ আৰু চৈতন্যদেৱৰ অৱদান

**শিখা ভূঞা**

**১.০ অৱতৰণিকা ঃ**

১.১ জাতীয় সংহতি এটা জাতিৰ, এখন ৰাষ্ট্ৰৰ প্ৰগতিৰ, সমৃদ্ধিৰ অখণ্ডতা ৰক্ষাৰ প্ৰথম সোপান। জাতীয় সংহতি ৰক্ষিত হলেহে দেশৰ নিৰাপত্তা সুৰক্ষিত হয় আৰু সমগ্ৰ দেশত শান্তি-সমৃদ্ধি প্ৰতিষ্ঠা হয়। সাম্প্ৰতিক সময়ত জাতীয় সংহতিৰ বিষয়টোৱে এক গুৰুত্বপূৰ্ণ স্থান লাভ কৰিছে। ভাৰতৰ পটভূমিত বিচাৰ কৰিলে দেখা যায় যে ভাৰত এখন নানা জাতি-জনগোষ্ঠী, নানা ভাষা-ভাষী আৰু নানা ধৰ্মাৱলম্বী লোকৰ বসতিৰে পৰিপূৰ্ণ গণতান্ত্ৰিক ৰাষ্ট্ৰ হোৱাৰ বাবে জাতীয় সংহতিৰ বিষয়টোৱে এক শক্তিশালী ভূমিকা গ্ৰহণ কৰি আছে। ভাৰতবৰ্ষ আকৃতিত বৃহৎ আৰু প্ৰকৃতিত প্ৰভেদপূৰ্ণ হোৱা স্বতেও অতি প্ৰাচীন কালৰ পৰাই ভাৰতবাসীয়ে সদায় ঐক্যৰ সন্ধান কৰি আহিছে। এই ঐক্যৰ সপোন বেদ-উপনিষদতে প্ৰথম অংকুৰিত হৈছিল। উপনিষদ প্ৰৱক্তা গুৰু-শিষ্যসকলে তেওঁলোকৰ গতি, উক্তি, শক্তিৰ ঐক্য কামনা কৰি প্ৰাৰ্থনা জনাইছিল এনেদৰে--

> সংগচ্ছধবম্ সংৱদধ্ৱম্ সংবো মনাংসি জানতাম্।
> সমানো মন্ত্ৰ সমিতি সমানি।
> সমা নং মনঃ সহ চিত্তমেষাম্।।

এনেদৰে দেখা যায় বৈদিক কালৰে পৰা মহাকাব্য, পুৰাণ, পালি প্ৰাকৃতকে সামৰি আধুনিক কালৰ ভাষাসমূহত ৰচিত বিশাল ভাৰতীয় সাহিত্যৰ মাজতো সামাজিক আৰু বৌদ্ধিক জীৱনৰ ঐক্য-সংহতি অটুট ৰাখিবৰ বাবে উদাত্ত আহ্বান লিপিবদ্ধ হৈ আছে। এই সাহিত্যসমূহৰ স্বৰূপ উৎদঘাটন কৰিব পাৰিলে ৰাষ্ট্ৰৰ পুননিমাৰ্ণৰ বাবে জাতি, ধৰ্ম, ভাষা নিৰ্বিশেষে সকলোকে ভাৰতীয় হিচাপে উদুদ্ধ কৰিবলৈ প্ৰেৰণা যোগাব পাৰে। এই ক্ষেত্ৰত আমি বহু দূৰলৈ নগৈ ওচৰ-চুবুৰীয়া প্ৰদেশ সমূহৰ জাতীয় সাহিত্যৰ অধ্যয়ন কৰিলেই অনেক সুফল লাভ কৰিব পাৰিম। কিয়নো ভাষা, সাহিত্য, সংস্কৃতি হল এটা জাতিৰ অন্তৰাত্মাৰ পৰিচায়ক। ইয়াৰ মাজেদি জাতিৰ মনস্তত্বৰ প্ৰতিফলন ঘটে। সেয়ে কোনো জাতিয়ে আন জাতিৰ ভাষা, সাহিত্য, সংস্কৃতিৰ মাজত নিজৰ মনৰ ভাৱ-অনুভূতিৰ মিল বিচাৰি পালে স্বাভাৱিকতে সেই জাতিটোৰ প্ৰতি সহমৰ্মিতা অনুভৱ কৰে আৰু একতাৰ ডোলেৰে বান্ধ খায়। এককথাত জাতীয় সাহিত্য, সংস্কৃতিৰ মাজেদি গঢ় লৈ উঠা ঐক্যকেন্দ্ৰিক চিন্তাৰ মূল সূত্ৰটোৱেই ৰাষ্ট্ৰীয় সংহতিৰ মূল সম্পদ। কিয়নো শক্তিশালী জাতীয় বুনিয়াদ নিৰ্মাণৰ মাজেদিহে শক্তিশালী ৰাষ্ট্ৰীয়তাৰ ধাৰণাটো গঢ়ি উঠিছে।

**১.২** সাহিত্যৰ লগতে বিশাল ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্ত কপাই তোলা একোটা সাংস্কৃতিক, ৰাজনৈতিক আন্দোলনেও ভাৰতীয়সকলক বাৰে বাৰে সংহতিৰ সূত্ৰেৰে বান্ধিপেলাবলৈ সক্ষম হৈছে। এইক্ষেত্ৰত সমগ্ৰ ভাৰতবৰ্ষক একে ভাৱধাৰাৰে আন্দোলিত কৰাৰ ক্ষেত্ৰত ভক্তি আন্দোলনৰ স্থান হল প্ৰথম; ভক্তি আন্দোলনকালিন মধ্যযুগীয়া ভাৰতীয় সমাজখন আছিল ধৰ্মীয়, ৰাজনৈতিক, সাংস্কৃতিক, অৰ্থনৈতিক, সামাজিকভাৱে অতিকৈ বিপৰ্যস্ত সমাজ। সেই সময়ত সৰ্বদিশতে জহি- খহি যাবলৈ ধৰা ভাৰতীয় সমাজখনক যুগ যুগ উচ্চ নৈতিক চেতনা জগাই ভাৰতীয় সংস্কৃতিৰ পুনৰোত্থান ঘটাবলৈ সক্ষম হয় এই মধ্যযুগৰ ভক্তি আন্দোলনে। ভক্তি আন্দোলনকালিন সমছোৱাত ভাৰতৰ বিভিন্ন প্ৰান্তত যিসকল সাধক ব্যক্তিৰ জন্ম হৈছিল তেওঁলোকৰ জীৱন-দৰ্শন, মহান কৰ্মৰাজি অধ্যয়ন কৰিলে দেখা পোৱা যায় যে, মহান ভাৰতীয় ঐক্য

প্ৰতিষ্ঠা কৰাত তেওঁলোকে সদায় অহোপুৰুষাৰ্থ কৰি আহিছিল। সেই মহাপুৰুষসকলে প্ৰচাৰ কৰা বাণী আছিল বিশ্বভ্ৰাতৃত্বৰ, বিশ্ব মানৱতাৰ আৰু আধ্যাত্মিক নিষ্ঠাৰ বাণী। আজি জাতীয় সংহতি ৰক্ষাৰ সংকটময় অৱস্থাত তেওঁলোকৰ আদৰ্শ অতিকে প্ৰাসংগিক।

**২.০ অধ্যয়নৰ আৱশ্যকতা আৰু গুৰুত্ব ঃ**

**২.১** ভাৰতীয় ভক্তি আন্দোলনৰ ইতিহাসত শঙ্কৰদেৱ আৰু চৈতন্যদেৱৰ ভক্তি আন্দোলনে এক গৌৰৱময় আসন অধিকাৰ কৰি আছে। এই মহাপুৰুষ দুজনাৰ নৱবৈষ্ণৱ আন্দোলনৰ ফলস্বৰূপে অসম আৰু বংগৰ সমাজজীৱন আৰু সাহিত্যই এক নতুন মাত্ৰা লাভ কৰে। ভক্তিৰ ক্ষেত্ৰত দুয়োজনা মহাপুৰুষে জাতি, ধৰ্ম, সম্প্ৰদায়, উচ্চ-নীচ আদি বিভেদ আঁতৰাই সকলোকে একতাৰ ডোলেৰে বান্ধি সমাজত যি সুস্থিৰ আদৰ্শ, পৰম্পৰা প্ৰতিষ্ঠা কৰি গ'ল সেই মহান আদৰ্শ পৰম্পৰা আজিৰ সমাজত অতিকৈ প্ৰাসংগিক।

**২.২** ভক্তি আন্দোলনৰ পশ্চাৎভূমিত অসম আৰু বংগদেশত যি এক বিশাল আৰু ঐতিহ্যময় বৈষ্ণৱ সাহিত্যৰ ভঁড়াল সৃষ্টি হ'ল সেইসমূহ ভাৰতীয় মূল সুঁতিৰ পৰা অবিচ্ছিন্ন নহয়। দুয়োখন প্ৰদেশৰ বৈষ্ণৱ সাহিত্যক আমি যদি তুলনামূলক পদ্ধতিৰে অধ্যয়ন কৰোঁ তেতিয়া হ'লে দুয়োটা অঞ্চলৰ নিজা আঞ্চলিক বৈশিষ্ট্যৰ লগতে সৰ্বভাৰতীয় চিন্তাৰ একময়তাকো নিৰ্ণয় কৰিব পৰা যাব। কিয়নো ভাৰতীয় সাহিত্যৰ মাজেৰে ভাৰতবৰ্ষৰ ঐতিহ্য পৰম্পৰা আৰু আধ্যাত্মিকতাৰ ঐক্য অন্তঃ সলিলা ফল্গুৰ দৰে প্ৰৱাহিত হৈ আছে, য'ৰ পৰা উৎঘাটিত হয় ভাৰতীয় মনৰ ঐক্য। বৈষ্ণৱ সাহিত্যৰ তুলনামূলক অধ্যয়নৰ জৰিয়তে প্ৰকৃত সাহিত্যতত্ত্বৰ উৎঘাটনৰ লগতে সমসাময়িক সময়খিনিত প্ৰদেশ দুখনৰ মাজৰ ঐতিহাসিক তথা সাংস্কৃতিক ঐক্যক উপলব্ধি কৰাটো সহায়ক হব আৰু লগে লগে বৈষ্ণৱ যুগৰ ভাৰতীয় মন আৰু সমাজৰ সমৰূপতা তথা একময়তাৰো প্ৰকাশ ঘটিব।

**৩.০ অধ্যয়নৰ পৰিসৰ আৰু পদ্ধতি ঃ** ভাৰতবৰ্ষৰ বৈষ্ণৱ আন্দোলন এটা চপাব নোৱাৰা বিষয়। এই আন্দোলনৰ সকলোবিলাক দিশ যিমানেই বিশাল আৰু বিস্তৃত সিমানেই গভীৰ আৰু বিচিত্ৰও। এই গুৰুত্বপূৰ্ণ সকলোবিলাক দিশৰ আলোচনা একেলগে কৰা অসম্ভৱ। অসম আৰু বংগদেশৰ বৈষ্ণৱ আন্দোলনৰো আকৌ নিজা নিজা বৃত্তত বিস্তৃত অধ্যয়নৰ স্থল আছে। আমাৰ এই অধ্যয়নত দুয়োখন প্ৰদেশৰ বৈষ্ণৱ আন্দোলনৰ শিৰোমণি দুগৰাকীৰ সৰ্ব ভাৰতীয় বৈষ্ণৱ আন্দোলনলৈ অৱদান বিষয়ত সাহিত্যৰ দৃষ্টিভংগীৰে চাবলৈ প্ৰয়াস কৰা হৈছে।

আমাৰ এই অধ্যয়নৰ বাবে পৰিচয়মূলক, বিশ্লেষণাত্মক আৰু মূলতঃ তুলনামূলক পদ্ধতিক আধাৰ হিচাপে গ্ৰহণ কৰা হ'ল।

**৪.০ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য ঃ** অধ্যয়নৰ সীমিত পৰিসৰত আমাৰ লক্ষ্য আৰু উদ্দেশ্য হ'ল--

(ক) সৰ্বভাৰতীয় ভক্তি আন্দোলনলৈ শঙ্কৰদেৱ আৰু চৈতন্যদেৱৰ অৱদান মূল্যায়ন কৰা।

(খ) বংগদেশ আৰু অসমৰ বৈষ্ণৱ আদৰ্শ আৰু দৰ্শনৰ নিজা চৰিত্ৰ উৎঘাটন কৰা।

(গ) দুয়োখন প্ৰদেশৰ বৈষ্ণৱ সাহিত্যৰ মাজত নিহিত থকা একতাময়তাক উৎঘাটন কৰি ভাৰতীয় সাহিত্যৰ ঐক্য নিৰ্দ্ধাৰণ কৰা।

(ঘ) উভয় সমাজৰ সামাজিক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, ধ্যান-ধাৰণা নিৰ্ণয় কৰি সমাজ জীৱনৰ আন্তঃসম্পৰ্ক ৰক্ষা কৰা।

(ঙ) সামাজিক আন্তঃসম্পৰ্কৰ জৰিয়তে সাম্প্ৰদায়িক সংহতিৰ পথ প্ৰশস্ত কৰা।

**৫.০ ভাৰতীয় ভক্তি আন্দোলনৰ উদ্ভৱ আৰু ক্ৰমবিকাশঃ**

**৫.১** ভাৰতীয় ভক্তি আন্দোলনৰ ইতিহাস অতি প্ৰাচীন। এই আন্দোলনৰ লগত সংপৃক্ত হৈ থকা বিষ্ণুৰ ইতিহাস বৈদিক সাহিত্যৰ মাজতেই সাঙোৰ খাই আছে। ঋক বেদত 'বিষ্ণু' আছিল আকাশমাৰ্গ আবৰি থকা আদিত্য দ্বাদশৰ অন্যতম ত্ৰিবিক্ৰমৰূপত। অৱশ্যে সেই সময়ত পুৰাণৰ সময়ৰ দৰে বিষ্ণুৰ আসন আন দেৱতাৰ তুলনাত শ্ৰেষ্ঠতৰ হিচাপে প্ৰতিপন্ন হোৱা নাছিল। ঋক বেদৰ পাছত শতপথ ব্ৰাহ্মণতে বিষ্ণুৱে আত্মোসৰ্গৰ জৰিয়তে অকলশৰীয়াকৈ শ্ৰেষ্ঠ পদ লাভ কৰা দেখা যায় (শতপথ ব্ৰাহ্মণ ১২-৩-৪, ১২-৪-১, ৩-৭-১)। বৈদিক 'বিষ্ণু' আৰু 'নাৰায়ণ' দেৱতাৰ মাজত অভিন্নতাৰ যোগসূত্ৰ স্পষ্টকৈ অনা হল মহাভাৰতৰ যুগত এই মহাভাৰততেই প্ৰথমে ভক্তিৰ আনুষ্ঠানিক সূত্ৰপাত

ঘটে আৰু কৃষ্ণ বাসুদেৱক পৰমাত্মাৰ পৰ্য্যায়লৈ তোলা হয়। ভক্তিবাদৰ উদ্ভৱ আৰু বিকাশকালৰ এটি অতিশয় তাৎপৰ্য্যপূৰ্ণ ঘটনা হ'ল ভাগৱত পুৰাণৰ ৰচনা। ভাগৱত পুৰাণত ভগৱত, গীতাৰ তত্ত্বদৰ্শী কৃষ্ণতকৈ গোপালক গোপাল কৃষ্ণৰ গুৰুত্ব প্ৰদানে ভক্তিৰ এক নতুন ৰূপৰ সুত্ৰপাত কৰি পোন প্ৰথম বাৰৰ কাৰণে শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ,পদসেৱন, অৰ্চন, বন্দন, দাস্য, সখীত্ব আৰু আত্মনিবেদন প্ৰভৃতি ন-বিধ ভক্তিয়ে আত্মপ্ৰকাশ লাভ কৰে।

৫.২ ভক্তিবাদৰ উদ্ভৱৰ সময় অতি প্ৰাচীন কাললৈ অথবা বেদৰ সময়লৈ ঠেলিব পাৰি যদিও এই ভক্তিধৰ্মক অভিনৱভাৱে জনপ্ৰিয় কৰি তুলিবলৈ সক্ষম হৈছিল খৃষ্টীয় সপ্তমৰ পৰা দশম শতিকাৰ ভিতৰত দাক্ষিণাত্যৰ আলোৱাৰ সন্তসকলে। আলোৱাৰ সকলে কৰ্মবহুল আৰু আচাৰ প্ৰধান সাধন পদ্ধতিৰ বিপৰীতে আন্তৰিক শ্ৰদ্ধা,প্ৰেম আৰু ভক্তিক বেছি মূল্য দি কেইবা হাজাৰ গীত ৰচনা কৰিছিল। 'তামিল বেদ' ৰূপে খ্যাত এই গীত সমূহ জনসাধাৰণৰ মাজত অধিক জনপ্ৰিয় হৈ পৰিছিল। আলোৱাৰ সকলে গঢ় দিয়া ভক্তিৰ ধাৰণাক সুস্পষ্ট তথা সুদৃঢ়কৈ দাৰ্শনিক ভেটিত প্ৰতিষ্ঠা কৰি শঙ্কৰাচাৰ্য, ৰামানুচাৰ্য্য, মধ্বাচাৰ্য্য, নিম্বাকাচাৰ্য্য আদি বৈষ্ণৱ আচাৰ্য্য সকলে এটা সময়ত ভাৰতত চাৰিটা বিশেষ বৈষ্ণৱ সম্প্ৰদায়ৰ সৃষ্টি কৰে। এনেদৰে চাৰিটা বিশেষ সম্প্ৰদায়ৰ যোগেদি কৃষ্ণতত্ত্ব প্ৰচাৰৰ পথ সুগম কৰি যি দাৰ্শনিক ভেঁটি প্ৰতিস্থা কৰা হ'ল, তাৰ আধাৰত পৰৱৰ্তী মধ্যযুগৰ বৈষ্ণৱ ভক্তসকলে ভক্তি আন্দোলনৰ এক আলোড়নকাৰী ইতিহাস ৰচনা কৰিবলৈ সক্ষম হয়। মধ্যযুগ হল মূলতঃ ভক্তিসাধনাৰ যোগ। এই যুগত ভক্তিৰ এই নৱৰূপটো কেৱল দক্ষিণ ভাৰততে আৱদ্ধ নাথাকি সমগ্ৰ ভাৰতবৰ্ষ সামৰি ললে। দেশৰ বিভিন্ন প্ৰান্তক ৰামানন্দ, কবীৰ, নানক, একনাথ, তুকাৰাম, জ্ঞানদেৱ, নামদেৱ, বল্লভাচাৰ্য্য,ৰামদাস, দজি, ৰজুৱ, নৰসি মেহতা, চৈতন্যদেৱ, শঙ্কৰদেৱ, তুলশীদাস, মীৰাবাই আদি ভক্তিপথৰ পথিকসকলে তৎকালিন অৱক্ষয়িত সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক পৰিস্থিতিত ভক্তিৰ প্ৰেৰণাৰে সমগ্ৰ ভাৰতৰ সামাজিক, সাংস্কৃতিকচেতনা পুনৰ জাগৰিত কৰি তুলিছিল।

**৬.০ শঙ্কৰদেৱৰ ভক্তি আন্দোলন ঃ**

**৬.১** অসমত ভক্তিধৰ্মৰ অমৃতময় ধাৰা বিয়পাই দিয়া কৃতিত্বৰ ভাগী হ'ল মূলতঃ শঙ্কৰদেৱ (১৪৪৯-১৫৬৮) যাৰ সাধনাৰ মাজেদি ভাৰতবৰ্ষৰ এই পূব প্ৰান্ত, ৰাষ্ট্ৰজোৰা ভক্তিৰ পূৰ্ণজাগৰণৰ অংশীদাৰ হয়। শঙ্কৰদেৱৰ আগতেও অসমত বিষ্ণু উপাসনাৰ পদ্ধতি প্ৰচলিত আছিল যদিও সেয়া 'পাঞ্চৰাত্ৰসন্মত' ব্যৱস্থা আৰু পৌৰাণিক বিষ্ণুৰ কথাতেই সীমাবদ্ধ আছিল। শঙ্কৰদেৱৰ হাতত ভাগৱতৰ শ্ৰেষ্ঠতা তথা প্ৰতিপত্তি প্ৰমাণ হোৱাৰ পাছতেহে কৃষ্ণ কেন্দ্ৰিক ভাবধাৰাই প্ৰসাৰ লাভ কৰে। সেই সময়ত অসমীয়া সমাজত প্ৰচলিত নানা দেৱ-দেৱী, পূজা-উপাসনা, যাগ-যজ্ঞ, বলি-বিধান আদিৰ বিপৰীতে এজন দেৱতাৰ সন্ধান দিলে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে। শঙ্কৰদেৱৰ প্ৰচাৰিত ধৰ্মৰ মূল প্ৰতি প্ৰাদ্য বিষয় হ'ল-"এক দেৱ এক সেৱ এক বিনে নাই কেৱ"। শ্ৰৱণ কীৰ্ত্তনেই ঈশ্বৰ আৰাধনাৰ উত্তম পন্থা। শঙ্কৰদেৱে ভক্তিৰ ক্ষেত্ৰত জনসাধাৰণৰ মাজত কোনো ভেদাভেদ ৰাখিব খোজা নাছিল। তেওঁ এনে এখন দেশত ভক্তি ধৰ্ম প্ৰচাৰ কৰিছিল যত অধিবাসীসকলৰ সৰহসংখ্যকেই অহিন্দু আৰু আৰ্যভিন্ন। অহিন্দু আৰু আৰ্যভিন্ন বুলি কওঁতে কছাৰী, কোঁচ, আহোম, প্ৰভৃতি জনগোষ্ঠীয় লোকৰ কথাই এইক্ষেত্ৰত আমি বুজিব লাগিব। এই সমূহ জনগোষ্ঠীকে শঙ্কৰদেৱৰ আন্দোলনে ভক্তি ধৰ্মৰ দুৱাৰেদি হিন্দু ধৰ্মৰ অভ্যন্তৰলৈ আনিবলৈ সক্ষম হৈছিল। ভাৰতীয় জাতীয়তা আৰু সংস্কৃতিলৈ শঙ্কৰদেৱৰ এইটো মহৎ দান। এই ঘটনাই উত্তৰ পূব অঞ্চলৰ বৌদ্ধিক, আধ্যাত্মিক আনকি ৰাজনৈতিক সমতা ৰক্ষাৰ দিশতো অভূতপূৰ্ব ভূমিকা গ্ৰহণ কৰিছে। ভক্তসকলৰ মাজত যিহেতু জাত-পাত বিচাৰ কৰা নহৈছিল, ফলত এই সকলো লোকৰেই সামাজিক উত্তৰণ ঘটিছিল আৰু উৰ্দ্ধমুখী এক সামাজিক গতিপ্ৰৱাহ সঞ্চাৰিত হৈছিল। বিভিন্ন ৰচনাৰ মাজেদি শঙ্কৰদেৱে আমাক বাৰম্বাৰ সোঁৱৰাই গৈছে যে, নাহি ভকতিত জাতি অজাতি বিচাৰ।

**৬.২** শঙ্কৰদেৱৰ ভক্তি আন্দোলনৰ অমৃতময় স্পৰ্শত অসমত অস্পৃস্যতাৰ অভিশাপ প্ৰায় নোহোৱা হৈ পৰিল। অস্পৃশ্যতা বৰ্জন আন্দোলন অভিযান চলাবলৈ মহাত্মা গান্ধী অসমলৈ আহোঁতে অসমৰ অস্পৃশ্যতাৰ অভিশপ্ত অৱস্থা নেদেখি শঙ্কৰদেৱৰ প্ৰতি শ্ৰদ্ধাৱনত হৈ মহাত্মা গান্ধীয়ে

কৈছিল সমগ্ৰ বৃটিছ সৈন্যবাহিনীয়ে যি কাম হয়তো কৰিব নোৱাৰিলেহেঁতেন, শঙ্কৰদেৱে অকলে সেই কাম সম্পন্ন কৰিলে। মিশ্ৰিত জনগোষ্ঠীৰ ইতিহাসৰ অসমভূমিৰ কাৰণে এইটো এটা অতিশয় তাৎপৰ্য্যপূৰ্ণ কথা।

৬.৩ বহুমুখী প্ৰতিভাৰ আকৰ শঙ্কৰদেৱৰ নেতৃত্বত ভক্তি জাগৰণে কেৱল ধৰ্মৰ ক্ষেত্ৰতে নহয়, সুকুমাৰ কলা সঙ্গীত, চিত্ৰ নৃত্য আদি সকলো শিল্পৰ ক্ষেত্ৰতে এক নতুন আৰু বিস্তৃত দৃষ্টিভঙ্গী আনিবলৈ সক্ষম হৈছিল। তেওঁৰ আন্দোলনে সাহিত্যৰ জগতখনকো পত্ৰে পুষ্পে সুশোভিত কৰি তোলে। ভক্তি-ধৰ্ম প্ৰচাৰৰ বাহনৰূপে সাহিত্য, সঙ্গীত, নৃত্য,গীত আৰু অভিনয় কলাকো সাঙুৰি এই ধৰ্ম কেৱল প্ৰচাৰৰ বাহন হৈ নাথাকি জাতীয় সংস্কৃতিৰ কৰ্ষণথলীলৈ ৰূপান্তৰিত হৈ পৰে। অসমৰ সহজ সৰল জনসাধাৰণৰ বোধগম্য হোৱাকৈ শঙ্কৰদেৱে নিজে এক বিৰাট বৈষ্ণৱ সাহিত্য সৃষ্টিৰ পথ মুকলি কৰি দি তেওঁ অনুগামী সকলকো সেই দিশত উৎসাহ প্ৰদৰ্শন কৰি এক বিপুল সাহিত্য সম্ভাৰেৰে অসমীয়া জাতিক সৰ্বতোপ্ৰকাৰে সমৃদ্ধিশালী কৰি তোলে। শঙ্কৰদেৱ কেৱল ধৰ্মগুৰুৰেই নহয় সাহিত্যৰ গুৰু ৰূপেও প্ৰতিষ্ঠিত হয়। ভক্তি আন্দোলনে মাধৱদেৱ, অনন্ত কন্দলি, ৰামসৰস্বতী, বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য্য, শ্ৰীধৰ কন্দলী, ভৱানীপুৰীয়া গোপাল আতা, ৰামচৰণ ঠাকুৰ, দৈত্যাৰী ঠাকুৰ, গোপালদ্বিজ প্ৰভৃতি সাহিত্যিকৰ জন্ম দিছিল আৰু এওঁলোকে এক সাহিত্যিক আন্দোলনৰ সূচনা কৰিছিল।

**৭.০ শঙ্কৰদেৱৰ আন্দোলনে জন্ম দিয়া সাহিত্য সমূহঃ** শঙ্কৰদেৱৰ সাহিত্যিক আন্দোলনে জন্ম দিয়া যি, সমূহ সাহিত্যই অসমীয়া সাহিত্যত এক সোণালী যুগৰ সূচনা কৰিবলৈ সক্ষম হৈছিল সেইসমূহক তলত দিয়াৰ দৰে ভগাব পাৰি-

(ক) তত্ত্বমূলক গ্ৰন্থ
(খ) কাব্য
(গ) নাটক
(ঘ) গীত
(ঙ) চৰিত সাহিত্য

**৮.০ চৈতন্যদেৱৰ ভক্তি আন্দোলন ঃ** মধ্যযুগত সমগ্ৰ ভাৰতবৰ্ষজুৰি যি ভক্তি আন্দোলনৰ সোঁত প্ৰৱাহিত হৈছিল, বঙ্গদেশত সেই ধাৰাৰ লগত দৃঢ়ভাৱে সম্পৰ্ক ৰক্ষা কৰিছিল চৈতন্যদেৱে (১৪৮৫-১৫৩৩)। ভক্তিবাদী বৈষ্ণৱধৰ্মৰ প্ৰৱাহ বঙ্গদেশত যথেষ্ট প্ৰাচীন যদিও ভাগৱতৰ কৃষ্ণক কেন্দ্ৰ কৰি ব্ৰাহ্মণ্য কৰ্মকাণ্ড বহিৰ্ভূত শুদ্ধ ভক্তি ভিত্তিক নৱবৈষ্ণৱ ধৰ্মৰ লক্ষণসমূহ সুস্পষ্ট ৰূপত প্ৰতিফলিত হয় চৈতন্যদেৱৰ জন্মৰ পাছতহে। তেওঁৰ দ্বাৰা প্ৰচাৰিত বৈষ্ণৱ ধৰ্মৰ মূল হৈছে প্ৰেম আৰু ভক্তি। ব্ৰজনন্দন শ্ৰীকৃষ্ণই চৈতন্যদেৱৰ একমাত্ৰ আৰাধ্য দেৱতা আৰু সেই আৰাধ্য দেৱতাক লাভ কৰিবৰ বাবে ব্ৰজ গোপীসকলে যি ভাৱেৰে কৃষ্ণ উপাসনা কৰিছিল সেই মধুৰভাবেই অৰ্থাৎ প্ৰেমেই পৰম পুৰুষাৰ্থ (''পুৰুষাৰ্থ শিৰোমণি প্ৰেম মহাধন''-- চৈতন্য চৰিতামৃত/মধ্যলীলা)। এই ভত্তিত্বকে ব্যাখ্যা কৰি চৈতন্যদেৱে যি প্ৰেমধৰ্ম সূচনা কৰিছিল, সেই প্ৰেমভক্তিত কোনো জাতি-কুল, উচ্চ-নীচ, পুৰুষ-মহিলাৰ ব্যৱধান নাছিল। এককথাত--

চণ্ডালোহপি দ্বিজশ্ৰেষ্ঠঃ হৰিভক্তি পৰায়ণঃ
হৰিভক্তি বিহীনশ্চ দ্বিজোহপি শ্বাপচাধৰ্মঃ।

**৯.০ চৈতন্য আন্দোলনে গঢ় দিয়া সাহিত্যসমূহ ঃ** বংগীয় বৈষ্ণৱ আন্দোলনৰ কেন্দ্ৰীয় ব্যক্তি চৈতন্যদেৱে নিজৰ মতৰ সমৰ্থনত সংস্কৃতত ৰচিত শিক্ষাশ্লোকসমূহ বাদ দি কোনো গ্ৰন্থ বা ভাষ্য ৰচনা কৰা নাছিল যদিও তেওঁৰ ভক্তসকলৰ হাতত গৌড়ীয় বৈষ্ণৱ ধৰ্ম আৰু সাহিত্যই এক বিশেষ মৰ্য্যাদা লাভ কৰে। বিশেষকৈ বৃন্দাবনৰ যড় গোস্বামী ৰূপে পৰিচিত সনাতন গোস্বামী, ৰূপ গোস্বামী, জীৱ গোস্বামী, গোপাল ভট্ট গোস্বামী, ৰঘুনাথ ভট্ট গোস্বামী আৰু ৰঘুনাথ দাস গোস্বামীৰ বিভিন্ন ভক্তি, ৰসতত্ত্বমূলক গ্ৰন্থ, নৰহৰি চৰকাৰ, মুৰাৰি গুপ্ত, গোবিন্দ ঘোষ, বাসুদেৱ, বলৰাম দাস, জ্ঞানদাস, গোবিন্দ দাস আদিসকলৰ হাতত পদাৱলী সাহিত্য আৰু বৃন্দাৱন দাস, কৃষ্ণদাস কবিৰাজ, গোবিন্দদাস, জয়ানন্দ, চূড়ামণি দাস আদিসকলৰ হাতত নানা চৰিত সাহিত্যৰ সৃষ্টি হৈ বাংলা সাহিত্যৰ ইতিহাসত এক স্বৰ্ণীল অধ্যায়ৰ সূচনা কৰিবলৈ সক্ষম হয়। চৈতন্যদেৱৰ বৈষ্ণৱ আন্দোলনৰ মহাপ্ৰৱাহত সমৃদ্ধ হৈ উঠা সাহিত্য মূলতঃ তলত দিয়াৰ দৰে ভাগ কৰিব পাৰি--

(ক) কৃষ্ণলীলা বিষয়ক কাব্য।

(খ) বৈষ্ণৱ ভক্তি আৰু ৰসতত্ত্বমূলক গ্ৰন্থ।

(গ) পদাৱলী সাহিত্য।

(ঘ) চৈতন্য চৰিত সাহিত্য।

(ঙ) বৈষ্ণৱ বিষয় সাৰৰ আধাৰত বিকশিত বাউল-গীত।

**১০.০ অসম আৰু বংগদেশৰ বৈষ্ণৱ সাহিত্যৰ সাদৃশ্যমূলক চৰিত্ৰ উৎঘাটন আৰু ইয়াৰ মাজত অন্তৰ্নিহিত হৈ থকা জাতীয় সংহতি ৰক্ষাৰ কাৰকঃ**

অসম আৰু বংগদেশৰ নৱবৈষ্ণৱ আন্দোলন সৰ্বভাৰতীয় ভক্তি আন্দোলনৰ পৰা বিছিন্ন নহয়, বৰং তাৰেই এক আঞ্চলিক ৰূপ। মূলতঃ ভাগৱতক কেন্দ্ৰ কৰি দুয়োখন প্ৰদেশৰ বৈষ্ণৱ ধৰ্ম আৰু দৰ্শনে গঢ় লৈ উঠা বাবে এই আন্দোলনৰ ফলত সৃষ্টি হোৱা সাহিত্যসমূহৰ মাজতো বহু সাদৃশ্য দেখিবলৈ পোৱা যায়। তলত তাৰে চমু আভাস দিয়া হ'ল--

(ক) কৃষ্ণই হল ব্ৰহ্ম, পৰমাত্মা আৰু ভগবান। সমস্ত জগতৰ সৃষ্টি-স্থিতি প্ৰলয়ৰ তেওঁৱেঁই একমাত্ৰ অধিকাৰী। মহাপুৰুষ মাধৱদেৱৰ ভাষাত—

"কৃষ্ণ এক দেৱ দুখহাৰী কাল মায়াদিৰো অধিকাৰী
কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ।
সৃষ্টি স্থিতি অন্তকাৰী দেৱ তান্ত বিনে আন নাহি কেৱ
জানিবা বিষ্ণুসে সমস্ত জগত সাৰ।।"

চৈতন্যদেৱ আৰু শঙ্কৰদেৱ দুয়োজনা মহাপুৰুষেই জ্ঞান, কৰ্ম আৰু যোগ পথ পৰিহাৰ কৰি ঈশ্বৰক উপাসনা কৰাৰ বাবে ভক্তিকেই শ্ৰেষ্ঠ পথ বুলি বিবেচনা কৰিছিল। চৈতন্য চৰিতামৃতত তাৰ সুন্দৰ প্ৰতিফলন ঘটিছে এনেদৰে-

"ঐছ শাস্ত্ৰ কহে কৰ্ম জ্ঞান যোগ ত্যাজি
ভক্ত্যে কৃষ্ণ বশ হয় ভক্ত্যে তাঁৰে ভক্তি।"চ.চ. ২/২০

শঙ্কৰদেৱে ঐকান্তিক নিষ্ঠাৰে ভক্তৰ মন ঈশ্বৰত বিলীন কৰি দিয়াৰ ওপৰত গুৰুত্ব দিছিল। সেয়ে তেওঁ কৈ গৈছে—

'নলাগে ভক্তিত দেৱ দ্বিজ ঋষি হুইবে।
নলাগে সম্ভুত শাস্ত্ৰ বিস্তৰ জানিবে।।
তপ জপ যজ্ঞ দান সবে বিড়ম্বন।
কেৱলে ভক্তিত তুষ্ট হোন্ত নাৰায়ণ।।"

(গ) চৈতন্যদেৱে বিশ্বাস কৰিছিল মুক্তি বা নিৰ্বাণৰ কোনো অৰ্থ নাই। জন্মে জন্মে ঈশ্বৰৰ প্ৰতি নিষ্কাম ভক্তিহে আচল কথা। ভক্তি হব লাগে ঈশ্বৰৰ কৃপা লাভৰ বাবে আত্মসমৰ্পণ, ইয়াত কামনা-বাসনাৰ কোনো স্থান নাই। ই কেনে হব লাগে, চৈতন্যদেৱে তেওঁৰ শিক্ষাশ্লোক (চতুৰ্থ) ত ব্যক্ত কৰিছে এনেদৰে—

"ন ধনং ন জনং ন সুন্দৰী কবিতাং বা জগদীশ কাময়ে।

মম জন্মনি জন্মনীশ্বৰে ভবতাদ্ ভক্তিবুহৈতুকী ত্বয়ি।।

ভক্তিক মোক্ষতকৈ শ্ৰেষ্ঠ আসন দি শঙ্কৰদেৱেও কৈ গৈছে-

"নবাঞ্ছোহো সুখ ভোগ নলাগে মুকুতি
তোমাৰ চৰণে মাত্ৰ থাকোক ভকতি" (কীৰ্ত্তন)

(ঘ) সংকীৰ্ত্তন প্ৰচাৰ চৈতন্যদেৱৰ নৱবৈষ্ণৱ ধৰ্মৰ মূল সূত্ৰ। তেওঁ বিশ্বাস কৰিছিল একান্ত ভক্তিৰে কেৱল মাত্ৰ ঈশ্বৰৰ নাম-কীৰ্ত্তন কৰিলেই ভক্তই পৰমাৰ্থ লাভ কৰে আৰু সাধাৰণজনৰ বাবে এই পন্থাই উত্তম পন্থা। তাৰবাবে চৈতন্যদেৱে ঘৰে ঘৰে সংকীৰ্ত্তনৰ ব্যৱস্থা কৰিছিল। নৱদ্বীপ, শান্তিপুৰ, নীলাচল, কাশী সৰ্বত্ৰতে সংকীৰ্ত্তন সাধনা কৰিবলৈ যাওঁতে নানা বাধা বিঘিনীৰ সন্মুখীন লগাত পৰিছিল। তেওঁ কৈছিল--

"দৰিদ্ৰ অধমে যদি লয় কৃষ্ণ নাম।
সৰ্বদোষ থাকিলেও যায় কৃষ্ণধাম।।
কৃষ্ণেৱ ভজনে ছাড়ি যে শাস্ত্ৰ বাখানে।
যে অধম কভু শাস্ত্ৰ মৰ্ম নাহি জানে।।
শাস্ত্ৰেৰ না জানে মৰ্ম অধ্যাপনা কৰে।
গদৰ্ভেৰ প্ৰায় যেন শাস্ত্ৰ বহি যৰে।।" চৈ-ভাগৱত।

শঙ্কৰদেৱেও একেদৰে অসমৰ উজনিৰ পৰা নামনিলৈ বৈষ্ণৱ ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰৰ অৰ্থে নানা প্ৰতিকূল পৰিস্থিতিৰ সন্মুখীন হৈ ঘূৰি ফুৰিব লগা হৈছিল। শঙ্কৰদেৱে আনকি ৰাজৰোষৰো সন্মুখীন হব লগাত পৰিছিল। অমৰ সহজ সৰল জনসাধাৰণৰ উপযোগী হোৱাকৈ বৈষ্ণৱ ধৰ্মৰ মূল তত্ত্বসমূহ প্ৰতিষ্ঠা কৰিবৰ বাবে তেওঁ শ্ৰৱণ আৰু কীৰ্ত্তনৰ দৰে সহজ পথকহে সাধনাৰ সৰ্বশ্ৰেষ্ঠ পথ হিচাপে গ্ৰহণ কৰিছিল।

"পূজা আদি যত ভক্তিৰ মধ্যত
শ্ৰৱণ-কীৰ্ত্তন যাৰ।
কথা শ্ৰৱণৰ নাম কীৰ্ত্তনৰ
সমান নাহিকে আৰ।।"
— ভাগৱত

(ঙ) শঙ্কৰদেৱ আৰু চৈতন্যদেৱৰ আন্দোলনৰ আটাইতকৈ স্মৰণযোগ্য দিশটো হল এই আন্দোলনে প্ৰতিষ্ঠা কৰা সামাজিক সমতা। শঙ্কৰদেৱ আৰু চৈতন্যদেৱৰ আন্দোলন হল মূলতঃ সমন্বয় সাধনৰ আন্দোলন। তেওঁলোকৰ এই আন্দোলনে বিদ্বৎ, ধনী-দুখীয়া, উচ্চ-নীচ, জাতি-বৰ্ণ, ভাষা-সম্প্ৰদায়, পুৰুষ-মহিলা নিৰ্বিশেষে সমাজৰ সকলো লোকৰ অংশগ্ৰহণ সুনিশ্চিত আৰু সম্ভৱপৰ কৰি তুলিছিল। তাৰফলত জাতি, বৰ্ণ নিৰ্বিশেষে সকলোৰে আধ্যাত্মিক ব্যক্তিস্বাতন্ত্ৰ্য প্ৰতিষ্ঠা হৈছিল। উদাহৰণ স্বৰূপে, চৈতন্যদেৱৰ ৪৯০ জন প্ৰধান পাৰিষদৰ ভিতৰত ২৩৯ জন আছিল ব্ৰাহ্মণ, ৩৭ জন বৈশ্য, ২৯ জন কায়স্থ, ২ জন মুছলমান আৰু ১৬ গৰাকী মহিলা আছিল (বিমান বিহাৰী মজুমদাৰ, শ্ৰী চৈতন্য চৰিতেৰে উপাদান, কলিকাতা বিশ্ববিদ্যালয়,২য় সংস্কৰণ, ১৯৫৯) সীতাদেৱী, জাহ্নৱীদেৱী, হেমলতা ঠাকুৰীনী, হৰিপ্ৰিয়া গোস্বামীনী আদিসকলে ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত লোৱা অগ্ৰণী ভূমিকাই চৈতন্যধৰ্মৰ নাৰী স্বতন্ত্ৰতাৰ কথা প্ৰতীয়মান কৰে। তেনেদৰে অসমৰ পটভূমিত বিচাৰ কৰিলে দেখা যায় যে শঙ্কৰদেৱেও এখন সুস্থ আৰু শক্তিশালী সমাজ গঠনৰ কাৰণে তেওঁৰ ভক্তিধৰ্মত সমাজৰ সকলো শ্ৰেণী লোকৰে অংশগ্ৰহণ সম্ভৱ কৰি তুলিছিল। মধ্যযুগীয়া অসমৰ সমাজখনৰ পটভূমিত জাতি-অজাতি, উচ্চ-নীচৰ ব্যৱধান আঁতৰাই এখন সুস্থ-সমাজ গঠনত শঙ্কৰদেৱৰ যি প্ৰচেষ্টা সেই কথা ভাবিলেই আচৰিত লাগে। ইয়াক হাতে কামে কেনেকৈ সম্ভৱ কৰি তুলিছিল তেনে উদাহৰণ চৰিত সাহিত্য সমূহৰ মাজত অলেখ সিঁচৰতি হৈ পৰি আছে। শঙ্কৰদেৱে সাহিত্যৰ মাজেৰে তেনে চেতনা জাগ্ৰত কৰিছিল এনেদৰে—

নবাছে অজানি জাতি পাপী পুন্যৱন্ত।
ভকতিতে বশ্য কিনো প্ৰভু ভগৱন্ত।।
(আদি দশম, ৰাস)

অথবা—

কৃষ্ণৰ কথাত যিটো ৰসিক।
ব্ৰাহ্মণ জন্ম তাৰ লাগৈ কিক।।
স্মৰোক মাত্ৰ হৰি দিনে-ৰাতি।
নবাছে ভকতি জাতি-অজাতি।।
(কীৰ্ত্তন, পাষণ্ড-মৰ্দন)

**১১.০ সামৰণি ঃ**

সম্প্ৰতি ভাৰতৰ জাতীয় সংহতি অতিকৈ সংকটপূৰ্ণ। আজিৰ ৰাজনৈতিক, আৰ্থ-সামাজিক, সাংস্কৃতিক বিপৰ্য্যয়ৰ লগতে ভাৰতবৰ্ষৰ উদাৰনৈতিক ধৰ্মনিৰপেক্ষতাৰ বাস্তৱ ছবিখনো দুখ লগাকৈয়ে বিপৰ্য্যস্ত। গতিকে এই সন্ধিক্ষণত শঙ্কৰদেৱ আৰু চৈতন্যদেৱৰ দৰে মহাপুৰুষসকলৰ জাতি গঠনৰ মহান আদৰ্শক শক্তিশালী ৰূপত পুনৰজীৱিত কৰি ৰাষ্ট্ৰীয় সংহতি প্ৰতিস্থা কৰাটোৱেই হব আমাৰ আটাইতকৈ সময়োচিত পদক্ষেপ। বৰ্ত্তমান সময়ত পৃথিৱীজুৰি মধ্যযুগৰ ইতিহাস চৰ্চাই এক বিশেষ গুৰুত্ব লাভ কৰিছে। ই এক শুভ লক্ষণ। কিয়নো মধ্যযুগৰ মহান মনিষীসকলৰ জীৱন আৰু তেওঁলোকৰ সৃষ্টিশীল কৰ্মৰাজিৰ মাজতেই লুকাই আছে শান্তি-সম্প্ৰীতি ৰক্ষাৰ মহামন্ত্ৰ।●●


**সহায়ক গ্ৰন্থপঞ্জী ঃ**

শাস্ত্ৰী, মনোৰঞ্জন ঃ অসমৰ বৈষ্ণৱ দৰ্শনৰ ৰূপৰেখা, বাণী প্ৰকাশ সংস্কৰণ।

মজুমদাৰ, বিমল ঃ ভক্তি সাহিত্য, চন্দ্ৰপ্ৰকাশ,১৯৯৯ বেজবৰুৱা গ্ৰন্থাৱলী প্ৰথম খণ্ড (সম্পাদিত গ্ৰন্থ), সাহিত্য প্ৰকাশ, ট্ৰিবিউন বিল্ডিংছ, গুৱাহাটী—৭৮১০০৩.

শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, ষষ্ঠ প্ৰকাশ, ১৯৯৪।

নেওগ, মহেশ্বৰ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা, চন্দ্ৰপ্ৰকাশ, পানবজাৰ, গুৱাহাটী।

**নাম-ধৰ্ম**

মহন্ত, অৰুন্ধতী ঃ কৃষ্ণৰ ক্ৰমবিকাশ আৰু অসমীয়া সাহিত্য, কিঞ্জলীক প্ৰকাশন, শিৱসাগৰ, ১৯৯৮

মহন্ত, বাপচন্দ্ৰ ঃ ঐতিহাসিক পটভূমিত মহাপুৰুষ শঙ্কৰদেৱ, বনলতা, ডিব্ৰুগড়-১

দেৱগোস্বামী, পীতাম্বৰ ঃ সত্ৰীয়া উৎসৱৰ পৰিচয় আৰু তাৎপৰ্য, কৌস্তুভ প্ৰকাশন, ডিব্ৰুগড়।

দেৱগোস্বামী,কেশৱানন্দ ঃ শঙ্কৰদেৱ অধ্যয়ন প্ৰসংগ ঐতিহ্য আৰু পৰম্পৰা, প্ৰথম প্ৰকাশ, ২০০৫।

ভট্টাচাৰ্য্য,পৰাগকুমাৰ ঃ প্ৰেমধৰ্ম আৰু বৈষ্ণৱ কাব্য, চন্দ্ৰপ্ৰকাশ, গুৱাহাটী। তৃতীয় তাঙৰণ, ১৯৯৭ চন।

নেওগ,মিলন ঃ ভাৰতীয় ভক্তি আন্দোলনৰ পটভূমিত শঙ্কৰদেৱ, প্ৰথম প্ৰকাশ- ২০০৫ জুলাই, ষ্টুডেণ্ট ষ্টৰ্চ্, গুৱাহাটী।

মহন্ত, প্ৰদীপজ্যোতি (সম্পা) ঃ শ্ৰীমন্ত শঙ্কৰদেৱঃ সমাজ আৰু সংস্কৃতি, পূৰেৰুণ প্ৰকাশ, প্ৰথম প্ৰকাশ, ডিচেম্বৰ, ২০০০।

**বাংলা**

চক্ৰৱৰ্তী, ৰমাকান্ত ঃ বঙ্গে বৈষ্ণৱ ধৰ্ম, প্ৰথম সংস্করণ, জানুৱারি, ১৯৯৬, আনন্দ পাবলি শার্স প্রাইভেট লিমিটেড, কলকাতা-৯

দে সৰকাৰ, দিগ্বিজয় ঃ বৈষ্ণৱেতৰ বাংলা কাব্যে বৈষ্ণৱ প্ৰভাৱ, দেজ পাবলিশিং, কলকাতা ৭০০০৭৩. জানুৱাৰি ২০০৪।

জায়সরাল, সুবীরা ঃ বৈষ্ণধর্মের উৎপত্তি ও ক্রমবিকাশ, প্রথম অনুবাদ সংস্করণঃ ১৯৯৩ কে.পি. বাগচী আণ্ড কোম্পানী।

বন্দ্যোপাধ্যায়, অসিতকুমার ঃ বাংলা সাহিত্যের সম্পূর্ণ ইতিবৃত্ত (নতুন পরিবর্দ্ধিত সংস্করণ), মর্ডাণ বুক এজেঞ্চি প্রাইভেট লিমিটেড।

গঙ্গোপাধ্যায়,সুখেন্দুসুন্দর ঃ শ্রী শ্রী চৈতন্যচরিত ও বাণী, ভারতী বুক ষ্টল, কলকাতা-৭০০০০৭.

সেন, সুকুমার ঃ বাঙ্গালা সাহিত্যের ইতিহাস (প্রথম খণ্ড), আনন্দ পাবলিশার্স প্রাইভেট লিমিটেড, কলকাতা-

অবন্তীকুমার সান্যাল, অশোক ভট্টাচার্য্য ঃ চৈতন্য দেৱ ইতিহাস ও অবদান (সম্পাদিত গ্রন্থ), সারস্বত লাইব্রেরী, দ্বিতীয় মুদ্রণ ২০০২।

**লেখক পৰিচয় ঃ শিখা ভূঞা**

**গৱেষিকা ছাত্ৰী, ডিব্ৰুগড় বিশ্ববিদ্যালয়**

# অসমৰ মধ্যযুগৰ ভক্তি আন্দোলন আৰু জাতীয় সংহতি

বীণাপাণি দেৱী

অসমৰ মধ্যযুগৰ ভক্তি আন্দোলন আৰু সামাজিক ঐক্য আৰু সংহতি প্ৰতিষ্ঠাত এই আন্দোলনৰ ভূমিকা নিৰ্ণয় কৰিবলৈ যাওঁতে স্বাভাৱিকতেই ভাৰতীয় ভক্তি আন্দোলনৰ প্ৰসংগটোও আহি পৰে। মধ্যযুগত ভাৰতবৰ্ষত ধৰ্মৰ নামত নানাবিধ ক্ৰিয়াকাণ্ডৰ প্ৰচলন, ৰক্ষণশীলতা, জাতিভেদৰ নামত চলা সামাজিক অনুশাসন আৰু কঠোৰতা, ধৰ্মীয় আচাৰ-অনুষ্ঠানৰ সাৰশূন্যতা আদিয়ে সমগ্ৰ ভাৰতবৰ্ষতে ধৰ্ম, সমাজ, সংস্কৃতি আদি দিশত জটিলতাৰ সৃষ্টি কৰিছিল। ফলত পাৰস্পৰিক সংহতি, সদ্ভাৱ-সম্প্ৰীতিৰ পৰিৱৰ্তে বৈৰিতা, বৈষম্য আদিয়ে জনসাধাৰণৰ জীৱন বিপৰ্যস্ত কৰি তুলিছিল। এনে দুৰ্যোগপূৰ্ণ সময়তে ভাৰতবৰ্ষৰ ভিন ভিন ঠাইত কেইবা গৰাকীও ভক্তিধৰ্ম আশ্ৰয়ী গুৰুৱে ধৰ্মৰ যোগেদি এক সামাজিক আৰু সাংস্কৃতিক আন্দোলনৰ সূচনা কৰে আৰু এই ভক্তিবাদী আন্দোলনে জনসাধাৰণৰ মাজত ঐক্য আৰু সংহতি স্থাপন কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। দাক্ষিণাত্যত ৰামানন্দ, উত্তৰ ভাৰতত সুৰদাস, মহাৰাষ্ট্ৰত তুকাৰাম, নামদেৱ, বংগদেশত চৈতন্যদেৱ, উৰিষ্যাত বলদেৱ, পঞ্জাৱত গুৰু নানাক আদি ধৰ্মগুৰুসকলে ভক্তি আৰু প্ৰেমৰ মাধ্যমেদি ধৰ্ম প্ৰচাৰ কৰি আদৰ্শভ্ৰষ্ট জনসাধাৰণক একতাৰ ডোলেৰে বান্ধে আৰু সামাজিক সমতা আৰু সংহতি স্থাপনত প্ৰচুৰ বৰঙণি যোগায়। প্ৰাচীন ভাৰতীয় একেশ্বৰবাদৰ এই আদৰ্শৰ দ্বাৰা উদ্বুদ্ধ এই ভক্তি আন্দোলন আৰম্ভ হয় ভগৱান বিষ্ণুৰ উপাসনাক কেন্দ্ৰ কৰি। গতিকে মধ্যযুগৰ এই আন্দোলন আছিল ঘাইকৈ বৈষ্ণৱ ধৰ্মৰে পল্লৱিত ৰূপ।

মধ্যযুগত সমগ্ৰ ভাৰতবৰ্ষতে প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰি এই ভক্তি জাগৰণৰ ঢৌৱে উত্তৰ পূব প্ৰান্তত অৱস্থিত অসমকো প্লাৱিত কৰিছিল। সেই সময়ত অসমৰ ভক্তি আন্দোলনৰ মুখ্য প্ৰবক্তা শ্ৰীশ্ৰীশঙ্কৰদেৱ, তেওঁৰ সহযোগী, একান্ত অনুগত শিষ্য শ্ৰীশ্ৰীমাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ, দামোদৰদেৱৰ শিষ্য ভট্টদেৱ আদি পণ্ডিতসকলে কেৱল বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰাই নহয়, ভক্তি ধৰ্ম প্ৰচাৰৰ অৰ্থে সাহিত্য আৰু সংস্কৃতি চৰ্চাকে ঘাই আহিলা হিচাপে গ্ৰহণ কৰিছিল আৰু তেওঁলোকৰ কাৰ্য, চিন্তাধাৰা তথা তেওঁলোকৰ দ্বাৰা সৃষ্ট সাহিত্যৰাজিৰ মাধ্যমেদি সৰ্বভাৰতীয় সুঁতিটোৰ লগত অসমকো সাঙুৰি দি জাতীয় ঐক্য আৰু সংহতি স্থাপনত গুৰুত্বপূৰ্ণ বৰঙণি যোগাইছিল।

বৈষ্ণৱ ধৰ্মৰ আশ্ৰয়ত ভক্তিৰ বিকাশ ঘটোৱাৰ লগতে সাহিত্য-সংস্কৃতি-কলাৰো বিকাশ ঘটাই জাতীয় ঐক্য আৰু সংহতি সাধন কৰি অসমীয়া জাতিক ভাৰতীয় মহাজাতিত পৰিণত কৰোৱাত অগ্ৰণী ভূমিকা লোৱা অসমৰ যুগান্তকাৰী পুৰুষজনেই হ'ল শ্ৰীমন্ত শঙ্কৰদেৱ। শঙ্কৰদেৱৰ সময়ত অসমত চলি থকা ধৰ্মীয় অন্যায়-অবিচাৰ, ৰক্ষণশীলতা, অন্ধবিশ্বাস, গোড়ামি, সামাজিক বৈষম্য, সাম্প্ৰদায়িক বিভেদ আদিক দূৰ কৰি জাতীয় একতা আৰু সংহতি স্থাপন কৰাৰ ক্ষেত্ৰত অসমৰ মধ্যযুগৰ এই ভক্তি আন্দোলন আৰু শঙ্কৰদেৱকে প্ৰমুখ্য কৰি ধৰ্মগুৰুসকলৰ সাহিত্য সংস্কৃতি চৰ্চাৰ সবল পদক্ষেপ অসমীয়া জতিৰ বাবে চিৰদিন স্মৰণযোগ্য।

এই প্ৰসংগতে শিৱনাথ বৰ্মনে আগবঢ়োৱা এই তাৎপৰ্যপূৰ্ণ মন্তব্যটি উনুকিয়াব পাৰি—

'শঙ্কৰদেৱেই অসমৰ প্ৰধান ব্যক্তি যি সৰ্বভাৰতীয় ঐতিহ্যৰ ঢল পোন প্ৰথমবাৰৰ বাবে অসমলৈ বোৱাই আনিলে আৰু আমাৰ মানসিক দিগন্ত অসমৰ পৰা ভাৰতলৈ প্ৰসাৰিত কৰি তুলিলে। ভাগৱত পুৰাণকে ধৰি ভাৰতৰ

বিভিন্ন বৈষ্ণৱ পুৰাণসমূহত থকা তত্ত্ব আৰু কাহিনীসমূহ 'মধুমিশ্ৰ দুগ্ধ'ৰ দৰে সোৱাদ লগাকৈ অসমীয়ালৈ ভাঙনি কৰি সৰ্বভাৰতীয় বৈষ্ণৱ সাহিত্যৰ লগত তেওঁ অসমক কেৱল পৰিচয় কৰাই দিয়াই নহয় তেওঁ আমাক ভাৰতীয় বুলি ভাবিবলৈও শিকাইছিল।'[১]

শ্ৰীমন্ত শঙ্কৰদেৱে সমকালীন অসমীয়া সমাজত প্ৰচলিত শাক্ত কৰ্মৰ ব্যৱস্থা আদিৰ পৰিৱৰ্তে একশৰণ বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিলে আৰু ভগৱৎ প্ৰাপ্তিৰ বাবে একান্ত ভকতিকেই গুৰুত্ব দান কৰিলে। ভক্তিৰ দুৱাৰখন জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলোৰে বাবে মুকলি কৰি দি গুৰুজনাই ধৰ্মীয় উদাৰতা আৰু সহনশীলতাৰ নিদৰ্শন দাঙি ধৰিলে। তদুপৰি ভাৰতীয় ভক্তি আন্দোলনৰ লগত সংযোগ স্থাপন কৰি সংহতিৰ আদৰ্শ দাঙি ধৰিলে।

বৈষ্ণৱ গুৰুসকলৰ দ্বাৰা প্ৰচাৰিত ধৰ্মৰ মূল ভেটিয়েই হৈছে প্ৰেম বা ভক্তি। এই ভক্তি বা প্ৰেমৰসৰ যোগেদি গোষ্ঠীদ্বন্দ্বই জুৰুলা কৰা অসমৰ পাহাৰ ভৈয়ামৰ জনগোষ্ঠীসকলৰ মাজত 'প্ৰেম অমৃতৰ নদী' বোৱাই দি সামাজিক একতাৰ সৌধ নিৰ্মাণ কৰাৰ কৃতিত্বৰ অধিকাৰীও হ'ল শঙ্কৰদেৱ। ধৰ্মৰ নামত খিয়লা-খিয়লি, সামন্তবাদী শোষণ, বিভিন্ন জাতি উপজাতিৰ মাজত হোৱা সঘন সংঘৰ্ষৰ ফলত থৰক-বৰক হৈ পৰা তদানীন্তন অসমৰ আৰ্থসামাজিক গাঁথনিৰ প্ৰতি লক্ষ্য ৰাখি তেওঁ ঠায়ে ঠায়ে থান আৰু নামঘৰ প্ৰতিষ্ঠা কৰিলে, নামঘৰ কেন্দ্ৰিক সমাজ ব্যৱস্থা সৃষ্টি কৰিলে। এই অনুষ্ঠানসমূহ কেৱল ধৰ্মচৰ্চাৰেই কেন্দ্ৰ হৈ নাথাকি সামাজিক ন্যায় বিচাৰৰ কেন্দ্ৰও হৈ পৰিল। তদুপৰি গীত, পদ, নাট আদিৰ অনুশীলন আৰু পৰিৱেশনৰ উমৈহতীয়া মঞ্চ হৈ সাংস্কৃতিক ঐক্য সাধনতো মহত্বপূৰ্ণ বৰঙণি যোগালে।

মধ্যযুগত ভাৰতৰ উত্তৰ-পূব প্ৰান্তত 'অসম' নামৰ ভূখণ্ড অতিশয় দুৰ্গম আৰু বিপদসংকুল হোৱাৰ বাবে আৰু যাতায়ত ব্যৱস্থা অনুকুল নোহোৱাৰ বাবে সৰ্বভাৰতীয় জাতিসমূহৰ লগত পোনপটীয়া সম্বন্ধ গঢ়ি তোলাতো সেই সময়ত প্ৰায় দুৰূহ কাম আছিল। কিন্তু অপৰিসীম সাংগঠনিক শক্তিৰ অধিকাৰী শঙ্কৰদেৱে এনে প্ৰতিকুল পৰিস্থিতিকো নেওচি তেওঁৰ শিষ্য প্ৰশিষ্যসকলক লগত লৈ বাৰ বছৰ কাল তীৰ্থ ভ্ৰমণ কৰি এই কষ্টকৰ ভ্ৰমণ সফল কৰি তুলিলে আৰু এই সুদীৰ্ঘ সময়ছোৱাত ভাৰতবৰ্ষৰ ভক্তি-জাগৰণৰ সংস্পৰ্শলৈ অহাৰ লগতে তেওঁৰ অভিজ্ঞতাৰ ক্ষেত্ৰখনো প্ৰশস্ত কৰি তুলিলে।

মধ্যযুগত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশত নানা বিধ লোক নাট্যানুষ্ঠানৰ প্ৰচলন আছিল। উত্তৰ ভাৰতৰ গোস্বামী তুলসীদাস আৰু তেওঁৰ অনুগামীসকলে 'ৰামলীলা' নামৰ এক লোকনাট্যানুষ্ঠান অনুষ্ঠিত কৰি নাট্যাভিনয়ৰ ক্ষেত্ৰত অৰিহণা যোগাইছিল। বংগদেশত শ্ৰীচৈতন্যদেৱে 'যাত্ৰা' নাট্যসমূহক সঞ্জীৱিত কৰি তুলিছিল। ঠিক সেইদৰে গুজৰাটত 'ভৱাই', কৰ্ণাটকত 'যক্ষগান', কেৰালাত 'কথাকলি', তামিলত'ভাগৱত-মেল', মহাৰাষ্ট্ৰত 'ললিতা', উত্তৰ প্ৰদেশ-ৰাজস্থানত 'ৰাসলীলা' আদি লোক নাট্যানুষ্ঠানসমূহৰ প্ৰচলন আছিল।[২] এই সময়ছোৱাতে প্ৰাচীন নাটসমূহকো শক্তিশালী কৰি তোলাৰ প্ৰচেষ্টাও লক্ষ্য কৰা যায়। উল্লেখযোগ্য যে, ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত গঢ় লৈ উঠা এনে অভিনৱ নাট্যজাগৰণ আৰু লোক নাট্যানুষ্ঠানসমূহ জনপ্ৰিয় হৈ উঠাত অনুপ্ৰেৰণা যোগোৱাৰ মূলতে আছিল ধৰ্মীয় জাগৰণৰ লগত জড়িত মহাপুৰুষসকল। মহাপুৰুষ শঙ্কৰদেৱেও সংস্কৃত নাটক, অসমৰ থলুৱা পুতলা নাচ, ওজাপালি আদিৰ উপৰিও মধ্যযুগীয়া ভাৰতীয় লোক নাট্যানুষ্ঠানসমূহৰ পৰা সমল সংগ্ৰহ কৰি সৃষ্টি কৰে এক অপূৰ্ব সাংস্কৃতিক সম্পদ 'অঙ্কীয়া নাট'। কেৱল নাট ৰচনা কৰাই নহয়, এই নাটৰ অভিনয় কৰাই আৰু নিজেও তেওঁ অভিনয়ত অংশগ্ৰহণ কৰি অসমীয়া নাটকক জনপ্ৰিয় কৰি তুলিলে আৰু অসমীয়া নাট্যসাহিত্যক সৰ্বভাৰতীয় নাট্য সাহিত্যৰ লগত সংযোগ স্থাপন কৰোৱাৰ অমূল্য বৰঙণি যোগালে। শঙ্কৰদেৱৰ পদাংক অনুকৰণ কৰি তেওঁৰ সহযোগী শ্ৰীশ্ৰীমাধৱদেৱ, পৰৱৰ্তী কালৰ ধৰ্মাচাৰ্য গোপালদেৱ, ৰামচৰণ ঠাকুৰ,

১. শিৱনাথ বৰ্মন 'শ্ৰীমন্ত শঙ্কৰদেৱ ঃ এটি আলোচনা, প্ৰকাশ চতুৰ্থ সংখ্যা, জানুৱাৰী, ১৯৮৪।
২. সত্যেন্দ্ৰ নাথ শৰ্মা ঃ অসমীয়া নাট্য সাহিত্য, পৃ. ৩২

দ্বিজভূষণ আদি নাট্যকাৰসকলে অঙ্কীয়া নাট ৰচনা কৰে আৰু অঙ্কীয়া ভাওনাৰ জনপ্ৰিয়কৰণত প্ৰভূত অৰিহণা আগবঢ়ায়। এইখিনিতে অঙ্কীয়া নাটকৰ 'সূত্ৰধাৰ' জনৰ লগত যক্ষগানৰ 'ভাগৱতাৰ' জনৰ সাদৃশ্যও মন কৰিবলগীয়া। অঙ্কীয়া নাটৰ সূত্ৰধাৰজনৰ দৰেই 'ভাগৱতাৰ'জনৰ মুখত সংস্কৃত শ্লোক আৰু গীতৰ ব্যৱহাৰ কৰা হয় আৰু 'ভাগৱতাৰ'জনেই সূত্ৰধাৰৰ দৰে নাটখন পৰিচালনা কৰে। কেৰালাৰ 'কথাকলি' নৃত্যত মঙ্গলম্ বাদ্য ব্যৱহাৰ কৰাৰ দৰেই অঙ্কীয়া নাটক বা গীততো খোলৰ ব্যৱহাৰ অপৰিহাৰ্য। সৰ্বভাৰতীয় নাট্য পৰম্পৰা আৰু নাট্যসমল বুটলি আনি অঙ্কীয়া নাটকত এনেদৰে সাৰ্থক সংযোগ ঘটাই শঙ্কৰদেৱ আৰু তেওঁৰ শিষ্য-প্ৰশিষ্যসকলে মধ্যযুগৰ অসমৰ বৈষ্ণৱ নাট্য সাহিত্যক অতুলনীয়, মাত্ৰা প্ৰদান কৰিলে আৰু সৰ্বভাৰতীয় ঐক্য আৰু সংহতি স্থাপনত এক গুৰুত্বপূৰ্ণ অৱদান যোগালে। অসমৰ জাতীয় সাহিত্যৰ প্ৰাণ প্ৰতিষ্ঠাতা শঙ্কৰদেৱে ভাৰতীয় সংগীত শাস্ত্ৰত থকা বিবিধ ৰাগৰ প্ৰয়োগ কৰি শঙ্কৰদেৱে ৰচনা কৰা আধ্যাত্মিক উপাসনা প্ৰসংগৰ গীত 'বৰগীত'সমূহৰ মাজেদিও ভাৰতীয় মূল দৰ্শনৰ স্ৰোতৰ লগত অসমৰ আধ্যাত্মিক সংযোগ স্থাপন কৰাত সহায় যোগালে।

অসমৰ বৈষ্ণৱ ভক্তি আন্দোলনৰ প্ৰবক্তাসকলৰ দৃষ্টি মাথোন অসমৰ মাজতে সীমাবদ্ধ নাছিল। সুদীৰ্ঘ তীৰ্থ ভ্ৰমণ কালত লাভ কৰা বিবিধ ভাৰতীয় ভাষাৰ জ্ঞানে শঙ্কৰদেৱৰ ভাষাক প্ৰাণৱন্ত আৰু চহকী কৰি তুলিছিল। মহাপুৰুষ দুজনাই সাহিত্য-সৃষ্টিৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা সৰ্বজনবোধ্য 'ব্ৰজবুলি' ভাষাইও বংগ, বিহাৰ, উৰিষ্যা আদি ঠাইৰ বৈষ্ণৱ লগত সংযোগ আৰু সংহতি স্থাপনত বিশেষ ভূমিকা লৈছিল আৰু সৰ্বজনৰ বাবে এই ভাষাক গ্ৰহণীয় কৰি তুলিছিল। কাৰণ এই ভাষা আছিল সমগ্ৰ উত্তৰ পূব ভাৰতৰ মধ্যযুগীয়া এক জনপ্ৰিয় ধৰ্মীয় সাহিত্যিক ভাষা। সংস্কৃত ভাষাৰ শৈলী, পুৰণি অসমীয়া ভাষা শৈলী আৰু ব্ৰজাৱলী ভাষাৰ অপূৰ্ব সমাহাৰেৰে সৃষ্ট শঙ্কৰদেৱৰ সাহিত্য সম্ভাৰৰ জনপ্ৰিয়তা সেয়ে অসমতে সীমাবদ্ধ হৈ নাথাকি সৰ্বভাৰতীয় সাহিত্য আৰু সাংস্কৃতিক ঐতিহ্যৰ লগত অসমৰ সংযোগ স্থাপন হোৱাৰ সুবিধা লাভ কৰিলে।

ধৰ্মচৰ্চাৰ কেন্দ্ৰ হিচাপে গ্ৰাম্যভিত্তিক নামঘৰৰ স্থাপনে মধ্যযুগৰ অসমৰ সমাজ ব্যৱস্থাত এটি গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিলে। নামঘৰসমূহ মাত্ৰ ধৰ্মচৰ্চাৰ কেন্দ্ৰ নহয়, ই একাধাৰে গীত পদ আদি অনুশীলন আৰু পৰিৱেশনৰো স্থান, লোকনাট্যৰ সমলেৰে সৃষ্ট ভাওনাৰ আখৰা আৰু পৰিৱেশনৰো মঞ্চ, তদুপৰি স্থানীয় গ্ৰাম্য সমাজৰ ব্যৱস্থাপনা, নানাবিধ আলোচনা আদিৰো গোচৰ-মীমাংসাৰ স্থল। বৰ্তমানে যদিও কিছুমান ক্ষেত্ৰত জাতি ভেদৰ অশুভ পৰম্পৰা কোনো কোনো নামঘৰৰ ক্ষেত্ৰত পৰিলক্ষিত হৈছে, আদিতে ই জাতি ধৰ্ম নিৰ্বিশেষে উপাসনাৰ স্থান হিচাবে ভক্তি ধৰ্মৰ অনুগামী সকলোৰে বাবে মুকলি হৈ আছিল। বিভিন্ন জনগোষ্ঠীৰে পৰিপূৰ্ণ সেই সময়ত অসমত, ভিন্ন গোষ্ঠীৰ 'নগাৰ নৰোত্তম, গাৰোৰ গোবিন্দ, মুছলমানৰ চান্দসাই' আদিক ধৰ্ম দীক্ষা প্ৰদান আৰু ভক্তিধৰ্মলৈ আদৰণি আছিল এক বৈপ্লৱিক পদক্ষেপ, যি অসমীয়া জাতীয় সংহতিত বৰঙণি যোগালে। নামঘৰৰ স্থাপত্য শৈলীত বাটচ'ৰা, মণিকূট আদিত দক্ষিণ ভাৰতৰ মন্দিৰ নিমাৰ্ণ শৈলীৰ গোপুৰম, নাটঘৰ আদিৰ সাদৃশ্যও মন কৰিবলগীয়া। ৰামানুজৰ ভক্তিধৰ্মৰ এসোঁতা দক্ষিণৰ পৰা উত্তৰ পূবলৈ প্ৰবাহিত হোৱাৰ ইও এটা চানেকী বুলি গণ্য কৰিব পৰা যায়।

গড়গাঁও বা ৰংপুৰৰ ৰজাৰ সৈতে ভৌগোলিক দূৰত্ব থকা বাবে কিছুমান স্থানীয় সমস্যা আজিৰ পাৰিবাৰিক আদালতৰ দৰে নামঘৰতে সমাধানৰ চেষ্টা কৰা হৈছিল। মহাত্মা গান্ধীৰ অসম আগমণৰ সময়ত নামঘৰৰ এই সুন্দৰ ব্যৱস্থাটো তেখেতেও প্ৰশংসা কৰিছিল আৰু ইয়াক সৰ্বভাৰতীয় স্তৰত তেখেতে প্ৰৱৰ্তনৰ চেষ্টা কৰা পঞ্চায়ত ব্যৱস্থাৰ আদি ৰূপ বুলি ধৰিব পাৰি।

ভক্তি আন্দোলনৰ প্ৰবক্তাসকলৰ দৃষ্টি মাথো ক্ষুদ্ৰাকাৰ অসমৰ মাজতে সীমাবদ্ধ নাছিল। তীৰ্থ ভ্ৰমণ আদিৰ যোগেদি বৃহত্তৰ ভাৰতবৰ্ষৰ লগত পৰিচিত হোৱা ধৰ্মগুৰুসকলে অসমৰ বাদেও চুবুৰীয়া ৰাজ্য বঙ্গ, বিহাৰ, উৰিষ্যা আদি ঠাইতো এই ভক্তিৰসৰ ধাৰা বোৱাবলৈ চিন্তা কৰিছিল আৰু এই ক্ষেত্ৰত কোচবিহাৰ আদি ঠাইত সফলো হৈছিল। সেই বাবেই তেওঁলোকে এটি সকলোৰে বুজি পোৱা ভাষাৰ

প্ৰয়োজনীয়তা অনুভৱ কৰিছিল আৰু সেই উদ্দেশ্যে সাহিত্যত ব্যৱহাৰ কৰিছিল মৈথিলী, প্ৰাকৃত আদি ভাষাৰ শব্দ ভাণ্ডাৰ যুক্ত 'ব্ৰজবুলি' ভাষা। এই ভাষা বঙ্গ, বিহাৰ, উৰিষ্যাৰ লগতে অসমতো লোকবোধ্য আছিল। ব্ৰজবুলি ভাষা ভক্তি সাহিত্যৰ মাধ্যম ৰূপে ব্যৱহাৰ হোৱাত কবীৰৰ 'দোহা'ৰ পৰা আৰম্ভ কৰি উত্তৰ ভাৰতৰ সাহিত্য সমূহো অসমীয়া সাহিত্যৰ কাষ চাপি আহিবলৈ সক্ষম হৈছিল।

প্ৰাকৃতিক ভাৱে ভাৰতবৰ্ষৰ মূল ভূখণ্ডৰ পৰা দূৰৱৰ্তী হোৱাৰ বাবে অসমভূমিত সৰ্বভাৰীতয় চেতনাৰ উন্মেষ ঘটাত স্বাভাৱিকতেই পলম হৈছিল। আনকি ভাৰতবৰ্ষ শব্দটোৰ সৈতেও অসমৰ জনমানসৰ কিমান দূৰ চিনাকি আছিল সিও সন্দেহজনক। কিন্তু তীৰ্থ ভ্ৰমণ আদিৰ যোগেদি ভক্তি আন্দোলনৰ প্ৰবক্তাসকলৰ মনত সৰ্বভাৰতীয় চিন্তাধাৰা জাগ্ৰত হৈছিল। শঙ্কৰদেৱৰ 'কীৰ্ত্তন-ঘোষা, বৰগীত', মাধৱদেৱৰ নামঘোষা, অনন্ত কন্দলিৰ ভাগৱত আদিত 'ভাৰতবৰ্ষ' শব্দৰ ব্যৱহাৰ সেয়েহে সৰ্বভাৰতীয় চেতনাৰ উন্মেষৰ চানেকী। এই চেতনাৰ লগতে বৃহত্তৰ ভাৰতৰ বাকী জনসাধাৰণৰ লগত অসমৰ জনসাধাণ ভগৱৎ প্ৰীতিৰ যোগেদি একাত্মবোধ গঢ় লৈ উঠিল আৰু ইয়েই জাতীয় সংহতি সুদৃঢ় কৰাত অৰিহণা যোগালে।[৩] শঙ্কৰদেৱৰ 'ৰুক্মিণী হৰণ' নাটকত গুজৰাটৰ দ্বাৰকাৰ 'দৰা' শ্ৰীকৃষ্ণই অসমৰ 'কইনা' 'ৰুক্মিণীক বিয়া কৰাই আহোতে সম্পূৰ্ণ স্থানীয় সাজ-পাৰ, ৰীতি-নীতিৰে সমৃদ্ধ কৰি জনমানসত একাত্মবোধ জাগৃত কৰাৰ চেষ্টাতো সংহতিৰ চাপ পৰিলক্ষিত হয়।

উমেহতীয়া সামাজিক মংগল সাধনাৰ্থে বৈষ্ণৱ ধৰ্মাচাৰ্যসকলে সকলো শ্ৰেণীৰ লোকক মানৱীয় মৰ্যাদা দান কৰাত গুৰুত্ব দিছিল। বৈষ্ণৱ ভক্তি ধৰ্মত কমাৰ, কুমাৰ, কহাৰ, বাঢ়ৈ, মুচিয়াৰ আদি সমাজৰ নিম্ন শ্ৰেণীটোৰ প্ৰতি সহানুভূতিৰ মনোভাৱে অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ পথ সুগম কৰি তুলিছিল। উত্তৰ ভাৰতৰ স্বামী ৰমানন্দ, কবীৰ, ৰৈদাস আদি সন্তসকলেও এনেদৰে জাত-পাতৰ বিভেদ আঁতৰাই শ্ৰেণী বৈষম্যহীন সমাজ গঢ়াৰ মনোভাৱ লৈ ধৰ্ম প্ৰচাৰত প্ৰবৃত্ত হৈছিল। ভক্তি প্ৰচাৰেই মূল লক্ষ্য হ'লেও অসমৰ মধ্যযুগৰ বৈষ্ণৱ ভক্তি আন্দোলন তথা ভক্তি প্ৰধান সাহিত্যৰ মাজেদিহে প্ৰকৃতাৰ্থত 'বৰ অসম'ৰ ধাৰণাতো গঢ় লৈ উঠিব পাৰিলে আৰু অসমীয়া জাতিক ভাৰতীয় 'মহাজাতি'ৰ অংশীদাৰৰূপে পৰিগণিত হোৱাৰ সুবিধা দান কৰিলে।●●

৩. চিত্ৰ মহন্ত, শঙ্কৰদেৱ-সংস্কৃতি আৰু সমন্বয়, পৃ. ৪৬।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১. পৰম্পৰাগত ভাৰতীয় নাট্য ঃ বহুমুখী ধাৰা
মূল কপিলা বাৎসায়ন, অনুবাদ শ্ৰীবীৰেন্দ্ৰনাথ দত্ত, নেছনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া, ১৯৯৬
২. শঙ্কৰদেৱ সন্দৰ্শন, অসম সাহিত্য সভা, প্ৰথম প্ৰকাশ, ১৯৯৮, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট
৩. শ্ৰীমন্ত শঙ্কৰদেৱ ঃ কৃতি আৰু কৃতিত্ব, শিৱনাথ বৰ্মন, ত্ৰিমূৰ্তি প্ৰকাশন, প্ৰথম প্ৰকাশ, ১৯৮৬, আমবাৰী, গুৱাহাটী
৪. অসমীয়া নাট্য সাহিত্য, সত্যেন্দ্ৰনাথ শৰ্মা, নিউ বুক ষ্টল, গুৱাহাটী, তৃতীয় সংস্কৰণ, ১৯৭৩
৫. শঙ্কৰদেৱ ঃ সংস্কৃতি আৰু সমন্বয়, চিত্ৰ মহন্ত, লয়াৰ্চ বুক ষ্টল, গুৱাহাটী, প্ৰথম প্ৰকাশ ১৯৯২

লেখক পৰিচয় ঃ **বীণাপাণি দেৱী**
জগন্নাথ বৰুৱা মহাবিদ্যালয়,
যোৰহাট

# ভক্তি

নাৰায়ণ শইকীয়া

সভ্যতা-সংস্কৃতিৰ বিকাশৰ লগে লগে মানুহে ঐশ্বৰিকত্বৰো সন্ধান পালে। জাগতিক শক্তিৰ মূল উৎসৰ অনুসন্ধান উপলব্ধিৰ প্ৰচেষ্টা চলিল। ইহ জগতৰ লগতে এখন আধ্যাত্মিক জগতৰ লগতো মানুহৰ হৃদয়ৰ সম্পৰ্ক গঢ়ি উঠিল। মানৰ চিত্তত জাগি উঠিল পাশৱিকতাক জয় কৰাৰ দুৰ্বাৰ হেঁপাহ। সমাজত চলি থকা নানান অসংগতিক শৃঙ্খলাৰ মাজলৈ আনিবলৈ মহাত্মাসকলে জীৱন উচৰ্গা কৰিলে। বহু হাজাৰ বছৰীয়া কৃচ্ছ সাধনাই মানৱ-অন্তৰত ভক্তিৰ বীজ অঙ্কুৰিত কৰিলে। এই ভক্তিয়েই এসময়ত ভাৰতীয় মহাজাতি গঠনত সম্পূৰ্ণৰূপে সহায় কৰিলে।

অনন্ত কোটি ব্ৰহ্মাণ্ডৰ অধিকাৰী হৰিৰ প্ৰতি একান্ত অনুৰক্তিয়েই ভক্তি। ই এক হৃদয় বৃত্তি। একান্ত হৃদয়ানুভূতি। জ্ঞান আৰু কৰ্মৰ উৰ্ধত বাসনাতীত অনুভৱ উপলব্ধিয়েই ভক্তি। অনন্ত সুন্দৰৰ প্ৰেমত ভক্তই আত্মবিলোপ ঘটাই সৰ্বস্ব সমৰ্পণ কৰাৰ নামেই ভক্তি বুলি উপনিষদত কৈছে। পৰম শক্তি হৈছে-- "সত্যম শিৱম সুন্দৰম"। এই পৰম শক্তিৰ ওচৰত আত্মনিবেদনেই ভক্তি।

ভক্তি মূলতে দুই তৰপৰ-সগুণ আৰু নিৰ্গুণ বা সকাম আৰু নিষ্কাম ভক্তি। ইয়াৰ লগতে আহি পৰে সাকাৰ আৰু নিৰাকাৰ প্ৰসঙ্গ। পৰম শক্তি কি বুলি বা কি ৰূপত অথবা কেনেকৈ উপাসনা কৰিব পাৰি বা সেই উপাসনাৰ সহজ সাধ্য উপায় কি? এনে বহু কথাই যুগে যুগে মানুহক ন ন চিন্তা-চৰ্চা, ধ্যান-ধাৰণাৰ লগতে পৰিচয় কৰাই দি আহিছে।

সাত্বিক, ৰাজসিক আৰু তামসিক- এই তিনি প্ৰকাৰে সগুণ ভক্তিক তিনিটা স্তৰত ভাগ কৰা হয়। ভাগৱতৰ ৩য় স্কন্ধত এই তিনিবিধ ভক্তিৰ ব্যাখ্যা এনেদৰে কৰা হৈছে—

**সাত্বিক ভক্তি ঃ**

পাপ মোৰ হৌক নাশ ভগৱন্ত হৌক প্ৰীতি
নুহি অৱশ্যেকে বিধি মানি।
ই তিনি প্ৰকাৰ ভক্তি কৰিলে সাত্বিক বুলি
নিষ্ঠে মঞি কহিলো বখানি।।১৩৪১।।

**ৰাজসিক ভক্তি ঃ**

বিষয়ত কৰি আশা যশ বা ঐশ্বৰ্য্য চাৰে
প্ৰতিমাত মোহোক পূজয়।
তিনিয়ো প্ৰকাৰ ইটো ৰাজস ভকতি মাত্ৰ
তযু আগে কহিলো নিশ্চয়।।১৩৪১।।

**তামসিক ভক্তি ঃ**

পৰক মাৰিবে প্ৰতি মনত সংকল্প কৰে
দম্ভ বা মৎসৰ আতিশয়।
এহিমতে ভক্তি মোত কৰিলে তামস হয়
ক্ৰোধ ভেদ তিনিতে আছয়।।১৩৪০।।

গুণৰ তাৰতম্যৰে উপৰি উক্ত তিনিবিধ ভক্তিক ক্ৰমে উত্তম, মধ্যম আৰু অধম বা প্ৰাকৃত ৰূপত স্তৰীভূত কৰা হয়। ইয়াৰো একাশীবিধ প্ৰকাৰ আছে—

সগুণ ভকতিভেদ একাশী প্ৰকাৰ।
নিৰ্গুণ ভকতি একেবিধ মাধৱৰ।।৫০৬।।

-- ভক্তি-ৰত্নাকৰ

সগুণ ভক্তি যে বাসনাযুক্ত, সেয়া ওপৰত দিয়া উদাহৰণৰ পৰাই বুজিব পাৰি। তিনিও বিধতে সাধকে আপোন স্বাৰ্থ বিসৰ্জন দিব পৰা নাই। মায়া মোহে আৱৰি থকা প্ৰাকৃত জনে এনে ভকতিৰেই সংসাৰ নিৰ্বাহৰ আশা কৰে। বাসনাযুক্ত হোৱা বাবে ই ভক্তৰ চিত্ত শোধন কৰিব নোৱাৰে। সেয়ে সগুণ ভক্তিক প্ৰকৃত ধৰ্মৰ গাণ্ডীত ধৰিব নোৱাৰি। কাৰণ ধৰ্ম হ'ল আধ্যাত্মিক পৰিবৰ্তন; যি আমাৰ হৃদয় ৰূপান্তৰ কৰি অন্ধকাৰৰ পৰা পোহৰলৈ, স্থৱিৰতাৰ পৰা গতিশীলতালৈ, অবিদ্যাৰ পৰা জ্ঞানলৈ আমাক আগুৱাই নিয়ে। ৰাজসিক আৰু তামসিক পৰ্যায়ত যিহেতু জীৱহত্যাক ধৰ্ম বুলিহে স্বীকৃতি দিয়া হৈছে। গতিকে এনে ধৰ্মই সমাজত

কেতিয়াও শান্তি প্রতিষ্ঠা কৰিব নোৱাৰে। কিন্তু সাত্ত্বিক সগুণ ভক্তিৰ কৰ্ষণৰ দ্বাৰা নিৰ্গুণ পৰ্যায়লৈ আগুৱাব পাৰি। ইয়াত আনৰ অহিত চিন্তাৰ পথ নাই। সেয়ে নাম-ঘোষাত মাধৱদেৱে কৈছে—

কৃষ্ণৰ নামক সদা কীৰ্ত্তন কৰয় যিটো
মনে দৃঢ় কৰিয়া নিশ্চয়।
নিষ্কাম হোক বা যদি সকাম হোৱয় তাক
কদাচিতো কলি নবাধয়।।২০।।

কাৰণ—

কৰ্ণপথে ভকতৰ হিয়াত প্ৰৱেশি হৰি
দুৰ্ব্বাসনা হৰে সমস্তয়।
জলৰ যতেক মল যেহেন শৰত কালে
স্বভাৱতে নিৰ্ম্মল কৰয়।।১৫।।

-- নাম-ঘোষা

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে 'ভক্তি-ৰত্নাকৰ'ত ভক্তিৰ প্ৰকাৰ ভেদ কৰিছে এনেদৰে-উত্তমা, অন্তৰঙ্গা, নিৰ্গুণা, সপ্ৰেম ভক্তি আৰু সগুণ নিৰ্গুণ। ইয়াৰে অব্যভিচাৰী সপ্ৰেম ভক্তিক সৰ্বশ্ৰেষ্ঠ বুলিছে। এনে সপ্ৰেম ভক্তিয়েই নিষ্কাম বা নিৰ্গুণ ভক্তি। কাম-গন্ধহীন ভাৱে কৰা ঈশ্বৰ উপাসনাই নিৰ্গুণ ভক্তি। ইয়াৰ কোনো প্ৰকাৰ ভেদ নাই; ই অবিভাজ্য। ইয়াক নটা উপাসনা পদ্ধতিৰে ভক্তই আচৰে। এই নৱবিধা ভক্তি পদ্ধতি হৈছে-- শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, অৰ্চন, বন্দন, দাস্য,সখিত্ব, পদসেৱন আৰু দেহা অৰ্পণ বা আত্মনিবেদন। অসমৰ ভক্তি মাৰ্গত শ্ৰৱণ, কীৰ্ত্তনকে শ্ৰেষ্ঠতৰ বুলি কোৱা হৈছে--

যদ্যপি ভকতি নৱবিধ মাধৱৰ।
শ্ৰৱণ কীৰ্ত্তন তাতো মহা শ্ৰেষ্ঠতৰ।।..৩৮।।

-- ভাগৱত, ১ম স্কন্ধ

জ্ঞান বা কৰ্ম অৰ্থাৎ তপ, জপ, যাগ, যজ্ঞ, ব্ৰতাদিৰ যোগেদি ভক্তি নিসিজে—

জ্ঞান কৰ্ম্ম যোগক কৰন্তে মহা কষ্ট।
অল্পছিদ্ৰে কৰে যাক ক্ষণেকতে নষ্ট।।
ৰাজসূয় কৰি যেৱে ব্ৰহ্মলোকে চৰে।
পুণ্যক্ষয় ভৈলে দুনাই সংসাৰত পৰে।।১২।।

- ভক্তি প্ৰদীপ

হৰি নামতকৈ শক্তিশালী বস্তু জগতত নাই —

পুণ্য অৰণ্যৰ মাজে মাধৱৰ নামসিংহ
প্ৰকাশ কৰয় আতি বড়ে।
যাৰ ধ্বনি শুনি ভয়ে মহাপাপ হস্তীচয়
পলায় আতি ত্ৰাসত লৰড়ে।।২৫।।

-- নাম-ঘোষা

আকৌ, নিৰাকাৰ মূৰ্ত্তিশূন্য পৰম ব্ৰহ্মাক কেৱল নামেৰেহে তুষ্ট কৰিব পাৰি—

অব্যক্ত ঈশ্বৰ হৰি কিমতে পূজিবা তাঙ্ক
ব্যাপকত কিবা বিসৰ্জ্জন।
এতাৱন্ত মূৰ্ত্তিশূন্য কেনমতে চিন্তিবাহা
ৰাম বুলি শুদ্ধ কৰা মন।।৮।।

-- নাম-ঘোষা

শ্ৰৱণ-কীৰ্ত্তনেৰে দেহমন পৱিত্ৰ কৰিবলৈ প্ৰয়াস কৰিলে কৰ্ম আৰু জ্ঞানো অৰ্জন কৰিব পাৰি--

ভকতি কৰন্তে জানা আপুনি উপজৈ জ্ঞান
যোগ চিন্তি মৰে মিছা কাজে।।২০০।।

-- একাদশ স্কন্ধ

শ্ৰীমদ্ভগৱতগীতা, শ্ৰীমদ্ভাগৱত, নাৰদীয় ভক্তি সূত্ৰ এই সকলোতে উপনিষদ বিহিত নিষ্কাম তথা একমুখী ভকতি প্ৰতিপাদিত হৈছে। তাৰেই আলমত কীৰ্ত্তন, নাম-ঘোষা আদিত অদ্বৈতবাদী ভক্তিৰ পোষকতা কৰা হৈছে।-গীতাৰ 'একমেবাদ্বিতীয়ম্' "কৃষ্ণস্তু ভগৱাম স্বয়ম্ "ভক্তি ধৰ্মৰ মূল দৰ্শন। অসমত প্ৰৱৰ্ত্তিত নৱবৈষ্ণৱ ধৰ্মত এই মূলদৰ্শনৰ ওপৰতে প্ৰতিষ্ঠিত-- "একদেৱ একসেৱ একবিনে নাই কেৱ।"

কথিত পৰম্পৰা অনুসৰি ৰামানন্দই দক্ষিণৰ দাবিড় দেশৰ পৰা ভক্তি পন্থ আনি উত্তৰ ভাৰতত স্থাপন কৰে। কিন্তু এই ভক্তিৰ বীজ অঙ্কুৰিত হৈছিল দাবিড় সকলৰ পূৰ্বপুৰুষ মহেঞ্জোদাৰো আৰু হৰপ্পাবাসীৰ অন্তৰত। সেইসকল আছিল একেশ্বৰবাদী। শিৱ আছিল একমাত্ৰ উপাস্য দেৱতা। দক্ষিণ ভাৰতত আলোৱাৰ সকলৰ মাজত ৪ৰ্থ শতিকাৰ পৰা বৈষ্ণৱ ভক্তি পৰম্পৰাৰ সূচনা হয়। শিৱ উপাসকসকল পৃথক হৈ পৰে। আৰ্যসকলে এই আলোৱাৰ সকলৰ পৰাই ভক্তি পন্থ লাভ কৰে। শঙ্কৰাচাৰ্য, ৰামানুজ, মধ্বাচাৰ্য, নিম্বাকাচাৰ্য, কল্লবাচাৰ্য আদি সন্তসকলো আছিল দক্ষিণ ভাৰতীয়। ইয়াৰ পৰাই উত্তৰ, পশ্চিম, পূৰ্ব ভাৰতলৈ

ভক্তিৰ সোঁত বয়। শ্ৰীমন্ত শঙ্কৰদেৱেও দক্ষিণৰ পুৰীৰ পৰা আহৰিত ভাগৱত গ্ৰন্থকে আধাৰ হিচাপে লৈ ভক্তি আন্দোলনৰ সূচনা কৰিছিল।

ভক্তি পৰম পদ, পৰম শক্তি। যি শক্তিৰ বলত গ্ৰাহ-গজেন্দ্ৰই মোক্ষ লাভ কৰি বৈকুণ্ঠৰ পাৰিষদ হৈ পাৰ্থিৱ জীৱন এৰি সংসাৰ নিকাৰৰ পৰা ৰক্ষা পৰিছিল। অৰ্জুনে পৰম পুৰুষক সখা ৰূপে, সাৰথি ৰূপে লাভ কৰিছিল। দিব্যচক্ষুৰ অধিকাৰী হৈ বিশ্বৰূপ দৰ্শন কৰিবলৈ সক্ষম হৈছিল; প্ৰহ্লাদ ৰক্ষা পৰিছিল হিৰণ্যকশিপুৰৰ পাশৰ পৰা। নন্দ-যশোদাই পুত্ৰ ৰূপে লাভ কৰিছিল পৰম পুৰুষক। ভক্তিৰ মহিমা অপাৰ। সমস্ত বৈষ্ণৱ সাহিত্যত তাৰেই বৰ্ণনা।

ভক্তি আচৰি মানৱীয়তা অৰ্জ্জনৰ বাবে সমস্ত ভেদা-ভেদ দূৰ কৰি অন্তৰ পৱিত্ৰ কৰিব লাগিব। জাত-পাত, বৰ্ণ, দম্ভ অহঙ্কাৰ, উচ্চ-নীচ সকলো নেওচি সংসাৰতে থাকিলেই হ'ল। সংসাৰ ত্যাগ কৰি, বনবাসী হৈ জটাৰ ভাৰ বব নেলাগে। দেৱ-দেৱীৰ নামত জীৱ হত্যা কৰি ৰক্ত-তিলকো ধাৰণ কৰিব নেলাগে। মিছা আড়ম্বৰৰো প্ৰয়োজন নাই। প্ৰকৃত ভক্ত হোৱাৰ পথত থকা হেঙাৰবোৰ আঁতৰাই আগবাঢ়ি যাওঁতে বহুতকে আলমৰ দৰকাৰ হয়। মোহগ্ৰস্ত, মায়াচ্ছাদিত মানুহক ভৱ সমুদ্ৰৰ প্ৰবল ঢৌৱে থৰকাচুটি হেৰুওৱাৰ বাবেই আলমৰ সহায় বিচাৰে। সেয়ে সগুণ, সকাম, সাকাৰ প্ৰভৃতিৰ সহায়ত সংসাৰত কাল যাপন কৰিবলৈ বিচাৰে। এনে কৰোঁতে একান্ত মনোনিবেশে মানুহক নিষ্কাম ভকতিলৈ আগুৱাই নিয়ে। লাহে লাহে জীৱন আৰু জগতৰ অস্তিত্ব তথা সত্বা উপলব্ধি হয়। সন্ত-সাধু মহাত্মাসকলে এনে নিষ্কাম ভকতিৰ বলতে সুমধুৰ সংগীত, আৱেগে হৃদয় তোলপাৰ লগাব পৰা কাব্য, চালে বিস্ময়ত হতবাক হ'ব লগা অভিনয়-নৃত্যাদি, সৎ সঙ্গৰে ভৰি থকা নামঘৰ, সত্ৰ-থান আদি পৱিত্ৰানুষ্ঠান, তেত্ৰিশ কোটি দেৱতাৰ ওপৰত এজন শ্ৰেষ্ঠতম দেৱতাৰ প্ৰতিস্থাপন আদি কাৰ্যৰ মাজেদি উচ্চ-নীচ, স্পৃশ্য-অস্পৃশ্য, জাত-পাতৰ উৰ্ধত এখন প্ৰকৃত মানৱ সমাজ প্ৰতিষ্ঠাৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। সমগ্ৰ ভাৰত জুৰি নৱবৈষ্ণৱ তথা ভক্তি-আন্দোলনৰ সূচনাৰে তাপিত, শোষিত, নিপীড়িত জনতাক জীৱন পথৰ সন্ধান দিছিল।

ভাৰতীয় প্ৰান্তীয় ভাষা-সাহিত্য, সংস্কৃতিক স্বকীয়তা দান কৰি ভাৰতীয় মহাজাতি গঠনত ভক্তি আন্দোলনৰ ভূমিকা সবাৰে ওপৰত। খৃঃ ত্ৰয়োদশৰ পৰা যোড়শ-সপ্তদশ শতিকালৈ এই আন্দোলনে তোলপাৰ লগাই আছিল। ইয়াৰ ফলতে ৰাজসিক, তামসিক ত্ৰিয়া কাণ্ডৰ আগম পন্থা ম্লান পৰি আছিল। পিছে মূল কাণ্ডাৰীসকল বৈকুণ্ঠগামী হোৱাৰ লগে লগে পূৰ্বৰ আসুৰিক প্ৰৱণতাই পুনৰ মূৰ দাঙি উঠিছে। অদক্ষ, স্বাৰ্থান্বেষী গুৰু-শিষ্যৰ দপ্‌দপনি বাঢ়িব লাগিছে। দেশী-বিদেশী বিভিন্ন অপশক্তিয়ে ভাৰতীয় সমাজ জীৱনক তচ্‌নচ্ কৰি পেলাইছে। এনে অৱস্থাত সমাজক ভক্তি অমৃত পান কৰাই সৎ শুদ্ধ জীৱন পথ দেখুৱাবলৈ পুনৰ এক শক্তিশালী ভক্তি-আন্দোলনৰ প্ৰয়োজন আহি পৰিছে। এই কথা সকলোৱে স্বীকাৰ কৰিব যে বহু বৰ্ণ, ধৰ্ম, জাত-পাতেৰে ভৰা ভাৰতবৰ্ষত ৰাষ্ট্ৰীয় একতা আৰু অখণ্ডতা ৰক্ষাৰ বাবে অস্ত্ৰ-শস্ত্ৰ বাহুবলতকৈও সনাতন, শ্বাশ্বত ভক্তিৰ আলম লোৱাটোহে অতি প্ৰাসঙ্গিক। ●●

**লেখক পৰিচয়ঃ নাৰায়ণ শইকীয়া**
**অধ্যাপক, অসমীয়া বিভাগ**
**মৰিগাঁও মহাবিদ্যালয়**

# নাম-ঘোষাত ভক্তিৰস

ৰাজু বৰুৱা

**অৱতৰণিকা ঃ**

ভাৰতীয় ইতিহাসত দেখা যায় যে, খৃঃ দ্বাদশ শতিকাৰ পৰা ষোড়শ শতিকাৰ ভিতৰতে ভক্তি আন্দোলনে গঢ় লৈছিল। ধৰ্মৰ গ্লানি মষিমুৰ কৰি সমাজত সাম্য মৈত্ৰী প্ৰতিষ্ঠাৰ দ্বাৰা মানৱ সমাজত সুস্থ আৰু সজ শুদ্ধ পথেৰে আগুৱাই নিবৰ বাবে সময়ে সময়ে ভাৰতবৰ্ষত মহান পুৰুষসকলৰ আবিৰ্ভাৱ ঘটি আহিছে। অসমত শঙ্কৰদেৱ, মাধৱদেৱ, বঙ্গত চৈতন্যদেৱ, দক্ষিণৰ আলোৱাৰ প্ৰমুখ্যে ধৰ্ম প্ৰচাৰকসকলে গোটেই ভাৰতীয় সমাজখনকে নতুন দিশৰ সন্ধান দিছে। পশ্চিমীয়া দেশত যেনে ধৰণে শিল্প কলা সাহিত্যৰ মাজেদি নতুনত্ব সৃষ্টি হৈছিল যাক আমি ৰেণেছা বুলি কওঁ, আমাৰ দেশত তেনে ধৰণে হোৱা নাই। আমাৰ দেশত ধৰ্ম আৰু বাহ্যিক অনুষ্ঠানৰ বিৰোধৰ মাজেদি নতুন যুগ বিপ্লৱৰ সূচনা হ'ল। ভাৰতত দক্ষিণৰ পৰা উত্তৰলৈ ভক্তি আন্দোলনে আন্দোলিত কৰা সময়তে পঞ্চদশ শতিকাত অসমত আবিৰ্ভাৱ হয় শ্ৰীমন্ত শঙ্কৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ। দুয়োজন মহাপুৰুষৰ প্ৰচেষ্টাত অসমত গঢ় লৈ উঠা নৱবৈষ্ণৱ ভক্তি আন্দোলনে সমাজ জীৱনত এক নতুন প্ৰাণৰ সঞ্চাৰ কৰিলে। কিন্তু এই আন্দোলনৰ প্ৰভাৱ কেৱল ধৰ্ম বিষয়তে আবদ্ধ নাথাকি সাহিত্য সমাজ সংস্কৃতি আদি বিভিন্ন ক্ষেত্ৰলৈ প্ৰসাৰিত হৈছিল। অসমত প্ৰাক্ বৈষ্ণৱ যুগতে ভক্তি ধৰ্মৰ ধাৰা এটি লক্ষ্য কৰা যায় কিন্তু শৈৱ-শাক্ত ধৰ্ম প্ৰভাৱত ই গা কৰিব পৰা নাছিল। শঙ্কৰদেৱৰ আবিৰ্ভাৱৰ পূৰ্বৰে পৰা অসমখন অধৰ্ম, কুসংস্কাৰ, ব্যভিচাৰ আদিৰে ভৰি আছিল। শঙ্কৰদেৱে এখন নিকা শোষণমুক্ত সমাজ গঢ়িবলৈ ভক্তি আন্দোলন সফল কৰি তোলে, তেওঁৰ এই আন্দোলন সফল কৰি তোলাত অৰিহণা যোগাইছিল তেওঁৰে প্ৰিয় শিষ্য মাধৱদেৱে।

**নাম-ঘোষা ঃ এটি চমু আভাস ঃ**

শঙ্কৰদেৱৰ ধৰ্মীয় জীৱনৰ সাৰথি আছিল মাধৱদেৱ। দুয়োগৰাকী মহাপুৰুষ সকলো বিষয়তে এজন আনজনৰ পৰিপূৰক আৰু অভেদ আত্মা আছিল। প্ৰয়াণৰ সময়ত শঙ্কৰদেৱে নিজৰ সবেখানি শক্তি ভক্তি বল পৰাক্ৰম মাধৱত অৰ্পণ কৰি তেওঁৰ ওপৰতে ধৰ্মৰ সমস্ত ভাৰ তুলি থৈ যায়। এই গৰাকী মহাপুৰুষ একনিষ্ঠ সাধক, মহাভক্ত, অগাধ পণ্ডিত, সু-কবি, সঙ্গীতজ্ঞ আৰু পৰম ত্যাগী। মহাপুৰুষৰ জীৱন কথা যিদৰে বিচিত্ৰ, অসমৰ ধৰ্ম, সাহিত্য, সংস্কৃতিত তেখেতৰ অৱদানো সেইদৰে বিচিত্ৰ। জীৱনযোৱা সাধনাৰে মহাপুৰুষ মাধৱদেৱে গুৰুজনাৰ নৱবৈষ্ণৱ ভক্তি আন্দোলনক অধিক শক্তিশালী কৰি তুলিছিল। শঙ্কৰদেৱৰ পৰা পোৱা আদৰ্শ আৰু প্ৰেৰণাই মাধৱদেৱৰ জীৱনৰ পৰম মূলধন। শঙ্কৰদেৱে মাধৱদেৱক আৱিষ্কাৰ কৰিলে বুলিলেও অত্যুক্তি কৰা নুবুজায়। সাহিত্যৰ দিশটো মাধৱদেৱ আছিল সৰ্বগুণী। ৰূপ বা গঢ় অনুসৰি মাধৱদেৱৰ ৰচনাৱলীক চাৰিটা ভাগত ভগাব পাৰি। (১) আখ্যানমূলক— আদিকাণ্ড আৰু ৰাজসূয় কাব্য, (২) তত্ত্বমূলক— জন্মৰহস্য, নামমালিকা, (৩) নাট— অৰ্জুন ভঞ্জন, চোৰধৰা পিম্পৰা গুচোৱা, ভূমি লেটোৱা, ভোজন বেহাৰ, ব্ৰহ্মা মোহন, ৰাম ঝুমুৰা, ভূষণ হৰণ আৰু কোটোৱা খেলা (৪) গীত— বৰগীত আৰু ভটিমা। উপৰিউক্ত ৰচনাৱলীৰ ভিতৰত মাধৱদেৱৰ ভক্তি ৰত্নাৱলী আৰু নাম-ঘোষা অসমৰ বৈষ্ণৱ সম্প্ৰদায়ৰ শ্ৰেষ্ঠ চাৰিপুথিৰ দুখন। শঙ্কৰদেৱৰ তিৰোভাৱৰ পিছত মাধৱদেৱে সম্প্ৰদায়িক উৎপীড়নৰ পৰা ৰক্ষা পাবলৈ কামৰূপ জিলা এৰি কোচ বিহাৰৰ ভেলা দুৱাৰত সত্ৰ পাতি লয় আৰু তাতেই জীৱনৰ শেষ কালত অনুপম আধ্যাত্মিক গ্ৰন্থ নাম-ঘোষা ৰচনা কৰে। তেখেতৰ পাণ্ডিত্য, কবিত্ব, ধৰ্ম মতবাদ, আধ্যাত্মিক ভাব-

চিন্তা আৰু শাস্ত্ৰৰ পৰা আহৰণ কৰা জ্ঞান নাম-ঘোষাৰ মাজেৰে প্ৰকাশিত হৈছে। একশৰণ নামধৰ্ম প্ৰচাৰত নাম-ঘোষা অদ্বিতীয় আৰু অন্যতম। নামঘোষা কেৱল কাব্যিক গুণাৱলীৰ বাবেই মনোমুগ্ধকৰ নহয়, ইয়াৰ দাৰ্শনিক বিশ্লেষণ আৰু আধ্যাত্মিক ধাৰণাও অতি উচ্চখাপৰ- অথচ বৰ সৰল। মাধৱদেৱৰ নামঘোষাৰ উদ্দেশ্য হৈছে এক ঈশ্বৰত শৰণাপন্ন হোৱা ভক্তৰ মনৰ বিক্ষিপ্ততা আঁতৰ কৰি উপাস্যজনৰ প্ৰতি একাগ্ৰতা অনা, ভক্তসকলক ঐক্যবদ্ধভাৱে আবদ্ধ কৰা, ঐক্য সংহতি আৰু জাতীয় চেতনা জাগ্ৰত কৰা। নিষ্কাম ভকতিয়েই অসমীয়া বৈষ্ণৱ ধৰ্মৰ চৰম আদৰ্শ আৰু এই আদৰ্শ নামঘোষাত ব্যক্ত হৈছে। মাধৱদেৱৰ নামঘোষা গ্ৰন্থই অসমীয়া সমাজত গীতা উপনিষদৰ দৰে স্থান পাই আহিছে। বৈষ্ণৱ ধৰ্মৰ চাৰিপুথি বুলিলেও কীৰ্তন, দশম, ঘোষা আৰু ৰত্নাৱলীকে উল্লেখ কৰা হয়। শঙ্কৰৰ প্ৰতি গুৰুভক্তি, ঈশ্বৰৰ মহিমা প্ৰকাশ, মাধৱদেৱৰ দাস্যভক্তি নামঘোষাত বৰ সুন্দৰকৈ প্ৰকাশ হৈছে। তেখেতৰ মতে ভক্তই ভগৱান। ভক্তিৰ অবিহনে ভগৱানক লাভ কৰিব নোৱাৰি। ভক্তিৰ পিছতহে মুক্তিৰ কথা চিন্তা কৰিব পাৰি। মাধৱদেৱৰ ৰসময়ী ভক্তিৰে গোটেই হেজাৰী ঘোষাখন চপচপাই আছে। মুঠতে নামঘোষাৰ ঘাই সূতাডাল হৈছে কৃষ্ণ নামৰ মহিমা কথন কৰা আৰু আদিৰ পৰা অন্তলৈকে কৃষ্ণ মহিমা ব্যক্ত কৰা। সকলো ধৰ্ম কৰ্মৰ ওপৰত নামধৰ্ম। নামে অপাৰ আনন্দ ৰস প্ৰদান কৰে। এই নামেই হ'ল মহাধন। এই মহাধন বিচাৰি ভক্তসকল আতুৰ হয়। নামঘোষাৰ একশৰণ নামধৰ্মত আধ্যাত্মিক জ্ঞান সাধনৰ পথ হৈছে ভক্তিভাৱে কৃষ্ণত শৰণ গ্ৰহণ কৰি সৎসঙ্গত ঈশ্বৰৰ নাম শ্ৰৱণ কীৰ্তন কৰা। মাধৱদেৱৰ নামঘোষাই এই পথত অগ্ৰসৰ হ'বলৈ সকলোকে অনুপ্ৰেৰণা যোগাই আহিছে।

**ভক্তি আৰু ভক্তিৰ স্বৰূপ ঃ**

ভক্তি হৈছে সনাতন হিন্দু ধৰ্মৰ এটি প্ৰসিদ্ধ অৰ্থবাচক তত্ত্ব। ভক্ত আৰু ভগৱানৰ মাজৰ যোগসূত্ৰধাৰী সোণালী সেতুৰ নাম হৈছে ভক্তি। ভাৱনাৰ উৎপত্তিস্থল হৃদয়ৰ পৰা নিগৰিত হোৱা ভাৱনাক ভগৱানলৈ বোৱাই নিয়াৰ যি প্ৰক্ৰিয়া সিয়েই হৈছে ভক্তি। ভকত ভক্তি আৰু পৰমেশ্বৰৰ মাজৰ সম্বন্ধতকৈ সংসাৰত একো সম্বন্ধ ডাঙৰ নহয়। সেয়ে প্ৰহ্লাদে বাপেকক, বিভীষণে ভাতৃক, ভৰতে মাকক, বলিয়ে গুৰুক, ব্ৰজবাসী গোপী আৰু মীৰাবায়ে নিজৰ স্বামীক ত্যাগ কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। ভক্তিৰ মহত্ব হৃদয়ঙ্গম কৰি তত্ত্বজ্ঞানীসকলে সেয়ে ঘোষণা কৰিছে- 'No other relation is more important than Bhakti' ভক্তিক নানাজনে নানাভাৱে বিশ্লেষণ কৰিছে- যেতিয়া মানুহৰ সকলো বৃত্তি ঈশ্বৰমুখী বা ঈৰানুবৰ্তিনী হয় আৰু সেই অৱস্থাই ভক্তি। ঈশ্বৰৰ গুণ যশ বা শ্ৰৱণ কীৰ্তনেই ভক্তিৰ সাধন। অৰ্থাৎ ঈশ্বৰৰ প্ৰতি পৰম অনুৰাগেই ভক্তি। বহুতে গীতাক কৰ্ম, জ্ঞান আৰু ভক্তিযোগৰ সমাহাৰ বুলি ক'ব খোজে, কিন্তু গীতাত এইটো দেখুওৱা হৈছে যে, এই তিনিওৰে ভিতৰত চৰম অৱস্থা হৈছে ভক্তি। ভক্তিহে শ্ৰেষ্ঠ পন্থা। গতিকে গীতা প্ৰকৃততে ভক্তি শাস্ত্ৰ।

**নামঘোষাত ভক্তিৰস ঃ**

বিশ্বব্ৰহ্মাণ্ডত এখনি সুগভীৰ নৈ আছে, যিখন নদীত ভকত বৈষ্ণৱসকলে, প্ৰবলসোঁতত উটি ভাঁহি সাঁতুৰি-নাদুৰি ইপাৰ-সিপাৰ হৈছে, দম্ভ অহংকাৰ, ৰোগ, শোক, মায়া-মোহ আদি সংশোধন কৰিছে- সেইখন অমৃতৰ নদীয়েই হৈছে মাধৱদেৱৰ নামঘোষা গ্ৰন্থ। শঙ্কৰদেৱৰ আজ্ঞা শিৰত লৈ তেওঁৰ জীৱন কালতে ভালেখিনি ঘোষা ৰচনা কৰে। কিন্তু বেছি ভাগ ঘোষাই তেওঁ সুন্দৰীদিয়াত থাকোতে ৰচনা কৰা। ইয়াৰ ভিতৰত প্ৰায় চাৰিশমান ঘোষা বিভিন্ন বৈষ্ণৱ গ্ৰন্থৰ সংস্কৃত শ্লোকৰ অনুবাদ। বাকীখিনি ভক্ত কবিৰ নিজা সৃষ্টি। অনুবাদমূলক ঘোষাসমূহৰ উৎস হিচাপে যিবোৰ শাস্ত্ৰ পোৱা গৈছে সিবোৰৰ ভিতৰত ভাগৱত পুৰাণ, ভগৱদগীতা, বিভিন্ন পুৰাণ আৰু বৈষ্ণৱ শাস্ত্ৰৰ পৰাই সংগ্ৰহ কৰিছে। নামঘোষাৰ বিষয়বস্তু হৈছে একশৰণবাদ, মায়া তৰণৰ উপায়, ভক্তিৰ শ্ৰেষ্ঠতা, শ্ৰৱণ কীৰ্তনৰ প্ৰাধান্যতা, দাস্য ভক্তিৰ মহিমা, নিস্পৃহ ভক্তিৰ শ্ৰেষ্ঠতা, সৎসঙ্গৰ মাহাত্ম্য, অৱতাৰবাদ, ভক্তিধৰ্মৰ চাৰিতত্ব ইত্যাদি।

মাধৱদেৱৰ ভক্তিভাৱ উৎপত্তি হৈছিল গুৰু সেৱাৰ পৰা। উল্লেখযোগ্য যে মাধৱদেৱে নামঘোষাতেই শঙ্কৰদেৱক অসমৰ ভক্তি সম্প্ৰদায়ৰ একমাত্ৰ গুৰুৰূপে প্ৰতিষ্ঠা কৰি গ'ল—

হৰি ভক্তি দান দিলা জগতক
তাৰিলা সংসাৰ সিন্ধু।

হেনয় কৃপালু শঙ্কৰ বিনাই
নাহি নাহি আন বন্ধু।।

ভগৱান শ্ৰীকৃষ্ণৰ মুখ নিঃসৃত গীতাত প্ৰকাশিত একশৰণ তত্ত্বই নামঘোষাৰ মূলমন্ত্ৰ। সেয়ে মাধৱদেৱে লেখিছে—

‘একেখানি মাত্ৰ শাস্ত্ৰ নিষ্ঠ/ দেৱকী নন্দনে কৈলা যাক/ দেবো একমাত্ৰ দেৱকী দেবীৰ সূত।।’

শঙ্কৰদেৱক গুৰু মানিয়েই মাধৱদেৱে ভক্তিৰ প্ৰথম দিশ উন্মোচন কৰিছে এনেদৰে—

শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনায় নাই নাই নাই
আমাৰ পৰম গুৰু।।

ঈশ্বৰৰ সন্ধানে যদিও মানুহক সংস্কাৰ কৰিলে তথাপি মাধৱদেৱে গুৰুক আৱিস্কাৰ কৰি ঈশ্বৰ আৰু শঙ্কৰৰ মহিমাৰ মাজত অভিন্নতা বিচাৰি পালে। সেয়ে তেওঁ মহিমাক স্বীকাৰ কৰি গুৰু ভটিমাও ৰচনা কৰিলে।

মাধৱদেৱে ন-বিধ ভক্তি নামঘোষাত উল্লেখ কৰিছে। এই ন-বিধ ভক্তিতে আছে নৱৰস। এই নৱৰস যি একত্ৰিত কৰিছে সেয়ে ৰসময়ী ভকতি—

‘শ্ৰৱণ কীৰ্ত্তন স্মৰণ বিষ্ণুৰ
অৰ্চ্চন পদসেৱন।
দাস্য সখিত্ব বন্দন বিষ্ণুত
কৰিব দেহ অৰ্পণ।।

ড° বাণীকান্ত কাকতিৰ মতে পুণ্যশ্লোক শঙ্কৰ স্মৃতি, কৃষ্ণ মহিমা আৰু মাধৱদেৱৰ আত্মলঘিমা- এই তিনিটা ভাবৰ অপূৰ্ব সমাহাৰ নামঘোষা গ্ৰন্থখনিত পোৱা যায়। মাধৱদেৱৰ আত্মলঘিমাৰ দ্বাৰা দাস্যভক্তিৰ স্বৰূপ সুন্দৰকৈ প্ৰকাশ হৈছে। শ্ৰৱণে মধুৰ কীৰ্তনে মধুৰ এই ঘোষাই দিয়ে কোনোদিনে বিচাৰি নোপোৱা এক অনাবিল আধ্যাত্মিক পৰিতৃপ্তি। যিজন ভকতে (মোক্ষ) মুকুতি সুখকো বাঞ্ছা নকৰি কেৱল ভকতিহে বিচাৰে আৰু তেনে ভকতিৰ মানৱমূৰ্তি গুৰুদেৱ শঙ্কৰ আৰু তেওঁ শাৰীৰ ভক্তসকলক নমস্কাৰ কৰি দেৱ যদুপতিৰ নামত আত্মবিলোপ কৰি ৰসময়ী ভকতিহে তেওঁ বাঞ্ছা কৰে। সেয়েহে তেওঁ লিখিছে—

‘মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময়ী মাগোহো ভকতি।

কৃষ্ণৰ চিন্তাত আত্মনিৱেদন কৰিলেহে প্ৰকৃত পথ সন্ধান পাব পাৰে। তেখেতে কৃষ্ণৰ স্বৰূপ প্ৰকাশ কৰোতে দাস্যভক্তিৰে ঈশ্বৰ কৃষ্ণৰ মাহাত্ম্য প্ৰকাশ কৰিছে এনেদৰে—

কৃষ্ণ এক দেৱ দুখহাৰী
কাল মায়াদিৰো অধিকাৰী
কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ।

মাধৱদেৱৰ দাস্যভক্তিৰ নিদৰ্শন প্ৰায়বোৰ ঘোষাৰে প্ৰবাহিত হৈছে—

‘মঞি দুৰাচাৰ কেৱলে তোহ্মাৰ
অপৰাধী নাৰায়ণ।
ক্ষমিয়োক হৰি লৈয়ো দাস কৰি
পশিলো হেৰা শৰণ।।

পূৰ্ব কবিসকলে আত্ম পৰিচয়ৰ যোগেদি যিদৰে গৌৰৱসূচক বিশ্লেষণ ব্যৱহাৰ কৰি গৈছিল, তেনেদৰে মাধৱদেৱে ক’তো আত্মপৰিচয়ত বিশেষণ ব্যৱহাৰ নকৰি পদৰ অন্তত দীন, মুৰুখমতি, দাসৰো দাস বুলিহে উল্লেখ কৰি গৈছে; উদাহৰণ স্বৰূপে—

তুমিসি সুহৃদ আত্মা প্ৰিয়তম
তথাপি তোমাক নভজো কি মই অধম।।

মাধৱদেৱৰ নামঘোষাৰ বিশ্বজনীনতাৰ মূলতে হ’ল দাস্য ভক্তিৰ চূড়ান্ত অভিব্যক্তি। পৰম পুৰুষ কৃষ্ণক পৰম স্বামীৰূপে, ভজনীয় দেৱতাৰূপে, নিজকে দাসৰো দাস ৰূপে, পৰম অনাথৰূপে, পতিৰূপে, সংসাৰত য’ত পাপী আছে তাৰ মই সীমা ইত্যাদি ধৰণে ভগৱানৰ ওচৰত আত্মসমৰ্পণ কৰি জনোৱা প্ৰাৰ্থনা সমস্ত জনগণৰ হৃদয়ৰ স্পৰ্শ কৰিছে—

মই অনাথক দায়া কৰহু পৰমানন্দ
দাস বুলি ধৰিয়ো মনত
থৈয়ো নিজ ভৃত্যৰ সঙ্গত।।

নামঘোষা কৃষ্ণ নাম প্ৰেমভক্তি ৰসৰ মৌ কোঁহ। যাৰ ৰস পান কৰি সাংসাৰিক জ্বালা যন্ত্ৰণাক উপশম কৰিব পাৰি। মানৱ সমাজক ভক্তিৰসেৰে সিক্ত কৰি আধ্যাত্মিকতাৰ বীজ সিঁচি সকলোকে ভক্তি পৰায়ণ কৰা আৰু অব্যক্ত ঈশ্বৰৰ নাম লৈ ভক্তি কৰিবলৈ উপদেশ দিছে—

অব্যক্ত ঈশ্বৰ হৰি কিমতে পূজিবা তাঙ্ক
ব্যাপকত কৰা বিসৰ্জ্জন।

এতাৱন্ত মূৰ্ত্তিশূন্য কেনমতে চিন্তিবাহা

ৰাম বুলি শুদ্ধ কৰা মন।।

ঈশ্বৰত শৰণাপন্ন হৈ সকলো বাহ্যিক কৰ্মকাণ্ড ত্যাগ কৰি তীৰ্থ, ব্ৰত, যাগ, যজ্ঞ পৰিহাৰ কৰি কেৱল কৃষ্ণ গুণ নাম শ্ৰৱণ-কীৰ্তন কৰি ঈশ্বৰ সেৱাৰ উপায় হিচাপে মাধৱদেৱে নামঘোষাত নিৰ্দেশ দি গৈছে।

ভক্তি লাভৰ পৰম উপায় হৈছে মায়া আৰু অবিদ্যা নাশ। এই মায়াৰ পৰা পৰিত্ৰাণ পাবৰ বাবে প্ৰয়োজন হয় ঈশ্বৰ প্ৰেম বা ভক্তি। মায়া তাৰণৰ হেতু মাধৱদেৱে নিৰ্গুণ ভক্তিয়েই পৰমানন্দ লাভৰ পৰম উপায় বুলি কৈছে।

তোমাৰ মায়েয়ে মন মুহি আছে হৰি এ

অজ্ঞান আন্ধাৰে পৰিয়া পাৰ নাপাঞো ৰাম ৰাম

নিৰ্গুণ হৰিৰ গুণক গায়া

পৰমানন্দ পাইবা তেজি মায়া।।

যিসকল হৰিসেৱাৰ প্ৰতি বিমুখ, বিষয় বাসনাৰ প্ৰতি অনুৰক্ত সেইসকলৰ প্ৰতি কবিয়ে খেদ প্ৰকাশ কৰিছে এনেদৰে—

হৰিনামে তৰে অন্ত্য জাতিকো মুকুত।

সজ্জনে নামক নিন্দে কিনো অদ্ভুত।।

মহাপাপী তৰে হৰি নামৰ কীৰ্ত্তনে।

হেন নাম নলৈয়া সজ্জন ভৈল কেনে।।

নামঘোষাৰ ৰসময়ী ভক্তি সৰোবৰত সাঁতুৰি-নাদুৰি ভক্তসকলে শান্তি লাভ কৰিছে। একশৰণ ধৰ্মৰ সকলো কৰ্মই নামঘোষাৰ মাজতে আজিও গুৰুজনক বিচাৰি পায়।

মাধৱদেৱে এবাৰ ভক্তসকলক কৈছিল- 'দশম কীৰ্তন গুৰুজনাৰ মূৰ্তি সমান, ঘোষা ৰত্নাৱলী আমাৰ থাকিবৰ থান।।' মই গুৰুজনক সেৱাকৈ জি পালো তাকো ঘোষাতে থৈছো, অনেক শাস্ত্ৰ বিচাৰি জি পাইছো তাকো ঘোষাতে থৈছো আৰু পৰমানন্দ ইষ্টে হৃদিত থাকি জি বুদ্ধিত দিলে তাকো মই ঘোষাতে থৈছো। এতেকে পদাৰ্থে, ভাৱাৰ্থে, তত্ত্বাৰ্থে, গূঢ়াৰ্থে, পৰমাৰ্থে, অন্তজোৰা সৈতে সন্তৰ কৃপাত পাব, আমাক সম্পূৰ্ণে দেখিব। (৯২৭ ছেদ)

ঈশ্বৰেই ধৰ্ম আৰু এই ধৰ্মই ঈশ্বৰ। কৰ্মৰ মাজেদিহে ঈশ্বৰক পাব পাৰি। কৰ্ম বিশ্বাসী জনৰ হৃদয়ত ঈশ্বৰে বসতি কৰে।

কৰ্ম্মত বিশ্বাস যাৰ হিয়াত থাকন্ত হৰি

আতিশয় দূৰ হোন্তে তাৰ

দূৰতো বিদূৰ হোন্ত তাৰ।

অহঙ্কাৰ থাকন্তেও সাক্ষাতে কৃষ্ণক পাৱে

শ্ৰৱণ কীৰ্ত্তন ধৰ্ম্ম যাৰ।।

গীতাৰ কৰ্মযোগ আৰু ভক্তিযোগৰ ভিতৰত মাধৱদেৱে ভক্তিযোগৰ ওপৰতহে গুৰুত্ব দিছে। ভক্তি নাথাকিলে জ্ঞান লাভ নহয়। ভক্তিৰ যোগেদি হৰিনামৰ মাহাত্ম্য যে অপাৰ, বিশ্বব্ৰহ্মাণ্ড জুৰি যে তেওঁৰ স্থিতি এই কথা ঘোষণা কৰিছে—

সৃষ্টি স্থিতি অন্তকাৰী দেৱ তান্ত বিনে আন নাহিকেৰ

গোবিন্দ গোবিন্দ গোবিন্দ গোবিন্দ গোবিন্দ ৰাম মুৰাৰি

অনন্ত কোটি ব্ৰহ্মাণ্ডৰ হৰি অধিকাৰী।

যাৰ নামৰ স্মৰণে কোটি কোটি পাপ ক্ষয় কৰিব পাৰে এনে এটা সহজসাধ্য ভক্তিৰ পথ মাধৱদেৱে নামঘোষাত দেখুৱাই গৈছে।

মোৰ সম পাপী লোক নাহিকে ই তিনিলোক

তুমি সম নাহি পাপহাৰী।

ইজানি গোবিন্দ মোক যেন যুৱাই কৰিয়োক

তুৱাপদে কৰোহো গোহাৰি।।

ওপৰত উল্লেখ কৰা হৈছে যে মাধৱদেৱৰ ভক্তিভাব আহিছিল গুৰুসেৱাৰ পৰা। সংসাৰ ত্যাগী মাধৱদেৱক দাস্যভক্তিৰ মূৰ্তিমান স্বৰূপ বুলিব পাৰি। মাধৱদেৱৰ দাস্যভক্তিৰ উদাহৰণ—

হে প্ৰভু ভগৱন্ত ইটো সংসাৰত যাত

আছো পাপী মই তাৰ সীমা।।

নিজকে ভিক্ষাৰী সাজি হৰিৰ চৰণত নিজকে অৰ্পণ কৰিছে। মাধৱদেৱৰ আত্মলঘিমাৰ যোগেদি প্ৰকাশ কৰা দাস্যভক্তিৰ নিদৰ্শন জগততে বিৰল—

হৰি তুমি আনন্দ সিন্ধু

হামু ভিক্ষাৰী মাগো এক বিন্দু।।

মাধৱদেৱে নামঘোষাত তিনিটা কথাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। এই তিনিটাৰ ওপৰত ভিত্তি কৰি কেনেকৈ মানুহে প্ৰকৃত ভক্তিৰ পথ অনুকৰণ কৰিব পাৰে তাক দেখুৱাইছে। সেই পথসমূহ হৈছে—

(ক) সাধুসঙ্গৰ পথ লোৱা বা অনুসৰণ কৰা

(খ) শ্ৰৱণ কীৰ্তন কৰা

(গ) পৰিহৰা পাষণ্ড আচাৰ।

সাধুসঙ্গ অনুসৰা শ্ৰৱণ কীৰ্ত্তন কৰা
পৰিহৰা পাষণ্ড আচাৰ।।

মাধৱদেৱে নামঘোষাত নামধৰ্মৰ তাত্বিক বস্তু কেইপদ এপদ এপদকৈ শৰণ, ভজন, নমস্কাৰ, উপদেশ, আত্মউপেদশ, আত্মনিন্দা, বস্তুপ্ৰকাশ, পুৰুষাৰ্থ, বিৰকতি, নিৰ্ণয়, হৰবাৰ, ঈশ্বৰ পুৰুষৰ লক্ষণ, ভাবাৰ্থ শংকা, নিন্দা, খেদ, মহাখেদ, ভাগৱত প্ৰশংসা শৰণছন্দ, নামছন্দ আদি শিতানত দাঙি ধৰিছে। সাহিত্যিক উপাচাৰেৰে পৰিপূৰ্ণ মাধৱদেৱৰ নামঘোষা মৌচাক কলাকৌশলৰ দৰে অপূৰ্ব কলাকৌশল ব্যৱহাৰ কৰিছে। নামঘোষাৰ বিভিন্ন ছন্দ সমাহাৰে ছবি-দুলড়ী, লেছাৰী, শৰণছন্দ, নামাছন্দ যেন ভক্তি মৌচাকৰ মৌ বিচনীহে।

**সামৰণি ঃ**

বৈষ্ণৱ শাস্ত্ৰৰ অপাৰ সমূদ্ৰ মন্থন কৰি পোৱা ভক্তিৰসৰ অমৃত স্বৰূপ বিষ্ণু ভক্তিৰ উৎকৃষ্ট নিদৰ্শনেৰে পৰিপূৰ্ণ, গুৰুতত্ত্ব, ঈশ্বৰত্ব আৰু নাম মাহাত্ম্যৰ আধ্যাত্মিক জ্ঞানৰ ভাণ্ডাৰ ভাগৱত প্ৰেমৰ দাসত্বৰ কৰুণ বিননিয়েই মাধৱদেৱৰ নামঘোষা। দেৱতা আৰু দৈত্যসকলে ক্ষীৰ সাগৰ মন্থন কৰাৰ দৰে মাধৱদেৱে আজীৱন সাধনাৰ ফলশ্ৰুতিত কালজয়ী গ্ৰন্থ নামঘোষা ৰচনা কৰি গ'ল। মাধৱদেৱে পোন্ধৰ শতিকাত অসমবাসীক যি অমৃতৰ সন্ধান দিলে সেই সম্পৰ্কে লক্ষ্মীনাথ বেজবৰুৱাদেৱে কৈছে- 'ভাৰততহে নালাগে পৃথিৱীৰ কোনো সু-সভ্য দেশত এনে এখন শাস্ত্ৰ আজিও ওলোৱা নাই যাক আমাৰ এই ঘোষা শাস্ত্ৰখনৰ সৈতে একে শাৰীতে ঠগিত থ'ব পাৰি।' শান্তিৰ দূত বিনোৱাজীৰ মতে- ই বিশ্বৰ সৰ্বোৎকৃষ্ট ধৰ্মগ্ৰন্থবোৰৰ ভিতৰত আন এখন আৰু ইয়াত থকা 'সেৱা ৰস সাৰ বিশ্বৰ কোনো ধৰ্মগ্ৰন্থতে পোৱা নাই। নামঘোষাৰ আদিৰেপৰা অন্তলৈকে সংসাৰ তাপত তাপিত হোৱা সকলোলোকৰে প্ৰতি সহানুভূতিৰ সুৰ শুনিবলৈ পোৱা যায়- এয়ে বিশ্বজনীনতা। ইয়াত অকল বৈষ্ণৱসকলৰ প্ৰতিয়েই সহানুভূতিৰ বাণী নাই। এয়ো মহাপুৰুষ মাধৱদেৱৰ উদাৰতা মহানুভৱতা। যেতিয়া ভক্তিৰসে ভক্তৰ অন্তৰ ওপচাই পেলায় তেতিয়া এক বিৰাট সীমাহীন জ্যোতিময়, পৰম আনন্দময়, পৰম কৰুণাময় ৰূপলৈ পৰিৱৰ্তিত হয়। ড° বাণীকান্ত কাকতিৰ মতে- 'নামঘোষাত নামান্বয় খণ্ডুক ৰামকৃষ্ণ আদি মূৰ্তিৰ ভিতৰেদি মাধৱদেৱৰ সমাধিদৃষ্ট বিশ্বৰূপ কল্পনা বুলিব পাৰি। আন কথাত ক'বলৈ গ'লে ক্ষুদ্ৰৰ মাজেদি বিৰাটৰ সন্ধান। সীমাবদ্ধতাৰ মাজেদি অসীমৰ উপলিব্ধ। শেষত গোপাল আতাৰ বাণীৰে—

'ভকতি বাৰিষা ঋতু লোকৰ তাৰণ হেতু
শঙ্কৰ স্বৰূপে আসি হৰি।
মাধৱ গম্ভীৰ মেঘ বৰষিলা আবিচ্ছেদ
হৰি নাম জল জগ ভৰি।।●●

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১. পাঞ্চজন্য ঃ শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ মুখপত্ৰ
২. অসমীয়া সাহিত্যৰ ৰূপৰেখা ঃ মহেশ্বৰ নেওগ
৩. অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত ঃ ড° সতেন্দ্ৰনাথ শৰ্মা
৪. ধৰ্ম আৰু দৰ্শন ঃ ড° প্ৰহ্লাদ কুমাৰ বৰুৱা
৫. নামধৰ্ম ঃ ভৱপ্ৰসাদ চলিহা (২০০০ বৰ্ষ)
৬. বেজবৰুৱা গ্ৰন্থাৱলী ঃ অতুলচন্দ্ৰ হাজৰিকা (সম্পা.)
৭. গুৰুচৰিত কথা ঃ ড° মহেশ্বৰ নেওগ (সম্পা.)
৮. প্ৰণিপাত ঃ পূৰ্ণানন্দ শইকীয়া (সম্পা.)
৯. যুগনায়ক শঙ্কৰদেৱ ঃ ডিম্বেশ্বৰ নেওগ
১০. মাধৱদেৱৰ বাক্যামৃত ঃ শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ।

লেখক পৰিচয় ঃ **ৰাজু বৰুৱা**
সহযোগী অধ্যাপক, অসমীয়া বিভাগ
কাকজান কলেজ, যোৰহাট

# ভক্তিৰ ধাৰণা আৰু মহাপুৰুষ মাধৱদেৱৰ 'ৰাজসূয় কাব্য'ত ইয়াৰ স্ফুৰণ

ৰুণিমা বৰুৱা

**ভক্তি কি ?**

সংস্কৃতৰ 'ভজ' ধাতুৰ পৰা নিস্পন্ন হোৱা 'ভক্তি' শব্দটো এটা আধ্যাত্মিক তথা তাৎপৰ্যপূৰ্ণ সুমধুৰ শব্দ। সাধাৰণতে ভক্তি শব্দই ভগৱানৰ প্ৰতি থকা অনুৰক্তিকেই সূচনা কৰে। ভক্তিৰ সংজ্ঞা বিভিন্ন সময়ত বিভিন্ন জনে বিভিন্ন ধৰণে দি আহিছে। মহৰ্ষি শাণ্ডিল্যৰ মতে— 'সা পৰানুৰক্তিৰীশ্বৰে।' অৰ্থাৎ ঈশ্বৰৰ প্ৰতি থকা অনুৰক্তি বা আসক্তিয়েই ভক্তি। নাৰদীয় ভক্তি সূত্ৰ অনুযায়ী ক'ব পাৰি যে, 'সা তস্মিণ পৰম প্ৰেমৰূপা'। অৰ্থাৎ ভগৱানৰ প্ৰতি থকা পৰম প্ৰেমেই ভক্তি। প্ৰেম শব্দটোৱে কেৱল অনুৰক্তিকে নুবুজায়; ইয়াৰ আৰু অলপ বিশেষ অৰ্থ আছে। প্ৰেমত চিত্তদ্ৰৱণ বা বিগলন হয়। হৃদয় যেতিয়া মৰমত বিগলন হয়, তেতিয়া তাক কোৱা হয় প্ৰেম। আনহাতেদি প্ৰেম আৰু ৰসৰ মাজত কোনো পাৰ্থক্য নাই। মহাপুৰুষ মাধৱদেৱে 'পৰম প্ৰেমৰূপা' ভক্তিকেই ৰসময়ী ভক্তি বুলি অভিহিত কৰিছে। প্ৰেমত আনন্দ বা ৰস আছে। আত্মা স্বৰূপতে বা মূলতে আনন্দময়। যি বিষয়ক অৱলম্বন কৰি আনন্দ স্বৰূপতা স্ফূৰ্তি হয় তাকে আমি প্ৰিয় বুলি কওঁ আৰু স্ফূৰ্তিটোক কোৱা হয় প্ৰেম। বৃহদাৰণ্যক উপনিষদত কৈছে— 'আত্মনস্তু কামায় সবং প্ৰিয়ং ভৱতি।' আত্মাৰ আনন্দ স্বৰূপতা আছে বুলিয়েই পুত্ৰ (সন্তান) মুখ দেখি আনন্দ হয়। আত্মাত আনন্দ স্ফূৰ্তিয়েই প্ৰেমৰূপে প্ৰতিভাত বা প্ৰকাশিত হয়।

ওপৰত যি প্ৰেমৰ উদাহৰণ দিয়া হ'ল সেয়া ক্ষুদ্ৰ প্ৰেমহে। যি প্ৰেম সকলোৰে ওপৰত, যি প্ৰেম লাভ কৰাৰ পাছত মানুহে অন্য একোকেই নিবিচাৰে, কোনো বস্তুতে দ্বেষো নাথাকে সেই প্ৰেম হৈছে পৰম প্ৰেম। গতিকে বুজা গ'ল যে পৰমজন অৰ্থাৎ ভগৱানৰ প্ৰতি থকা ঐকান্তিক প্ৰেমেই হৈছে ভক্তি। নাৰদীয় ভক্তি সূত্ৰত আছে- 'যত প্ৰাপ্য ন কিঞ্চিদ্ বাঞ্চতি ন শোচতি, ন দ্বেষ্টি, ন ৰম্যকে নোৎসাহী ভৱতি।' ভক্তি আচলতে এটি মানসিক অৱস্থা। এনে অৱস্থাত উপনীত হ'লে মানুহৰ একোতে বাঞ্ছা বা দ্বেষ নাথাকে। হৃদিস্থিত পৰমেশ্বৰত হোৱা পৰম প্ৰেমকে ভক্তি বুলি কোৱা হয়।

**ভক্তিৰ ধাৰণা ঃ**

ভক্তিৰ ধাৰণাটো কেতিয়াৰ পৰা আৰম্ভ হৈছে বিচাৰ কৰি চালে দেখা যায় যে, ই অতি প্ৰাচীন, ভাগৱত পুৰাণ আৰু ভাগৱত ধৰ্মৰ ক্ৰমবিকাশ কাহিনী অনুসন্ধানত পোৱা যায় যে- পৰাশৰ ঋষিৰ পুত্ৰ ব্যাসদেৱে বদৰিকাশ্ৰমত ব্ৰহ্মজ্ঞান চিন্তাত মগ্ন থাকিও তেওঁৰ মনত উগুল-থুগুল ভাৱ, সুখ-শান্তি নাই। নানা কথা গুণা-গথা কৰি মনৰ শান্তি ঘূৰাই আনিব নোৱাৰি মৌন হৈ বিষাদ মতে বহি থাকোতে হঠাৎ নাৰদমুনি আহি তেওঁ সন্মুখত উপস্থিত হ'ল। নাৰদক দেখা পাই ব্যাসদেৱে সঁচকিত হৈ নাৰদক বহিবৰ বাবে আসন দিয়াত নাৰদে তেওঁৰ মনৰ অস্থিৰতাৰ কাৰণ জানিব বিচাৰিলে— 'হে ঋষি তোমাৰ কিয় মনৰ স্থিৰতা নাইকিয়া হৈছে। তোমাৰ মনৰ অশান্ত অৱস্থাৰ সৃষ্টিৰ কাৰণনো কি ? 'মহন্তৰ মোহ ইটো কিনো বিপৰীত' ? তুমি হেন মহন্তজনৰ মোহ মনৰ অস্থিৰতা নিত্যান্ত বিপৰীত আৰু অস্বাভাৱিক। চাৰিবেদৰ শাখাৰ ভেদ কৰি, যাৰ যি জাতি-ধৰ্ম অষ্টাদশ পুৰাণ ভাৰত ৰচনা কৰি সকলো নিৰ্ণয় কৰি দিলা, সমাধিত ব্ৰহ্মকো সাক্ষাত লাভ কৰাৰ ক্ষমতা পাইও অসন্তুষ্ট চিত্তৰ কাৰণ কি ? হে ঋষি, ইয়াৰ কাৰণ মোক কোৱা ? ব্যাসমুনিয়ে হাতযোৰ কৰি ক'বলৈ আৰম্ভ কৰিলে— যদিও আমি বেদ

শাস্ত্ৰত পাৰ্গত হওঁ, নিতে ঈশ্বৰ অৰ্পিত কৰ্মসমূহকো কৰো, মহাজ্ঞান সম্পন্ন বুলি যদিও জগত প্ৰখ্যাত হওঁ সমাধিত ব্ৰহ্মাই আপুনি সাক্ষাৎ হৈ দেখা দিয়ে তথাপি মোৰ মনৰ অসন্তোষ নুগুচে। কি কৰিলো কি কৰিছো সকলো চিন্তা কৰি চাইও কি দোষ ঘটিছে বুজিব পৰা নাই, গতিকে—

'আপুনি অগাধ বুদ্ধি অংশ অৱতাৰ।
পুচোহো তোহ্মাত কৈয়ো কাৰণ ইহাৰ।।'

— ভাগৱত, ৮২৭

ব্যাসৰ কথাত নাৰদ মুনি পৰম সন্তুষ্ট হৈ ক'বলৈ ধৰিলে—

'তুমিসে কৰিলা সবে জগতকে নাশ।।
নিৰন্তৰে পশুৰ লোৱাইলা তুমি প্ৰাণ।
নাহি মন্দকৰ্ম আৰ ইহাৰ সমান।।
আকস্মিতে লোকক কৰাইলা হিংসা ধৰ্ম।
নুবুজিলা তুমিয়ো বেদৰ তত্ত্ব ধৰ্ম।।
গৰিহিত কৰ্মকো কৰিলা ধৰ্ম বুলি।
তোমাৰ বচনে লোক নাশিল সমূলি।।

— ভাগৱত, ৮২৯

বিষয়ানুৰাগীসকলে স্বৰ্গলাভৰ আশাৰ নানান দেৱৰ পূজা অৰ্চনাত হংস, ছাগ কাটি হিংসা ধৰ্মত লিপ্ত হৈছে। কোনেজনে বাধা দিলেও 'ব্যাসত কৈও অধিক পণ্ডিত ওলাল' বুলি উপহাস কৰে। অন্যান্য ধৰ্ম পথৰ যিমান বিস্তৃতি সাধনমূলক প্ৰচাৰ কৰিলা- কৃষ্ণ কীৰ্তন ধৰ্ম সেইদৰে নকৰিলা।

'সিজিল তোমাত ঋষি পৰম অন্যায়।
নাহি সুস্থ চিত্তত্তব সেহি অভিপ্ৰায়।।'

—ভাগৱত, ৮৩২

মোৰ উপদেশ যদি গ্ৰহণ কৰা তেন্তে ভাগৱত শাস্ত্ৰ ৰচনা নিৰ্মাণত তুমি মনোনিৱেশ কৰা, য'ত যি শাস্ত্ৰত কৃষ্ণৰ নাম, কৃষ্ণ চৰিত্ৰৰ উল্লেখ নাই সি উচ্ছিষ্ট গৰ্ত্তত কৈয়ো অপৱিত্ৰ। কাকতুল্য কামী লোকৰহে তাত ৰতি প্ৰীতি জন্মিব, ঈশ্বৰ ভক্তসকলে তাত একো তৃপ্তি নাপায় আৰু ৰতিও নজন্মে, য'ত মাধৱৰ নামগুণ প্ৰকাশ আছে সিয়েই পাপীৰো পাপ নাশ কৰি চিত্তৰ সন্তোষ দিব পাৰে। ভক্তি বিহীন জ্ঞানকৰ্ম সকলো ব্যৰ্থ।

'ভকতি বিহীন জ্ঞানকৰ্ম সবে ব্যৰ্থ।
কহিলো স্বৰূপে বেদান্তৰ তত্ত্ব অৰ্থ।।

ভাগৱত, ৮৩৭

এতেকে ভক্তিপুণ্য জ্ঞান পথ, স্ব-ধৰ্ম আদিৰ বিষয়ে তল পেলাই থৈ কেৱল হৰি ভক্তিৰ উপদেশ প্ৰচাৰ কৰা। ভক্তিয়েহে সংসাৰ বন্ধন নাশ কৰিব পাৰে। অধম জাতিতো যদি জন্ম লাভ কৰে তেওঁও ভক্তি ৰসিক হয়। জ্ঞানী কৰ্মীসকলতকৈয়ো শ্ৰেষ্ঠত্ব লাভ কৰে। নাৰদৰ কথা অনুসৰীয়েই ব্যাসদেৱে ভাগৱত শাস্ত্ৰ ৰচনা কৰি ভক্তিক প্ৰাধান্য দিলে।

ভাৰতবৰ্ষত বিষ্ণু উপাসনা অতি প্ৰাচীন কালৰ পৰা চলি আহিছিল যদিও ইয়াৰ ৰূপ সকলো যুগতে একে নাছিল। আৰ্থসামাজিক ব্যৱস্থাৰ পৰিৱৰ্তনৰ লগে লগে ইয়াৰ ৰূপান্তৰ অনুষ্ঠানবিলাক আছিল কিছুমান যাদু অনুষ্ঠান ( Magic Tituals) ইয়াত ভক্তিৰ ধাৰণা নাছিল। মাথোন মানুহে ভাবিছিল যে এই অনুষ্ঠানসমূহ যদি পৱিত্ৰ বা শুদ্ধভাৱে পালন কৰা হয় তেতিয়া হ'লে যজ্ঞ কৰোতাসকলক দেৱতাই যি বিচাৰে তাকে দিবলৈ বাধ্য হয়। এগৰাকী পণ্ডিতৰ মতে—' The Sacrifice to the means not of persuading the Gods but of compelling them, to grant to the Sacrifices what he wants.' (M. Hiriyanna, An outline of Indian philosophy, George Allen & Unwith 1967 Page m-36.)

এই অনুষ্ঠানসমূহত হৃদয়নুভূতিৰ স্থান নাছিল।

ঋগ্বেদৰ জনজাতীয় সমাজ ব্যৱস্থাৰ পৰা ভাৰতবৰ্ষ লাহে লাহে সামন্তবাদী সমাজলৈ ৰূপান্তৰিত হ'ল আৰু তেতিয়া যাগ-যজ্ঞাদিৰ ব্যৱস্থা ক্ৰমাত কমি আহিবলৈ ধৰিলে। মানুহে উপলব্ধি কৰিবলৈ ধৰিলে যে, বাহ্যিক আচাৰ অনুষ্ঠানৰ জড়িয়তে নহয়- আনকি ক্ষানেৰেও নহয়, কেৱল ভক্তিৰ যোগেদিহে ভগৱানৰ লগত পোনপটীয়া সম্বন্ধ স্থাপন কৰা সম্ভৱ আৰু ভক্তিৰ দ্বাৰাহে মুক্তি লাভ কৰিব পাৰি। ইয়াৰেই ফলস্বৰূপে ১৫--১৭ শতিকাত সমগ্ৰ ভাৰতত এক বৃহৎ আন্দোলন গঢ় লৈ উঠিল।' যাক বুৰঞ্জীত নৱ বৈষ্ণৱ আন্দোলন বা ভক্তি আন্দোলনৰূপে জনা যায়। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰচাৰ কৰা নামধৰ্মও এই ভক্তি ধৰ্মৰে এটা সুঁতি।

এই বৈষ্ণৱ ধৰ্মৰ মূল ধাৰণাই হৈছে ভক্তি; বুদ্ধি বৃত্তিৰে নহয়, বাহ্যিক আচাৰ অনুষ্ঠানৰ দ্বাৰাও নহয় কেৱল ভক্তিৰ দ্বাৰাহে এই ধৰ্মত মুক্তি লাভ সম্ভৱ। মহাপুৰুষজনাই দশমত লিখিছে—

'ভক্তিতেসে মাতা ভকিতি সে পিতা
ভকতিসে বন্ধু জন।
ভকতিসে সুহৃদ সোদৰ বিধাতা
ভকতিসে মহা ধন।।
ভকতিসে গতি ভকতিসে মতি
ভকতিসে দেৱ দ্বিজ।
ভকতিয়ে চিত্ত ভকতিসে বিত্ত
ভকতি মোক্ষৰ বীজ।।'

এই ভক্তিৰ ন প্ৰকাৰৰ। শ্ৰৱণ, কীৰ্তন, স্মৰণ, অৰ্চন, বন্দন, পদসেৱন, দাস্য, সখিত্ব আৰু দেহ অৰ্পণ। এই ন ভক্তিৰ ভিতৰত আকৌ শ্ৰৱণ কীৰ্তনকহে মুখ্য বুলি ধৰা হয়—

'যদিওবা নৱবিধা ভক্তি মাধৱৰ
শ্ৰৱণ কীৰ্ত্তনেসে শ্ৰেষ্ঠত্বৰ।'

এতিয়া আহো মহাপুৰুষ মাধৱদেৱৰ ৰাজসূয় কাব্যত এই ভক্তিৰ স্বৰূপ বা স্ফুৰ কেনেদৰে প্ৰকাশ পাইছে সেই প্ৰসঙ্গলৈ।

মহাপুৰুষ মাধৱদেৱো মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ পৰম অনুৰাগী এজন ধৰ্ম প্ৰচাৰক। শ্ৰীমন্ত শঙ্কৰদেৱৰ অনুগামী এইজনা মহাপুৰুষৰো কাব্য চৰ্চাৰ মুখ্য উদ্দেশ্য আছিল ভক্তি ধৰ্মৰ মাহাত্ম্য প্ৰকাশ কৰা সেয়ে সাহিত্যিক তেওঁ ধৰ্ম প্ৰচাৰৰ শক্তিশালী আহিলাৰূপে গ্ৰহণ কৰিছিল। তেখেতৰ সাহিত্যৰাজিক বিভিন্ন ভাগত ভাগ কৰা হয়; সেই বিলাকৰ ভিতৰত ঝুমুৰা, কাব্য, তত্বমূলক আলোচনা, গীত আৰু অনুবাদৰ কথা উল্লেখ কৰিব পাৰি। সূক্ষ্ম পৰ্যবেক্ষণশীলতা আৰু তীব্ৰ সংবেদনশীলতাই তেখেতৰ ৰচনাসমূহত এনে ৰহন সানিছে যাৰ বাবে গীতি কবিতাৰসকলো সৌন্দৰ্য আৰু সুষমাৰে সেইবোৰ সৌন্দৰ্যশালী হৈ পৰিছে আৰু সেই বিলাকৰ মাজেদিয়েই মাধৱদেৱৰ ভক্তি বিগলিত হৃদয়ৰ অনুপম ছবি, প্ৰবাহিত হৈছে ভক্তিৰ নিজৰা তথা জ্ঞান আৰু প্ৰতিবাৰ স্বাক্ষৰ, ৰাজসূয় কাব্য এনে এখন ভক্তিমূলক গ্ৰন্থ যিখনৰ মাজেদি প্ৰকাশ পাইছে ভক্তিৰসৰ অনন্ত স্ৰোত। ড° মহেশ্বৰ নেওগৰ ভাষাত- 'ৰাজসূয়' অসমীয়া বৈষ্ণৱ সাহিত্যৰ এক অমূল্য সম্পত্তি।'

**ৰাজসূয় কাব্যৰ ৰচনাকাল ঃ**

কাব্যখনৰ ৰচনা কাল সম্পৰ্কে বিভিন্ন পণ্ডিতৰ বিভিন্ন মত পোৱা যায়। তীৰ্থনাথ শৰ্মা ডাঙৰীয়াই কাব্যখনৰ ৰচনাকাল ১৫৬৫--১৫৬৮ খৃষ্টাব্দত বুলি মত প্ৰকাশ কৰিছে আৰু ড° নেওগ ডাঙৰীয়াও প্ৰকাৰন্তে তেওঁৰ মতকেই সমৰ্থন কৰিছে। ড° সত্যেন্দ্ৰনাথ শৰ্মাদেৱে ইয়াৰ ৰচনাকাল আনুমানিক ১৬ শতিকাৰ সপ্তম দশক বুলি কৈছে। কবিজনাই নিজে এই বিষয়ে কোনো কথাই উল্লেখ কৰা নাই, কিন্তু গ্ৰন্থখনিৰ শেষৰ ফাললৈ দিয়া ৰজাৰ প্ৰশান্তিমূলক পদলৈ চাই সাক্ষীকে স্বীকাৰ কৰি ল'লে অনুমান কৰিব পাৰি যে শ্ৰীমন্ত শঙ্কৰদেৱ কোচ ৰজা নৰনাৰায়ণৰ ৰাজদৰবাৰলৈ যোৱাৰে পাছতহে কাব্যখন ৰচনা কৰা হৈছিল। ১৫৬৫ খৃষ্টাব্দত মহাপুৰুষ শঙ্কৰদেৱ নৰনাৰায়ণৰ ৰাজদৰবাৰলৈ গৈছিল আৰু ১৫৭০ খৃষ্টাব্দত নৰনাৰায়ণৰ ভাতৃ চিলাৰায়দেৱান (শুক্লধ্বজ)ৰ মৃত্যু ঘটিছিল। কোচৰজা নৰনাৰায়ণৰ প্ৰত্যেক্ষ আদেশ নাপালেও ৰদাৰ পৰা পৰোক্ষভাৱে হ'লেও যে অনুপ্ৰেৰণা লাভ কৰিছিল সেই কথাৰ প্ৰমাণ স্বৰূপে কাব্যত বৰ্ণিত প্ৰশস্তি দাঙি ধৰিব পাৰি—

'জয়জয় নৰ নাৰায়ণ মহা
নৃপচয় শিৰোমণি।
যাহাৰ পৰম প্ৰচণ্ড প্ৰতাপে
ঢাকিল এটো ধৰণী।।
সৰ্বগুণাকৰ যাহাৰ সোদৰ
শুক্লধ্বজ মহামতি।
পৃথিৱীত যেন ৰাম লক্ষ্মণ
প্ৰখ্যাত দুয়ো সম্পতি।।'

— ৰাসসূয়, ৭৭৫

'সাগৰ পৰ্যন্ত ভূঞ্জন্তোক ৰাজ
প্ৰজা কৰি প্ৰতিপাল।
কৃষ্ণ ভকতি প্ৰচাৰি দুইহন্তো
জীৱন্তোক চিৰকাল।।

— ৰাসসূয়, ৭৭৭

সেই সময়ত যে কোচৰজা নৰনাৰায়ণ আৰু ভাতৃ

চিলাৰায় দেৱান মধ্যাহ্ন সূৰ্যৰ দৰে ভাস্কৰ হৈ উঠিছিল এই প্ৰশস্তিয়েই প্ৰমাণ কৰে।

**কাব্যৰ উদ্দেশ্য আৰু ইয়াৰ বিচাৰ বিশ্লেষণ ঃ**

কাব্যখনৰ ৰচনাৰ মূল প্ৰেৰণা হৈছে ভক্তি। গুৰু চৰিত্ৰত পোৱা যায় যে অনন্ত কন্দলিয়ে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ আজ্ঞা লৈ ভাগৱত পুৰাণৰ এছোৱা অনুবাদ কৰিবলৈ লৈছিল। কিন্তু চৰিতপুথিৰ মতে অনন্ত কন্দলিৰ অনুবাদত শঙ্কৰদেৱ সন্তুষ্ট হ'ব পৰা নাছিল; কিয়নো তাত ভক্তিৰ কথাত কৈ যুদ্ধ-বিগ্ৰহৰ কথাইহে প্ৰাধান্য লাভ কৰিছিল। সেইবাবে গুৰুজনাই মাধৱদেৱক মধ্যদশমৰ বিষয়বস্তু লৈ কাব্য ৰচনা কৰিবলৈ কৈছিল আৰু নিজেও একে দশমৰ আধাৰতে ৰুক্মিণী হৰণ কাব্য আৰু কুৰুক্ষেত্ৰ কাব্য ৰচনা কৰে। গুৰুৰ আজ্ঞা শিৰে ধৰি মাধৱদেৱে 'ৰাজসূয়' কাব্য ৰচনা কৰে। এই তিনিখন কাব্যৰ যোগেদি জনসাধাৰণ আকৃষ্ট কৰিব পৰাকৈ মনোৰম কাহিনীৰ বৰ্ণনা কৰাৰ লগে লগে ধৰ্মৰ প্ৰধান মতসমূহ প্ৰচাৰ কৰাৰ চেষ্টা চলাইছিল। ৰাজসূয় কাব্য প্ৰসঙ্গত ড° অনিমা দত্তই এই বুলি মত প্ৰকাশ কৰিছে যে, 'উপাস্য দেৱতা শ্ৰীকৃষ্ণৰ মহিমা প্ৰকাশ, তেওঁক শ্ৰেষ্ঠ প্ৰতিপাদন আৰু একশৰণ ভক্তিৰ ওপৰত গুৰুত্ব প্ৰদানেই ৰাজসূয় কাব্যৰমূল উদ্দেশ্য।'

ভাগৱতৰ দশম স্কন্ধৰ ৭০--৭৫ অধ্যায়ত বৰ্ণিত হোৱা ৰাজসূয় যজ্ঞৰ কাহিনীয়েই কাব্যৰ মূল আধাৰ। এই কাব্যত তিনিটা ঘটনাৰ সমাবেশ ঘটিছে। (১) জৰাসন্ধ বধ, (২) শিশুপালৰ কৃষ্ণ নিন্দা আৰু নিধন আৰু (৩) ৰাজসূয় যজ্ঞ সমাপন। ঘটনা প্ৰসঙ্গ আৰু কথা বস্তুক পূৰ্ণতা প্ৰদান কৰাৰ ক্ৰমত উপক্ৰম (১-১২) আৰু উপসংহাৰৰ (৭৬৭-৭৮২) আঠাইশটা পদৰ উপৰি শেষৰ পদবিলাকত কবিয়ে ক্ৰমশঃ দ্বাৰকাৰ শোভা আৰু শ্ৰীকৃষ্ণৰ নিত্য ক্ৰিয়া (১৩-১৭) দূতৰ দ্বাৰা ৰাজগৃহৰ দুৰ্গত বন্দী কৰি থোৱা বিশ হাজাৰ ৰজাৰ বৰ্ণনা আৰু তেওঁলোকৰ মুক্তিৰ বাবে প্ৰাৰ্থনা (৭২-৯২) যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞ কৰাৰ ইচ্ছা আৰু তাৰ আয়োজন বিষয়ে নাৰদৰ পৰা শ্ৰীকৃষ্ণই বাতৰি পোৱা তথা প্ৰসঙ্গবশতঃ শ্ৰীকৃষ্ণ পৰমাৰ্শ (১৪৭ - ১৬২) শ্ৰীকৃষ্ণই নিজৰ যোল্ল হাজাৰ মহিষী আৰু যাদৱ বাহিনীৰ লগত ইন্দ্ৰপ্ৰস্থ লৈ যাত্ৰা (১৬৩ - ২২৫) ইন্দ্ৰপ্ৰস্থত যুধিষ্ঠিৰৰ আৰু তেওঁৰ পক্ষৰ লোকৰ দ্বাৰা শ্ৰীকৃষ্ণ প্ৰভৃতিৰ অভ্যৰ্থনা তথা শুভবাৰ্তা বিনিময় (২২৬ - ২৬৪) যুধিষ্ঠিৰৰ ৰাজসভাৰ ঐশ্বৰ্য বিভূতি বৰ্ণনা (২৬৫ - ২৯০) যজ্ঞৰ পূৰ্বে দ্বিগবিজয়, জৰাসন্ধ বধ আৰু বন্দী ৰজাসকলৰ মুক্তি (২৯১ - ৪৭২) ৰাজসূয় যজ্ঞৰ আয়োজন, শিশুপালৰ শ্ৰীকৃষ্ণ নিন্দা, শিশুপাল বধ (৪৭৩-৬৫৯) যজ্ঞৰ সমাপ্তি আৰু বহু পূৰ্ণহুতিৰ পিছত কৰা স্নান (৬৬০ - ৭৪১) আৰু দুৰ্যোধনৰ মান ভঞ্জন (৭৮২-৭৬৬) আদিৰ বিশাল বৰ্ণনা দাঙি ধৰিছে।

ভাগৱত পুৰাণ অৱলম্বনত কাব্যখন ৰচনা কৰা হৈছে যদিও ইয়াত প্ৰয়োজন সাপেক্ষে মনোগ্ৰাহিত্বৰ প্ৰতি লক্ষ্য ৰাখি অন্যান্য গ্ৰন্থৰ পৰাও কিছু কথাৰ সংযোগ ঘটাই সোণত সুৱগা চৰাইছে। এই সম্পৰ্কে কাব্যকাৰে নিজেই প্ৰকাশ কৰিছে—

'মহাভাগৱত পদ সাক্ষাতে অমৃত।
আনো শাস্ত্ৰ মত কিছু কৰিবো মিশ্ৰিত।।
অন্যো ৰসে আতি হৈবে মনোৰম।
যেন চেনি মিশ্ৰে দুগ্ধ স্বাদত উত্তম।।

কাব্যখনিৰ আৰম্ভণিতেই কবিজনাই কাব্যৰ বিষয়বস্তু উপস্থাপন কৰিছে এনেদৰে—

'যেন মতে কৃষ্ণে ভকতিত বশ্য হই।
যুধিষ্ঠিৰ ৰাজাৰ কৰাইলা ৰাজসূয়।।
জৰাসন্ধ বধি সাধি নিজ প্ৰয়োজন।
ভক্ত ৰাজা সমস্তক কৰাইলা মোচন।।৫
লক্ষেক নৃপতি জিনি একথান কৰি।
সভা মধ্যে শিশুপাল ৰাজাক সংহৰি।।
যিমতে কৰাইলা অৱভৃথ অভিষেক।
সিসৱ কথাৰ পদ বিৰচিবো প্ৰত্যেক।।৬

যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞ সম্পাদনেই কাব্যখনৰ মূল বিষয়বস্তু। ইয়াৰ ঘটনা বস্তু নিচেই কম। শ্ৰীকৃষ্ণই পাণ্ডৱসকলৰ আহ্বানত গৈ যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞ সুসম্পন্ন কৰিলে লগতে আৰম্ভণিতে অত্যাচাৰি ৰজা জৰাসন্ধক ভীমৰ দ্বাৰা নিধন কৰি বন্দী ৰজাসকলক মুক্তি দিলে আৰু যজ্ঞস্থলীত দুৰাত্মা শিশুপালক বধ কৰি কৃষ্ণই নিজ ক্ষমতাৰ পৰিচয় দিলে আৰু ইন্দ্ৰপ্ৰস্থত দুৰ্যোধনৰ মান ভঙ্গ কৰোৱালে। মহাপুৰুষ মাধৱদেৱে এই সমস্ত ঘটনা কথা মাথোন দুটা শাৰীতেই সুন্দৰভাৱে প্ৰকাশ কৰিছে এনেদৰে—

'যজ্ঞৰ আদিত মন্দ বুদ্ধি ৰাজা জৰাসন্ধ
যজ্ঞ মধ্যে বধি শিশুপাল।
দুৰ্যোধন মানভঙ্গ কৰিয়া যজ্ঞৰ অন্তে
যজ্ঞসাঙ্গ কৰিলা গোপাল।।'৭০

শ্ৰীকৃষ্ণৰ গাৰ্হস্থ্য জীৱনৰ লীলা বৰ্ণনাৰে ৰাজসূয় কাব্যখন আৰম্ভ কৰা হৈছে যদিও মগধৰাজ জৰাসন্ধই বন্দী কৰি থোৱা ৰজাসকলৰ প্ৰেৰিত দূতে শ্ৰীকৃষ্ণৰ ওচৰত তেওঁলোকৰ মুক্তিৰ বাবে প্ৰাৰ্থনা জনোৱাৰ লগে লগেহে কাব্যৰ ঘটনা আৰম্ভ হোৱা বুলি ক'ব পাৰি। সেই সময়তে ইন্দ্ৰপ্ৰস্থৰ পৰা নাৰদ আহি উপস্থিত হৈ যজ্ঞাভিলাসি যুধিষ্ঠিৰে কৃষ্ণক সহায় বিচাৰি পঠোৱাৰ বাতৰি দিছে। শ্ৰীকৃষ্ণই দুয়োটা কথা সন্মতি প্ৰদান কৰিছে যদিও কোনটো আগেয়ে সমাধা কৰিব এই লৈ সমস্যাত পৰি প্ৰিয় বান্ধৱ উদ্ধৱৰ পৰামৰ্শ বিচাৰিছে—

'কিবা জৰাসন্ধ মাৰি ৰজাক মেলাওঁ।
কিবা পাণ্ডৱৰ যজ্ঞ কৰাইবাক যাওঁ।।১৪১

উদ্ধৱেও পৰামৰ্শ দিছে যে, প্ৰথমতে অত্যাচাৰী মগধৰাজ জৰাসন্ধক বধ কৰি বন্দী ৰখা সকলকহে মোকলাব লাগে আৰু সেইটোও ক'লে যে জৰাসন্ধ বধ কৰিবৰ বাবে উপযুক্ত বীৰ দ্বিতীয় পাণ্ডৱ ভীমৰ বাহিৰে অন্য নাই। উদ্ধৱৰ পৰমাৰ্শ মতেই কৃষ্ণ সবান্ধৱে ইন্দ্ৰপ্ৰস্থলৈ যাত্ৰা কৰিছে আৰু যাত্ৰা পথতে বন্দী ৰজাসকলকো উদ্ধাৰ কৰিব বুলি প্ৰবোধ দি পঠাইছে। ইতিমধ্যে ভীমাৰ্জ্জুন আদিয়ে দ্বিগ্বিজয়ৰ কাম সম্পন্ন কৰি যজ্ঞৰ প্ৰয়োজনীয় সকলো সম্ভাৰ সংগ্ৰহ কৰিলে।

কৃষ্ণই ভীমাৰ্জ্জুনক লগত লৈ ব্ৰাহ্মণ বেশেৰে মগধৰাজ জৰাসন্ধৰ ৰাজসভাত প্ৰৱেশ কৰি আশীৰ্বাদ দি দান বিচাৰিলে আৰু লগতে দানৰ পৰা লাভৰ কৰিব পৰা পুণ্যৰ বিষয়েও উদাহৰণ সহ বৰ্ণনা কৰিলে। জৰাসন্ধয়ো যি বিচাৰে তাকে দিব বুলি প্ৰতিশ্ৰুতিও প্ৰদান কৰিলে। তেতিয়া তিনিওজনে নিজৰ পৰিচয় প্ৰদান কৰি দ্বৈৰথ যুদ্ধ দানৰ আহ্বান জনালে। জৰাসন্ধয়ো ক্ষীণ শৰীৰ অৰ্জুনৰ লগত নহয়, গোৱালৰ ল'ৰা কৃষ্ণৰ লগত নহয়; মহাবলী সমযোদ্ধা ভীমৰ লগতহে যুদ্ধ কৰিবলৈ মত প্ৰকাশ কৰিলে। দুয়ো যোদ্ধাৰ মাজত মহাৰণৰ অৱতাৰণা হ'ল। কৃষ্ণই তৃপ্তিত মিচিকিয়াবলৈ ধৰিলে। অৰ্জুন অস্থিৰ হৈ পৰিল। অৱশেষত যুদ্ধৰ অন্ত নপৰাত শ্ৰীকৃষ্ণই বিৰিণাৰ পাত এটা ফালি ভীমক ইঙ্গিত কৰিলে। ভীমে দুফলীয়া হৈ জন্মগ্ৰহণ কৰা জৰাসন্ধক চিৰি দুফাল কৰি পেলালে। সংসাৰত ত্ৰাসৰ অন্ত পৰিল। জৰাসন্ধৰ পতন হ'ল। শ্ৰীকৃষ্ণই আহি যুধিষ্ঠিৰক ক'লেহি—

'তোমাৰ বিপক্ষ জৰাসন্ধ বধ গৈল।
পৃথিৱীৰ ৰাজা সবে বশ্য ভৈল।।'
'যজ্ঞৰ সম্ভাৰ মানে ভৈল এক স্থান।
এবে মহাৰাজা যজ্ঞ কৰা বিদ্যমান।।'

কৃষ্ণৰ কথা শুনি যুধিষ্ঠিৰ আনন্দিত হ'ল—

শুনি নৃপতিৰ আত উল্লাসিত মন।
নিমন্ত্ৰণ কৰি আনিলন্ত ঋষি গণ।।

ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ সকলো শ্ৰেণীৰ ৰজা-মহাৰজা, নৰ-নাৰীৰে যজ্ঞস্থলী ভৰি পৰিল। পিতামহ ভীষ্মকে প্ৰমুখ্যে কৰি কুৰুকুলৰ সকলো যজ্ঞস্থলীতে গোট খালেহি, তাৰ পাছত কৃষ্ণৰ লগত আলোচনা কৰি যুধিষ্ঠিৰে ভাগে ভাগে কামৰ দায়িত্ব অৰ্পণ কৰিলে। সদায় বৈৰ ভাৱত মজি থকা দুৰ্যোধনক পাতিলে ধনৰ ভৰালী। মহাদানী কৰ্ণক দিলে দান দিয়াৰ ভাৰ। কিয়নো তেওঁ জানে- 'ইসে নকৰিব মোৰ ধনক মৰম।' মহাদেৱক লগালে পূজাৰ কামত, অৰ্জুনক দিলে মহন্তসকলক সেৱা শুশ্ৰূষা কৰিবলৈ আৰু দ্ৰৌপদীয়ে পালে অন্ন পৰিৱেশন, শ্ৰীকৃষ্ণই নিজৰ কামৰ ভাগ বিচাৰি যুধিষ্ঠিৰৰ কাষ চাপিলে আৰু যুধিষ্ঠিৰে—

'গুচিল ঈশ্বৰ জ্ঞান মুহিলন্ত হৰি।
বোলন্ত ধুৱাইয়ো তুমি ব্ৰাহ্মণৰ ভৰি।।'

সেইবাবেই হয়তু মহাপুৰুষ মাধৱদেৱে আমাৰ সোঁৱৰাই দিবলৈ পাহৰা নাই যে—

'ভকতি বলৰ মহিমাৰ নাপাওঁ সীমা।
যুধিষ্ঠিৰ নৃপতিৰ দেখিয়ো মহিমা।।'

সকলোৰে সহযোগত যজ্ঞৰ সকলো নিয়ম মানি যজ্ঞ সমাপন কৰিলে, যুধিষ্ঠিৰে অৰ্ঘ্যদানৰ বাবে সভাত উপস্থিত হ'ল। কিন্তু ব্ৰহ্মা, মহেশ্বৰকে প্ৰমুখ্য কৰি দেৱতাসকল, ঋষিসকল, পিতামহ ভীষ্ম প্ৰমুখ্যে জ্ঞান জ্যেষ্ঠ, বয়োজ্যেষ্ঠসকল উপস্থি থকাত কাকনো প্ৰথম অৰ্ঘ প্ৰদান কৰিব সেই বিষয়ে স্থিৰ কৰিব নোৱাৰি সভাসদসকলক সোধাত সভাসদসকল মৌন হৈৰ'ল। তাকে দেখি সহদেৱে উঠি কৃষ্ণইহে শ্ৰেষ্ঠ পুৰুষ, তেওঁহে ইয়াৰ যোগ্যজন বুলি

ঘোষণা কৰিলে—

'ভকতসৱৰ প্ৰতি প্ৰভু ভগৱন্ত।
এহেন্তেসে শ্ৰেষ্ঠ অগ্ৰমান্য অৰিহন্ত।।
জগত প্ৰসিদ্ধ এন্তে সৰ্বদেৱময়।
ইহাঙ্ক পূজিলে জগতৰে পূজা হয়।।'৫৪৮

সহদেৱে এনে কথাত সভাসদসকলোৱেই একেশ্বৰে সন্মতি প্ৰদান কৰিলে, যুধিষ্ঠিৰে শ্ৰীকৃষ্ণৰ চৰণত সভক্তিৰে অৰ্ঘ্য নিৰেদিলে। ভাৰ্যা ভাতৃ, জ্ঞাতিসকলোৱে শ্ৰীকৃষ্ণক প্ৰণাম জনাই পাদোদক শিৰত লৈ ধন্য হ'ল। চাৰিওফালে কৃষ্ণ ধ্বনিৰে সভামণ্ডপ মুখৰিত হ'ল; কিন্তু এইখিনিতে এক ঘটনা ঘটিল। শ্ৰীকৃষ্ণৰ গুণানুকীৰ্তনত অসহ্য হৈ কৃষ্ণ বিদ্বেষী ৰজা শিশুপালে কৃষ্ণক নানান ধৰণৰ অকথ্য ভাষাত গালি পাৰিবলৈ ধৰিলে। কৃষ্ণ নিন্দা শুনি অতিষ্ঠ হৈ পাণ্ডৱসকলে উত্তেজিত হৈ শিশুপালক খেদি গ'ল। কিন্তু কৃষ্ণই পূৰ্বৰ কথা সোঁৱৰণ কৰি সকলো নিন্দা নীৰৱে সহ্য কৰি থাকিলে। কিয়নো শিশুপালৰ এনে বিদ্ৰোহৰ মূলতে আছে ৰুক্মিণী সয়ম্বৰত হোৱা অপমান আৰু শিশুপালৰ জন্ম বৃত্তান্ত। শিশুপালে জন্মতে চাৰিখন হাত আৰু তিনিটা চকু লৈ দেখি জন্মগ্ৰহণ কৰিছিল। এনে অদ্ভুত শিশু-পিতৃ-মাতৃ ভীতিগ্ৰস্থ হ'ল আৰু তেনে সময়তে আকাশীবাণী হ'ল- এই শিশুক পালা, পালা আৰু লগতে এই কথাও ঘোষিত হ'ল যে যাৰ কোলাত দিলে এই শিশুৰ দুখন হাত আৰু এটা চকু নাইকিয়া হ'ব তেওঁৰ হাততে শিশুপালৰ মৃত্যু হ'ব। পৃথিৱীৰ যিমান ৰজা-মহাৰজা আছিল সকলোৰে কোলাত দিলতো কাৰো হাতত শিশুপালৰ দুই হাত আৰু এটা চকু নুগুছিল। অৱশেষত কৃষ্ণৰ কোলাত দিয়াৰ লগে লগে শিশুপালৰ দুখন হাত আৰু এটা চকু নাইকিয়া হ'ল। পিতৃ দমঘোশ আৰু তেওঁ পত্নীয়ে কৃষ্ণক পুত্ৰৰ কালাত্মক যম বুলি জানিব পাৰি অনেক স্তুতি কৰিবলৈ ধৰিলে আৰু দিনে দহোটাকৈ দোষ ক্ষমা কৰিবলৈ প্ৰাৰ্থনা জনালে। কৃষ্ণয়ো দিনে দহোটাৰ পৰিৱৰ্তে এশটাকৈ দোষ ক্ষমা কৰাৰ প্ৰতিশ্ৰুতি দিলে। ৰাজসূয় যজ্ঞস্থলীত সেয়ে প্ৰথমতে কৃষ্ণই শিশুপালৰ তিৰস্কাৰপূৰ্ণ গালিও নীৰৱে সহ্য কৰি থাকিল; কিন্তু যেতিয়া সীমা চেৰাই গ'ল আনহাতে পাণ্ডৱসকলেও কৃষ্ণনিন্দা সহিব নোৱাৰি শিশুপাললৈ চোচা ল'লে তেতিয়া কৃষ্ণই লাহেকৈ উঠি গৈ শিশুপালক বধ কৰিলে। কৃষ্ণই ভাবিলে ইমানতো যদি তেওঁ উঠি গৈ শিশুপালক বধ নকৰে তেনেহ'লে অথন্তৰ হ'ব। কৃষ্ণৰ মনোভাৱৰ কথা কাব্যখনত বৰ্ণাইছে এনেদৰে—

'ইটো শিশুপাল ৰাজা মোৰ পাৰিষদ।৬৩৫
নাজানে পাণ্ডৱ সৱে ইয়াৰ মহত্ব।
মোহোৰ সমান বল আছে গাৱত।।
এতিক্ষণে একেতিলে সৱাকো মাৰিব।
সকলো পাণ্ডৱে মিলি আক কি কৰিব।।'৬৩৬

এই বুলি ভাবি নিজে শিশুপালক নিধন কৰিলে। কোৰো বাহুল্য যে পূৰ্বতে শিশুপাল আছিল বিষ্ণুৰ পাৰিষদ জয়। চাৰিসিদ্ধৰ দ্বাৰা শাপগ্ৰস্ত হৈ শিশুপাল ৰূপে জন্মগ্ৰহণ কৰি কৃষ্ণৰ হাতত মৃত্যুবৰণ কৰি শাপ মুক্ত হৈ বৈকুণ্ঠলৈ গতি কৰিলে। শিশুপাল বধৰ পাছত যুধিষ্ঠিৰে ব্ৰহ্মা আদি দেৱতাসকলক অৰ্ঘ্য দান কৰি সমাজত উপস্থিত সকলোৰে সাদৰ সম্ভাষণ কৰি বস্ত্ৰ অলংকাৰ আদি প্ৰদান কৰিলে, পিছত অৱভূত স্নান কৰি দিব্য অলংকাৰেৰে ভূষিত হৈ ৰাজ অন্তেষপুৰলৈ আহি পুনৰ দেৱ ঋষি মহন্তসকলক প্ৰণিপাত জনালে। ত্ৰৈলোক্যৰ লোকে ৰাজসূয় যজ্ঞৰ আনন্দ উপভোগ কৰি স্বস্থানলৈ গতি কৰিলে। পাণ্ডৱসকলৰ এৰাব নোৱাৰা অনুৰোধত কৃষ্ণ কেইমান মান ইন্দ্ৰপ্ৰস্থত অতিবাহিত কৰিলে। যুধিষ্ঠিৰে কৃষ্ণৰ কৃপাত অনায়াসে ৰাজসূয় যজ্ঞ সমাপন কৰি তৃপ্তি লভিলে। জগতৰ সকলোৱে যুধিষ্ঠিৰক প্ৰশংসা কৰিলে। পাণ্ডৱৰ এনে সৌভাগ্য দেখি অহংকাৰী দুৰ্যোধনৰ হ'লে সহ্য নহ'ল। তেওঁ আনন্দ পোৱাৰ বিপৰীতে অসন্তুষ্টহে হ'ল, তাতে আকৌ ময়দানৱ দ্বাৰা নিৰ্মিত অনুপম সভাগৃহত সৌন্দৰ্য উপভোগ কৰিবলৈ গৈ অপমানিত হ'ব লগা হ'ল। কৃষ্ণৰ ভাৰ্যাসকল দ্ৰৌপদী আৰু অন্যান্য নাৰীসকলে সভাগৃহৰ সৌন্দৰ্য চাই ফুৰোতে দুৰ্যোধনেও ভাতৃসকলৰ লগত সেই সভাগৃহৰ বিচিত্ৰ কাৰুকাৰ্য উপভোগ কৰি ফুৰোতে ভীমে দেখা পাই দুৰ্যোধনক লঘু কৰিবৰ মনেৰে আগবঢ়াই দিলে। দুৰ্যোধনে ভীমৰ কথা মতে আগবাঢ়ি গ'ল কিন্তু—

'দ্বাৰ অদ্বাৰ তাত একোৱে নমানি।
দ্বাৰ বুলি গৈয়া দুৰ্যোধন মহামানী।।৭৪৪
হানিলেক মুণ্ড সিটো দুৱাৰ নাকলি।
দেখি ভীমে হাসি তুলিলন্ত খলখলি।।

ময়দানৱে হাসি নিৰ্মাণ কৰা এই বিচিত্ৰ সভাগৃহৰ

উৰাদিহ নাজানি দুৰ্যোধনে দুৱাৰ বুলি বেৰত খুন্দা মাৰিছে, কেতিয়াবা আকৌ বামক খাল বুলি ভাবি কাপোৰ কানি কোঁচাই লৈছে। কেতিয়াবা আকৌ বাম বুলি পানীত পৰি জোবোৰা খাইছে। দুৰ্যোধনক কাৰ্য দেখি দ্ৰৌপদীকে প্ৰমুখ্যে কৰি নাৰীসকলে হাঁহিৰ খলকনি তুলি। দুৰ্যোধনক দেখি অন্যান্য ৰজাসকলে চাপৰি বজাই হাঁহিবলৈ ধৰিছে। এনেয়েও পাণ্ডৱৰ ঐশ্বৰ্য বিভূতি দেখি অহংকাৰী দুৰ্যোধন ঈৰ্যান্বিত হৈছিল তাতে যেতিয়া সকলোৰে আগত পুতৌৰ পাত্ৰ হ'ব লগা হ'ল তেতিয়া দুৰ্যোধন লাজ আৰু ক্ষোভত দুগুণে জ্বলি উঠিল। তেনে সময়তে যুধিষ্ঠিৰে আগবাঢ়ি আহি আদৰ-সাদৰ কৰি নতুন বস্ত্ৰ অলংকাৰ আদি পিন্ধিবলৈ দি প্ৰবোধ দিলে। মৃত্যুৰ সময়ত ঔষধৰ কোনো গুণ নিদিয়াৰ নিচিনাকৈ যুধিষ্ঠিৰ মধুৰ বচনে দুৰ্যোধনৰ ক্ৰোধ বাৰণ কৰিব নোৱাৰিলে বৰঞ্চ বঢ়ালেহে, দুৰ্যোধন লাজে অপমানে মৃতপ্ৰায় হ'ল—

'অধিক জ্বলায় ক্ৰোধনল হৃদয়ত।
মহামানী হুয়া লঘু ভৈলো হেনম।।৭৬০
নাহিকে বিপক্ষ মোৰ ভীমৰ সমান।
হেন ভীমে মোক হাঁসিলেক বিদ্যমান।।'
শত্ৰুৰ আগত লঘু ভৈলো বিপৰীত।
ইসি অপমানত দগধ কৰে চিত্ত।। ৭৬১
'স্ত্ৰীও হাসিলেক মোক জীওঁ আৰু কিক।
মহামানী হুইয়া ভৈলো স্ত্ৰীতো অধম।।'

লাজে অপমানে জৰ্জৰিত হৈ দুৰ্যোধন হস্তিনাপুৰলৈ প্ৰত্যাগমন কৰিলে। দুৰ্যোধন এনেদৰে যোৱা দেখি যুধিষ্ঠিৰ অসন্তুষ্ট হ'ল আৰু গহীন হৈ পৰিল, কিয়নো দুৰ্যোধন এনেয়েও অহংকাৰী, তেনেস্থলত এনেদৰে অপমান পোৱাৰ পাছত তেওঁ বা কি ৰূপ লয়। কিন্তু কৃষ্ণই ভাবিলে যে দুৰ্যোধনক নিজৰ মায়াৰ দ্বাৰা পাণ্ডৱৰ সভাত অপমানিত কৰি কুৰু-পাণ্ডৱৰ মাজত কন্দল লগাই কৌৰৱক সংহাৰ কৰাৰ বীজ ৰোপণ কৰাত তেওঁ কৃতকাৰ্য হ'ল। কৃষ্ণ পাণ্ডৱসকলৰ লগত কিছুদিন আনন্দৰে থকাৰ পিছত পুনৰ দ্বাৰকালৈ গমন কৰিলে। কৃষ্ণৰ দ্বাৰকালৈ প্ৰত্যাগমনৰ লগে লগে কাব্যখনৰো সামৰণি পৰিছে।

কাব্যখনৰ মাধ্যমেৰে মহাপুৰুষ মাধৱদেৱে মূলতঃ ভক্তিধৰ্মৰ মহিমাকে প্ৰচাৰ কৰিছে। সমগ্ৰ কাব্যখনৰ মাজেদি মধ্যাহ্ন সূৰ্যৰ দৰে ভাস্বৰ হৈ উঠিছে কৃষ্ণৰ চৰিত্ৰ। সেই ফালৰ পৰা দৃষ্টি নিক্ষেপ কৰিলে ছবিখনহে দ্বীপ্তিমান হৈ উঠা দেখিছে; কিন্তু ৰাজসূয় কাব্যত আলোকিত হৈ উঠিছে কৃষ্ণৰ পৈণ্যত বয়সৰ চিত্ৰ। ইয়াত কৃষ্ণ দায়িত্বশীল শাসক আৰু অভিজ্ঞ ৰাজনীতিজ্ঞ ৰূপে চিত্ৰিত হৈছে। মাধৱদেৱৰ ঝুমুৰাবোৰত চিত্ৰিত হোৱা কৃষ্ণৰ দুষ্টালি, ধূৰ্তালিৰ পৰিৱৰ্তে ইয়াত প্ৰকাশ পাইছে ভকত বৎসল ভগৱন্তৰ ছবি। ইয়াত কৃষ্ণৰ পূৰ্ণ ব্ৰহ্মাৰ মানৱীয় ৰূপ প্ৰতিফলিত হৈছে। এই কথা তেওঁৰ নিজৰ কথাতেই প্ৰকাশ পাইছে—

'চিদানন্দ পূৰ্ণসত্য নিত্য নিৰন্তৰ।
মোহোৰ প্ৰকাশে প্ৰকাশয় চৰাচৰ।।৩১
সৃষ্টি স্থিতি প্ৰলয়ৰো কাৰণ সাক্ষাত।
জীৱৰো অবিদ্যা গুচে মোহোৰ সেৱাত।।
নোচোৱয় মোক দোষ গুণে জগতৰ।
পৰম ঈশ্বৰময় প্ৰকৃতিতো পৰ।।৩২

তদুপৰি পৰম ভক্ত, উদ্ধৱ, নাৰদ আৰু সহদেৱৰ ভক্তিৰ দ্বাৰাও কৃষ্ণৰ পৰম পুৰুষত্ব ঘোষিত হৈছে। ৰাজসূয় যজ্ঞত প্ৰথম অৰ্ঘ নিৱেদন কৰাৰ সময়ত সহদেৱৰ কথাত সেই কথা প্ৰকাশ পাইছে—

'ভকতসৰৰ প্ৰতি প্ৰভু ভগৱন্ত।
এহেন্তেসে শ্ৰেষ্ঠ অগ্ৰমান্য অৰিহন্ত।।
জগত প্ৰসিদ্ধ এন্তে সৰ্ব্ব দেৱময়।
ইহাঙ্ক পূজিলে জগতৰে পূজা হয়।।৫৪৮
....................................................
অনাদি নন্ত এক ঈশ্বৰ পৰম।
জগততে দ্বিতীয় নাহিকে যাক সম।।
জনম মৰণ একো নাহিকে যাহাৰ।
জগত জনক কৃষ্ণ পুৰুষতে সাৰ।।৫৫০

গছৰ গুৰিত পানী দিলে যিদৰে ডাল-পাত সকলোৰেই পুষ্টি লাভ কৰে, তেনেদৰে একান্ত মনে কৃষ্ণক উপাসনা কৰিলে তেত্ৰিশ কোটি দেৱতা সন্তুষ্ট হয়। ৰাজসূয় কাব্যখনৰ মাজেদি কৃষ্ণৰ শ্ৰেষ্ঠত্বকেই প্ৰতিপাদন কৰা হৈছে। কাব্যখনৰ আৰম্ভণিতেই কবিয়ে এইজনা পৰম পুৰুষৰ চৰণত প্ৰণিপাত জনাইছে—

'জয় জয় কৃষ্ণ জ্ঞানময় কলেৱৰ।
চাৰিবেদে যাৰ আজ্ঞাবাণী নিৰন্তৰ।।
নিখিল ব্ৰহ্মাণ্ড ক্ৰীড়া ভাণ্ড ভৈল যাৰ।

হেনয় কৃষ্ণক কোটি কোটি নমস্কাৰ।।১

কাব্যখনিত কবিৰ আধ্যাত্মিক বিচাৰ ধাৰা প্ৰকাশ পাইছে। কবিয়ে বিভিন্ন ঠাইত ভক্তি আৰু ভগৱানৰ ৰূপ-গুণ আদিৰ শ্ৰৱণ-কীৰ্তনৰ গুৰুত্বৰ ওপৰত প্ৰাধান্য দিছে। ৰাজসূয় কাব্যৰ এঠাইত আছে—

শুনা সাৱধান চিত্তে সৱে সভাসদ।
অমৃত সমান মহা ভাগৱত পদ।।
শিশুপাল মোক্ষ কৃষ্ণ লীলা অনুপাম।
কৰ্ণভৰি শুনি কৰা দুখ উপসাম।।
লভিবা মুকুতি পৰলোকতো সাক্ষাত।
বোলা ৰাম ৰাম চিন্তা পাপৰ বিঘাত।।

তদুপৰি আত্মা, পৰমাত্মা, ব্ৰহ্ম, অৱতাৰ গ্ৰহণৰ কাৰণ, জগত, ভক্তিতত্ব, বক্তিৰ ব্যাপকতা, লৌকিক সুখ, ৰাজধৰ্ম ইত্যাদিৰ বিষয়েও প্ৰকাশ কৰিছে।

গ্ৰন্থখনিত মায়া সম্পৰ্কেও মতামত ব্যক্ত কৰা হৈছে। মায়াৰ দ্বাৰা মানুহৰ মন আছন্ন হৈ থকাৰ বাবে অবস্তুকে বস্তু বুলি ভুল কৰা হয়। এই মায়াৰ গৰাকী ভগৱান পৰমেশ্বৰ। এই পৰমেশ্বৰক একান্ত ভক্তি কৰি তাৰ দ্বাৰাই মায়াৰ আৱৰণ ছেদ কৰি পৰম বস্তুক উপলব্ধি কৰিব পাৰি, ৰাজসূয় কাব্যত আছে—

'সূৰ্যৰ ৰশ্মিত যেন বালকসকলে আসি
বালুকাত জল বুদ্ধি কৰে।
সেইমতে মূঢ় সৱে মায়াময় মিছা যত
অবস্তুক বস্তু বুলি ধৰে।।৪১৯

অৰ্থাৎ সূৰ্যৰ ৰশ্মিৰ পৰশত চিক্‌মিকাই থকা বুলকা ৰাশিক শিশুসকলে পানী বুলি ভুল কৰাৰ নিচিনাকৈ অজ্ঞানীসকলে মায়াময় সংসাৰখনকেই নিত্য বস্তু বুলি ভুল কৰে। যিহেতুকে সকলো জীৱই মায়াৰ অধীন।

কাব্যখনিত কবিয়ে ভক্তিতত্ত্বৰ কথাখিনি ইমান সহজ সৰল আৰু প্ৰাঞ্জলভাৱে প্ৰকাশ কৰিছে যাৰ ফলত ভক্তিতত্ব জনসাধাৰণৰ বাবে দুৰ্বোধ্য নহৈ সহজবোধ্য আৰু মনোগ্ৰাহী হৈ পৰিছে। কালিৰাম মেধিৰ ভাষাত— 'এই ৰাজসূয় কাব্য অসমীয়া সাহিত্যৰ উজ্জ্বল ৰত্ন।' ইয়াৰ ভাষা প্ৰাঞ্জল, ই নিভাঁজ অসমীয়া ভাষা আৰু সংস্কৃতিৰ পৰিচায়ক। ভাষাৰ লালিত্য, অলংকাৰৰ মাধুৰ্য, ভাৱ গাম্ভীৰ্য, চিত্তৰ সৌন্দৰ্য আৰু ভক্তিৰ প্ৰাচুৰ্যই ইয়াক বাস্তৱিকতে মনোৰম কৰিছে।

কাব্যখনি বিবিন্ন ছন্দেৰে সুন্দৰভাৱে সজ্জিত। ছবি, দুলড়ী, ঝুমুৰী আদি ছন্দৰ প্ৰয়োগ, ভক্তিৰসৰ উপৰি বীৰ, ৰৌদ্ৰ, হাস্য আৰু শান্তৰসৰ প্ৰয়োগে বিষয়বস্তুক উপভোগ্য কৰি তোলাৰ লগতে গাম্ভীৰ্যতা দান কৰিছে। মুঠতে চিত্ৰবৎ বিৱৰণ, ভক্তিৰসৰ স্ফুৰণ, অলংকাৰ প্ৰয়োগৰ শোভাময়তা, বাস্তৱানুগত চৰিত্ৰাঙ্কন, ৰসৰ সাৰ্থক প্ৰয়োগ আৰু মহাপুৰুষীয়া আদৰ্শৰ কলাসুলভ উপস্থাপনেৰে ৰাজসূয় কাব্য এখন অনুপম ভক্তিমূলক কাব্য। ●●

**সহায়ক গ্ৰন্থসমূহ ঃ**

১। মহাপুৰুষ মাধৱদেৱ বাক্যামৃত ঃ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
২। ভক্তিবাদ ঃ তীৰ্থনাথ শৰ্মা (১ম প্ৰকাশ, ১৯৭৭)
৩। শ্ৰীমদ্ভাগৱত ঃ হৰিনাৰায়ণ দত্ত বৰুৱা, সম্পাদিত, ১১শ সংস্কৰণ, ১৯৮৬ চন)
৪। প্ৰণিপাত ঃ শ্ৰীন্ত শঙ্কৰদেৱ ৫৪৬তম জন্মোসৱৰ, পত্ৰিকা-১৯৯৪ চন।
৫। শ্ৰীমন্ত শঙ্কৰদেৱ ধৰ্ম আৰু পৰম্পৰা ঃ চক্ৰেশ্বৰ মহন্ত
৬। অসমীয়া সাহিত্যৰ বুৰঞ্জী ঃ নৰকান্ত বৰুৱা
৭। কাহিনী কাণ্ডৰ প্ৰবাহ ঃ ড° সত্যেন্দ্ৰনাথ শৰ্মা

লেখক পৰিচয় ঃ **ৰুণিমা বৰুৱা**
অধ্যাপিকা
কাকজান মহাবিদ্যালয়, যোৰহাট

# দুখন জীৱনভিত্তিক উপন্যাসৰ আধাৰত শঙ্কৰদেৱৰ আধ্যাত্মিক দৃষ্টিভংগী

**প্ৰফুল্ল কুমাৰ নাথ**
**ধীৰাজ পাটৰ**

**প্ৰস্তাৱনাঃ**

বৰ্তমান সময়ছোৱাত জীৱনভিত্তিক উপন্যাস ৰচনাই লেখক আৰু পাঠক উভয়কেই সমানে আকৰ্ষণ কৰা দেখা যায়। চৈয়দ আব্দুল মালিকৰ 'ৰূপতীৰ্থৰ যাত্ৰী', (প্ৰথম খণ্ড১৯৬৩, দ্বিতীয় খণ্ড১৯৬৫ ), মেদিনী চৌধুৰীৰ 'ফেৰেঙ্গাদাও', (১৯৮২) তিলোত্তমা মিশ্ৰৰ 'স্বৰ্ণলতা', নিৰূপমা বৰগোহাঞিৰ 'অভিযাত্ৰী',(১৯৯৫) চন্দ্ৰপ্ৰসাদ শইকীয়াৰ 'তোৰে মোৰে আলোকৰে যাত্ৰা',(১৯৯৯), মেদিনী চৌধুৰীৰ 'বণ্ডুকা বেহাৰ'(১৯৭৬) আব্দুল মালিকৰ 'ধন্য নৰ তনু ভাল,(১৯৮৭) লক্ষ্মীনন্দন বৰাৰ 'যাকেৰি নাহিকে উপাম',(১৯৯৩) আব্দুল মালিকৰ 'প্ৰেম অমৃতৰ নদী' (১৯৯৯) আৰু লক্ষ্মীনন্দন বৰাৰ 'সেহি গুণনিধি', (১৯৯৯) এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখযোগ্য।

অসমীয়া জীৱনভিত্তিক বা জীৱনীমূলক উপন্যাস ৰচনাৰ ক্ষেত্ৰত চৈয়দ আব্দুল মালিকে বিশিষ্ট স্থান লাভ কৰিছে। তেওঁৰ দ্বাৰা ৰচিত 'ৰূপতীৰ্থৰ যাত্ৰী'(১৯৬৩-৬৫) য়েই প্ৰকৃতাৰ্থত অসমীয়া ভাষাত ৰচিত প্ৰথম জীৱনভিত্তিক উপন্যাস। তেওঁৰ উপন্যাসসমূহৰ ভিতৰত 'ৰূপতীৰ্থৰ যাত্ৰী', ধন্য নৰ তনু ভাল আৰু প্ৰেম অমৃতৰ নদী তিনিওখনেই জীৱনীমূলক বা জীৱনভিত্তিক উপন্যাস। সেইদৰে লক্ষ্মীনন্দন বৰাৰ যাকেৰি নাহিকে উপাম আৰু সেহি গুণনিধি এই দুখনি উপন্যাস জীৱনীভিত্তিক উপন্যাস।

মহাপুৰুষৰ জীৱনভিত্তিত ৰচিত অসমীয়া উপন্যাসৰ ভিতৰত প্ৰথমখন উপন্যাস হ'ল মেদিনী চৌধুৰীৰ বণ্ডুকা বেহাৰ (১৯৭৮) মহাপুৰুষ মাধৱদেৱৰ জীৱন কাহিনীৰ আধাৰত ৰচনা কৰা হৈছে। মাধৱদেৱৰ জীৱনৰ আধাৰত ৰচিত আন দুখনি উপন্যাস হ'ল লক্ষ্মীনন্দন বৰাৰ 'সেহি গুণনিধি' (১৯৯৭) আৰু চৈয়দ আব্দুল মালিকৰ 'প্ৰেম অমৃতৰ নদী'(১৯৯৯)। আনহাতে অসমীয়া জাতীয় জীৱনৰ সৈতে জড়িত এগৰাকী মহান কলাকাৰ শ্ৰীমন্ত শঙ্কৰদেৱৰ জীৱনৰ আধাৰত ইতিমধ্যে কেইবাখনো জীৱনভিত্তিক উপন্যাস ৰচিত হৈছে। তেনে উপন্যাসৰ ভিতৰত চৈয়দ আব্দুল মালিকৰ 'ধন্য নৰ তনু ভাল' (১৯৮৭), লক্ষ্মীনন্দন বৰাৰ 'যাকেৰি নাহিকে উপাম' (১৯৯৩) আৰু নিৰূপমা মহন্তৰ 'সৰ্বগুণাকৰ' (২০০৬) একেজন মহান ব্যক্তিৰ জীৱনৰ আধাৰত হ'লেও কেউখন উপন্যাসৰ ৰচনা ৰীতি, বিষয়বস্তুৰ উপস্থাপন পদ্ধতি আৰু ঔপন্যাসিকৰ জীৱন আৰু জগত সম্পৰ্কীয় দৃষ্টিভংগীৰ ক্ষেত্ৰত পাৰ্থক্য পৰিলক্ষিত হয়। মহাপুৰুষ শঙ্কৰদেৱৰ দৰে এগৰাকী মহান কলাকাৰৰ বৰ্ণাঢ্য ব্যক্তিত্বৰ সামগ্ৰিক জীৱনৰ বিভিন্ন দিশ একেখনি উপন্যাসৰ ভিতৰত সামৰি লোৱাটো যথেষ্ট কষ্টকৰ কাম। অৱশ্যে প্ৰথম দুয়োগৰাকী কৃতী ঔপন্যাসিকৰ অনুকৰণীয় ৰচনাশৈলীয়ে উপন্যাস দুখনি সুখপাঠ্য কৰি তুলিছে।

উপন্যাসখনিৰ মাধ্যমেদি শঙ্কৰদেৱৰ জীৱন আৰু কৃতিত্বৰ লগে লগে অন্যান্য চৰিত্ৰৰাজি বিশেষকৈ মাধৱদেৱ, চন্দৰী আই, মহেন্দ্ৰ কন্দলী, নৰনাৰায়ণ, চিলাৰায়, নাৰায়ণ দাস ঠাকুৰ আতা প্ৰভৃতি চৰিত্ৰয়ো প্ৰকাশ আৰু বিকাশ লাভ কৰিছে।

শঙ্কৰদেৱৰ ধৰ্মীয় উদাৰতা আৰু গভীৰ মানৱীয় দৃষ্টিভঙ্গীৰ পৰিচয় ধন্য নৰতনু ভাল উপন্যাসত স্পষ্ট। মহাপুৰুষগৰাকীৰ ঘটনা বহুল বিচিত্ৰ জীৱনৰ পৰিচয় দিবলৈ গৈ ঔপন্যাসিক সমকালীন সমাজ আৰু সংস্কৃতিৰ বিভিন্ন দিশত আলোকপাত কৰিছে আৰু উপন্যাসখনৰ মাজেদি সমসাময়িক সমাজক উদ্ভাষিত কৰি তোলাৰ প্ৰয়াস কৰিছে। উপন্যাসখনিত শঙ্কৰদেৱক মানৱীয় ৰূপত প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস কৰা হৈছে।

১.০.২ ঃ ধন্য নৰ তনু ভাল উপন্যাসখনি চাৰিটা খণ্ডত বিভক্ত। ইয়াৰ প্ৰথম খণ্ডত শঙ্কৰদেৱৰ শিক্ষা জীৱন, বৈবাহিক জীৱন, মনুৰ জন্ম, শঙ্কৰদেৱৰ চিহ্নযাত্ৰা ভাওনাৰ প্ৰস্তুতি বিবিধ কথা সামৰি লোৱা হৈছে। ঔপন্যাসিকে চৰিত্ৰ পুথিৰ

অলৌকিক প্ৰসঙ্গসমূহ যথাসম্ভৱ পৰিহাৰ কৰিছে আৰুসেইসমূহ বাস্তৱসন্মত ৰূপত উপস্থাপনৰ প্ৰয়াস কৰিছে। উদাহৰণ স্বৰূপে ৰাধিকা শান্তিৰ প্ৰসঙ্গ উল্লেখ কৰিব পাৰি। ‘ধন্য নৰ তনু ভাল'ত ৰাধিকা শান্তিয়ে পলৰে পানী অনা কাহিনীটো বাস্তৱ ঘটনাৰ দৰেই দাঙি ধৰা হৈছে-

“উপস্থিত সকলোৰে চকু তেতিয়া সেই নৈত নমা গাভৰু বোৱাৰীজনীৰ ওপৰত। পল'টো ওপৰলৈ মূকৈ লৈ ৰাধিকাই তাত পানী ভৰালে। ফুটা ওলোৱা বাঁহৰ শলা গুঠি গুঠি সজা মাছ ধৰা পল'। কাণ্ড দেখি সকলো বিস্ময়ত হতবাক হ'ল। (পৃঃ১৭০)

এই অলৌকিক কাণ্ডৰ বিষয়ে মন্তব্য কৰি ঔপন্যাসিক লিখিছে—

“অখ্যাত টেম্বুৰনী জানৰ পাৰত এক অখ্যাত নাৰীয়ে সামাজিক পুনৰ মূল্যায়নৰ আৰু সামাজিক বিপ্লৱৰ এক নতুন অধ্যায়ৰ পাতনি মেলিলে।” (পৃষ্ঠা-১৭১)

‘যাকেৰি নাহিকে উপাম'ত এই অলৌকিক কাহিনীভাগ ঔপন্যাসিকে নিধিৰাম নামৰ এগৰাকী কৈৱৰ্তৰ বক্তব্যৰ মাজেৰে উপস্থাপন কৰাইছে। ঃ

“টেম্বুৰনী জানে এগৰাকী শান্তি তিৰোতাৰ অৰ্থাৎ সপোনে পৰম গুৰু জ্ঞান কৰা সতী তিৰোতাৰ পৰশ বিচাৰিছে। শঙ্কৰে সকলোকে উপদেশ দি ক'লে এগৰাকী শান্তি তিৰোতাই বাঁহৰ কাঠৰ পলৰ এপল পানী ব্ৰহ্মপুত্ৰৰ পৰা আনি জানৰ মুখত ঢালি দিব লাগিব আৰু সেইটো পলৰেই আৰু এপল মাটি আনি তাত পেলাব লাগিব। লগে লগে সেইফালে সোঁত ৰোৱা পানী বন্ধ হ'ব। ৰাধিকা ব্ৰহ্মপুত্ৰলৈ পল এটা লৈ গ'ল। তাই পলত পানী লৈ উভটিল। (পৃষ্ঠা-১২২-২৩)

শঙ্কৰদেৱৰ সমসাময়িকভাৱে অসমীয়া সমাজখনত বিৰাজ কৰা নানাবিধ সামাজিক বৈষম্য আৰু প্ৰতিবন্ধকতা দূৰ কৰি সকলো ধৰণৰ প্ৰতিক্ৰিয়াশীল শক্তিৰ বিৰুদ্ধে সংগ্ৰামত অৱতীৰ্ণ হৈ জীৱন যুদ্ধৰ সফলতা লাভ কৰাৰ কাহিনী উপন্যাসখনত চিত্ৰিত হৈছে। অসমৰ সমাজ জীৱনত বিৰাজ কৰা জাতি-ভেদ, বৰ্ণ-বৈষম্যৰ সংকীৰ্ণতা দূৰ কৰি সামাজিক পৰিৱেশৰ উন্নতি সাধন কৰা আৰু জাতি-ধৰ্ম-বৰ্ণ সম্প্ৰদায় নিৰ্বিশেষে সকলোকে একশৰণ নাম ধৰ্মৰ আশ্ৰয়ত শৰণ দি মুক্তিৰ পথ প্ৰশস্ত কৰোৱাত শঙ্কৰদেৱৰ গুৰুত্ব আছিল অপৰিসীম।

ভগৱানৰ নিজা কোনো জাত বা ধৰ্ম নাই। ভগৱান হিন্দুও নহয়, মুছলমানো নহয়, বৌদ্ধও নহয়। তেওঁ এই সকলোৰে উৰ্দ্ধত এক অসীম, অনন্ত, নিৰাকাৰ, নিৰ্বিকাৰ, চিৰজাগ্ৰত, চিৰ চৈতন্যময়, অবাঙ্‌মনোগোচৰ এক অব্যক্ত সত্ত্বা; জ্ঞান বুদ্ধি, যুক্তি কৰ্মই তেওঁৰ স্বৰূপ বিচাৰি নাপায়, পায় কেৱল একান্ত অচলা নিৰ্মোহ ভক্তিৰে। আত্ম সমৰ্পণতকৈ আৰু কি ডাঙৰ নৈবেদ্য হ'ব পাৰে? আমাৰ এই খেতিয়ক মানুহবোৰৰ নিজৰ দেহ-মন আত্মসমৰ্পণ কৰাৰ বাহিৰে আৰু কি আছে ভগৱানক দিবলৈ; ভক্তৰ পৰা আৰু কিয়েইবা বিচাৰে সৰ্বজগতৰ মহায়ান স্ৰষ্টা ভগৱানে? দুখীয়াতকৈ দুখীয়াজনৰো দৰিদ্ৰজনকো, এসাজ খালে দুসাজ খাবলৈ নথকাজনৰো ভগৱানক দিব পৰা সৰু হ'লেও সামান্য হ'লেও এখন হৃদয় আছে। সেই হৃদয়ৰ কোনো ৰূপ নাই ৰং নাই, ধৰ্ম নাই। যি আকাশৰ দৰেই ব্যাপ্ত। সেই হৃদয়ক কোনোবাই ভক্তিৰে, প্ৰেমেৰে গৰ্ব অহংকাৰহীন সম্পৰ্কৰ বোলেৰে বোলাব পাৰে, ত্যাগৰ ৰহণেৰে উজলাই তুলিব পাৰে, সিয়েই দিব সত্যৰ পথ, ভগৱানৰ কৰুণা লাভৰ পথ আৰু ইজন মানুহে যেতিয়া সিজন মানুহৰ, ইটো জীৱনে যেতিয়া সিটো জীৱনৰ সেই সহজ আৰু সৰ্বব্যাপ্ত আত্মাৰ চিনাকি বিচাৰি পাব, তেতিয়াই নোহোৱা হ'ব সকলো বিভেদ-বিৰোধ, ভুল আৰু ভ্ৰান্তি।

এনেদৰেই ঔপন্যাসিকে মহাপুৰুষীয়া ধৰ্মৰ গভীৰত প্ৰৱেশ কৰি সাধাৰণ পাঠককৈ মানৱীয় ধৰ্মৰ মৰ্মবাণী প্ৰকাশ কৰিছে।

শঙ্কৰদেৱৰ বিশাল ব্যক্তিত্ব আৰু সৃষ্টি প্ৰতিভাৰ ইঙ্গিত দি ঔপন্যাসিকে মহেন্দ্ৰ কন্দলিৰ বক্তব্যৰ মাজেদি তাৰ ইঙ্গিত দিছে এনেদৰে ঃ

“আমাৰ ডেকাগিৰী এজন কবি হ'ব, এজন গায়ক হ'ব, এজন চিত্ৰকৰ হ'ব, এজন নটুৱা হ'ব আৰু এজন পৰম বিষ্ণুভক্ত হ'ব।”

সেয়ে আত্মীয় স্বজনৰ ইচ্ছা আৰু জীৱনৰ আহ্বান স্বীকাৰ কৰি লৈ শঙ্কৰদেৱে খেৰসুতিৰ আহ্বানক্ৰমে সংসাৰৰ বন্ধনত বান্ধ খাবলগীয়া হৈছে আৰু মনতে ভাবিছে ঃ

“মই বৰদোৱাতকৈ ভূঞা ৰাজ্যতকৈ বহুত ডাঙৰ এখন সম্পৰ্ক ৰচনা কৰিবলৈ আয়োজন কৰিছো। সেইখন ৰূপ-ৰস-গন্ধ বৰ্ণৰ জগত। নৃত্য-গীত, বাদ্য, চিত্ৰকলাৰ জগত। মই ভূঞা ৰাজ্যত প্ৰজাবোৰক সেইখন অক্ষয়, অব্যয়,

চিৰসুন্দৰ জগতলৈ লৈ যোৱাৰ স্বপ্ন দেখিছো। তাৰ মাজেদি আহিব এজনী ছোৱালী সূৰ্যৱতী। তেওঁ হ'ব মোৰ গৃহিণী, মোৰ জীৱনৰ সহযাত্ৰী। তেওঁকো আনৰ লগতে মই মোৰ সেই পৱিত্ৰ, পৰম সুন্দৰ মানস জগতলৈ লৈ যাম।"

শঙ্কৰদেৱে সংসাৰ যাত্ৰাৰ মাজেদি ধৰ্মীয় যাত্ৰাৰ পথত অগ্ৰসৰ হৈছিল আৰু অসমীয়া জনগণৰ মাজত এক সাংস্কৃতিক বিপ্লৱৰ শুভাৰম্ভ কৰিব বিচাৰিছিল। নিৰক্ষণৰ জনগণক নৃত্য, গীত, অভিনয় আৰু শিল্পচৰ্চাৰ প্ৰশিক্ষণ দি তেওঁলোকক এখনি অপাৰ্থিব জগতলৈ লৈ যোৱাৰ প্ৰয়াস কৰিছিল।

আমাৰ হালোৱা-হজুৱা, কমাৰ-কুমাৰৰ ল'ৰাহঁতৰ গাতে এই সকলোবোৰ কৰিব পৰা গুণ আছে। খেৰৰ জুমুধিত বোকা লিপি যেনেকৈ দেৱ-দেৱীৰ মূৰ্তি সাজো তেনেকৈ ইহঁতক আমাৰ লিখা-পঢ়া একো নজনা গাঁৱৰ ল'ৰাহঁতকো মই নাট-ভাওনাত পাকৈত ভাৱৰীয়া সাজিম। সিহঁতৰেই ঢুলীয়া হ'ব, খুলীয়া হ'ব, গায়ন-বায়ন হ'ব ওজা হ'ব, সূত্ৰধাৰ হব সকলো হ'ব। এনেকৈ আমাৰ ভকতহঁতেই আমাৰ ডেকাহঁতেই আমাৰ ল'ৰাহঁতেই গাওঁখন দেৱতাৰ লীলাভূমি সজাব।'

শঙ্কৰদেৱে নামঘৰকেই নাটঘৰলৈ ৰূপ দিব বিচাৰিছিল। তেওঁৰ দৃষ্টি আছিল মানুহক সুন্দৰ কৰাৰ, মানুহক মহীয়ান কৰাৰ, মানুহক অন্তৰ্নিহিত অপাৰ সম্ভাৱনা চিৰজাগ্ৰত কৰাৰ।

উপন্যাসখনৰ দ্বিতীয় খণ্ডত শঙ্কৰদেৱ তীৰ্থৰ পৰা প্ৰত্যাৱৰ্ত্তন, পুনৰ বিবাহ, মাধৱদেৱৰ সৈতে মিলন, বিৰোধী ব্ৰাহ্মণৰ সৈতে সংঘাত আৰু স্বকীয় মতৰ প্ৰতিষ্ঠাৰ বিষয়ে আলোচনা কৰা হৈছে।

শঙ্কৰদেৱে অহিংসা, সাম্য আৰু মানৱতাৰ ভেটিত এখনি প্ৰগতিশীল সমাজ গঢ়াৰ কল্পনা কৰিছিল। এইখন সমাজ জাতিভেদ বৰ্ণ বৈষম্যৰপৰা সম্পূৰ্ণ মুক্ত। ঔপনাসিকৰ ভাষাত—

"মাধৱ শঙ্কৰৰ চকুত এখন নতুন অনাৱিকৃত দিগন্তৰ ছায়াময়া ছবি এখন শুদ্ধ, সত্ত্ব ব্যাপ্ত, বৈষ্ণৱ সমাজ, এখন নিঃস্বাৰ্থ ভক্তৰ সমাজ এখন সাম্য আৰু মানৱতাৰ ভিত্তিত প্ৰতিষ্ঠিত নতুন নতুন সুন্দৰ সমাজ। ভক্তৰ সাম্যগীতেৰে উত্তপ্ত এনে বাধা বিপত্তিৰ মাজতো মহেন্দ্ৰ কন্দলিৰ পৰা অনন্ত কন্দলিলৈকে বহুতো ব্ৰাহ্মণে শঙ্কৰদেৱৰ শিষ্যত্ব গ্ৰহণ কৰি নৱ-বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰিছিল।"

'যাকেৰি নাহিকে উপাম'ত মুঠ ত্ৰিশটা অধ্যায়ত বিভক্ত৩৫১ পৃষ্ঠাৰে পৰিপূৰ্ণ শঙ্কৰদেৱৰ জীৱন আধাৰিত এখনি উপান্যাস। শঙ্কৰদেৱৰ বাল্যলীলাৰে উপান্যাসখন আৰম্ভ কৰা হৈছে। সেই সময়ৰ আন দহজন ল'ৰাৰ দৰেই শঙ্কৰদেৱেও ধিতিঙালি কৰি দিন কটাইছিল। উপান্যাসখনৰ প্ৰথম বাক্যটোতেই ঔপন্যাসিকে তাৰ আভাস দাঙি ধৰিছে এনেদৰে—

"দিনৰ দিনটো সি কʼলৈ যায় এক ভগৱানেহে জানে"-- উপন্যাসখনৰ প্ৰথম অধ্যায়ৰ পৰা তৃতীয় অধ্যায়লৈ শঙ্কৰদেৱৰ শিশুলীলা বিশেষকৈ খেলা-ধূলা, প্ৰকৃতি প্ৰীতি, জীৱৰ প্ৰতি দয়া দুঃসাহসিক কাৰ্য সম্পাদন, লগৰীয়াসকলক নেতৃত্ব দিয়া ইত্যাদিৰ বৰ্ণনা দাঙি ধৰা হৈছে।

দ্বিতীয় অধ্যায়ত শঙ্কৰদেৱ পিতৃ-মাতৃহাৰা হোৱাৰ বৰ্ণনা দাঙি ধৰিছে-শঙ্কৰদেৱৰ লগত বুঢ়ীমাকৰ আত্মিক সম্পৰ্কৰ বৰ্ণনা, আইতাকৰ শাস্ত্ৰ চৰ্চাৰ বাবে প্ৰেৰণা, তৃতীয় অধ্যায়ত নিৰ্ভীকতা আৰু একাগ্ৰতাৰ উমান বংশলতাৰ পৰিচয় আছে। চতুৰ্থ অধ্যায়ত শঙ্কৰদেৱৰ বিদ্যাৰম্ভ বৰ্ণনা পিছৰ অধ্যায়বোৰত যথাক্ৰমে শিৰোমণি ভূঞাৰ বিষয় গ্ৰহণ, হৰিখা ভূঞাৰ কন্যা সূৰ্য্যৱতীৰ পাণি গ্ৰহণ, ৰাজকাৰ্যৰ প্ৰতি অনিহা, ৰাজৰোষৰ বৰ্ণনা ,নেতা হোৱাতকৈ সাংস্কৃতিক নেতৃত্ব গ্ৰহণৰ প্ৰতি শঙ্কৰদেৱৰ ধাউতি আদি কথা বৰ্ণনা কৰা হৈছে। তাৰ লগে লগে তীৰ্থ ভ্ৰমণ, দ্বিতীয় বিবাহ, ধৰ্ম প্ৰচাৰ, পুথি ৰচনাৰ প্ৰসঙ্গ, মাধৱদেৱৰ সৈতে মিলন পাটবাউসীৰ জীৱন যাত্ৰা মাধৱদেৱক ধৰ্মভাৰ অৰ্পণ আদি বৰ্ণনা দাঙি ধৰা হৈছে। ৰামানন্দৰ জন্ম আৰু বৰগীত ৰচনাৰ প্ৰসঙ্গ জনকল্যাণকামী কামত আত্মনিয়োগ, সাহিত্য ৰচনা, দীঘলীয়া স্বগতোক্তিৰ বৰ্ণনাই গ্ৰন্থখনৰ সৌন্দৰ্য বৃদ্ধি কৰিছে। ৰাজৰোষত বশৱৰ্তী হৈ শঙ্কৰদেৱে পলায়ন কৰিবলগীয়া অৱস্থাৰ বৰ্ণনাও উপান্যাসখনিত দাঙি ধৰা হৈছে। শঙ্কৰদেৱৰ শাৰীৰিক শক্তিও বিশ্বাসযোগ্য ৰূপত উপস্থাপন কৰা হৈছে। শঙ্কৰদেৱে বৃহত্তৰ অসমীয়া জাতি-গঠনৰ প্ৰক্ৰিয়াত গুৰুত্ব দিছিল। মানৱীয় দৃষ্টিভঙ্গীৰে তেওঁ জাতি ধৰ্ম বৰ্ণ ভাষাৰ পৰিধি ভাঙি মানৱতাৰ জয়ধ্বজা উৰুৱাইছিল আৰু বিভিন্ন সম্প্ৰদায়ৰ লোকে ধৰ্মীয় বান্ধোনেৰে বান্ধিছিল। গাৰোৰ গোবিন্দ আৰু যৱনৰ চান্দ সাইৰ চৰিত্ৰ উপান্যাসখনিত অতি উজ্জ্বল। শঙ্কৰদেৱৰ প্ৰধান শিষ্য মাধৱদেৱৰ চৰিত্ৰও উপান্যাসখনিত অতি উজ্জ্বল। বৃন্দাৱনীবস্ত্ৰ প্ৰদ্ধতিৰ প্ৰসংগত

শোষক আৰু শোষিতৰ প্ৰভেদ স্পষ্ট কৰি দেখুওৱা হৈছে।

**তুলনামূলক আলোচনাঃ**

⇨চৰিতপুথি, বুৰঞ্জী আৰু বৈষ্ণৱ সাহিত্যৰ বিস্তৃত অধ্যয়ন কৰি দুয়োখন উপন্যাস প্ৰণয়ন কৰা হৈছে।

⇨দুয়োগৰাকী ঔপন্যাসিকে আধুনিক দৃষ্টিভঙ্গীৰে শঙ্কৰদেৱক প্ৰতিষ্ঠিত কৰাৰ প্ৰয়াস কৰিছে। সেইবাবেই চৰিত্ৰ পুথিৰ সকলোবোৰ সমল তেওঁলোকে গ্ৰহণ কৰা নাই।

⇨আব্দুল মালিকে শঙ্কৰদেৱক মানুহ হিচাপে প্ৰতিষ্ঠা কৰাৰ বিপৰীতে লক্ষ্মীনন্দন বৰাই তেওঁৰ উপন্যাসত শঙ্কৰদেৱক ঐশ্বৰিক শক্তিৰ অধিকাৰী ৰূপত প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস 'যাকেৰি নাহিকে উপাম'ত বিদ্যমান।

⇨দুয়োগৰাকী ঔপন্যাসিকে শঙ্কৰদেৱৰ জীৱনভিত্তিক উপন্যাস ৰচনা কৰোতে শঙ্কৰদেৱৰ ৰচনাৱলীৰ বিশেষভাৱে সহায় লৈছে আৰু উক্ত সাহিত্যৰ আধাৰত জীৱনীক পুনৰ্নিৰ্মাণ কৰাৰ প্ৰয়াস কৰিছে।

⇨ঠাইবিশেষে একোটা পদ, ঘোষা, বৰগীত ৰচনাৰ সৈতে নায়কৰ জীৱনৰ কোনো এটা বিশেষ ঘটনাৰ অৱতাৰণা কৰি কাহিনীভাগ বিকশিত কৰাটো দুয়োগৰাকী ঔপন্যাসিক ক্ষেত্ৰত লক্ষ্য কৰা হয়।

⇨দুয়োখন উপান্যাসত শঙ্কৰদেৱৰ দ্বাৰা ৰচিত গীত-পদ আদিৰ উদ্ধৃতি দি বৰ্ণনীয় বিষয়ক চিত্তচমৎকাৰী কৰি তোলা হৈছে।

⇨ধন্য নৰ তনু ভাল উপন্যাসত ঔপন্যাসিকৰ কল্পনাই মুক্তভাৱে বিচৰণৰ সুযোগ গ্ৰহণ কৰিছে। উপন্যাসখনৰ প্ৰথম খণ্ডৰ ষষ্ঠ অধ্যায়টো পঞ্চমকাৰ সাধনাৰ নাটকীয় ঘটনাই পাঠকক সহজে অভিভূত কৰে।

"শেষ ৰাতি মানুহবোৰ সকলো ভাগৰি পৰিল। সিহঁতক টোপনিয়ে হেঁচা মাৰি ধৰিলে। কিন্তু সিহঁতে টোপনি নোহোৱাকৈ থাকিবৰ যত্ন কৰিলে, কাৰণ ৰাতি নৌপুৱাওতেই গূঢ় বস্তুৰ ভেদ লৈ সিহঁত ঘৰাঘৰি যাব লাগিব। ৰাতিপুৱালৈ, কোন কোন আহিছিল অইন কোনোৱে জানিব নেলাগিব। এইয়ে ৰাতিসেৱা। ভোগেই সেৱা, পঞ্চমকাৰ সেৱাৰ গূঢ়তত্ব উপলব্ধিৰ পথ। ৰাতিৰ নিৰন্ধ অন্ধকাৰত পুৰুষ নাৰী একাকাৰ ব্যভিচাৰেই পূজা সেৱা। সকলো মুকলি, সকলো গোপন, এইয়া বিকৃত মহাযান। (পৃঃ৫২)

সমসাময়িক সমাজত তান্ত্ৰিক সাধন, মন্ত্ৰৰ কথা, যোগচৰ্চা পঞ্চমকাৰৰ সাধনা, ৰাতিসেৱাৰ কথা, ভোগীৰ কাহিনী আদিৰ চিত্ৰ অংকনেৰে 'ধন্য নৰ তনু ভালত' সেই সময়ৰ স্বৰূপ উদ্‌ঘাটনৰ প্ৰয়াস কৰা হৈছে।

'ঔপন্যাসিকৰ অনুপম ৰচনাশৈলীয়ে দুয়োখন উপন্যাসৰ কাব্যিক সৌন্দৰ্য্য বৰ্দ্ধিত কৰাৰ লগে লগে উপন্যাস দুখনি সুখপাঠ্য কৰি তুলিছে।

ঔপন্যাসিকে প্ৰয়োজনবোধে বিভিন্ন প্ৰবাদ, প্ৰবচন, ফকৰা-যোজনা, পটন্তৰ আদিৰ সহায় লৈ ধন্য নৰ তনু ভাল উপন্যাসক তথ্যসমৃদ্ধ কৰি তুলিছে।

"যাকেৰি নাহিকে উপাম" শঙ্কৰদেৱৰ চিন্তাৰ এটি প্ৰসাৰিত ৰূপ দেখিবলৈ পোৱা যায়। এই সম্পৰ্কত কবীৰৰ মঠলৈ যোৱাৰ অভিজ্ঞতা বৰ্ণাই ঔপন্যাসিকে লিখিছে।

"জগন্নাথৰ পথতে ভক্ত কবীৰৰ মঠ। তাতে কবীৰৰ নাতি জীয়েক আৰু জোঁয়ায়েকক লগ পালোঁ। কবীৰৰ কেবাবছৰৰ আগতেই দেহাৱসান ঘটিল। তেওঁৰ শৱটো লৈ হিন্দু আৰু মুছলমানৰ মাজত টনা-আজোৰা লাগিছিল। মই চান্দসাইক আতৈ কৰাৰ প্ৰেৰণা পাইছিলো কবীৰৰ জীৱনৰ পৰাই। আলি নগৰত কবীৰৰ ভেটিলৈ গৈ এই মহাপুৰুষজনাক শ্ৰদ্ধা জনালোগৈ। তেওঁৰ থানখন দেখিও আনন্দ পালো। (পৃঃ ৩০৬)

শঙ্কৰদেৱৰ মানৱতাবোধ আৰু ধৰ্মীয় উদাৰতাৰ পৰিচয় ধন্য নৰ তনু ভাল উপন্যাসত ঔপন্যাসিকে লিখিছে—

"নিজে প্ৰণাম জনোৱাৰ উপৰিও শিষ্যভক্ত সকলকো কবীৰৰ কবৰত প্ৰণিপাত জনাবৰ বাবে শঙ্কৰদেৱে নিৰ্দেশ দিছিল। মানুহৰ ভাৱজগতত আলোড়ন সৃষ্টি কৰা এজন সাহসী লোক কৰি আৰু সমাজ সংস্কাৰক জাতি-ধৰ্মৰ বিচাৰে বিচাৰ নকৰি সমাধিতো প্ৰণিপাত জনাই শঙ্কৰদেৱৰ মনৰ উদাৰতাৰ জীৱন্ত আদৰ্শ দাঙি ধৰিছে।"

"যাকেৰি নাহিকে উপাম'ত শঙ্কৰদেৱৰ ওপৰত আৰোপ কৰা ঐশ্বৰিক মহিমাৰ নিদৰ্শন এনেদৰে দাঙি দৰা হৈছে—

"শঙ্কৰে বুৰ মাৰি তলীত থকা কাচ ধৰিছিল, ভটুঙাই ওলোৱা শিহু ধৰি সকলোকে চমক লগাইছিল। তাৰ গাত আসুৰিক শক্তি। কিন্তু সকলোৱে কয়, এয়া আসুৰিক শক্তি নহয়, ঐশ্বৰিক গুণহে।' (পৃঃ ৩০)

'অলংকাৰ পাতি গঙ্গাত পেলাই দিয়া হ'ল। কিন্তু গঙ্গাৰ তললৈ নগ'ল। ওপঙি থাকিল।' (পৃঃ৩৫)

"শুড় ডালহে হাতীৰ আক্ৰমণৰ অস্ত্ৰ। এতেকে মই হাতত সাৰে ভৰিত সাৰে আগবাঢ়ি গৈ তাক শুড়ত ধৰিলো

এতিয়া অস্ত্ৰহীন হাতীটোক বল প্ৰয়োগ কৰি অৱশ কৰিবলৈ মোৰ বেছি সময় নালাগিল।" (পৃঃ ১০৮)

"শঙ্কৰদেৱে মানুহক মানুহ হিচাপে প্ৰতিষ্ঠা কৰাৰ বাবে প্ৰয়াস কৰিছিল। সেইবাবেই বিভিন্ন জাতি সম্প্ৰদায়ৰ মানুহ আনি নৱ-বৈষ্ণৱ ভক্তিধৰ্মত শৰণ দিছিল। তেওঁ জীৱনৰ অন্তিম দিনত নিজকে প্ৰশ্ন কৰিছে--'মানুহক মানুহ বুলি প্ৰতিষ্ঠা কৰিব পাৰিলোনে মই?' (পৃঃ ৪৬৩)

যাকেৰি নাহিকে উপাম উপান্যাসৰ প্ৰাক্কথনত ঔপন্যাসিকে লিখিছে-- 'অৱশ্যে মানুহ হিচাপেহে এই বিচাৰ। চৰিত্ৰপুথিত থকা অলৌকিক ঘটনাখিনি বাদ দিয়া হৈছে। অৱশ্যে ঔপন্যাসিকে অলৌকিকতা বৰ্জন কৰা বুলি উল্লেখ কৰিলেও উপন্যাসখনিত অনেক অলৌকিক উপাদান পোৱা যায়।

কবীৰ দাসে ধৰ্মীয় গোড়ামীৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰাৰ যোগেদি মানুহক পৰিচয় দিয়াৰ ক্ষেত্ৰত সততে সৰৱ ভূমিকা গ্ৰহণ কৰিছিল। তেনেদৰে সাধাৰণ ঘৰৰ তিৰোতা হৈয়ো ৰাধিকাই টেম্বুৰনি জানৰ পলেৰে পানী আনি দিয়া ঘটনাই মানুহক মনৰ পৱিত্ৰতাই সমাজৰ মঙ্গল কাৰ্য্য কৰাৰ ইঙ্গিত ধন্য নৰ তনু ভালৰ যোগেদি প্ৰদান কৰিছে।

'ৰাধিকা শান্তিয়ে পানী মাটি দি ব্ৰাহ্মণসজ্জনে বান্ধিব নোৱাৰা টেম্বুৰনি জান বান্ধিলে-- শান্তিজান হ'ল। গাওঁ ৰক্ষা পৰিল,ৰাইজ ৰক্ষা পৰিল আৰু তাৰ লগে লগে প্ৰতিষ্ঠিত হ'ল এক নতুন মানৱীয় আদৰ্শ।'

মালিকৰ উপন্যাসত বিয়াবাৰু নকৰোৱা কথাটো সহজভাৱে গ্ৰহণ কৰা দেখা গৈছে। ধন্য নৰ তনু ভালৰ তৃতীয় খণ্ডৰ আৰম্ভণিতে কোৱা হৈছে—

'ইছলামে কোনো ক্ষেত্ৰতে সন্ন্যাস বা বৈৰাগ্যক অনুমোদন নকৰে। সমাজৰ মাজত আৰু সমাজৰ লগত থাকি সংসাৰী জীৱন যাপন কৰাটোৱে ইছলামৰ লক্ষ্য'

'যাকেৰি নাহিকে উপাম'ত শঙ্কৰদেৱে গাৰ্হস্থ্য জীৱনক ঈশ্বৰ চিন্তাৰ ক্ষেত্ৰত প্ৰতিবন্ধক বুলি ধাৰণা কৰিছে।

"তেওঁ (শঙ্কৰে ভাবিলে তেওঁ মাধৱৰ নিচিনা হ'ব পাৰিলেহেঁতেন। তেওঁৰ মাধৱলৈ ঈৰ্ষা হ'ল। কিছুমান বিষয়ত শিষ্য হৈয়ো মাধৱদেৱ গুৰুৰ উৰ্দ্ধত। শঙ্কৰদেৱক নিমিষতে আত্মগ্লানিয়ে জৰ্জৰিত কৰিলে।"

**উপসংহাৰঃ**

শঙ্কৰদেৱৰ জীৱনভিত্তিক উপন্যাস ৰচনা কৰাটো যথেষ্ট কষ্টকৰ কাম। কাৰণ, জীৱনৰ বাবে সমল সংগ্ৰহৰ মূল উৎস চৰিতপুথিসমূহত যথেষ্ট অলৌকিক কথা আছে। এনে অলৌকিক প্ৰসঙ্গসমূহ যথাযথ ৰূপত উপন্যাসত স্থান দিয়াটো অসম্ভৱ। কিয়নো তেনে কৰিলে সেইবোৰ আধুনিক পাঠকে বিশ্বাস কৰিবলৈ টান পাব। গতিকে এনেধৰণৰ ঘটনাবোৰ নতুন ব্যাখ্যা-বিশ্লেষণৰ যোগেদি উপন্যাসত উপস্থাপন কৰিব লাগিব।

'ধন্য নৰতুন ভাল' উপন্যাসত লেখকে শঙ্কৰদেৱৰ জীৱনৰ সৈতে জড়িত অলৌকিক কাহিনীবোৰৰ নতুন ব্যাখ্যা দাঙি ধৰাৰ প্ৰয়াস কৰিছে। এই প্ৰসঙ্গত ৰাধিকাই টেম্বুৰনী জানত প'লেৰে নৈৰ পানী আনি দিয়াৰ কথা উল্লেখ কৰিব পাৰি।

জীৱনভিত্তিক উপন্যাস জীৱনীৰ পুনৰাবৃত্তি নহয়, নায়কৰ জীৱন আৰু কৃতিৰ লগে লগে সমসাময়িক সমাজখনো উদ্ভাষিত কৰি তোলাই এনে উপন্যাসৰ মূল উদ্দেশ্য। ব্যক্তিৰ ওপৰত সমাজৰ প্ৰভাৱ পৰাৰ দৰেই অসাধাৰণ ব্যক্তিৰ ব্যক্তিত্বৰ প্ৰভাৱেও সমাজ জীৱনত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা দেখা যায়। অসমৰ ধৰ্ম, সমাজ, সাহিত্য, কলা, সাংস্কৃতিক জগতখনলৈ শঙ্কৰদেৱে অপৰিসীম বৰঙণি আগবঢ়াইছে। দুয়োখন উপন্যাসতেই ঔপন্যাসিক দুগৰাকীয়ে শঙ্কৰদেৱৰ জীৱন আৰু কৃতিৰ বিষয়ে বস্তুনিষ্ঠ বিচাৰ-বিশ্লেষণ আগবঢ়োৱাৰ প্ৰয়াস কৰিছে। উপন্যাসত সমসাময়িক সমাজ আৰু সংস্কৃতিক জীৱন্ত ৰূপ দিয়াৰ বাবে সমসাময়িক সমাজৰ সাজপাৰ, অলংকাৰ, আচাৰ-ব্যৱহাৰ আদিৰ জীৱন্ত ৰূপত দাঙি ধৰা হৈছে। ঔপন্যাসিকৰ ভাষাৰ কাব্যিক প্ৰকাশে দুয়োখন উপন্যাসৰেই আকৰ্ষণীয় গুণ বৃদ্ধি কৰিছে। মুঠতে অলোচ্য উপন্যাস দুখনি শঙ্কৰদেৱৰ জীৱন আৰু কৃতিৰ দুখনি দিক্ নিৰ্ণায়ক উপান্যাস। শঙ্কৰদেৱৰ যুগটোৰ প্ৰকৃত মূল্যায়ণত দুয়োখন উপন্যাসেই সহায়ক হৈছে।●●

**প্ৰসঙ্গ পুথি ঃ**

১) নগেন ঠাকুৰ (সম্পাদিত) ঃ এশ বছৰৰ অসমীয়া উপন্যাস

২) শৈলেন ভড়ালী ঃ উপন্যাসৰ বিচাৰ বিশ্লেষণ

৩) প্ৰফুল্ল কটকী ঃ স্বাজোত্তৰ অসমীয়া উপন্যাস

৪) চৈয়দ আব্দুল মালিক ঃ ধন্য নৰ তনু ভাল

৫) লক্ষ্মীনন্দন বৰা ঃ যাকেৰি নাহিকে উপাম

জয় গুৰু শঙ্কৰ